ASM-2016

দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান

**Institute of Distance and Open Learning**

গুৱাহাটী বিশ্ববিদ্যালয়

**Gauhati University**

অসমীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম (০১)

**M.A. in Assamese (01)**

পাঠ্যবিষয় ঃ **ASM-2016**

# অসমীয়া কবিতা (১৮৮৯-২০১৫)

## Contributors:

**Dr. Ajit Bharali** Block 1 (Unit : 1, 5)
KBVSAS University, Nalbari

**Dr. Jyotirmoyee Bhattacharjee** Block 1 (Unit 2, 3, 4)
DR College, Golaghat

**Jyotisman Das** Block 2 (Unit 1, 2, 3, 4)
Tezpur University

**Arindam Borkataki** Block 3 (Unit 1), Block 4 (Unit 1)
ADP College, Nagaon

**Mridul Sarma** Block 3 (Unit 2, 5)
Kanoi College

**Prof. Kamaluddin Ahmed** Block 3 (Unit 3)
Gauhati University

**Devabhushan Borah** Block 3 (Unit 4)
Majuli College

**Dr. Kamal Kumar Tanti** Block 4 (Unit 2)
Sivsagar

**Rajib Bora** Block 4 (Unit 3, 4, 5, 6)
Nazira College

## Course Coordination:

**Prof. Dandadhar Sarma** Director, IDOL, Gauhati University

**Prof. Taranee Deka** Dept. of Assamese, Gauhati Universit

## Cover Page Designing:

Bhaskar Jyoti Goswami IDOL, Gauhati University



**ISBN:**

**August, 2021**



© Copyright by IDOL, Gauhati University. All rights reserved. No part of this work may be reproduced, stored in a retrieval system, or transmitted, in any form or by any means, electronic, mechanical, photocopying, or otherwise.


Published on behalf of Institute of Distance and Open Learning, Gauhati University by the Director, and printed at Gauhati University Press, Guwahati-781014.

### প্ৰথম বিভাগ

## অসমীয়া ৰোমাণ্টিক কৱিতা (প্ৰথম তৰংগ)

**বিভাগৰ গঠন ঃ**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ ৰোমাণ্টিক কবিতাৰ পটভূমি
১.৪ অসমীয়া ৰোমাণ্টিক কবিতাৰ প্ৰথম তৰংগ
১.৫ সাৰাংশ (Summing Up)
১.৬ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ১.১ ভূমিকা (Introduction)

অসমীয়া সাহিত্যলৈ ৰোমণ্টিক যুগৰ আগমণ ঘটে জোনাকী কাকতখনৰ জৰিয়তে ১৮৮৯ চনত চন্দ্ৰ কুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱাৰ নেতৃত্বত কলিকতাত এই কাকতখনৰ জন্ম হৈছিল। এই তিনিজনে আছিল এই ৰোমাণ্টিক সাহিত্যৰ মূল হোতা। জোনাকী প্ৰথম সংখ্যাত চন্দ্ৰ কুমাৰ আগৰৱালাৰ বনকোঁৱৰী নামৰ এটি কবিতা প্ৰকাশ পায়। এইটোৱেই আছিল প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতা। পৰৱৰ্তী সময়ত এই ৰোমাণ্টিক ধাৰাৰ কিছু পৰিৱৰ্তন ঘটে। পৰিৱৰ্তন ঘটাৰ আগলৈকে (কবি ৰঘুনাথ চৌধাৰীৰ সময়লৈকে) এই সময়ছোৱাক অসমীয়া ৰোমাণ্টিক সাহিত্যৰ প্ৰথম তৰংগ বুলি কোৱা হয়। এই বিভাগটিত প্ৰথম তৰংগৰ কবিতা সম্পৰ্কত আলোচনা আগবঢ়োৱা হ'ব।

### ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটিৰ অধ্যয়নৰ অন্তত আপোনালোকে—

অসমীয়া ৰোমাণ্টিক কবিতাৰ পটভূমি সম্পৰ্কে জানিব পাৰিব।

ৰোমাণ্টিক কবিতাৰ স্বৰূপ উপলব্ধি কৰি তাক বিচাৰ কৰিব পাৰিব।

ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্য অনুধাৱন কৰিব পাৰিব।

ৰোমাণ্টিক কবিতাৰ পাশ্চাত্যৰ প্ৰভাৱ সম্পৰ্কে আভাস পাব।

### ১.৩ ৰোমাণ্টিক কবিতাৰ পটভূমি

আগতে উল্লেখ কৰা হৈছে যে জোনাকী কাকতৰ জৰিয়তে অসমীয়া সাহিত্যলৈ ৰোমাণ্টিক সাহিত্যৰ আগমণ ঘটে। এই শ্ৰেণীৰ সাহিত্য পাশ্চাত্যৰ দান। ৰোমাণ্টিক কবিতাত কল্পনাৰ ভূমিকা অপৰিসীম। কল্পনা সম্পৰ্কে থকা দৃষ্টিভংগীয়ে ইংৰাজী ৰোমাণ্টিক কবিসকলক তেওঁলোকৰ পূৰ্বৰ কবি সকলতকৈ পৃথক কৰিছে। এই দিশত মত-ভেদ থাকিলেও

কল্পনাৰ ভূমিকা বিশেষ নাছিল। তেওঁলোকে কল্পনাৰ কথা উল্লেখ কৰাৰ বেলিকা ইয়াৰ তাৎপৰ্য আছিল সীমিত। তেওঁলোকৰ 'ৰায়'ৰ দ্বাৰা নিয়ন্ত্ৰিত কল্পনাহে তেওঁলোকে অনুমোদন জনাইছিল। এই কবিসকলে চিত্ৰৰ ব্যৱহাৰৰ পোষকতা কৰিছিল। চিত্ৰ বোলোতে দৃষ্টিগ্ৰাহ্য ইম্প্ৰেছন আৰু ৰূপকতকৈ অধিক বুজোৱা নাছিল। কবিতাৰ বাবে আটাইতকৈ প্ৰয়োজন আবেগৰ প্ৰতি সততা, এই আবেগক তেওঁলোকে 'ভাবাবেগ' বুলি ক'বলৈহে ভাল পাইছিল। সাধাৰণ ভাষাত মানুহৰ সাধাৰণ অভিজ্ঞতা তেওঁলোকৰ কাব্যত ৰূপায়িত কৰিব বিচাৰিছিল। নিজৰ ব্যক্তিগত খাম-খেয়ালিৰ জৰিয়তে নতুন পৃথিৱী ৰচনাৰ বাবে তেওঁলোকে অভিলাষ কৰা নাছিল। কবিসকলক স্ৰষ্টা বুলি কোৱাতকৈ কাব্যকাৰী বুলি কোৱাটোহে তেওঁলোকে সমীচীন বুলি বিবেচনা কৰিছিল। ইতিমধ্যে আমাৰ পৰিচিত জগতখনৰ প্ৰতিহে তেওঁলোকৰ আকৰ্ষণ আছিল, অদেখা আৰু অজানালৈ তেওঁলোকৰ কোনো অভিযান নাছিল। জীৱনৰ ৰহস্যময় দিশবোৰৰ প্ৰতি তেওঁলোকৰ অনুৰাগ বিশেষ নাছিল, বৰঞ্চ জীৱনৰ পৰিচিত দিশসমূহৰ প্ৰতিহে তেওঁলোকে মনোযোগ দিছিল। এই দিশসমূহ সৌন্দৰ্যমণ্ডিতভাৱে আৰু সততাৰে তেওঁলোকৰ সামৰ্থ্য অনুযায়ী প্ৰকাশ কৰাটোৱে তেওঁলোকৰ দায়িত্ব। কিন্তু ৰোমাণ্টিকসকলৰ বাবে কল্পনা অপৰিহাৰ্য, কিয়নো তেওঁলোকৰ বাবে কল্পনাৰ অবিহনে কবিতা অসম্ভৱ।

কল্পনাৰ ওপৰত এই বিশ্বাস সেই সময়ৰ ব্যক্তিসত্তাৰ ওপৰত বিশ্বাসৰে অঙ্গ আছিল। কাল্পনিক জগত সৃষ্টিৰ বাবে কবিসকলৰ বিস্ময়কৰ প্ৰতিভা আছিল বুলি তেওঁলোক সচেতন আছিল। ব্যক্তিসত্তাৰ ওপৰত এই বিশ্বাস ভ্ৰান্ত বুলি তেওঁলোকে কেতিয়াও ভবা নাছিল। আনহাতে কল্পনাক সংযমেৰে বান্ধিব খোজা কথাটো ৰোমাণ্টিকতাবাদীসকলে তেওঁলোকৰ সমগ্ৰ সত্তাৰ বাবে অতীব প্ৰয়োজনীয় কিবা এটা অস্বীকাৰ কৰা বুলি বিবেচনা কৰিছিল। তেওঁলোকে ইয়াকো ভাবিছিল যে এই কল্পনাশক্তিয়েই তেওঁলোকক কবি পৰিচয় প্ৰদান কৰিছে। এই কল্পনাশক্তিৰ কৰ্ষণৰ জৰিয়তে কেৱল বাস্তৱবোধসম্পন্ন কাব্য ৰচনা কৰা কবিসকলতকৈ উৎকৃষ্টতৰ কবিতা ৰচনা তেওঁলোকে কৰিব পাৰে বুলি ভাবে। সৃষ্টিশীল উদ্দীপনা বাধাহীনভাৱে ক্ৰিয়াশীল হৈ থকা সময়তে কবিতাৰ শক্তি আটাইতকৈ তীব্ৰ হৈ থাকে। কবিতাৰ এই শক্তিৰ উমান তেওঁলোকে পায় যেতিয়া উৰি ফুৰা দৃশ্যবোৰৰ তেওঁলোকে মূৰ্ত ৰূপ দিব খোজে, যেতিয়া অপৰিশোধিত চিন্তাবোৰ আয়ত্বলৈ আনিবলৈ তেওঁলোকে যত্ন কৰে। যিদৰে ৰাজনীতিত মানুহে তেওঁলোকৰ মন তেওঁলোকৰ অৱস্থানৰ পৰা সংশোধিত মানৱতাৰ বহল প্ৰেক্ষাপটলৈ ঢাল খুৱাবলৈ যত্ন কৰে, তেনেদৰে কলাৰ ক্ষেত্ৰতো গতানুগতিক স্থিতাৱস্থা পৰিত্যাগ কৰি ব্যক্তিগত দুঃসাহসিক আঁচনিলৈ মন মেলে। এনে ধৰণৰ আঁচনিবোৰত প্ৰেৰণাদায়ক জ্যোতি নিহিত থাকে। নৱজাগৰণৰ কবিসকলে হঠাতে যিদৰে ব্যক্তিসত্তাৰ বিৰাট সম্ভাৱনা দেখিবলৈ পাইছিল আৰু যিদৰে সেইবোৰৰ ৰূপায়ণ ঘটাইছিল সাহসিকতাপূৰ্ণ উচ্চ পৰ্যায়ৰ কলাত, তেনেদৰে ৰোমাণ্টিকতাবাদী সকলেও তেওঁলোকৰ নিজস্ব ক্ষমতাৰ পূৰ্ণ ব্যৱহাৰ কৰিছিল। নৱজাগৰণৰ কবিসকলৰ দৰেই ৰোমাণ্টিক কবিসকলেও নিজৰ ক্ষমতাৰ জৰিয়তে নতুন পৃথিৱী গঢ়ি তুলিবলৈ বিচাৰিছিল।

ধৰ্মীয় আৰু মেটাফিজিকেল এই দুয়োটা বিবেচনাৰ ভিত্তিত ৰোমাণ্টিক কল্পনাক শক্তিৱন্ত কৰিবলৈ বিচৰা হৈছিল। এটা শতাব্দীজুৰি ইংৰাজী দৰ্শনত লকৰ (John Locke) সূত্ৰবে প্ৰাধান্য আছিল ব্যাপক। লকে ধাৰণা কৰিছিল যে মন সম্পূৰ্ণ নিষ্ক্ৰিয়। বৈজ্ঞানিক চিন্তাচৰ্চাৰ লগত লকৰ দৰ্শন ৰজিতা খাই পৰিছিল। নিউটনৰ বৈজ্ঞানিক চিন্তা-চৰ্চাও এই ক্ষেত্ৰত প্ৰতিনিধিসূচক। দাৰ্শনিক আৰু বিজ্ঞানী উভয়ে যন্ত্ৰগত (mechanistic) যি ব্যাখ্যা আগবঢ়াইছিল সেই ব্যাখ্যাত মানবীয় সত্তাৰ প্ৰতি শ্ৰদ্ধা আছিল নামমাত্ৰ। বিশেষকৈ এই সত্তাৰ প্ৰবৃত্তিগত (instinctive) ক্ষমতাৰ কথা অৱজ্ঞা কৰা হৈছিল। লক আৰু নিউটনৰ জগতত ভগৱানৰ বাবে একোডোখৰ স্থান আছিল। লকে প্ৰকৃতিৰ কাম-কাজবোৰত সৰ্বময়কৰ্তাৰ সাক্ষ্য বিচাৰি পাইছিল। নিউটনে আকৌ যুক্তি দৰ্শাইছিল যে জগতখনক এটা বৃহৎ যন্ত্ৰ বুলি ধৰিলে এগৰাকী যন্ত্ৰবিদৰ কথাও মনলৈ আহে। কিন্তু ৰোমাণ্টিকতাবাদীসকলে ধৰ্মৰপৰা এনেবোৰ কথা একেবাৰে বিচৰা নাছিল। তেওঁলোকৰ বাবে ধৰ্মত কাৰণতকৈ অনুভূতিৰ, যুক্তি-তৰ্কতকৈ অভিজ্ঞতাৰহে প্ৰাসংগিকতা। ৰোমাণ্টিকতাবাদীসকলে অভিযোগৰ সুৰত কৈছিল যে যন্ত্ৰৰ আধিপত্যগত এই ব্যাখ্যাই মানুহৰ আন্তৰিক দায়বদ্ধতাক অস্বীকাৰ কৰাটো বুজায়। কবিতাৰ ক্ষেত্ৰতো একে কথাই খাটে। লগে কবিতাক এটা মানবীয় কাৰ্য বুলিয়েই অভিহিত কৰিছিল আৰু কবিতা সম্পৰ্কে বৰ উচ্চ মত পোষণ কৰা নাছিল।

ৰোমাণ্টিকতাৰ অৰ্থ কেৱল স্বপ্নৰ বয়ন আৰু বেদনা বিলাস নহয়। ৰোমাণ্টিক শিল্পী মনেপ্ৰাণে আদৰ্শবাদী। কঠিন বাস্তৱ তেওঁ কোনোপধ্যে মানি ল'ব নোৱাৰে। বাস্তৱক এৰি যেতিয়া তেওঁ আপাতদৃষ্টিত পলাই যাব বিচাৰিছে সেয়া তেওঁৰ কাপুৰুষতা নহয়। তেওঁ যেতিয়া স্বপ্নলোকলৈ যাবলৈ বিচাৰে, সেই স্বপ্নলোক উজ্জয়িনীয়েই হওঁক বা ইনিচাফ্ৰীয়েই হওঁক, সেয়া সাময়িক বিৰামৰ বাবে, যাতে পূৰ্ণ উদ্যমেৰে এই ধূলি ধূসৰিত পৃথিৱীলৈ উভতি আহিব পাৰে। তেওঁৰ বিৰুদ্ধে পলায়নবাদী মনোবৃত্তিৰ অভিযোগ এই কাৰণেইআনিব নোৱাৰি। তেওঁ পৃথিৱীক সুন্দৰতৰ ৰূপত গঢ়িবলৈ বিচাৰে, সমাজক কৰিবলৈ বিচাৰে ন্যায়ৰ ভিত্তিত প্ৰতিষ্ঠিত। পলাই গ'লে তেওঁ নিজে পৰিত্ৰাণ পাব পাৰে। কিন্তু তাৰ জৰিয়তে মানুহৰ যুক্তি ত্বৰান্বিত নহ'ব। প্ৰতিটো চকুৰ প্ৰতিটো অশ্ৰুবিন্দু যেতিয়ালৈকে মছি পেলাব নোৱাৰে তেতিয়ালৈকে তেওঁৰ শান্তি নাই। পুৰণি পৃথিৱী এখন ভাঙি চিঙি নতুন জগত এখন সৃষ্টি কৰি কেৱল কবিয়েই তাত সুখে-সন্তোষেৰে ঘৰ-সংসাৰ নকৰে, সকলো সুখী হ'ব, সকলোৰে নিৰাময় হ'ব।

ৰোমাণ্টিক কবি 'ৰসতীৰ্থ পথৰ পথিক'।' অনাস্বাদিত ৰসৰ পৰিবেশনতে তেওঁৰ আনন্দ। তেওঁ সৌন্দৰ্যৰ উপাসক, সকলোৰে মাজত সৌন্দৰ্যৰ সন্ধান কৰে। এইটো তেওঁৰ এটা দিশ। আনফালে তেওঁ এগৰাকী যোদ্ধা। জীৱন-সংগ্ৰামত সংগ্ৰামৰত প্ৰতিজন মানুহৰ তেওঁ সহযোদ্ধা।

কবিৰ মন সাধাৰণ মানুহৰ মনতকৈ স্বতন্ত্ৰ প্ৰকৃতিৰ বিশেষকৈ ৰোমাণ্টিক কবিৰ মন। অৱশ্যে এই পাৰ্থক্য মৌলিক নহয় বুলি ৱৰ্ডচৱাৰ্থে বিবেচনা কৰে। সেয়া যি নহওঁক, এইটো কতা স্পষ্ট যে কবিৰ মন সাধাৰণ মানুহৰ মনৰ তুলনাত অনেক প্ৰসস্ততৰ আৰু

গভীৰতৰ। জনসাধাৰণৰ জীৱনত কবি মনৰ সীমাহীন উদাৰতাৰ দৃষ্টান্ত পোৱা নাযায়। ইয়াৰ উপৰিও সূক্ষ্মতা, সংবেদনশীলতাৰ ফালৰপৰাও ৰোমাণ্টিক কবিৰ মন অনন্য। সেই মন নিজকে লৈ বহু সময়ত তন্ময়, কেতিয়াবা আকৌ দিশহাৰা। কিন্তু অন্যৰ কথা, অন্যৰ ব্যথা সেই মনৰপৰা কোনো সময়তে মছ খাই নাযায়। হয়তো তেওঁ আত্মমগ্ন, কিন্তু কেতিয়াও স্বাৰ্থান্ধ নহয়। নিজকে ভাল পায় বুলিয়েই ৰোমাণ্টিক কবিয়ে অন্যকো ভাল পাব পাৰে, সকলো মানুহকে ভাল পাব পাৰে।

ৰোমাণ্টিচিজমৰ প্ৰকৃত সংজ্ঞা এতিয়ালৈকে অনিশ্চিত। বিভিন্ন ধৰণৰ সংজ্ঞাৰ প্ৰচলন আছে— এইবোৰৰ ভিতৰত Walter Pater-অৰ 'addition of strangers to beauty' সমধিক গুৰুত্বপূৰ্ণ। বিস্ময়বোধৰ নৱজাগৰণ নিশ্চয়কৈ আমি ৰোমাণ্টিক ৰচনাত পাওঁ, কিন্তু সংজ্ঞা দিয়াৰ সময়ত তাকেই অৱলম্বন কৰা হ'ব নে নহয় সেয়া তৰ্কসাপেক্ষ। সুন্দৰৰ সৈতে বিচিত্ৰৰ সংযোগো ৰোমাণ্টিক লেখাত ঘটি থাকে। তথাপি সেয়া ৰোমাণ্টিচিজমৰ মূল কথা হয়নে নহয় সেই বিষয়ে সন্দেহৰ অৱকাশ আছে।

সাধাৰণতে ৰোমাণ্টিচিজমৰ ক্লাছিচিজমক বিপৰীতধৰ্মী বুলি গণ্য কৰা হয়। 'ক্লাছিক শুভ আৰু ৰোমাণ্টিক পাঁচৰঙী' —এই কথা ৰবীন্দ্ৰনাথ ঠাকুৰে তেওঁৰ 'সাহিত্য' গ্ৰন্থত লিখিছে। সাহিত্যৰ ইতিহাস আলোচনা কৰিলে দেখা যায়, কেতিয়াবা ক্লাছিকেল ধাৰা, কেতিয়াবা ৰোমাণ্টিক ধাৰা প্ৰবহমান। 'ক্লাছিকেল' আভিধাটো প্ৰধানতঃ প্ৰাচীন গ্ৰীছ আৰু ৰোমৰ সাহিত্য-শিল্প সম্বন্ধে প্ৰয়োগ কৰা হৈছিল। এই ধ্ৰুপদী দৃষ্টিভঙ্গি আৰু শৈলীৰপৰা ৰোমাণ্টিক দৃষ্টিভঙ্গী আৰু শৈলীক সম্পূৰ্ণভাৱে পৃথক কৰা কঠিন। এটা আনটোৰ সৈতে অঙ্গাঙ্গীভাৱে জড়িত। অৱশ্যে সাহিত্য-সমালোচকসকলে তেওঁলোকৰ সুবিধাৰ কাৰণে দুটি পৃথক ধাৰা বুলি বিবেচনা কৰে। ৰোমাণ্টিক সাহিত্য মূলতঃ অন্তৰ্মুখী। তেওঁলোক মনোজগততে প্ৰধানকৈ বাচি থাকে আৰু মনোবৃত্তিৰ প্ৰকাৰ আৰু বিশ্লেষণতে তেওঁলোকৰ আনন্দ।

ৰোমাণ্টিক কবিতাৰ প্ৰধান লক্ষ্য কল্পনাৰ আলোকত জীৱনৰ ৰূপান্তৰ। কল্পনা ৰোমাণ্টিক কবিতাৰ প্ৰধান সহায়িকা। ৰোমাণ্টিক কল্পনা সম্পৰ্কে আমি প্ৰথমেই আলোচনা কৰিছোঁ। এই আলোকতে আমি অসমীয়া ৰোমাণ্টিক যুগৰ কবিসকলৰ কবিতাৰ সাধাৰণ লক্ষণ অথবা গোটেই যুগটোৰ কাব্যকৰ্মৰ মাজেদি ফুটি উঠা উমৈহতীয়া বৈশিষ্ট্যসমূহ বিচাৰ কৰিব লাগিব।

**আত্মমূল্যায়ন প্ৰশ্ন**

ৰোমাণ্টিকতাৰ অৰ্থ কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

## ১.৪ অসমীয়া ৰোমাণ্টিক কবিতা

'জোনাকী' (১৮৮৯) আলোচনীৰ জৰিয়তে অসমীয়া সাহিত্যত প্ৰথমে পাশ্চাত্য সাহিত্যৰ আৰু বিশেষকৈ ইংৰাজ ৰোমাণ্টিক সাহিত্যৰ প্ৰভাৱ পৰে। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী 'জোনাকী'ৰ সম্পাদকমণ্ডলী আছিল আৰু তেওঁলোক 'ত্ৰিমূৰ্তি' নামে জনাজাত আছিল। ঊনৈশ শতিকাৰ প্ৰখ্যাত কবিতা সংকলন 'গল্ডেন ট্ৰেজাৰী'ৰ আদৰ্শত সূক্ষ্ম সৌন্দৰ্যবোধৰ সন্ধানত তেওঁলোকে উচ্চখাপৰ কবিতা লিখাত ব্ৰতী হৈছিল। বেজবৰুৱাৰ কবিতাৰ উদ্ধৃতিৰ জৰিয়তে ইয়াৰ আভাস পাব পাৰি ঃ

*ৰমণীৰ কমনীয় মাধুৰী মধুৰ*
*আধা-ফুটা আধা-মাত সৰগ সিপুৰ।*

—কবিতা যে এক স্বৰ্গীয় উপাদান এই ধাৰণা বেজবৰুৱাৰ মনলৈ আহিছে ইংৰাজ ৰোমাণ্টিক কবিসকলৰ কবিতাৰ অনুধাৱনৰ যোগেদি। অৱশ্যে এইখিনিতে প্ৰণিধানযোগ্য যে এই ৰোমাণ্টিক কাব্যাদৰ্শৰ লগতে বেজবৰুৱাৰ চিন্তাক প্ৰভাৱান্বিত কৰিছিল ওঠৰ শতিকাৰ ইংৰাজ কবি পোপৰ আৰ্হিয়ে।

মানুহৰ আবেগ অনুভূতি প্ৰকাশৰ ক্ষেত্ৰত বেজবৰুৱা ৰোমাণ্টিক মেজাজৰ আছিল। ৰোমাণ্টিক দৃষ্টিভঙ্গীৰ সাহসী প্ৰবক্তা বুলি বেজবৰুৱাক অভিহিত কৰিব পাৰি। তেওঁৰ ব্যক্তিত্বৰ এই ৰোমাণ্টিক দিশটোৰ বাবেই চকুত নতুন দীপ্তি সানি পৃথিৱীখনক নতুন দৃষ্টিৰে চাইছিল। এই ৰোমাণ্টিকতাৰ লগতে বাস্তৱতাৰো সমন্বয় সাধন হৈছিল। এই বাস্তৱবোধ কিন্তু তেওঁৰ পূৰ্বৰ গুণাভিৰাম বৰুৱাহঁতৰ দৰে নাছিল। পূৰ্বসুৰীসকলে চোৱাৰ দৰে পৃথিৱীখনক তেওঁ নাচাইছিল। গতিকে বেজবৰুৱাই যি বাস্তৱতাৰ সূচনা কৰিছিল সেয়া পূৰ্বসুৰীসকলৰ দৰে নহয়।

বেজবৰুৱাৰ গদ্যৰ দৰেই কবিতাতো তেওঁৰ ব্যঙ্গ আৰু হাস্যৰসে প্ৰকাশ লাভ কৰিছে। কিন্তু এই কথা ঠিক যে বেজবৰুৱাৰ কবি হিচাপে গুৰুত্ব এই ব্যঙ্গ আৰু হাস্যৰসৰ বাবে নহয়। আগষ্টানে যুগৰ কবিসকলৰ কবিতাত ব্যঙ্গই এনেদৰে প্ৰকাশ লভিছিল যে ব্যঙ্গ কবিতা এবিধ তাৎপৰ্যপূৰ্ণ সাহিত্য-কৃতিলৈ ৰূপান্তৰিত হৈছিল। কিন্তু বেজবৰুৱাৰ লীৰিকসমূহৰ সাধাৰণতে যি আবেদন আছে সেয়া কিন্তু ব্যঙ্গ আৰু হাস্যৰসৰ কবিতাসমূহত নাই। ফলস্বৰূপে, বেজবৰুৱাৰ কবিতাৰ তাৎপৰ্যপূৰ্ণ অংশ আৱৰি আছে ৰোমাণ্টিক চেতনাই। এই চেতনা তেওঁৰ সৃষ্টিশীল ব্যক্তিত্বৰে অন্য দিশ।

গদ্যৰ ক্ষেত্ৰত তেওঁৰ উল্লেখযোগ্য ৰচনাসমূহ অন্তৰ্দৃষ্টিৰ সহযোগতে হওঁক কিম্বা ইয়াৰ সহায় অবিহনেও হওঁক হাস্যৰসৰ পৰা উৎসাৰিত। কিন্তু কবিতাৰ ক্ষেত্ৰত দেখা

যায় যে আটাইতকৈ তাৎপৰ্যপূৰ্ণ কবিতাখিনি সৃষ্টি হৈছে বেজবৰুৱাৰ 'ৰোমাণ্টিক' মনটোৰ বাবে। বয়ঃসন্ধি কালৰ বেজবৰুৱা ৰচিত কবিতা কেইটামানত 'ৰোমাণ্টিক' বিষয়বস্তুৰে প্ৰাধান্য, তেওঁৰ আগছোৱা বয়সৰ গল্প-উপন্যাসতো ৰোমাণ্টিক দৃষ্টিভঙ্গীৰ সাক্ষ্য পোৱা যায়। তেওঁৰ উপন্যাস 'পদুম কুঁৱৰী'ৰ প্লট লীৰিকেলভাৱে সংগ্ৰথিত। তেওঁৰ সমসাময়িক চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীৰ দৰেই বেজবৰুৱা আছিল অসমীয়া সাহিত্যৰ 'প্ৰকৃত' প্ৰবক্তা। তেওঁৰ লীৰিকসমূহ ইংৰাজ ৰোমাণ্টিক কবিতাৰ দ্বাৰাই প্ৰভাৱান্বিত। বেজবৰুৱাই ইংৰাজী সাহিত্য কলেজত অধ্যয়নৰ এটি বিষয় হিচাপে লৈছিল। বেজবৰুৱাৰ পূৰ্বসুৰী আৰু সমসাময়িক সকলতকৈ তেওঁ এই ক্ষেত্ৰত ব্যতিক্ৰম আছিল। সেয়ে বেজবৰুৱা বহু পৰিমাণে ইংৰাজ কবিসকলৰ দ্বাৰা পোনপটীয়াভাৱে প্ৰভাৱান্বিত হৈছিল। এগৰাকী কবি হিচাপে তেওঁ ৰোমাণ্টিক চেতনা আহৰণ কৰিছিল প্ৰধানকৈ ইংৰাজ কবি আৰু ৰবীন্দ্ৰনাথপৰা। এই চেতনাই প্ৰথমতে গঢ় লৈছিল আৰম্ভণি পৰ্যায়ৰ আধুনিক লীৰিকল বাংলা কবিতা অধ্যয়নৰ যোগেদি। এই আন্দোলনৰ প্ৰধান ব্যক্তি আছিল বিহাৰীলাল চট্টোপাধ্যায়।

বেজবৰুৱাই তেওঁৰ লীৰিক সমূহৰ জৰিয়তে কিবা নতুন বস্তু অসমীয়া কবিতালৈ আদৰি আনিছিল। সেই কবিতাসমূহে অসমীয়া সাহিত্যৰ টিপিকেল ৰোমাণ্টিক চেতনাৰ বিকাশত প্ৰভূত পৰিমাণে অৱদান যোগাইছিল। আমি যাক সচৰাচৰ 'পাশ্চাত্য' বুলি কওঁ তালৈ অৰিহণাও তেওঁৰ সমসাময়িক সকলতকৈ বেজবৰুৱাৰে আটাইতকৈ বেছি। বেজবৰুৱাৰ 'মালতী' কবিতাত বিভিন্ন পৰ্যায়ৰ প্ৰভাৱ আছে যদিও ৱৰ্ডচৱাৰ্থৰ 'The dwelt among untrodden ways'-ৰ অনুৰণনো আছে ঃ

*লুইতৰ কুঁৱৰী     নহয় ঐ মালতী*
*নহয় তেওঁ ফুলৰে ৰাণী;*
*আকাশী পোহৰৰ     নহয় তেওঁ প্ৰতিমা*
*নহয় তেওঁ বীণৰে বাণী।*
*পৰ্বতৰ জীয়াৰী     সুন্দৰী গৌৰীৰ*
*সাঁচত মোৰ মালতী নাই;*
*নুশুঙা ফুলটিৰ     নুফুলা কলিটিৰ*
*মালতীত তুলনা পায়।*

ৱৰ্ডচ্ৱাৰ্থৰ লুচীৰ দৰেই মালতী লুকাই থকা ফুল (নুশুঙা ফুলটিৰ . . .) আৰু তাৰ আদৰ বুজা মানুহ কম।

এনেদৰে শ্যেলীৰ প্ৰভাৱো বেজবৰুৱাৰ কাব্যত দেখা যায়। তেওঁৰ 'অৱশেষ' কবিতাত শ্যেলীৰ 'Music when soft voices die'-ৰ অনুৰণন শুনিবলৈ পোৱা যায়। তেনেদৰে শ্যেলীৰ 'Love's Philosophy' বেজবৰুৱাৰ হাতত হাস্যৰসৰ 'চুমা'লৈ ৰূপান্তৰিত হৈছে।

কিন্তু এইখিনিতে স্বীকাৰ কৰিব লাগিল যে জীৱনৰ ৰসহ্য বা ৰহস্যময় কল্পদৃষ্টিৰ প্ৰতি বেজবৰুৱাৰ প্ৰকৃত অনুৰাগ নাছিল। যদিও তেওঁ ৰোমাণ্টিক চেতনাৰ অধিকাৰী আছিল, ৰবীন্দ্ৰনাথ ঠাকুৰৰ কাব্যত সহজেই লক্ষণীয় 'সৌন্দৰ্য'ই আত্মাৰ স্পিৰিট বহন কৰা নাই। বেজবৰুৱাৰ ৰোমাণিটিকতাবাদ আৰু তেওঁৰ ৰোমাণ্টিক কবিতাৰ পৰিসৰ সীমাবদ্ধ। জীৱনৰ বিচিত্ৰতা সামৰি ল'ব পৰা নাই।

চন্দ্ৰকুমাৰ আগৰৱালা (১৮৬৭-১৯৩৮)ৰ কবিতাতো ৰোমাণ্টিকতাৰ ৰূপায়ণ সুন্দৰভাৱে হোৱা দেখিবলৈ পোৱা যায়। 'কল্পনাপ্ৰৱণ সংবেদনশীলতাৰ অসামান্য বিকাশ' চন্দ্ৰকুমাৰৰ কবিতাত স্বাভাৱিকভাৱে ঘটিছে আৰু আধুনিক কবিতাৰ প্ৰাৰম্ভতে ৰোমাণ্টিক চেতনাৰ পৰিপক্কতা তাৰ মানত ফুটি উঠিছে। (চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰ, সম্প্ৰাদনা ঃ নগেন শইকীয়া, পৃষ্ঠা ৬)। প্ৰায় আপ্তবাক্যত পৰিণত হোৱা 'সুন্দৰৰ আৰাধনা জীৱনৰ খেল' (সৌন্দৰ্য)ত ৰোমাণ্টিক সৌন্দৰ্য চেতনাৰ প্ৰকাশ ঘটিছে। চন্দ্ৰকুমাৰৰ এই সৌন্দৰ্য চেতনাৰ সুখ প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰায় সকলো কবিতাতে স্বাভাৱিকভাৱে পৰিছে আৰু সেই বৈশিষ্ট্যই তেওঁৰ কবিতাক বিশেষ আয়তন প্ৰদান কৰিছে। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত অনুভূতিৰ তীব্ৰতা লক্ষ্যণীয়।

'বীণ ব'ৰাগী' কবিতাত চন্দ্ৰকুমাৰৰ ৰোমাণ্টিক চেতনাৰ ভালেমান দিশে প্ৰকাশ লাভ কৰিছে। পশ্চিমীয়া উদাৰনৈতিক মানৱতাবোধৰ লগতে ভাৰতীয় অধ্যাত্মবাদৰ অভিনৱ সমন্বয় লক্ষ্য কৰিব পাৰি। শ্যেলীৰ "Ode to the West Wind:" কবিতাৰ প্ৰভাৱো 'বীণ ব'ৰাগী'-ত দেখা যায়।

এইখিনিতে ড° কবীন ফুকনৰ অভিমত সুঁৱৰিব পাৰি। চন্দ্ৰকুমাৰৰ কবিতাত আত্মকথা ব্যক্তিগত সংকীৰ্ণতাৰ পৰা উধাই গৈ বহল পৰিপ্ৰেক্ষিত লাভ কৰিছে। এই আত্মকথাই মৰ্মস্পৰ্শী ৰূপ লাভ কৰা বাবেই তেওঁ ৰোমাণ্টিক কবি। এই আত্মকথাৰ ধাৰণাটোৱে কবিৰ বিশেষ কল্পনাশক্তি আৰু তাৰ বিশেষ প্ৰকাশভঙ্গিমাৰ কথাও সামৰি লৈছে। এই আত্মানুভূতিৰ বাবেই তেওঁৰ কবিতাত বিস্ময়বোধ, সৌন্দৰ্য-সম্মোহন, প্ৰকৃতি-কাতৰতা, অতি-প্ৰকৃতিৰ ইন্দ্ৰজাল, জীৱনৰ আধিভৌতিক (metaphysical) একাত্মবোধ, মানৱাত্মাৰ জয়গান, ইত্যাদি ইত্যাদি ভাৱাবেগ কবি-কল্পনাৰ ৰূপ ৰসেৰে ফুটি ওলাব পাৰিছিল। তেওঁৰ পূৰ্বসুৰী কবি ভোলানাথ দাস, ৰত্নেশ্বৰ মহন্তৰ কবিতাত ছেগাচোৰোকাকৈ আত্মসত্তা কেন্দ্ৰস্থ হৈছিল যদিও চন্দ্ৰকুমাৰৰ কবিতাতহে কবিৰ আত্মকথাৰ সৰ্বাত্মক আৰু সুনিশ্চিত প্ৰতিষ্ঠা হয়। এনে হোৱাৰ কাৰণেহে তেওঁৰ কবিতাত ভালেমান ৰোমাণ্টিক গুণ-গৰিমা প্ৰকাশ পায়।

অসমীয়া ৰোমাণ্টিক কবিতাৰ ইতিহাস অনুধাৱন কৰিলে দেখা যায় যে কেৱল বিদেশী ৰোমাণ্টিক কবিতাকে মূলধন হিচাপে লৈ জাতীয় কাব্যধাৰাৰ সম্ভাৱনা মুকলি কৰিব নোৱাৰি। বেজবৰুৱাৰ ক্ষেত্ৰতে দেখা যায় যে, পশ্চিমীয়া ৰোমাণ্টিকতাৰ পৰা সমল গ্ৰহণ কৰিলেও বিশেষকৈ ভাৰতৰ বৈষ্ণৱ জাগৰণৰ অনুষঙ্গ কৃষ্ণ, বৃন্দাবন, যমুনাৰ আদিৰ সঘন উল্লেখ তেওঁৰ কাব্যত আছে। ইয়ে জাতীয় শ্ৰেণীৰ কাব্য-ধাৰা গঢ় লৈ উঠাত সহায় কৰিছে। চন্দ্ৰকুমাৰ আগৰৱালা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ লগতে হেমচন্দ্ৰ

গোস্বামীয়েও 'কাকো আৰু হিয়া নিবিলাওঁ', 'পুৰা' আদি কবিতাৰে অসমীয়া ৰোমাণ্টিক কবিতা সমৃদ্ধ কৰে। 'প্ৰিয়তমাৰ চিঠি' কবিতাত ইটালীয় আৰ্হিৰ ছনেটৰ আদৰ্শ অনুসৃত হয়। 'জোনাকী'ৰ আন্দোলনৰ লগত সংযুক্ত নোহোৱাকৈ মফিজুদ্দিন আহমেদ হাজৰিকাই ঘৰুৱা আৰু প্ৰাঞ্জল ভাষাৰ সমাবেশেৰে কাব্য ৰচনা কৰে। 'জ্ঞানমালিনী' তেওঁৰ অন্যতম কাব্য সংকলন। এওঁলোকৰ সমসাময়িক পদ্মনাথ গোহাঞিবৰুৱাই 'জুৰণি', 'লীলা' আৰু 'ফুলৰ চানেকি' কবিতাৰ পুথি লিখি উলিয়ায়। ড০ মহেশ্বৰ নেওগৰ মতে, 'লীলা'ত নৈৰ্ব্যক্তিক আৰু বিশ্বজনীন সুৰ নথকাত কাব্যিক ৰসায়ন সম্ভৱ হোৱা নাই। উল্লেখযোগ্য যে, কবিয়ে প্ৰথমা পত্নী লীলাৱতীৰ বিয়োগ-দুখত দুইৰো সম্পৰ্কৰ কাহিনী বৰ্ণনা কৰিছে।

বেণুধৰ ৰাজখোৱাই পুৰণি লোক-গীতৰ আদৰ্শত জয়মতী-বিষয়ক কেইটামান গীত ৰচনা কৰে। এইকেইটিৰ কাব্যিক মূল্য উল্লেখযোগ্য। ভাঙনি কোঁৱৰ হিচাপে খ্যাত আনন্দ চন্দ্ৰ আগৰৱালাই মূলৰ সৌন্দৰ্য অটুত ৰাখি কেইবাটাও কবিতাৰ সাৰ্থক অনুবাদ আগবঢ়াইছে। লোক-গীতৰ আৰ্হিৰ 'পানেশৈ'য়ে ইংৰাজ ৰোমাণ্টিক ঐতিহ্যৰ সুঁতিটোকে আমাৰ চকুৰ আগত প্ৰতিভাত কৰিছে।

উত্তৰ-জোনাকী স্তৰৰ কবিকুলৰ ভিতৰত চন্দ্ৰধৰ বৰুৱা, হিতেশ্বৰ বৰবৰুৱা, ৰঘুনাথ চৌধাৰী, অম্বিকাগিৰি ৰায়চৌধুৰী, দুৰ্গেশ্বৰ শৰ্মা উল্লেখযোগ্য। হিতেশ্বৰ বৰবৰুৱাই পোনতে আধুনিক অসমীয়া ভাষাৰ যোগেদি মহাকাব্যিক গাম্ভীৰ্য প্ৰকাশত সফলতা অৰ্জন কৰে। ৰঘুনাথ চৌধাৰী উত্তৰ-জোনাকী স্তৰৰ অন্যতম শীৰ্ষস্থানীয় কবি। ৰোমাণ্টিক ভাব-ভাষাই এওঁৰ কবিতাত পৈণত সমৃদ্ধি লাভ কৰিছে। ইন্দ্ৰিয়মুখী আৰু ইন্দ্ৰিয়বিমুখী এই দুইধাৰাৰ কবিতা ৰঘুনাথ চৌধাৰীয়ে ৰচনা কৰিছে। ফুল আৰু চৰাই তেওঁৰ কবিতাত অন্তৰংগভাৱে আছে। অম্বিকাগিৰি ৰায়চৌধুৰীয়ে ব্যক্তিগত প্ৰেম, দেশ প্ৰেম আৰু ইন্দ্ৰিয়াতীত প্ৰেমেৰে অসমীয়া কাব্য কাননৰ ঐশ্বৰ্য প্ৰদান কৰিছে। 'কি লৱণু দিলা মোৰ'ৰ দৰে কবিতাত কবিৰ ব্যক্তিগত দুখানুভূতি সৌন্দৰ্যমণ্ডিত ৰূপত উদ্ভাসিত হৈছে। তেওঁৰ দেশপ্ৰেমূলক কবিতাসমূহৰো সুকীয়া আবেদন আছে। তেনেদৰে উত্তৰ-জোনাকী স্তৰৰ কবি দুৰ্গেশ্বৰ শৰ্মাৰ কবিতাত অসমীয়া কবিতাত প্ৰায় বিৰল দাৰ্শনিকতাৰ ৰূপায়ণ দেখা যায়।

ত্ৰিশৰ দশকত ৰোমাণ্টিক কবিতাৰ এটা প্ৰবাহ দেখা যায়। 'বাঁহী'ৰ স্তৰৰ কবিকুলৰ ভিতৰত যতীন্দ্ৰ নাথ দুৱৰা অন্যতম। ব্যক্তিগত উচ্চাৰণ আৰু তাৰ স্বচ্ছন্দ গতিৰে দুৱৰাৰ কবিতাই পঢ়ুৱৈৰ মনোযোগ আকৰ্ষণ কৰে। পাছলৈ গণেশচন্দ্ৰ গগৈয়ে অসমীয়া ৰোমাণ্টিক কবিতাক বিশেষ সমৃদ্ধি প্ৰদান কৰে।

উপেন্দ্ৰনাথ শৰ্মাই ''কবিতাৰ ভাষা আৰু অন্যান্য প্ৰবন্ধ' শীৰ্ষক গ্ৰন্থত অভিমত আগবঢ়াইছে যে দ্বিতীয় মহাযুদ্ধৰ আৰম্ভণিৰ আগৰ অসমীয়া কবিতাৰ সুৰ আছিল ধূসৰ ৰোমাণ্টিক। কবিসকলৰ কবিতাৰ কেন্দ্ৰীয় বিষয়বস্তু আছিল প্ৰাকৃতিক সৌন্দৰ্যৰ প্ৰতি হেঁপাহ আৰু প্ৰেম। লক্ষ্মীনাথ ফুকন, গণেশ গগৈ আৰু দেৱকান্ত বৰুৱা এই ধাৰাৰ শ্ৰেষ্ঠ প্ৰতিনিধি। কেইবাটাও কালজয়ী কবিতা এই কবিসকলৰ পৰা আমি লাভ কৰিছোঁ।

## ১.৫ সাৰাংশ

ৰোমাণ্টিক কবিতাৰ লগত কল্পনাৰ এক নিবিড় সম্পৰ্ক আছে। এই কল্পনা নীচক কল্পনা মাথো নহয়, ইয়াৰ লগত জড়িত হৈ আছে প্ৰজ্ঞা। এই দুয়োৰে সংমিশ্ৰণত ৰোমাণ্টিক কবিতাই সাহিত্যৰ ইতিহাসত বিশেষ স্থান লাভ কৰিছে। কোনোৱে ক্লাছিক কবিতাৰ সৈতে ইয়াৰ পাৰ্থক্য অনুধাৱনৰ জৰিয়তে ৰোমাণ্টিক কবিতাৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ যত্ন কৰে। দৰাচলতে ৰোমাণ্টিকতা এটি বহুত্বৰ ধাৰণা। বিভিন্ন বিশিষ্টতা ইয়াত একীভূত হৈ আছে। ওপৰুৱাকৈ চালে ৰোমাণ্টিকতাবাদীসকলক পলায়নবাদী যেন লাগে, আচলতে কিন্তু তেনে নহয়। তেওঁলোক প্ৰকৃতপক্ষে সংগ্ৰামী। অসমীয়া ৰোমাণ্টিক কবিতা ইংৰাজী ৰোমাণ্টিক কবিতাৰ প্ৰভাৱত গঢ় লৈ উঠিলেও কেৱল বিদেশী সাহিত্যৰ প্ৰভাৱতে কোনো জাতীয় সাহিত্যৰ অস্তিত্ব সম্ভৱ নহয়। অসমৰ লোক-জীৱন, লোক-ভাষা, ভাৰতীয় আধ্যাত্মিকতাৰ পৰশত অসমীয়া ৰোমাণ্টিক কবিতাই নিজ বাটে খোজ লৈছে। চন্দ্ৰ কুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী অসমীয়া ৰোমাণ্টিক কবিতাৰ প্ৰথম তৰঙ্গৰ কবি। 'জোনাকী' আলোচনীৰ জৰিয়তে এই আন্দোলনে বিকাশ আৰু সমৃদ্ধি লাভ কৰে। ৰোমাণ্টিক আন্দোলনৰ দ্বিতীয় তৰঙ্গৰ কবিসকলৰ ভিতৰত ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰনাথ দুৱৰা, অম্বিকাগিৰী ৰায়চৌধুৰী, গণেশ চন্দ্ৰ গগৈ অন্যতম।

## ১.৬ আৰ্হি প্ৰশ্ন

১। ৰোমাণ্টিক কবিতাত কল্পনাৰ স্থান কি?

২। অসমীয়া ৰোমাণ্টিক কবিতাৰ পটভূমি ব্যাখ্যা কৰক।

৩। অসমীয়া ৰোমাণ্টিক কবিতাৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰক।

৪। অসমীয়া ৰোমাণ্টিক সাহিত্যৰ আগমণত অন্য কি ভাষাৰ সাহিত্যৰ প্ৰভাৱ পৰিছে?

## ১.৬ প্ৰসঙ্গ গ্ৰন্থ


কবীন ফুকন ঃ চন্দ্ৰকুমাৰ আগৰৱালা

নগেন শইকীয়া (সম্পা.) ঃ চন্দ্ৰকুমাৰৰ কবিতা

দিলীপ বৰুৱা ঃ যোৱা শতিকাৰ কবিতা অসমীয়া নব্যন্যাসী সাহিত্যৰ পৰম্পৰা

শ্ৰীহেমন্ত কুমাৰ শৰ্মা (আহ্বায়ক, সম্পাদনা সমিতি) ঃ চৌধাৰীৰ সাহিত্য-প্ৰতিভা

ভবেন বৰুৱা ঃ অসমীয়া কবিতাঃ ৰূপান্তৰৰ পৰ্ব

এম. কামালুদ্দিন আহমেদ ঃ আধুনিক অসমীয়া কবিতা

ৰাণী গোহাঁই ঃ অমূল্য বৰুৱা স্মাৰক বক্তৃতা আৰু অন্যান্য ৰচনা

বিশ্বনাথ চট্টোপাধ্যায় ঃ রোমান্টিক কবি ও কাব্য

Mourice Bowra ঃ The Romantic Imagination

M. H. Abrams ঃ The Mirror and the lamp

Maheswar Neog (ed.) ঃ Lakshminath Bezbaroa ঃ The Sahityarathi of Assam

# দ্বিতীয় বিভাগ
# ৰঘুনাথ চৌধাৰীৰ 'গিৰিমল্লিকা'

<u>বিভাগৰ গঠন</u> ঃ


২.১ ভূমিকা (Introduction)

২.২ উদ্দেশ্য (Objectives)

২.৩ কবি ৰঘুনাথ চৌধাৰী

২.৪ ৰোমাণ্টিক কাব্যাদর্শ আৰু ৰঘুনাথ চৌধুৰীৰ কবিতা

২.৫ গিৰিমল্লিকা কবিতাটিৰ মূল পাঠ

২.৬ কবিতাটিৰ পৰ্যালোচনা

২.৭ সাৰাংশ (Summing up)

২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

২.৯ প্ৰসঙ্গ গ্ৰন্থ (Referrences/Suggested Reading)


## ২.১ ভূমিকা (Introduction)

এই বিভাগটিত ৰঘুনাথ চৌধাৰীৰ কবিতা 'গিৰিমল্লিকা'ৰ বিষয়ে আলোচনা কৰা হ'ব।

যিসকল কবিৰ কাব্য-সম্ভাৰে অসমীয়া ৰোমাণ্টিক কাব্যধাৰাক পল্লৱিত আৰু মহিমান্বিত কৰি তুলিছিল সেইসকলৰ ভিতৰত 'বিহগী-কবি' ৰঘুনাথ চৌধুৰী আছিল অন্যতম প্ৰধান। প্ৰকৃতিৰ অন্তৰংগ আৰু বহিৰংগ সৌন্দৰ্যক মূৰ্ত কৰি তোলা চৌধাৰী আছিল যথাৰ্থতেই 'প্ৰকৃতি-কবি'। প্ৰকৃতিৰ বৰ্ণময় ৰূপৰ বাহিৰেও চৌধাৰীৰ কবিতাত স্থিতি লৈছে ভাৰতীয় দৰ্শন তথা ভগৱৎ ভাৱনাই।

স্কুল-কলেজৰ দেওনা পাৰ নোহোৱা কবি চৌধাৰীৰ কাব্য প্ৰেৰণাৰ উৎসই হ'ল পাৰ্থিব দুখ। এই দুখ পাৰিবাৰিক ক্ষেত্ৰৰ পৰা সমাজৰ সৰ্বস্তৰতে ব্যাপ্ত হৈ থকা প্ৰবঞ্চনা, স্বাৰ্থপৰতা আৰু প্ৰেমহীনতাৰ পৰা উদ্ভুত। আজন্ম বঞ্চনা আৰু বেদনাৰে ভৰা সংসাৰৰ জটিল চাকনৈয়াত অতিষ্ঠ কবিয়ে সেই কাৰণেই শান্ত-সমাহিত উদাৰ প্ৰকৃতিকেই অপাৰ আনন্দ আৰু পৰম আস্থাৰ আধাৰৰূপে বিবেচনা কৰিছিল আৰু তাৰ ৰূপ-ৰস-বৰ্ণ-গন্ধৰ সৈতে একাত্ম হৈ পৰিছিল।

ৰঘুনাথ চৌধাৰী আছিল মূলতঃ স্বভাৱকবি। জীৱন আৰু জগতৰ পৰা আহৰণ কৰা বিচিত্ৰ অভিজ্ঞতাৰ সমাহাৰে তেওঁৰ কবিমানস গঢ়ি তুলিছিল। জীৱনজোৰা

কাব্যসাধনাত ব্ৰতী থকা কবিৰ কাব্যসৃষ্টি আছিল অনায়াসসিদ্ধ আৰু স্বতঃস্ফূৰ্ত। তেওঁৰ কবিতাৰ ভাৱ-ভাষা আৰু ছন্দ-বৈচিত্ৰ্য আছিল স্বতন্ত্ৰ; সেয়ে তেওঁৰ সুষমামণ্ডিত কবিতাসমূহক অসমীয়া ৰোমাণ্টিক কাব্যধাৰাতেই একক আৰু অনন্য বুলি অভিহিত কৰিব পাৰি।

## ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে—

- কবি ৰঘুনাথ চৌধাৰীৰ পৰিচয় লাভ কৰি তেওঁৰ কাব্যকৃতিৰ বিষয়ে জানিব পাৰিব।
- ৰোমাণ্টিক কাব্যাদৰ্শ চৌধাৰীৰ কবিতাত কেনেদৰে সংপৃক্ত হৈ আছে বিচাৰ কৰিব পাৰিব।
- 'গিৰিমল্লিকা' কবিতাটিৰ বিষয়বস্তু, উপস্থাপন, কাব্যৰীতি সম্পৰ্কে পৰ্যালোচনা কৰিব পাৰিব।

## ২.৩ কবি ৰঘুনাথ চৌধাৰী

অসমীয়া ৰোমাণ্টিক কাব্যজগতৰ উজ্জ্বল নক্ষত্ৰস্বৰূপ এই গৰাকী কবিৰ জন্ম হৈছিল তেতিয়াৰ কামৰূপ জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত লাওপাৰা নামৰ গাঁওত ১৮০১ শকৰ মাঘ মাহৰ ৬ তাৰিখ বৃহস্পতিবাৰে। তেওঁৰ পিতৃৰ নাম ভোলানাথ চৌধাৰী আৰু মাতৃৰ নাম দয়ালতা চৌধাৰী। ভোলানাথ আছিল আঢ্যৱন্ত খেতিয়ক। তেওঁৰ বংশও আছিল অতি পুৰণি আৰু জাকত-জিলিকা। ৰঘুনাথ আছিল মাক-বাপেকৰ তৃতীয় আৰু নুমলীয়া সন্তান। তেওঁৰ এজন ককায়েক আৰু এজনী বায়েক আছিল।

ৰঘুনাথৰ কোষ্ঠীৰ নাম আছিল সোমনাথ আৰু গুপ্তনাম ৰঘুনাথ। মাত্ৰ ন মাহ বয়সতে এদিন পিৰালিত শুৱাই থোৱাৰ পৰা কেনেবাকৈ বাগৰি আহি দুৱাৰমুখৰ ভৰি দিয়া শিলৰ ফাঁকত পৰি ৰঘুনাথৰ সোঁ ভৰিখন ভাগি যায় আৰু আনখন নিশকতীয়া হয়। ৰঘুনাথৰ জীৱনলৈ এনেদৰেই নামি আহিছিল সীমাহীন দুৰ্যোগ। চাৰি বছৰ বয়সতে ভয়ংকৰ জহনী বেমাৰত আক্ৰান্ত হৈ তেওঁৰ ককায়েক, বায়েক আৰু মাকৰ মৃত্যু হয়। তিনিটা প্ৰাণীৰ অকাল মৃত্যুৰ বেদনাই ভোলানাথ চৌধাৰীক বলিয়া কৰি পেলাইছিল। ৰঘুনাথ হৈ পৰিছিল নিঠৰুৱা। ৰঘুনাথৰ বয়স তেতিয়া আঠ বছৰ। তেতিয়াই গুৱাহাটীৰ কমিচনাৰ অফিচৰ কেৰাণী গৰ্গৰাম চৌধাৰীয়ে তেওঁক গুৱাহাটীলৈ লৈ আহে আৰু পুত্ৰৱৎ পালন কৰে। সেইকালৰ শ্ৰেষ্ঠ গীতিকবি আৰু আইনজীৱি উমেশ চন্দ্ৰ চৌধাৰী আছিল এই হৃদয়বান ব্যক্তি গৰ্গৰাম চৌধাৰীৰ পুত্ৰ। চৌধাৰী পৰিয়ালৰ আটায়ে ৰঘুনাথক মৰম কৰিছিল।

ৰঘুনাথেও জীৱনৰ অন্তিম দিনলৈকে উজানবজাৰৰ এই ঘৰখনক অতি আপোন জ্ঞান কৰিছিল। জন্মৰ পিছৰে পৰা নানা ঘাত-প্ৰতিঘাত, উত্থান-পতনৰ মাজেৰে জীৱন অতিবাহিত কৰি অহা চিৰকুমাৰ কবি চৌধাৰীৰ মৃত্যু হয় ১৯৬৭ চনৰ ১৮ নৱেম্বৰত। কবিৰ সমগ্ৰ জীৱন এশ-এবুৰি সমস্যা আৰু সংঘাতে আৱৰি ৰাখিছিল। ব্যক্তিগত জীৱনৰ দুৰ্ভাগ্য আৰু আপোনজনৰ অকাল বিয়োগৰ উপৰি সংসাৰত বিচৰণ কৰা মানুহ নামধাৰী কিছুমান জীৱৰ অমানৱিক আচৰণেও কবিক ব্যথিত আৰু সংসাৰ বিমুখী কৰি তুলিছিল। স্বাৰ্থপৰ মানুহৰ দানৱীয় কাৰ্যৰ প্ৰতি বিতুষ্ট হৈয়েই কবিয়ে ক্ৰমাগতভাৱে অধ্যাত্মবাদৰ পিনে আগবাঢ়িছিল। ভগৱৎ-অন্বেষী হৈ উঠিলেও কবি চৌধাৰী সম্পূৰ্ণৰূপে পৃথিৱী-বিমুখ কবি নাছিল; দেশৰ প্ৰতি অসীম ভালপোৱা আৰু জগতৰ প্ৰতি আকৰ্ষণো তেওঁ অনুভৱ কৰিছিল। উল্লেখ্য যে, দেশ আৰু সমাজৰ মঙ্গলাৰ্থে তেওঁ কাৰাগাৰলৈও যাবলগীয়া হৈছিল। বিশেষতঃ ভাৰতীয় ঐতিহ্যই তেওঁক মুগ্ধ কৰিছিল। তেওঁ আছিল ভাৰতীয় সাহিত্য-সংস্কৃতি আৰু ধৰ্ম-দৰ্শনৰ একান্ত অনুৰাগী।

কবি চৌধাৰীয়ে পাঁচখন কাব্যগ্ৰন্থেৰে অসমীয়া ৰোমাণ্টিক কাব্যসভাত যাউতিযুগীয়া আসন লাভ কৰিছে। তেওঁৰ কাব্যগ্ৰন্থসমূহ হ'ল ঃ সাদৰী (১৯১০), কেতেকী (১৯১৮), কাৰবালা (১৯২৩), দহিকতৰা (১৯৩১) আৰু মৰণোত্তৰকালত প্ৰকাশিত 'মন-বৰাগী'। এইকেইখনৰ উপৰি আৰু গুটিদিয়েক কবিতা চৌধাৰীয়ে ৰচিছিল; সেইবোৰক 'লেছেৰি বোটলা' নাম দি অতুল চন্দ্ৰ বৰুৱাই ১৯৮০ চনত প্ৰকাশ পোৱা 'ৰঘুনাথ চৌধাৰী ৰচনাৱলী'ত অন্তৰ্ভুক্ত কৰিছিল। এই অংশত কবিতাৰ সংখ্যা নটা। গতিকে 'লেছেৰি বোটলা' কবিতা গুচ্ছক ধৰিলে চৌধাৰীৰ কাব্যপুথি হয় মুঠ ছয়খন। ইয়াৰ উপৰি এখন 'কথা-কবিতা'ৰ পুথি তেওঁ ৰচিছিল, নাম 'নৱ-মল্লিকা' (১৯৫৮)। ৰচনাৱলীত অন্তৰ্ভুক্ত হৈছে দুখন গদ্যপুথি— 'পচতীয়া' আৰু 'বন্দী জীৱন'। চৌধাৰীয়ে গুৱাহাটীৰ পৰা প্ৰকাশিত 'জোনাকী' (১৯০১-১৯০৪)ৰ সহকাৰী সম্পাদক হোৱাৰ উপৰি পযেকীয়া 'জয়ন্তী' আৰু 'সুৰভি'ৰো সম্পাদক আছিল।

## ২.৪ ৰোমাণ্টিক কাব্যাদৰ্শ আৰু ৰঘুনাথ চৌধাৰীৰ কবিতা ঃ

প্ৰকৃততে ৰোমাণ্টিক আন্দোলন বুলি সৰ্বজন পৰিচিত আন্দোলনটো হ'ল অষ্টাদশ শতিকাৰ অন্তিম লগ্নত ইংলেণ্ডৰ ৱৰ্ডচ্‌ৱৰ্থ-ক'লৰিজ প্ৰভৃতি এমুঠিমান কবিয়ে কবিতাৰ দ্বাৰা সৃষ্টি কৰা কাব্য-আন্দোলন। ইয়াৰ পূৰ্বতে এলিজাবেথীয় যুগটোও (১৫৫৮-১৬০৩) আছিল ৰোমাণ্টিক যুগ। ধ্ৰুপদী ঐতিহ্যক উপেক্ষা কৰি সেই যুগত কবি-নাট্যকাৰসকলে ৰোমাণ্টিচিজিম্‌ৰ আশ্ৰয় লৈছিল। বিশেষকৈ এলিজাবেথীয় ট্ৰেজেডি আৰু কমেডিসমূহ আছিল গভীৰভাৱে ৰোমাণ্টিক লক্ষণাক্ৰান্ত। এলিজাবেথীয় যুগৰ প্ৰায় দুশ বছৰ পাছত

ইংলেণ্ডত আৰম্ভ হয় এক নতুন কাব্য-আন্দোলন। এই কাব্য-আন্দোলনত ৰোমাণ্টিচিজিমৰ পুনৰ আৱিৰ্ভাৱ ঘটে কাৰণে ইয়াক ৰোমাণ্টিচিজিমৰ পুনৰ্জাগৰণ (Romantic Revival) বুলি আখ্যায়িত কৰা হয়। যিহেতু এই কাব্য-আন্দোলন ধ্ৰুপদী (Classical) আদৰ্শৰ প্ৰতিক্ৰিয়াৰূপে আৰম্ভ হৈছিল, সেয়েহে ইয়াক ৰোমাণ্টিক প্ৰতিক্ৰিয়া (Romantic Reaction) বুলিও অভিহিত কৰা হয়। এলিজাবেথীয় ৰোমাণ্টিচিজিম্ আছিল এটি নতুনকৈ পোৱা অভিজ্ঞতাৰ উদ্দাম প্ৰকাশ। দ্বিতীয় পৰ্যায়ৰ ৰোমাণ্টিচিজিম্ হ'ল পুৰণিক ঘূৰাই পোৱাৰ আকুল প্ৰয়াস। প্ৰথম বিধৰ প্ৰকাশ ঘটিছিল নাটকত; দ্বিতীয় পৰ্যায়ৰ পৰিস্ফুটন ঘটিছিল আত্মবিগলিত কাব্যত। প্ৰথম পৰ্যায়ৰ ৰোমাণ্টিচিজিম্ হ'ল আনন্দ আৰু যৌৱনৰ উচ্ছলতাত মুখৰিত; দ্বিতীয় পৰ্যায়ৰ ৰোমাণ্টিচিজিমত বিজড়িত হৈ থাকিল কিঞ্চিৎ বেদনাৰ আভাস, কিছু নোপোৱাৰ কাতৰতা। এই দ্বিতীয় পৰ্যায়ৰ কাব্য-আন্দোলনে সমগ্ৰ পৃথিৱীতেই খলকনি তুলিবলৈ সক্ষম হ'ল। ইয়াৰ সুদূৰপ্ৰসাৰী প্ৰভাৱৰ ফলতেই দেশ-বিদেশত এই কাব্য-আন্দোলন সমাদৃত হ'ল। সৰ্বসাধাৰণৰ লগত এই কাব্যধাৰাৰ পৰিচিতি ইমানেই বাঢ়িল যে শেষত ইয়াকেই মাথোঁ ৰোমাণ্টিচিজিম্ বুলি ধৰি ল'বলৈ কোনেও কুণ্ঠাবোধ নকৰা হ'ল।

১৭৯৮ খ্ৰীঃত ৱৰ্ডচ্‌ৱৰ্থ আৰু ক'লৰিজে যুটীয়াভাৱে প্ৰকাশ কৰা কাব্য-সংকলন 'লিৰিকেল বেলাডচ্' (Lyrical Ballads) প্ৰকাশত হোৱা দিনটোৰ পৰা ১৮৩২ চনত স্কটৰ মৃত্যুলৈকে— এই চৌত্ৰিশ বছৰ কালকে ইংৰাজী সাহিত্যৰ ইতিহাসত ৰোমাণ্টিকতাৰ সোণোৱালী যুগ বুলি চিহ্নিত কৰা হৈছে। এই কালছোৱাৰ ভিতৰত ৱৰ্ডচ্‌ৱৰ্থ, ক'লৰিজ, বায়ৰণ, শ্যেলী আৰু কীটছ্ প্ৰমুখ্যে ইংলেণ্ডৰ প্ৰধান কবিসকলে তেওঁলোকৰ কবিতাৰ জৰিয়তে ৰোমাণ্টিকতাৰ যি জোঁৱাৰ আনিছিল সেই ৰোমাণ্টিকতা সম্পৰ্কে পৰ্যাপ্ত আলোচনা হোৱা সত্বেও তাৰ একক সংজ্ঞা এতিয়াও নিৰ্ণিত হোৱা নাই। বিভিন্নজনে বিভিন্ন ধৰণে ৰোমাণ্টিচিজিম্‌ৰ সংজ্ঞা আগবঢ়াইছে। হেইনেই কৈছে— 'ধ্ৰুপদী কলাই সসীমক চিত্ৰিত কৰে, ৰোমাণ্টিক কলাই অসীমকো ব্যাঞ্জিত কৰে' (Classic art portrays the finite, Romantic art also suggests the infinite)। পেটাৰৰ মতে, ৰোমাণ্টিচিজিম্ হ'ল— 'সৌন্দৰ্যৰ লগত অপৰিচিতৰ সংযোগ' (The edition of strangeness to beauty)। ডাণ্টনে কৈছে— 'ই বিস্ময়ভাৱৰ পুনৰ্জাগৰণ' (The renaissance of wonder)। হাৰ্ফোডৰ মতে— ৰোমাণ্টিচিজিম্ হ'ল— কল্পনা প্ৰৱণতাৰ অসাধাৰণ বিকাশ' (Romanticism is the extra ordinary development of imaginative sensibility)। এডমণ্ড উইলচনে ব্যক্তিত্ববাদৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি কৈছে— "Romanticism as everyone has said was a revolt of individual"।

এইবোৰৰ উপৰি উইলিয়াম জেলণ্ডৰ "English Literature" গ্ৰন্থত উল্লিখিত

ছয়টা লক্ষণকো এইক্ষেত্রত উল্লেখ কৰিব পাৰি। লঙৰ ছয়টা লক্ষণ হ'ল ঃ

১। প্রচলিত ৰীতি-নীতিৰ বিৰুদ্ধে প্রতিবাদ

২। প্রকৃতিৰ বুকু আৰু মানৱ হৃদয়লৈ প্রত্যাৱর্তন

৩। প্রাচীন সাধু আৰু মধ্যযুগীয় বীৰত্বপূর্ণ কাহিনীৰ প্রতি মনোনিৱেশ

৪। কর্মক্লান্ত সর্বসাধাৰণৰ প্রতি সহানুভূতি

৫। ব্যক্তিপ্রতিভাৰ ওপৰত গুৰুত্ব আৰোপ

৬। সাহিত্যৰ আদর্শ আহৰিব বাবে পোপ, ড্রাইডেনৰ পৰিৱর্তে মিল্টন আৰু এলিজাবেথীয় লেখকসকলৰ প্রতি দৃষ্টিপাত।

ৰোমাণ্টিচিজিম্‌ৰ সংজ্ঞা নির্ধাৰণ কৰা কঠিনতম কাম বুলি ভাবিয়েই টি.ই. হিউমে কৈছে— 'ৰোমাণ্টিচিজিম্‌ৰ সংজ্ঞা নির্ণয় এক বিপজ্জনক দায়িত্ব'। ডব্লিউ. বি কাৰে 'ৰোমাণ্টিক' শব্দটোক ঊনবিংশ শতাব্দীৰ কবিতা বিচাৰৰ ক্ষেত্রত অপ্রিয় আৰু অশোভন শব্দ হিচাপে ধৰি লৈছে; কাৰণ তেওঁৰ মতে— 'এই অপূর্ব কাব্যমঞ্জৰী হেনো বৃন্তহীন ফুলৰ দৰে বিকশিত হৈ উঠিছে'। মেৰিঅ'প্রাজে ৰোমাণ্টিচিজিমৰ সংজ্ঞা নির্ণয়ক মৰীচিকা অন্বেষণৰ লগত তুলনা কৰি কৈছে— 'ৰোমাণ্টিক ভাবানুভূতি বহুক্ষেত্রতেই অনির্বাচ্য' (The essence of Romanticism consequently comes to consists in that which can not be described)।

উপৰিউল্লিখিত নানাৰঙী সংজ্ঞা আৰু অভিমতৰ পৰা এই ধাৰণা কৰিব পাৰি যে, স্বল্পার্থত ৰোমাণ্টিক কাব্যআন্দোলন আছিল নতুনৰ বার্তাবাহী এক অভিনৱ কাব্য-আন্দোলন। যি কেইটা মূল প্রৱণতাই এই ৰোমাণ্টিক কাব্য-আন্দোলনৰ পৰিধি আৱৰি আছে থোৰতে সেইবোৰ হ'ল— ব্যক্তিসত্তাৰ প্রাধান্য বা সমন্বয়ধর্মিতা, কল্পনা-প্রৱণতা, প্রকৃতিৰ প্রতি গভীৰ অনুৰাগ, জাগতিক সৌন্দর্যৰ প্রতি বিস্ময়-বিমুগ্ধ দৃষ্টি, অতীতপ্রেম তথা মধ্যযুগীয় আদর্শৰ প্রতি আকর্ষণ, সাধাৰণ প্রাণী বা পদার্থৰ প্রতি উদাৰ মনোভাৱ, সৌন্দর্যানুৰাগ, প্রেম, অতীন্দ্রিয় প্রীতি, কাৰুণ্য, স্বদেশানুৰাগ আৰু আংগিকৰ ক্ষেত্রত আড়ম্বৰপূর্ণ গহীন ভাষা আৰু ছন্দৰ পৰিৱর্তে প্রাত্যহিক জীৱনৰ প্রচলিত ভাষা আৰু ছন্দৰ প্রয়োগ।

অষ্টাদশ শতিকাৰ পুৱতি নিশা আৰু উনবিংশ শতিকাৰ দোকমোকালিতে ইংলেণ্ডত ৰোমাণ্টিচিজিমৰ উপর্যুক্ত ঘাই প্রৱণতা সম্বলিত যি কাব্যধাৰাৰ জোঁৱাৰ উঠিছিল, সেই কাব্যধাৰা বিশ্বৰ বিভিন্ন ভাষালৈ প্রৱাহিত হ'ল। ভাৰতবর্ষত আৰম্ভ হোৱা নৱজাগৰণৰ দ্বাৰা প্রভাৱিত কবিসকলে এই নতুন কাব্যধাৰাক আকোঁৱালি লৈছিল আৰু সেই ভাৱাদর্শৰ লগত তেওঁলোকে আত্মীয়তাও স্থাপন কৰিছিল। অসমীয়া কাব্যবীণাৰ তাঁৰতো এই ৰোমাণ্টিক সুৰ বাজি উঠিছিল বিচিত্র ধ্বনিত। ইংলেণ্ডৰ কবিসকলৰ দৰেই অসমীয়া

কবিসকলেও ৰোমাণ্টিক ভাৱাদৰ্শ ফুটাই তুলিছে তেওঁলোকৰ কবিতাত। ৰোমাণ্টিক কবিতা লিখি অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগটোক (১৮৮৯-১৯৪০) ঐশ্বৰ্যমণ্ডিত কৰা কবিসকলৰ ভিতৰত অন্যতম শ্ৰেষ্ঠ হ'ল ৰঘুনাথ চৌধাৰী।

ৰঘুনাথ চৌধাৰী আছিল একেধাৰে ৰূপতন্ময় আৰু প্ৰাণতন্ময় কবি। তেওঁ বিশ্ব চৰাচৰৰ সৌন্দৰ্য নিৰ্নিমেষ নয়নেৰে অৱলোকন কৰি তাৰ স্বৰূপ বৰ্ণনা কৰিছে। এনে ক্ষেত্ৰত বিষয়ৰ সৈতে বিষয়ীৰ অৰ্থাৎ কাব্যবিষয়ৰ সৈতে কবিৰ ব্যৱধান লক্ষণীয় হৈ উঠিছে। নিজকে বিষয় নিৰপেক্ষ ৰাখি যেতিয়া তেওঁ কবিতা নিৰ্মাণ কৰিবলগীয়া হৈছে, তেতিয়া তেওঁ কবি প্ৰসিদ্ধি আৰু উপমা-উৎপেক্ষাদি অলংকাৰৰ বহুল প্ৰয়োগ কৰিছে। এই অৱস্থাত তেওঁ ৰূপতন্ময় কবি। আনহাতে বেছিভাগ কবিতাৰ সৈতে তেওঁৰ জীৱনধাৰা অবিচ্ছেদ্যভাৱে মিহলি হৈ থকাও দেখা যায়। বস্তুজগতৰ আনন্দ আৰু বেদনাৰ কাব্যিক ৰূপ দিবলৈ গৈ তেওঁ নিজৰ হৃদয় সংজ্ঞাত আনন্দ আৰু বেদনাকেই প্ৰকাশ কৰিছে। এনেকি তেওঁ বিষয়ৰ সৈতে কেতিয়াবা একাকাৰ হৈ গৈছে। এনে ক্ষেত্ৰত তেওঁ প্ৰাণতন্ময় কবি ৰূপে স্থিতি লৈছে।

যদিও ৰঘুনাথ চৌধাৰী পাশ্চাত্য ৰোমাণ্টিক কাব্যধাৰাৰ প্ৰত্যক্ষ প্ৰভাৱাধীন নাছিল, তথাপি ৰোমাণ্টিক ঐতিহ্যৰ উল্লেখযোগ্য বৈশিষ্ট্যসমূহৰ অমল অভিব্যক্তি ঘটিছে তেওঁৰ কবিতাত। এইবোৰৰ ভিতৰত আছে— প্ৰকৃতিপ্ৰেম, আধ্যাত্মপ্ৰেম, আত্মমগ্নতা, সৌন্দৰ্যানুৰাগ, অতীত সোঁৱৰণ, বিষণ্ণতা, অতি প্ৰাকৃতিক ৰহস্যানুসন্ধান, কল্পনাৰ লয়লাস, সাধাৰণ বস্তুত অসাধাৰণত্ব আৰোপ, ক্ষুদ্ৰৰ মাজত বৃহত্তৰ উপলব্ধি আৰু আংগিকৰ ক্ষেত্ৰত ভাষা আৰু ছন্দৰীতিৰ অভিনৱত্ব।

প্ৰকৃতিলৈ প্ৰত্যাৱৰ্তন (Return to nature) ৰোমাণ্টিক কাব্যাদৰ্শৰ অন্যতম লক্ষণ। ৰোমাণ্টিক কবিৰ প্ৰকৃতি আছিল সজীৱ আৰু প্ৰাণ চঞ্চল, চৈতন্যময় আৰু প্ৰাণময় এক সত্তাবিশেষ; যাৰ সৈতে একাত্ম হোৱাৰ বাসনা, আকুতি আদিয়েই আছিল ৰোমাণ্টিক কবিসকলৰ কাব্যৰ বিষয়। ৰঘুনাথ চৌধাৰীৰ সমগ্ৰ কাব্য ভাৱনাকে আচ্ছন্ন আৰু উজ্জ্বল কৰি ৰাখিছে এই নিসৰ্গ ভাৱনাই। প্ৰকৃতিৰ ফুল-ফল, বায়ু-পানী, তৰু-তৃণ, মৰু-প্ৰান্তৰ আৰু নদী-নিজৰাৰ মাজত কবিয়ে অনুভৱ কৰিছে এক ৰহস্যময়ী প্ৰাণসত্তা। তেওঁৰ এনে কোনো কাব্য নাই, য'ত এবাৰলৈ হ'লেও প্ৰকৃতিৰ মোহন মুৰতিয়ে ভুমুকি মৰা নাই।

প্ৰেম, সৌন্দৰ্য আৰু সুন্দৰৰ উপাসনা ৰোমাণ্টিক কবিতাৰ বিশিষ্ট লক্ষণ। সুন্দৰৰ প্ৰতি আছিল ৰোমাণ্টিক কবিসকলৰ গভীৰ অনুৰাগ, সুন্দৰেই আছিল পৰম আৰাধ্য। এই সুন্দৰ প্ৰতিভাত হৈছিল সত্যৰূপে, নিৰন্তৰ আনন্দৰ উৎসৰূপে। কীট্‌ছে কৈছে— "I have loved the principle of Beauty in all things"। নাৰী, প্ৰকৃতি আৰু শিল্প-সকলোতে পোৱা যায় কীট্‌ছৰ উপাস্য সুন্দৰ— "A thing of Beauty is a joy

forever"। ৰঘুনাথ চৌধাৰীও আছিল সুন্দৰৰ পূজাৰী। সত্য আৰু সুন্দৰ তেওঁৰ দৃষ্টিত অভিন্ন। সনাতন ঋষিৰ দৰেই চৌধাৰীয়ে যেন প্ৰকৃতিৰ মাজত ভগৱানৰ জ্যোতিৰ্ময় ৰূপ অৱলোকন কৰিছে। ৰঘুনাথ চৌধাৰীৰ কবিতাত অভিব্যক্তি প্ৰেম-অনুৰাগো আছিল ৰোমাণ্টিক ঐতিহ্যবাহী প্ৰেম-চেতনাৰেই অনুৰূপ। তেওঁৰ বাবে প্ৰেম মাথো দেহ সৰ্বস্ব নহয়, দেহাতীত অপাৰ্থিৱ আভাৰে ই উজ্জ্বল, মহিমান্বিত। যি প্ৰেম কামনা কলুষতাৰ পৰা মুক্ত, যি প্ৰেমে যুগে যুগে মানুহক দিছে মংগলময় দীক্ষা, শ্ৰেয়বোধৰ ধাৰণাৰে আপ্লুত কৰি সুখ-দুখ-বেদনাৰ মাজতো দুৰ্গম পথেৰে আগুৱাই যাবলৈ দিছে প্ৰেৰণা, সেই প্ৰেমকেই ৰঘুনাথ চৌধাৰীয়ে অনুধাৱন কৰিছে বিস্ময়-বিমুগ্ধ আৰু সৌন্দৰ্য-আকুল দৃষ্টিৰে।

ভূমাস্পৃহা ৰোমাণ্টিক কাব্য-পৰম্পৰাৰ অন্যতম দিশ। ৰোমাণ্টিক কবি মানসে বাৰে বাৰে সোণালী ডেউকা মেলি দিছে স্থান-কালৰ ঊৰ্দ্ধত থকা কোনো এক অপাৰ্থিৱ জগতলৈ। পাৰ্থিৱ অভিজ্ঞতাৰ জগতখনক অতিক্ৰম কৰি ভূমাৰ সিপাৰৰ বিশাল জগতখনলৈ তেওঁলোকে দৃষ্টি নিক্ষেপ কৰিছিল। ৱৰ্ডচ্‌ৱৰ্থ, শ্যেলী, কীট্‌ছ প্ৰত্যেকেই অপাৰ্থিৱ অক আদৰ্শ জগতলৈ উত্তৰণৰ উপলব্ধিত ব্ৰতী হৈছিল। ৰঘুনাথৰ কবিতাতো বিৰোধেৰে সমাকীৰ্ণ জগতখনৰ পৰা এক দিব্য লোকলৈ উত্তৰণৰ প্ৰয়াস লক্ষ্য কৰা যায়। এই ধৰণৰ অতীন্দ্ৰিয় ৰহস্যলীলাৰ সন্ধান ব্যাকুলতাই চৌধাৰীৰ কবিতাক যথাৰ্থতে ৰোমাণ্টিক ঐতিহ্যবাহী কৰি তুলিছে।

ৰোমাণ্টিক কাব্যাদৰ্শত কল্পনাৰ ভূমিকা অনন্য। এই কল্পনাৰ সৌজন্যতেই ৰোমাণ্টিক কবিয়ে মাটিৰ পৃথিৱীৰ সীমাৰেখাক অগ্ৰাহ্য কৰি অৰ্জন কৰিছিল সীমাতীতৰ ধাৰণা। Nightingaleৰ গানত মুগ্ধ হৈ কীট্‌ছে এই কল্পনা শক্তিৰ দ্বাৰাই তাইৰ ওচৰলৈ যাব বিচাৰিছিল। কীট্‌ছৰ দৰেই তেৰোঁ 'কেতেকী' চৰাইজনীৰ লগত কল্পনাৰ সাহায্যতেই উৰি যাব বিচাৰিছে অপাৰ্থিৱ এখন দিব্যালোকলৈ।

ৰোমাণ্টিক ঐতিহ্যানুসৰি ৰঘুনাথ চৌধাৰীয়ে নৈসৰ্গিক জগত আৰু বিশ্বজগতৰ সৰু-বৰ সৃষ্টিক বিস্ময়-বিমুগ্ধ দৃষ্টিৰে চাইছিল। গিৰিমল্লিকা, দহিকতৰা আদি কবিতাত চৌধাৰীৰ বিস্মিত মনোভঙ্গীৰেই প্ৰকাশ ঘটিছে। এই বিস্ময়বোধৰ লগতে কবিৰ সাধাৰণ প্ৰাণী বা বস্তুৰ প্ৰতি উদাৰ দৃষ্টিভঙ্গীও প্ৰকাশিত হৈছে। সেই কাৰণেই কোনেও চকু নিদিয়া ক্ষুদ্ৰ চৰাই আৰু বাটৰ কাষত নাইবা পৰ্বতৰ গাত ফুলি থকা অনাদৃত অতি ক্ষুদ্ৰ ফুলৰ প্ৰতিও কবি হৈ উঠিছে উদাৰ সহানুভূতিশীল।

ভাষা আৰু ছন্দোৰীতিৰ ক্ষেত্ৰতো ৰোমাণ্টিক কবিসকলে নতুন দৃষ্টিভঙ্গী গ্ৰহণ কৰিছিল। 'অগষ্টান যুগ'ৰ শৃংখলাসৰ্বস্ব, অলংকৃত ভাষা আৰু কৃত্ৰিম কাব্য-ৰীতিৰ পৰিৱৰ্তে কবিৰ নিজৰ চেতনাৰ ৰঙেৰে ৰঙীণ কৰি তোলা মনৰ মাধুৰীৰ মিশ্ৰণেৰে গঢ়ি তোলা সহজ-সৰল, নিৰলংকাৰ কাব্যশৈলীৰেই পৃষ্ঠপোষকতা কৰিছিল ৰোমাণ্টিক কবিসকলে।

তদুপৰি কাব্যত বুদ্ধিদীপ্ত, অভিজাত ভাষাৰ পৰিৱৰ্তে অনভিজাত শব্দৰ আমদানিও আছিল তেওঁলোকৰ লক্ষ্য। অৱশ্যে ৰঘুনাথ চৌধাৰীৰ কবিতাত কোমল, কঠিন তথা অনভিজাত, অভিজাত উভয় ধৰণৰ শব্দচয়নেই সমান প্ৰাধান্য লাভ কৰা দেখা যায়।

ভাৰতীয় ঐতিহ্যবাহী কবি হৈও ৰঘুনাথ চৌধাৰীৰ কাব্যভাৱনাত পাশ্চাত্য ৰোমাণ্টিক কাব্য-ভাবনাৰ উপৰ্যুক্ত বৈশিষ্ট্যসমূহ বিচাৰি পোৱাৰ কাৰণ হ'ল এয়ে যে ৰোমাণ্টিক কাব্যদৰ্শনৰ এই লক্ষণসমূহ আছিল সৰ্বকালিক আৰু সাৰ্বজনীন। মানৱ মনৰ কল্পনা-প্ৰৱণতা, চিৰন্তন, প্ৰেম, সৌন্দৰ্যানুৰাগ, জগত সংসাৰৰ সৰ্বত্ৰতে বিস্ময়ৰ আৱেশ-উপলব্ধি, শান্ত-সমাহিত উদাৰ প্ৰকৃতিৰ প্ৰতি মানৱ মনৰ চিৰ আকুলতা, জড় প্ৰকৃতিৰ মাজত বিৰাট প্ৰাণৰ তৰংগ-হিল্লোল, অতীতলৈ উভতি চোৱাৰ কৌতুহলী প্ৰৱণতা, যুক্তি-বুদ্ধিতকৈ হৃদয়ৰ স্থান আগত বুলি ভাবিব পৰা মানসিকতা- এই আটাইবোৰেই দৰাচলতে বিশ্বমানৱৰ উপলব্ধিজাত একো একোটা সনাতন দিশ, দেশ কালৰ ঊৰ্দ্ধত অৱস্থিত এই চিন্তা-চেতনা মানৱ জীৱনৰ চিৰন্তন বিষয়।

এনে সহজাত কাৰণতেই স্থান আৰু কালৰ দুৰ্লংঘ্য ব্যৱধান থকা সত্বেও ৱৰ্ডচ্ৱৰ্থ আৰু ৰঘুনাথ চৌধাৰীৰ উপলব্ধি আৰু কাব্য-দৰ্শন অতি সহজই এক হৈ পৰে। সেই কাৰণেই এগৰাকী ভাৰতীয় ঐতিহ্যবাহী কবি হৈও ৰঘুনাথ চৌধাৰীৰ সমগ্ৰ কাব্যভাৱনাৰ মাজেৰেই পাশ্চাত্যৰ ৰোমাণ্টিক ধ্যান-ধাৰণাৰ স্বৰূপ মূৰ্ত হৈ উঠা দেখা যায়।

## ২.৫ 'গিৰিমল্লিকা' কবিতাটিৰ মূল পাঠ

### গিৰি-মল্লিকা

অয়ি অনৱগুণ্ঠিতা ফুল্ল শিখৰিণী
ৰঞ্জি মণিকৰ্ণিকাৰ হৰিত মেখলা
আছা শোভি শুভ্ৰবেশে। কৰি সুৰভিত
লৌহিত্যৰ তীৰ-ভূমি শ্যামল বননি
নন্দনৰ ৰূপ-জ্যোতি পৰিমল সুধা,
কৰি আহৰণ বিশ্ব-বিজয়িনী ৰূপে
মোহিলা নিতম্ব-দেশ বিজন প্ৰান্তৰ।
বনস্পতি দ্ৰুমদলে নৱ পল্লৱেৰে
জনাইছে হৃদয়ৰ গুপ্ত সম্ভাষণ!
স্তোকনম্ৰা লতিকাৰ কুঞ্জ পল্লৱত
উঠিছে উঠলি যেন প্ৰেমৰ তৰঙ্গ।
প্ৰিয়া, তুমি ঢালিলা কি মোহন মদিৰা

হাঁহি কটাক্ষৰ! যি হাঁহিত বনে বনে,
হৰিত ক্ষেত্ৰত, তৰু তৃণ লতিকাৰো
ভাগিল চমক। ঠায়ে ঠায়ে বিধে বিধে
ফুলিল ৰঙেৰে কুটজ-কুটমল-ৰাজি।
দ্ৰোণিজাত শুভ্ৰকান্তি ফুল্ল দ্ৰোণীদলে
প্ৰীতি ভৰা লাজাঞ্জলি যাচিছে সাদৰে।
দেৱ-তৰুসকলৰ মুকুল পৰাগ,
উৰি আহি পৱনৰ মৃদুল গতিত,
সুকোমল গৌৰ তনু পেলাইছে জুৰ।
ৰঞ্জিত তুষাৰ-শুভ্ৰ নিমজ গালত
সুৰভি কুঙ্কুম ৰাগ ৰক্ত চন্দনৰ।
শেষাদ্ৰি শিখৰ যেৱে ৰঞ্জি সন্ধ্যা-ৰাগে
সুখেৰে বিশ্ৰাম লভে সান্ধ্য নভোমণি।
বিবুধ-বনিতাসৱে সিঞ্চি নভো-ৰেণু
দিছেহি পিন্ধাই মুক্তাহাৰ আভৰণ
কৌমুদী-প্লাৱিত তৱ কোমল বুকুত;
যেতিয়া জোনালী নিশা মধু পূৰ্ণিমাৰ
হয় সুধা-ধৱলিত নীলিম আকাশ,
সপ্তস্বৰে সমকণ্ঠে কেতেকী অপ্সৰী
ঢালি দিয়ে ক্ষীৰধাৰা। ৰস-ভঙ্গিমাত
ভৰি উঠে যেন তৱ পল্লৱিত বুকু;
নন্দন-নন্দিতা তুমি দেৱ পাৰিজাত
যাৰ গন্ধ মদিৰাত মুগ্ধ দেৱপুৰী।
নেজানো অপ্সৰী বেশে কোন দেৱতাৰ
আছিলা হৃদয়-ৰাণী আলাসৰ লাৰু!
মদনৰ কামশৰ আছিলানে প্ৰিয়া,
গিৰি কৈলাসত; যিদিনা মোহিনীৰূপ
ধৰিছিলা ধূৰ্জ্জটিৰ ধ্যানভঙ্গ হেতু!
কোপ-অনলত পৰি শাপভ্ৰষ্টা হই
ভ্ৰমিছানে কি দেৱী শৈল-শিখৰত?
দেৱভোগ্য উপভোগ তিয়াগি সকলো

হ'লা চিৰ-নিৰ্বাসিত চিৰদিনলই।
আছিলা তুমিয়ে প্ৰিয়া ঋষি-আশ্ৰমত
ফুলৰ কুঁৱৰী সাজি পুষ্প-উপবন
কৰি জাতিষ্কাৰ। প্ৰভাতৰ সমীৰণে
কত খেলা খেলি থাকে তোমাৰ লগত;
যেতিয়া পিছলি পৰে মৃদু হিল্লোলত
বুকুৰ আঁচল। লাজতেই কুঁচি-মুচি
তলমুৰ কৰি কোন ঋষি-তনয়ক
যাচিছিলা যৌৱনৰ সৌন্দৰ্য-মাধুৰী।
নিদাঘৰ দহনত দুখ পোৱা বুলি
আল ধৰিছিল কোন তাপস-কুমাৰী!
মলচি দিছিল গাৰ কোমল হাতেৰে!
পুণ্যতোয়া মালিনীৰ শীতল জলেৰে।
প্ৰাণপ্ৰিয়, আজি মোৰ বিজন কুঞ্জত
তুলিবানে লয়লাসে হাঁহিৰ তৰঙ্গ?
ব্যথাৰে উপচি পৰা আকুল প্ৰাণত
দিয়া প্ৰেম-মকৰন্দ অমৃত-পৰশ;
অকৃত্ৰিম প্ৰণয়ৰ স্নেহ আলিঙ্গন
নিস্প্ৰভ ফুলনি মোৰ হক জ্যোতিৰ্ময়।

## ২.৬ 'গিৰিমল্লিকা' কবিতাটিৰ পৰ্যালোচনা

[টোকা ঃ 'গিৰিমল্লিকা' কবিতাটোত সংস্কৃত শব্দৰ প্ৰাধান্য হেতুকে বহুতো পাঠকে ইয়াক বুজিবলৈ টান পায়। পাঠকৰ সুবিধাৰ বাবে ইয়াৰ কিছুমান শব্দৰ অৰ্থ তলত দিয়া হ'ল ঃ

অনৱগুণ্ঠিতা— ওৰণি নোলোৱা, মুক্ত; ফুল্ল— ফুলি থকা; ৰঞ্জি— শোভা কৰি; হৰিত মেখলা— সেউজীয়া পাদদেশ; পৰিমল— সুগন্ধ; নিতম্ব দেশ— পাদদেশ; বিজন— নিৰ্জন; বনস্পতি— যি গছৰ ফুল নোহোৱাকৈ ফল হয়; দ্ৰুমদলে— গছবোৰে (দল = সমূহ); স্তোকনম্ৰা— সামান্যভাৱে (আগবোৰ) ওলমি পৰা; লতিকাৰ— লতা (বোৰ)ৰ; পল্লৱ— পাত; কূটজ— এবিধ ফলৰ নাম, মতভেদে কথনা ফুল; কুটমল— ঐ; দ্ৰোণিজাত (দ্ৰোণি— ঠেক নলা বা খাল) — ঠেক নলা বা খালৰ দাঁতিত হোৱা; দ্ৰোণীদলে—

দ্ৰোণীফুলবোৰে; লাজাঞ্জলী— আখৈৰ আঁজলি (আখৈৰ দৰে দেখিবলৈ সৰু সৰু বগা ফুলৰ আঁজলি); মুকুল— কলি; শেষাদ্ৰি— পৰ্বত বিশেষৰ নাম; অস্তাচল; নভোমণি— সূৰ্য; বিবুধ বণিতা— দেৱবালা; সিঞ্চি— সিঁচি; কৌমুদী— জোনাক; ধবলিত— বগা হৈ পৰা; কলকণ্ঠ— মধুৰ, মৃদু স্বৰ; ধুৰ্জটি— মহাদেৱ; নিদাঘ— গ্ৰীষ্মৰ তাপ; মকৰন্দ— ফুলৰ মৌ; নিষ্প্ৰভ— মৰহি যোৱা, শুকাই যোৱা]

'গিৰি-মল্লিকা' প্ৰকৃতি বিষয়ক কবিতা। গিৰি-মল্লিকা নামৰ ফুল ইয়াৰ বিষয়বস্তু। ই প্ৰধানতঃ চিত্ৰধৰ্মী বৰ্ণনাত্মক কবিতা। কবিয়ে গিৰি-মল্লিকাক এই তিনিটা ৰূপত কল্পনা কৰিছে ঃ (১) বিশ্ববিজয়িনী ৰূপ— পংক্তি ১-৩৫; (২) অপ্সৰী ৰূপ— পংক্তি ৩৬-৪৪; (৩) আশ্ৰম বালিকা— পংক্তি ৪৫-৫৬। পংক্তি ৫৭-৬২ত কবিয়ে গিৰি-মল্লিকাক তেওঁৰ জীৱনত 'হাঁহিৰ তৰংগ' তুলিবলৈ অনুৰোধ কৰিছে।

প্ৰথমটো ৰূপ-কল্পনাৰ চিত্ৰধৰ্মিতা যথাৰ্থ হৈছে। গিৰি-মল্লিকা ফুলক কেন্দ্ৰ কৰি লুইত পাৰৰ নৈসৰ্গিক দৃশ্য এটা মনোগ্ৰাহী আৰু বাস্তৱসন্মতকৈ ফুটাই তোলা হৈছে। দ্বিতীয়টো ৰূপ-কল্পনাত প্ৰাচীন উপাখ্যানৰ ইংগিত আছে। মহাদেৱৰ তপস্যা ভংগ কৰা মদনৰ কামশৰ আছিলনে কি বুলি কবিয়ে গিৰি-মল্লিকাক প্ৰশ্ন কৰিছে। তৃতীয়টো ৰূপকল্পই পাঠকক কণ্ব মুনিৰ আশ্ৰমত লালিত পালিত হোৱা শকুন্তলালৈ মনত পেলায়। শেহৰ দুটা পংক্তিত কবিৰ গিৰি-মল্লিকাৰ প্ৰতি থকা আকৰ্ষণ (অনুৰাগ)ৰ কথা স্পষ্ট হৈছে। নিজৰ ব্যথা ভৰা জীৱনত 'প্ৰেম মকৰন্দ' ঢালি তেওঁক শান্তি দিবলৈ কবিয়ে গিৰি-মল্লিকাক অনুৰোধ কৰিছে।

কবিতাটোৰ প্ৰধান বৈশিষ্ট্য হ'ল ইয়াৰ ধ্বন্যাত্মকতা। যুক্তাক্ষৰ যুক্ত শব্দৰ আধিক্য কবিতাটোৰ আন এক বৈশিষ্ট্য। এই উভয়ৰ সংযোগত কবিতাটোত এক বিশেষ সংগীতময় পৰিণতি সাধিত হৈছে। সংগীত আৰু চিত্ৰকল্পৰ এক সুবিন্যস্ত পৰিণতি হিচাপে 'গিৰি-মল্লিকা' আমাৰ ভাষাত এক উল্লেখযোগ্য সৃষ্টি।

## ২.৭ সাৰাংশ (Summing up)

অসমীয়া ৰোমাণ্টিক কবিতাৰ দ্বিতীয় তৰংগৰ কবি হ'ল ৰঘুনাথ চৌধাৰী। তেওঁ বিহগী কবি বুলিও কোৱা হয়। প্ৰকৃতি বিভিন্ন বস্তু আছিল তেওঁৰ কবিতাৰ মূল সমল। প্ৰকৃতিৰ ফুল-ফল, বায়ু-পানী, তৰু-তৃণ, মৰু-প্ৰান্তৰ আৰু নদী-নিজৰাৰ মাজত কবিয়ে অনুভৱ কৰিছে এক ৰহস্যময়ী প্ৰাণসত্ত্বা। তেওঁৰ এনে কোনো কাব্য নাই য'ত এবাৰলৈ হ'লেও প্ৰকৃতিৰ মুৰতিয়ে ভুমুকি মৰা নাই। গিৰিমল্লিকা এটি কবিৰ সুন্দৰ প্ৰকৃতি বিষয়ক কবিতা। গিৰিমল্লিকা ফুলক বিষয়বস্তু হিচাপে কবিতাটি ৰচিত হৈছে। কবিতাটিৰ প্ৰধান বৈশিষ্ট্য হ'ল ধ্বন্যাত্মকতা।

## ২.৮ আৰ্হি প্ৰশ্ন (Sample Question)

১। কবি ৰঘুনাথ চৌধাৰীৰ পৰিচয় দাঙি ধৰি তেওঁৰ ৰচনাৱলীৰ বিষয়ে চমুকৈ লিখক।

২। কি কি বিষয়ে ৰঘুনাথ চৌধাৰীৰ কবিতাৰ বিষয়বস্তু হিচাপে স্থান পাইছিল? উদাহৰণসহ আলোচনা কৰক।

৩। ৰোমাণ্টিক কাব্যাদৰ্শৰ বিভিন্ন বৈশিষ্ট্যসমূহ চৌধাৰীৰ কবিতাত কেনেদৰে প্ৰকাশ পাইছিল বিচাৰ কৰক।

৪। 'গিৰিমল্লিকা' কবিতাটি কি বিষয়ৰ? কবিতাটিৰ মাজেৰে ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্যবোৰ কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰক।

৫। চমু উত্তৰ দিয়ক—

ৰোমাণ্টিকতা, সাদৰী, কাৰবালা, দহিকতৰা

## ২.৯ প্ৰসঙ্গ গ্ৰন্থ (Referrences/Suggested Reading)


নগেন শইকীয়া (সম্পা.) ঃ চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰ

কবীন ফুকন ঃ চন্দ্ৰকুমাৰ আগৰৱালা

দিলীপ বৰুৱা ঃ *যোৱা শতিকাৰ কবিতা ঃ অসমীয়া নৱন্যাসী সাহিত্যৰ পৰম্পৰা*

উমেশ ডেকা

নীলমোহন ৰায় ঃ *ৰঘুনাথ চৌধাৰীৰ কাব্য বিচাৰ*

# প্ৰথম বিভাগ
# অসমীয়া ৰোমাণ্টিক কবিতা (দ্বিতীয় তৰংগ)

**বিভাগৰ গঠন ঃ**

১.১ ভূমিকা (Introduction)

১.২ উদ্দেশ্য (Objectives)

১.৩ ৰোমাণ্টিক সাহিত্যৰ ঐতিহাসিক পটভূমি

১.৪ জোনাকী আৰু ৰোমাণ্টিক সাহিত্য

১.৫ ৰোমাণ্টিক যুগ (দ্বিতীয় তৰংগ)ৰ অসমীয়া কবিতা

১.৬ সাৰাংশ (Summing up)

১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১.৮ প্ৰসঙ্গ গ্ৰন্থ (Referrences/Suggested Reading)

## ১.১ ভূমিকা (Introduction)

আগৰ খণ্ডটিত অসমীয়া ৰোমাণ্টিক কবিতা (প্ৰথম তৰংগ)ৰ বিষয়ে আটাইকেইটা বিভাগত বহলভাৱে আলোচনা কৰা হৈছে। এই বিভাগটিত অসমীয়া ৰোমাণ্টিক কবিতাৰ দ্বিতীয় তৰংগৰ বিষয়ে আলোচনা কৰা হ'ব।

১৮৮৯ চনৰ পৰা ১৯৪০ চনলৈ অসমীয়া সাহিত্যৰ এই সময়খিনিক ৰোমাণ্টিক যুগৰ সাহিত্য বুলি অভিহিত কৰা হয়। অসমীয়া সাহিত্যৰ ৰোমাণ্টিচিজম বা ৰোমাণ্টিকতাবাদ অসমীয়া সাহিত্যলৈ এক নতুন আমদানি। পাশ্চাত্য ৰোমাণ্টিক সাহিত্যৰ আদৰ্শত অসমীয়াতো এই শ্ৰেণীৰ সাহিত্যৰ সৃষ্টি হয়। অসমীয়া সাহিত্যলৈ ৰোমাণ্টিক প্ৰভাৱ দুটা পথেৰে আহি কৰিলে— এটা হ'ল ইংৰাজী সাহিত্যৰ যোগেদি আৰু আনটো হ'ল বঙলা সাহিত্যৰ যোগেদি।

১৮৮৯ চনত জোনাকী কাকতৰ জৰিয়তে অসমীয়া সাহিত্যলৈ ৰোমাণ্টিকতাৰ শুভাৰম্ভ ঘটে। এই আন্দোলনৰ মূলহোতা আছিল চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী আৰু লক্ষ্মীনাথ বেজবৰুৱা। চন্দ্ৰকুমাৰ আগৰৱালা আছিল জোনাকী কাকতৰ প্ৰথম সম্পাদক। আগৰৱালাৰ হাততে অসমীয়া সাহিত্যৰ ৰোমাণ্টিক কবিতাৰ জন্ম হয়।তেওঁৰ প্ৰথম কবিতাটি আছিল 'বনকুঁৱৰী'। আগৰৱালাৰ হাতত জন্ম পোৱা অসমীয়া ৰোমাণ্টিক কবিতাই লাহে লাহে পুৰ্ণাংগৰূপ লাভ কৰে। এই ৰূপ লাহে লাহে এটা নতুন ৰূপলৈ

পৰিৱৰ্তিত হয় বিহগী কবি ৰঘুনাথ চৌধাৰীৰ হাতত। চৌধাৰীৰ সময়েৰে পৰা অসমীয়া ৰোমাণ্টিক কাব্য সাহিত্যই এটা নতুন তৰংগ লাভ কৰে। ইয়াকে কোৱা হয় অসমীয়া ৰোমাণ্টিক কবিতাৰ দ্বিতীয় তৰংগ। দুৰ্গেশ্বৰ শৰ্মা, অম্বিকাগিৰি ৰায়চৌধুৰী, ৰত্নকান্ত বৰকাকতি, নলিনী বালা দেৱী আদি হ'ল এই তৰংগৰ উল্লেখযোগ্য কবি। এই সময়ৰ কবিতাৰ বিষয়বস্তু আছিল প্ৰকৃতি, চৰাই, বিপ্লৱ, দেশপ্ৰেম, ৰহস্যময়তা, বিশ্বপ্ৰেম, কাৰুণ্য আদি।

## ১.২ উদ্দেশ্য (**Objectives**)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- অসমীয়া ৰোমাণ্টিক সাহিত্যৰ ঐতিহাসিক পটভূমি সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব,
- জোনাকী কাকতৰ যোগেৰে অসমীয়া সাহিত্যলৈ ৰোমাণ্টিকতাৰ কেনেদৰে আগমণ ঘটিছে তাক বিচাৰ কৰিব পাৰিব,
- অসমীয়া ৰোমাণ্টিক কবিতাৰ দ্বিতীয় তৰংগৰ কবিসকলৰ লগত পৰিচিত হ'ব পাৰিব,
- দ্বিতীয় তৰংগৰ ৰোমাণ্টিক কবিতাৰ বিষয়বস্তু অনুধাৱন কৰিব পাৰিব,
- এই সময়ছোৱাৰ কবিতা সমূহৰ বৈশিষ্ট্য সম্পৰ্কে জানিব পাৰিব।

## ১.৩ ৰোমাণ্টিক সাহিত্যৰ ঐতিহাসিক পটভূমি

**সাহিত্যক ঘাইকৈ দুটা ভাগত ভগাব পাৰি— ক্লাচিকেল আৰু ৰোমাণ্টিক। এই দুবিধ সাহিত্যই পূৰ্ণতা লাভ কৰিছিল প্ৰাচ্য আৰু পাশ্চাত্য জগতৰ সাহিত্যৰ বিভিন্ন স্তৰত। ক্লাচিকেল অৰ্থাৎ প্ৰাচীন সাহিত্য পৃথিৱীৰ বিভিন্ন সাহিত্যৰ আদিম যুগৰে সৃষ্টি। কিন্তু ৰোমাণ্টিক সাহিত্যৰ সৃষ্টি হয় পাশ্চাত্য জগতত।**

**ৰোমাণ্টিক আন্দোলনৰ সূচনা হোৱাৰ আগমুহূৰ্তলৈকে চলি অহা সাহিত্যৰ ধাৰাটোক প্ৰাচীন অৰ্থাৎ ক্লাচিকেল সাহিত্য আখ্যা দিয়া হয়। ক্লাচিকেল বা প্ৰাচীন সাহিত্যৰ গণ্ডী সকলো বিষয়তে সীমাবদ্ধ আৰু ৰচনাৰীতিৰ পদ্ধতি সংযত। প্ৰায়বোৰ প্ৰাচীন সাহিত্যই ভগৱতমুখী আৰু ৰচনাৰ উদ্দেশ্য ধৰ্মৰ জয় অধৰ্মৰ পৰাজয়ৰ প্ৰতি আঙুলিয়াই দিয়া বা নীতিকথাৰ শিক্ষা দিয়া। প্ৰাচীন কালৰে পৰা চলি অহা গতানুগতিকতাৰ মাজেৰে সংযত কল্পনাৰ মাধ্যমেৰে প্ৰাচীন সাহিত্য সৃষ্টি হৈছিল।**

এই শ্ৰেণী সাহিত্যত বিশেষ শ্ৰেণী দেৱতা বা মানৱৰ সুখ-দুখৰ কথা প্ৰকাশ পাইছিল। সৰ্বসাধাৰণ মানুহৰ কথা বা ব্যক্তি জীৱনৰ কথাই ঠাই নাপাইছিল। এই যুগৰ সাহিত্যক সেয়েহে কোৱা হয় বন্ধনৰ যুগ (Age of Prison) বুলি।

প্ৰাচীন সাহিত্যৰ সংকীৰ্ণ পৰিৱেশৰ বিৰুদ্ধে সুস্থ আৰু সবল সাহিত্য সৃষ্টি কৰিবলৈ অষ্টাদশ শতিকাত সূচনা হ'ল ৰোমাণ্টিক বিপ্লৱৰ। ওঠৰ শতিকাৰ শেষৰ ফালে ব্লেক (Blake), বাৰ্ণচ (Burns), চেটাৰচন (Chattterton), থমচন (Thomson) আৰু ঊনবিংশ শতিকাৰ আদিছোৱাত ৱৰ্ডচৱৰ্থ (Wordsworth), ক'লেৰিজ (Coleridge), শ্যেলী (Shelley), বাইৰণ (Byron), কীটচ্ (Keats) আদিয়ে এক নতুন সাহিত্য আন্দোলনৰ পাতনি মেলে। এই আন্দোলনকে কোৱা হয় ৰোমাণ্টিক আন্দোলন (Romantic revival)।

এই আন্দোলনৰ ফলস্বৰূপে দেখা গ'ল কবি-কল্পনা অকল হৃদয়প্ৰসূত নহয়, মস্তিষ্কপ্ৰসূত। হৃদয়প্ৰসূত কল্পনাৰ সহায়ত সাধাৰণ বস্তুত অসাধাৰণত্ব আৰোপ আৰু অতিলৌকিক বিষয়বস্তু স্বাভাৱিক ৰূপত প্ৰকাশ পালে। ৰোমাণ্টিক যুগৰ কবিতা প্ৰাচীন কবিতাৰ নিচিনা বিচাৰ আৰু বুদ্ধিপ্ৰধান নহয়, কল্পনাপ্ৰধান। সমালোচকৰ সুৰত কবলৈ হ'লে "প্ৰাচীন সাহিত্যত থাকে সীমাবদ্ধ সৰোবৰৰ গভীৰতা আৰু উদাসীনতা, কিন্তু ৰোমাণ্টিক সাহিত্যত আছে বোঁৱতি সুঁতিৰ ৰহস্য আৰু গতিচঞ্চলতা।"

ৰোমাণ্টিক আন্দোলন সৃষ্টিৰ গুৰিতে সমসাময়িক ৰাজনৈতিক ঘটনাৰ ইন্ধনৰ কথা অস্বীকাৰ কৰিব নোৱাৰি। ফৰাচী বিপ্লৱৰ সাম্য, মৈত্ৰী, স্বাধীনতাৰ ধ্বনি আৰু ফৰাচী চিন্তাজীৱি ৰুছোৰ বিদ্ৰোহমূলক জীৱন দৰ্শন ইয়াৰ অন্যতম কাৰণ। ৰুছোৰ 'Social Contract', 'Emile', 'New Heloise' আৰু 'Confession' প্ৰভৃতি গ্ৰন্থত প্ৰকাশ পাইছিল মানুহ হিচাপে মানৱজীৱনৰ মৰ্যাদাবোধ, প্ৰকৃতিৰ সতে মানুহৰ নিগূঢ় সম্বন্ধৰ কথা আৰু মানৱপ্ৰেমৰ অভাৱনীয় শক্তিৰ কথা। ৰুছোৰ লেখাত পোৱা যায় এক বন্ধনহীন, শোষণহীন, উন্মুক্ত, নিৰঙ্কুশ জীৱনৰ ৰূপ। জাৰ্মান দাৰ্শনিক Kent, Hegal-ৰ ৰচনাত দেখা যায় পৰিদৃশ্যমান জগতৰ অন্তৰালত চিৰশাশ্বত জগতৰ ৰূপ। জাৰ্মান সাহিত্যিকসকলে অদৃশ্য শক্তিক দৃশ্যমান কৰিবলৈ নিজ নিজ কল্পনা আৰু চিন্তাৰ শৰণাগত হ'ল। এই তিনিওটি ৰোমাণ্টিক আন্দোলনৰ সাম্ভাব্য কাৰণ।

ইংৰাজী সাহিত্যত ১৭৯৮ চনৰ পৰা ১৮৩২ চনলৈকে এই কালছোৱাক ৰোমাণ্টিক যুগ বোলা হয়। ১৭৯৮ চনত ৱৰ্ডচৱৰ্থ আৰু ক'লেৰিজে যুটীয়াভাৱে প্ৰকাশ কৰে 'The Lyrical Ballads' প্ৰকাশ পায়। এই গ্ৰন্থখনি প্ৰকাশ পোৱাৰ তাৰিখৰ পৰাই ইংৰাজী সাহিত্যত ৰোমাণ্টিক যুগ আৰম্ভ হোৱা বুলি নিৰ্দ্ধাৰণ কৰা হয়। ১৮৩২ চনত প্ৰখ্যাত ৰোমাণ্টিক লেখক ছাৰ ৱাল্টাৰ স্কটৰ মৃত্যু হয় আৰু সেই সময়ৰপৰাই ইংৰাজী সাহিত্যত ৰোমাণ্টিক যুগ বা ৱৰ্ডচৱৰ্থৰ যুগৰ অৱসান ঘটা বুলি গণ্য কৰা হয়। এলিজাবেথীয় যুগৰ ব্যাপ্তি আৰু গভীৰতাৰ দৰে ইংৰাজী

সাহিত্যৰ ৰোমাণ্টিক যুগটোৰ বহল ক্ষেত্ৰখনিত ৰং-বিৰঙৰ পখিলাৰ বৰ্ণাঢ্য লয়লাস আৰু বহুৰঙী চৰাইৰ বিচিত্ৰ কলৰৱ ধ্বনিত হয়।

অসমীয়া সাহিত্যতো বিশেষকৈ ইংৰাজী শিক্ষাৰ ব্যাপক প্ৰচলনৰ পৰিণতি হিচাপে ৰোমাণ্টিক ভাব-চিন্তাই তাৎপৰ্যপূৰ্ণ প্ৰসাৰতা লাভ কৰিছিল আৰু ফলস্বৰূপে অসমীয়া সাহিত্যতো ৰোমাণ্টিক আন্দোলনৰ সূত্ৰপাত হৈছিল।

উনবিংশ শতিকাৰ শেষ দশকত 'জোনাকী' কাকতৰ যোগেদি অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগ আৰম্ভ হয়। সেই সময়ত অসমৰ পৰা কেইজনমান ছাত্ৰ কলিকতালৈ পঢ়িবলৈ গৈছিল। সেই ছাত্ৰকেইজন আছিল চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী। এই 'ত্ৰিমূৰ্ত্তি' ছাত্ৰকেইজন ইংৰাজী সাহিত্যৰ বিশেষকৈ ৰোমাণ্টিক সাহিত্যৰ সংস্পৰ্শলৈ আহে আৰু তাৰ সোৱাদ লয়। একেদৰে বঙলা সাহিত্যৰ ৰোমাণ্টিক ধাৰাৰো সোৱাদ পায়। তেতিয়াৰ দিনত ভাৰতীয় ৰোমাণ্টিক আন্দোলনৰ কেন্দ্ৰস্থল আছিল কলিকতা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰ আছিল কেন্দ্ৰস্থ ব্যক্তি। অসমীয়া ছাত্ৰকেইজনে শ্বেইক্সপীয়েৰ, ৱৰ্ডচৱৰ্থ, শ্বেলী, কীটচ্ আদিৰ ৰোমাণ্টিক ভাৱধাৰাৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল আৰু অসমীয়া সাহিত্যতো এই নতুন ধাৰাটো সংযোগ কৰিবলৈ মনস্থ কৰিছিল। উনবিংশ শতিকাৰ শেষৰ ফালে সাহিত্যানুৰাগী এই দলটোৰ সঘনে বহা চাহ-মেলবোৰত (tea party) সাহিত্যৰ বিষয়ে আলোচনা হৈছিল— ইউৰোপৰ কফি হাউচবোৰত হোৱাৰ দৰে। ছাত্ৰসকলৰ সেই চাহমেলতেই এদিন জন্ম হ'ল (১৮৮৮ চনত) আধুনিক অসমীয়া সাহিত্যৰ নতুন দিগন্ত উন্মোচন কৰা সাহিত্যানুষ্ঠান 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ (চমুকৈ অঃ ভাঃ উঃ সাঃ সঃ)। সভাই অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ হকে বিশেষকৈ ৰোমাণ্টিক ভাৱধাৰাৰ সূচনা কৰিবলৈ 'জোনাকী' নামৰ এখনি মাহেকীয়া কাকত প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। সেই সময়ত ৰোমাণ্টিক ভাৱধাৰাই আন আন ভাৰতীয় সাহিত্যতো প্ৰভাৱ বিস্তাৰ কৰিবলৈ লৈছিল। ১৮৮৯ চনৰ ফেব্ৰুৱাৰী মাহত চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত 'জোনাকী'ৰ প্ৰথম সংখ্যাটো প্ৰকাশ পায়। 'জোনাকী' প্ৰকাশ হোৱা দিনৰ পৰাই অসমীয়া সাহিত্যত ৰোমাণ্টিক আন্দোলনৰ শুভাৰম্ভ হয় বুলি ধৰা হয়— যিদৰে ৱৰ্থচৱৰ্থ আৰু কলেৰিজৰ যুটীয়াভাৱে প্ৰকাশ পোৱা কাব্য সংকলন 'লিৰিকেল বেলাড'ৰ প্ৰকাশ পোৱা দিনটোৰ পৰা ইংৰাজী সাহিত্যৰ ৰোমাণ্টিক যুগ আৰম্ভ হোৱা বুলি নিৰ্দ্ধাৰণ কৰা হয়।

উনবিংশ শতিকাৰ কলিকতা মহানগৰী আছিল বঙালী ৰেনেছাঁচৰ সাৰুৱা ভূমি। অসমৰ পৰা যোৱা ছাত্ৰসকলে বঙ্গৰ নৱজাগৰণৰ পৰা প্ৰেৰণা লাভ কৰিছিল আৰু সমকালীন সমাজ-সাহিত্য আৰু জাতীয়তাৰ প্ৰেৰণাই তেওঁলোকক এনে মন্ত্ৰত দীক্ষিত কৰাইছিল। চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, কনকলাল বৰুৱা আৰু ৰত্নকান্ত বৰকাকীতৰ সম্পাদনাত ষষ্ঠ বছৰলৈকে 'জোনাকী' কলিকতাৰ পৰা প্ৰকাশিত হৈছিল। পৰৱৰ্তীকালত 'জোনাকী'ৰ দ্বিতীয় স্তৰ—

আলোচনীখন পুনৰ প্ৰকাশ হৈছিল গুৱাহাটীৰ পৰা। জোনাকীয়ে অসমীয়া সাহিত্যত যিটো যুগ সৃষ্টি কৰিলে, সেই যুগ হ'ল উনবিংশ শতিকাৰ শেষ দশকৰ ভিতৰতে অসমীয়া ৰোমাণ্টিক আন্দোলনৰ প্লাৱনৰ যুগ, সাহিত্যৰ বুৰঞ্জীৰ এক ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ যুগ, যাৰ প্ৰভাৱ পৰৱৰ্তী দুকুৰি বছৰ ব্যাপী অসমীয়া সাহিত্যত নিৰৱচ্ছিন্নভাৱে থাকি গ'ল। 'জোনাকী'য়ে অসমীয়া সাহিত্যত ৰোমাণ্টিক আদৰ্শৰ সাৰ্থক প্ৰতিফলন ঘটোৱাৰ উপৰি জাতীয় সাহিত্যক নেতৃত্ব দি এটা নতুন যুগৰ সঞ্চাৰ কৰিলে। এনেদৰে 'জোনাকী'ৰ লগত অসমীয়া ৰোমাণ্টিক সাহিত্যৰ এৰাব নোৱৰা তেজ-মঙহৰ সম্পৰ্কৰ ইতিহাস স্থাপিত হ'ল। সময়ৰ ব্যৱধান সত্বেও অসমীয়া ৰোমাণ্টিক আন্দোলনৰ বৈশিষ্ট্যবোৰ ইংৰাজী ৰোমাণ্টিক আন্দোলনৰ লগত একেসুৰীয়া। ইংৰাজী সাহিত্যত বৈপ্লৱিক পৰিবৰ্তন স্বৰূপ ৰোমাণ্টিকতাৰ প্ৰৱেশ ঘটিছিল। 'জোনাকী'য়ে সৃষ্টি কৰা ৰোমাণ্টিক ভাবধাৰাৰ প্ৰভাৱ পৰৱৰ্তী 'বাঁহী', 'আৱাহন'ৰ দিনলৈকে প্ৰবাহিত হৈ ৰ'ল।

**আত্মমূল্যায়ন প্ৰশ্ন**

**জোনাকী কাকতখনৰ জন্ম প্ৰক্ৰিয়াত কি কি কাৰকে প্ৰভাৱ বিস্তাৰ কৰিছিল? (৫০ টামান শব্দৰ ভিতৰত উত্তৰ দিয়ক।)**

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

১.৪ জোনাকী আৰু ৰোমাণ্টিক সাহিত্য

হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আৰু তেখেতসকলৰ সহযোগীসকলে অসমীয়া সাহিত্যৰ যি ভেটি নিৰ্মাণ কৰিলে তাত মন্দিৰ নিৰ্মাণ কৰিবলৈ নতুন এদল পাশ্চাত্য শিক্ষাৰে শিক্ষিত ডেকা আগবাঢ়ি আহিল। বঙলা ভাষা স্কুল-আদালতৰ পৰা বহিষ্কাৰ হ'ল যদিও, বঙালীৰ প্ৰভাৱ কমা নাছিল আৰু সেই ভাষাক পুনৰ প্ৰতিষ্ঠা কৰিবলৈ তেতিয়াও চেষ্টাৰ বিৰাম হোৱা নাছিল। গতিকে সাহিত্যক টনকিয়াল কৰি নুতুলিলে আৰু সাহিত্য প্ৰচাৰৰ দ্বাৰা জাতিক আত্মসচেতন কৰি তুলিব নোৱাৰিলে

অসমীয়াত্ব অক্ষুণ্ণ ৰখা টান হ'ব বুলি ভাবিয়েই শিক্ষিত ডেকাদল কৰ্মক্ষেত্ৰত নামিল। এই ডেকাদলৰ প্ৰায় সকলোৰেই আছিল কলিকতাৰ কলেজত পঢ়া ছাত্ৰ আৰু সেই কাৰণে তেওঁলোকৰ আন্দোলনৰ কেন্দ্ৰস্থলো আছিল কলিকতা। উনবিংশ শতিকাৰ শেষৰফালে যিসকল অসমীয়া ছাত্ৰ কলিকতালৈ শিক্ষা গ্ৰহণৰ বাবে গৈছিল, তেওঁবিলাকে গৈ বংগৰ নৱজাগৰণে আনি দিয়া বাঙালী জাতীয় চেতনাৰ ইতিবাচক ফলবোৰ দেখা পাইছিলগৈ। ইতিমধ্যে আধুনিক বঙলা ভাষাই নিজৰ সুদৃঢ় বুনিয়াদ গঢ়ি তুলিছিল। নগেন শইকীয়াৰ মতে, ১৮০০ খ্ৰীষ্টাব্দত আৰম্ভ হোৱা ফৰ্ট উইলিয়াম কলেজ, ১৮৫৭ খ্ৰীষ্টাব্দত আৰম্ভ হোৱা কলিকতা বিশ্ববিদ্যালয়, ১৭৮৪ খ্ৰীষ্টাব্দত স্থাপিত হোৱা এছিয়াটিক ছোচাইটি অব বেঙ্গল, ভাৰ্ণাকুলাৰ লিটাৰেৰী ছোচাইটি, বংগ হিত সভা, বংগ ভাষা প্ৰকাশিকা সভা আদি ভাষা-সাহিত্য-সমাজ সম্পৰ্কীয় প্ৰায় পঞ্চাশটাতকৈও অধিক অনুষ্ঠান-প্ৰতিষ্ঠানে বংগত এটা বৌদ্ধিক আৰু সামাজিক জাগৰণৰ সৃষ্টি কৰিছিল। এনে সময়তে গৈ পোৱা অসমীয়া ছাত্ৰসকলে নিজৰ মাতৃভূমি, মাতৃভাষা আৰু নিজৰ সমাজ জীৱনৰ শোকলগা ছবিখনৰ কথা স্বাভাৱিকতেই সুঁৱৰি এক দায়ত্ববোধ অনুভৱ কৰিছিল। ইতিপূৰ্বে কলিকতাত ১৮৭২ খ্ৰীষ্টাব্দত গঠন কৰা 'অসমীয়া ছাত্ৰৰ সাহিত্য সভা' বন্ধ হৈ গৈছিল। এতেকে আশীৰ দশকত গৈ কলিকতা পোৱা ছাত্ৰসকলে এটা অনুষ্ঠানৰ অভাৱ অনুভৱ কৰি ১৮৮৮ খ্ৰীষ্টাব্দৰ ২৫ আগষ্টৰ দিনা মীৰ্জাপুৰ ষ্ট্ৰীটৰ বহাত হোৱা সভাত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' গঠন কৰে। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, কনকলাল বৰুৱা, ৰমাকান্ত বৰকাকতি, বেণুধৰ ৰাজখোৱা, পদ্মনাথ গোহাঞিবৰুৱা, আনন্দচন্দ্ৰ আগৰৱালা, দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, সত্যনাথ বৰা, লম্বোদৰ বৰা, সোণাৰাম চৌধুৰী, চন্দ্ৰধৰ বৰুৱা, ৰাধানাথ ফুকন, ৰজনীকান্ত বৰদলৈ, দেৱেশ্বৰ চলিহা, কমলচন্দ্ৰ শৰ্মা, আব্দুল মজিদ, ৰাধাকান্ত সন্দিকৈ, গুজানন বৰুৱাকে ধৰি পঞ্চাশজনতকৈও অধিক ছাত্ৰ এই দশকৰ শেষৰফালে কলিকতাত আছিল। এই ছাত্ৰসকলে গঠন কৰা 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ত এখন মাহেকীয়া কাকত প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এনেকৈয়ে আৰম্ভ হ'ল আধুনিক অসমীয়া সাহিত্যৰ বিকাশ আৰু প্ৰতিষ্ঠাত প্ৰধান ভূমিকা গ্ৰহণ কৰা 'জোনাকী'ৰ কলিকতা প্ৰবাসী জীৱন— ১৮৮৯ খ্ৰীষ্টাব্দৰ প্ৰাৰম্ভত। সভাই গ্ৰহণ কৰা প্ৰস্তাৱ অনুসৰিয়েই চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত 'জোনাকী' প্ৰকাশৰ যো-জা চলিল আৰু ১৮৮৯ খ্ৰীষ্টাব্দত জানুৱাৰী মাহৰ প্ৰকাশৰ সময় বুকুত বান্ধি ডিমাই আকাৰৰ কুৰি পৃষ্ঠাৰ কাকতখনে আত্মপ্ৰকাশ কৰিলে। উল্লেখযোগ্য যে জোনাকী প্ৰকাশৰ বাবে অৰ্থ সাহায্য আগবঢ়াইছিল চন্দ্ৰকুমাৰ আগৰৱালাই। মহেশ্বৰ নেওগৰ মতে 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' আৰু 'জোনাকী'ৰ জন্ম অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ এটা উজ্জ্বল বছৰ। 'বিলাতী পণ্ডিত জনছন এডিছনৰ দিনৰ কফি হাউচ; ইউৰোপ, এছিয়া আৰু আমেৰিকা জুৰি পৰা বহুত ডাঙৰ কথাৰ ওপজা ঠাই' হোৱাৰ

দৰে কলিকতাত থকা অসমীয়া ছাত্ৰসকলৰ 'টি পাৰ্টি' নামৰ এখন সম্মিলনেই হ'ল 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ জননী আৰু এই সভাই হ'ল এক প্ৰবল সাহিত্যিক আন্দোলনৰ মূল। সভাৰ উচ্চাকাংক্ষা আছিল— "কেঁচুৱা মাতৃভাষা কেনেকৈ ডাঙৰ দীঘল হ'ব, কেনেকৈ সি পৃথিবীৰ আন আন ধনী আৰু উন্নতিশীল ভাষাৰ সমান হৈ আপোন গৌৰৱ-বেলিৰ পোহৰ চাৰিওফালে পেলাই দুনীয়া আৰু এন্ধাৰ অসমৰ মুখ পোহৰাব পাৰিব; কেনেকৈ সি দুৰ্বল, ৰুগীয়া আৰু জীৰ্ণ অৱস্থাৰ পৰা সবল, সুস্থ আৰু শকত অৱস্থা পাব, তাৰ উপায় সাধনেই এই সভাৰ উদ্দেশ্য।"

১৮৮৯ চনত 'জোনাকী'ৰ প্ৰথম সংখ্যা ওলাল। চন্দ্ৰকুমাৰ আগৰৱালাই 'আত্মকথা'ত নিজৰ উদ্দেশ্য ব্যাখ্যা কৰিলে— 'এই পাছ পৰি থকা আন্ধাৰ দেশলৈ অলপ জোনাক সুমুৱাব নোৱাৰিলেও, যদি নিজে নিজেও যত্নৰ ফিৰিঙটিৰ পোহৰত বাট পাওঁ তেনে আমাৰ শক্তিৰ মিছা ব্যয় হোৱা নাই বুলি ভাবিম। ..... আমি যুঁজিবলৈ ওলাইছো আন্ধাৰৰ বিপক্ষে। উদ্দেশ্য— দেশৰ উন্নতি, জোনাক।'

জোনাকীৰ প্ৰথম সংখ্যাটিতে প্ৰকাশিত চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' কবিতাটিয়েই ৰোমাণ্টিক গীতিকবিতাৰ সকলো গুণ আৰু লক্ষণেৰে পূৰ্ণ হৈ প্ৰকাশ লাভ কৰি পাঠকক বিস্ময়াভূত কৰি তুলিলে। এয়েই অসমীয়া কবিতাত প্ৰথম ৰোমাণ্টিচিজিমৰ প্ৰথম শিহৰণ। তদুপৰি প্ৰথম সংখ্যাটোতে প্ৰকাশ পায় লক্ষ্মীনাথ বেজবৰুৱাৰ 'লিটিকাই' নামৰ ধেমেলীয়া নাট আৰু কমলাকান্ত ভট্টাচাৰ্যৰ 'জাতীয় উন্নতি' নামৰ প্ৰবন্ধ। চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, আনন্দচন্দ্ৰ আগৰৱালা, কমলাকান্ত ভট্টাচাৰ্য, চন্দ্ৰধৰ বৰুৱা প্ৰমুখ্যে কবিসকলৰ আত্মপ্ৰকাশ আৰু প্ৰতিষ্ঠা জোনাকীৰ পাততে ঘটে। মানব-প্ৰেম, নৰ-নাৰীৰ প্ৰেম, প্ৰকৃতি-প্ৰেম, স্বদেশপ্ৰেম আদি প্ৰেমৰ বিভিন্ন আভিব্যক্তি কঢ়িয়াই অনা কবিতাৰাজিয়ে অসমীয়া কবিতাক নতুন প্ৰকৃতি আৰু নতুন গুণগত আয়তন দান কৰিলে। জোনাকীত প্ৰকাশিত গহীন প্ৰবন্ধসমূহে বিভিন্ন ক্ষেত্ৰ সামৰি ল'লে। জাতীয় চেতনাৰ উদ্ৰেক কৰোঁতা স্বৰূপেও জোনাকীয়ে ভূমিকা পালন কৰি গৈছে। কমলাকান্ত ভট্টাচাৰ্যৰ 'জাতীয় উন্নতি'ৰ লগতে 'অসমীয়াৰ উন্নতি', পানীন্দ্ৰনাথ গগৈৰ 'জাতীয় প্ৰেম', হেমচন্দ্ৰ গোস্বামীৰ 'অসমীয়া ভাষা', কনকলাল বৰুৱাৰ 'আমাৰ শিল্প', বেজবৰুৱাৰ 'অসমীয়া ভাষা' আদি প্ৰবন্ধলানিৰ মাজত এই সাংস্কৃতিক জাতীয় চেতনাৰ ব্যাপ্তি সাধিত হৈছে। 'জোনাকী'য়ে এহাতে গভীৰ দেশাত্মবোধ তথা সাংস্কৃতিক জাতীয় চেতনা আৰু আনহাতে পাশ্চাত্য ৰোমাণ্টিক সাহিত্যৰ পৰা লাভ কৰা মানৱতাবাদী দৃষ্টিভংগী আৰু সংবেদনশীলতাৰ মুক্ত প্ৰকাশৰ অধিকাৰ প্ৰদান কৰে। আনহাতে, ঐতিহ্যৰ পৰা লাভ কৰা জীৱনৰ আদৰ্শবাদী দৃষ্টিভংগী আহৰণ কৰি আধুনিক অসমীয়া সাহিত্যৰ বাবে এক নতুন আৰু শক্তিশালী বৌদ্ধিক পৰিমণ্ডল গঢ়ি তুলিলে।

'জোনাকী'ৰ পৃষ্ঠাসমূহে কেৱল ৰোমাণ্টিক কল্পনা আৰু জাতীয় চেতনাকে কঢ়িয়াই অনা নাছিল, এই সৰু কাকতখনৰ বুকুতে বাস্তৱবাদী আৰু যুক্তিবাদী

দৃষ্টিভংগীয়েও এঙামুৰি দি সাৰপাই উঠে। ৰত্নেশ্বৰ মহন্তৰ 'ভাৱনা'ৰ মাজত বাস্তৱবাদী চিন্তাৰ আৰু 'বিবাহ'ৰ মাজত যুক্তিবাদী চিন্তাৰ উন্মেষ ঘটে। অৱশ্যে, বিবাহৰ দৰে প্ৰবন্ধত সমকালীন সামাজিক পটভূমিত লেখকৰ যি দ্বন্দ্ব হৈছে, তাৰো প্ৰতিফলন নঘটাকৈ থকা নাই।

আধুনিক অসমীয়া মনটো জোনাকীতে সাৰ পাই উঠিছে। এই আধুনিক মনটোৱে যেন সাৰ পাই চকু মোহাৰি চাৰিওফালৰ জীৱন আৰু জগতক 'নতুন প্ৰাণৰ ন-চকুৰে' চাই লৈ বিস্মিত আৰু আনন্দিত হ'ল। দেশ আৰু জাতিৰ অতীতলৈ চকু দি তাত পালে অনুপ্ৰেৰণাৰ অনেক সমল; দেশ আৰু জাতিৰ সমকালীন অৱস্থালৈ চকু দি দেখিলে অনেক দোষ, দুৰ্বলতা আৰু অভাৱ। এই বিলাকেই জোনাকীৰ সাৰথিসকলক অনুপ্ৰেৰণা যোগালে— অতীতৰ কীৰ্ত্তন কৰিবলৈ বৰ্তমানক কৰবাত সমালোচনা কৰিবলৈ, কৰবাত ব্যঙ্গ কৰিবলৈ, কৰবাত উৎসাহ দিব পৰা পৰামৰ্শ দিবলৈ। তেওঁবিলাকে অনাগত ভৱিষ্যতক সুন্দৰ কৰাৰ বাবেই কলম হাতত লৈছিল, ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক ৰচনা, নৈতিক আৰু আধ্যাত্মিক শক্তি বিষয়ক ৰচনা, দৰ্শন, শৰীৰতত্ত্ব, জীৱনী, ভ্ৰমণ কাহিনী, গ্ৰন্থ সমালোচনা, বুৰঞ্জী, সাঁথৰ, ৰম্য ৰচনা, ছাত্ৰ ৰচনা, কবিতা, নাটক, চুটিগল্প উপন্যাস— কোনোটো বিষয়কে বাদ নিদিয়াকৈ বুকুত সুমুৱাই ওলাই আহিল (নগেন শইকীয়া : অৰুণোদয়ৰ পৰা জোনাকীলৈ প্ৰবন্ধ)। উল্লেখযোগ্য যে নাটক, চুটিগল্প, উপন্যাস, ৰম্যৰচনা— এই আটাইকেইটিৰে বাট কাটি দিওঁতাজন আছিল স্বয়ং লক্ষ্মীনাথ বেজবৰুৱা। প্ৰথম বছৰ প্ৰথম সংখ্যাৰ পৰা প্ৰকাশ হয় তেওঁৰ 'লিটিকাই' নামৰ নাটক। 'পদ্মকুমাৰী' উপন্যাস প্ৰকাশ পাবলৈ ধৰে তৃতীয় বছৰ প্ৰথম সংখ্যাৰ পৰা। চুটিগল্প প্ৰকাশ হ'বলৈ ধৰে চতুৰ্থ বছৰ দ্বিতীয় সংখ্যাৰ পৰা। দ্বিতীয় বছৰৰ সপ্তম সংখ্যাতে আত্মপ্ৰকাশ কৰে 'কৃপাবৰ বৰুৱাই'।

'জোনাকী'ৰ পৃষ্ঠাবোৰ লুটিয়াই চালে অনুভৱ কৰিব পাৰি, কেনেকৈ ধীৰে ধীৰে এটা আধুনিক মনে সাৰ পাই উঠিছে, অনুভৱ কৰিব পাৰি আধুনিক সাহিত্যৰ বিভিন্ন শাখা-প্ৰশাখাবোৰে কেনেভাৱে এটা এটাকৈ মুকুলিত হৈছে। সন্দেহ নাই যে জোনাকীৰ আগে আগে 'আসাম বন্ধু'ৱে হাবি কাটি বাট উলিয়াইছিল। কিন্তু 'আসাম বন্ধু'ৰ প্ৰেক্ষাপটত আছিল তুলনামূলকভাৱে এটা ক্লাচিকেল দৃষ্টিভংগী আৰু 'জোনাকী'য়ে লাভ কৰিলে ৰোমাণ্টিক আন্দোলনৰ মুক্ত পৰিৱেশ। কেইজনমান প্ৰৱসুৱা কলেজীয়া ছাত্ৰই আৰম্ভ কৰা এই কাকতখনে আয়ুসৰ ফালৰপৰা এটা যুগো সম্পূৰ্ণ কৰিব নোৱাৰিলে। কিন্তু এটা নতুন যুগৰ সৃষ্টি কৰি থৈ গ'ল। ১৮৮৯ খ্ৰীষ্টাব্দৰ পৰা ১৮৯৮ খ্ৰীষ্টাব্দলৈ কলিকতীয়া 'জোনাকী'ৰ আয়ুষ আছিল মাত্ৰ দহ বছৰ। এই দহ বছৰত ১২ টাকৈ ১২০ টা সংখ্যা ওলাব লাগিছিল যদিও প্ৰথম বছৰত ১১ টা, দ্বিতীয় বছৰত ১২ টা, তৃতীয় বছৰত ১০ টা, চতুৰ্থ বছৰত ১১ টা, পঞ্চম বছৰত ৭টা, ষষ্ঠ বছৰত ১১ টা, সপ্তম বছৰত ৬ টা আৰু অষ্টম বছৰত ১ টা, মুঠ ৬৯ টা সংখ্যাহে প্ৰকাশিত হৈছিল। এই আঠবছৰৰ ভিতৰত 'জোনাকী'ত পাঁচজন সম্পাদকে কাৰ্যনিৰ্বাহ কৰিছিল। প্ৰথম বছৰত চন্দ্ৰকুমাৰ আগৰৱালা, দ্বিতীয় বছৰত

হেমচন্দ্ৰ গোস্বামী, তৃতীয় আৰু চতুৰ্থ বছৰত লক্ষ্মীনাথ বেজবৰুৱা, পঞ্চম বছৰত সোণাৰাম চৌধুৰী, ষষ্ঠ, সপ্তম আৰু অষ্টম বছৰত মীনধৰ হাজৰিকাই সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

১৮৯৮ চনত কলিকতীয়া 'জোনাকী'ৰ প্ৰকাশ বন্ধ হৈ যোৱাত ১৯০১ চনত 'জোনাকী'ক কলিকতাৰ পৰা আনি গুৱাহাটীত প্ৰতিষ্ঠা কৰিলে। গুৱাহটীয়া 'জোনাকী' সত্যনাথ বৰাৰ সম্পাদনাত ১৯০১ চনৰ পৰা ১৯০৪ চনলৈ চলি বন্ধ হয়। 'জোনাকী'য়ে সচেতনভাবে এক সাহিত্যিক আন্দোলন গঢ় দিছিল। ভাষাৰ নিৰ্ভুল আৰু সম্ভৱপৰ উচ্চতম আধুনিক মান নিৰ্ণয়ৰ যত্নত সাহিত্যিক শৈলী সমৃদ্ধ হৈ উঠিছিল। পাশ্চাত্যৰ প্ৰভাৱ মুক্তভাৱে গ্ৰহণ কৰি বঙলা সাহিত্যৰ বৰেণ্যসকলৰ আদৰ্শও আগত ৰাখি আধুনিক সাহিত্যৰ ভাৱধাৰা আৰু সাহিত্যিক ৰূপ অসমীয়াত সমাৱেশ ঘটালে। এইভাৱে সাহিত্যৰ সম্পূৰ্ণ আধুনিকীকৰণ 'জোনাকী' আৰু 'জোনাকী'ৰ কেউকাষে গোট খোৱাসকলৰ মহৎ কীৰ্ত্তি। এই আধুনিকীকৰণত প্ৰধান আদৰ্শ ইংৰাজী সাহিত্যৰ ৱৰ্ডছৱৰ্থৰ যুগটো হোৱা বাবে নতুন সাহিত্যও হ'ল ৰোমাণ্টিক ধাৰাৰ।

মুঠতে অসমীয়া জাতীয় জীৱনক পূৰ্ণাঙ্গ ৰূপ দিয়াৰ বেলিকা 'জোনাকী' কাকতে চলোৱা আন্দোলনটোৰেই পৰিণাম হ'ল বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ অসমীয়া ভাষা, সাহিত্য, সমাজ আৰু সংস্কৃতি। 'জোনাকী'ৰ লেখকসকলৰ সৃষ্টি প্ৰতিভাৰেই ক্ৰমবিকশিত হৈ উল্লেখিত কালছোৱাৰ সমাজ আৰু সংস্কৃতিৰ চালিকা শক্তিৰূপে ক্ৰিয়া কৰিছিল। সেইবাবেই অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত 'জোনাকী' কেৱল এখন আলোচনী নহয়, জোনাকী এটা যুগ। মহেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ ইতিহাসৰ যুগ-বিভাজনত যিছোৱা কালক (১৮৮৯-১৯৪০) বেজবৰুৱা যুগ নাম দিব পাৰি বুলি কৈছে, সেই বেজবৰুৱাৰ প্ৰতিভাও আছিল জোনাকী-গঢ়া। এই জোনাকী অসমৰ সামাজিক আৰু সাংস্কৃতিক ইতিহাসৰ অসামান্য অমূল্য দলিল। (যোগেন্দ্ৰনাৰায়ণ ভূঞা : *নিবন্ধ উনবিংশ*)।

**আত্মমূল্যায়ন প্ৰশ্ন**

অসমীয়া ৰোমাণ্টিক সাহিত্যলৈ জোনাকী কাকতে কি কি দিশত অৰিহণা যোগাইছিল? (৬০ টামান শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

আত্মমূল্যায়ন প্ৰশ্ন

১। ৰোমাণ্টিক সাহিত্যৰ মূল বিষয়বস্তু কি আছিল?

......................................................................................................

......................................................................................................

......................................................................................................

২। গুৱাহাটীয়া জোনাকী মানে কি?

......................................................................................................

......................................................................................................

......................................................................................................

## ১.৫ ৰোমাণ্টিক যুগ (দ্বিতীয় তৰংগ)ৰ অসমীয়া কবিতা

অসমীয়া ৰোমাণ্টিক কবিতাৰ শুভাৰম্ভ 'জোনাকী' কাকতৰ যোগেদি হয় যদিও ইয়াৰ অলপ আগৰেপৰা এই শ্ৰেণী কবিতাৰ পূৰ্বাভাষ দিয়ে ভোলানাথ দাস, ৰমাকান্ত চৌধুৰী আৰু কমলাকান্ত ভট্টাচাৰ্যই। এই তিনি গৰাকীক প্ৰাক্-জোনাকী বা প্ৰাক-ৰোমাণ্টিক যুগৰ কবি বুলিও কোৱা হয়। ভোলানাথ দাস আৰু ৰমাকান্ত চৌধুৰীৰ সৰ্বশ্ৰেষ্ঠ কীৰ্তি হ'ল অসমীয়া কাব্যত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ। ভোলানাথ দাসৰ 'সীতাহৰণ কাব্য' আৰু ৰমাকান্ত চৌধুৰীৰ 'অভিমন্যুবধ কাব্য' এই প্ৰসঙ্গত উল্লেখনীয়। এওঁলোক দুজনৰ পিছতে স্মৰণীয় প্ৰতিভাশালী কবিগৰাকী হ'ল কমলাকান্ত ভট্টাচাৰ্য। এওঁৰ কবিতাতে প্ৰথমবাৰৰ বাবে পাশ্চাত্যৰ ধ্যান-ধাৰণা প্ৰকাশ পাবলৈ ধৰে। অসমীয়া কাব্য-সাহিত্যৰ বুৰঞ্জীত কমলাকান্ত ভট্টাচাৰ্য এটা নতুন যুগৰ বাৰ্তাবাহী প্ৰাক্-ৰোমাণ্টিক কবি। যথাৰ্থতে, এওঁ অৰুণোদয় আৰু জোনাকী যুগৰ মাজত সেতুবন্ধ স্বৰূপ। এওঁৰেই উত্তৰ-সাধক কবি কেইগৰাকী হ'ল জোনাকীৰ ত্ৰিমূৰ্তি চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী।

অসমীয়া ৰোমাণ্টিক কবিতাৰ আলোচনা প্ৰসঙ্গত মহেন্দ্ৰ বৰাই এই যুগটোক তিনিটা প্ৰধান স্তৰ বা তৰঙ্গত বিভক্ত কৰিছে। প্ৰথম তৰঙ্গৰ কবি তিনিগৰাকী চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী। 'জোনাকী'ৰ প্ৰথম সংখ্যাত চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' নামৰ কবিতা প্ৰকাশ পায়। এইটোৱেই প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতা। তেওঁৰ কবিতা পুথিৰ নাম 'প্ৰতিমা'। আগৰৱালাৰ ৰচনাৰ পৰিমাণ কম; কিন্তু তেওঁৰ 'প্ৰতিমা' বেজবৰুৱাই কোৱাৰ দৰে 'প্ৰতিমাখনি সৰু কিন্তু নিভাঁজ সোণৰ'। আনহাতে, 'নিয়ৰ', 'মাধুৰী', 'তেজীমলা', 'বনকুঁৱৰী' আদি কবিতাত সৌন্দৰ্যৰ

যি অপৰূপ প্ৰকাশ ঘটিছে, পৃথিৱীৰ অতি কম কবিয়েহে তেনে সফলতাৰ অধিকাৰী হ'ব পাৰিছে। তেনেদৰে আগৰৱালাৰ কবিতাত ৰোমাণ্টিক কবিতাৰ বিশেষ লক্ষণ মানৱতাবোধ যি বজ্ৰ নিৰ্ঘোষত ঘোষিত হৈছে, আন কোনো অসমীয়া কবিৰ কবিতাত আজিলৈকে হোৱা নাই।

আগৰৱালাৰ পিছতে ৰোমাণ্টিক কবি হিচাপে লক্ষ্মীনাথ বেজবৰুৱাৰ নাম স্মৰণীয়। 'কদমতলি'ৰ কবিজনে 'কবিতা হয় যদি হওক, নহয় যদি নহওক' বুলিয়েই পাঁচ-ছকুৰি কবিতা ৰচিছিল। তাৰে কেইটামান কবিতা মহেশ্বৰ নেওগে কোৱাৰ দৰে— 'সোণপানীৰে ছপাই বন্ধাই থবলগীয়া'। ৰোমাণ্টিক ধাৰাটোৰ প্ৰথম তৰঙ্গৰ আন গৰাকী কবি হ'ল হেমচন্দ্ৰ গোস্বামী। 'জোনাকী'ৰ দ্বিতীয় সংখ্যাত প্ৰকাশ পোৱা গোস্বামীৰ 'জোনাকী' (পাছত 'পুৱা' নামেৰে প্ৰকাশিত) নামৰ কবিতাটোৱেই অসমীয়া ৰোমাণ্টিক যুগৰ দ্বিতীয়টো কবিতা। হেমচন্দ্ৰ গোস্বামীৰ বিশেষত্ব এইখিনিতেই যে এওঁ অসমীয়া চতুৰ্দ্দশপদী কবিতা বা চনেটৰ জন্মদাতা। 'জোনাকী'ত প্ৰকাশ পোৱা গোস্বামীৰ 'প্ৰিয়তমাৰ চিঠি' শীৰ্ষক কবিতাটিয়েই প্ৰথম অসমীয়া চনেট কবিতা। প্ৰথম তৰঙ্গৰ এই তিনিগৰাকী কবিৰ উপকণ্ঠত আন কেইজনমান কবিৰ উপস্থিতি লক্ষ্য কৰা যায়। সেই কেইগৰাকী হ'ল পদ্মনাথ গোহাঞিবৰুৱা, মফিজুদ্দিন আহমদ হাজৰিকা, আনন্দচন্দ্ৰ আগৰৱালা আৰু হিতেশ্বৰ বৰবৰুৱা। গোহাঞিবৰুৱাৰ কবিতাৰ পুথি তিনিখন— 'লীলাকাব্য', 'ফুলৰ চানেকি' আৰু 'জুৰণি'। 'জ্ঞানমালিনী' মফিজুদ্দিন আহমদ হাজৰিকাৰ একমাত্ৰ কবিতা পুথি। আনন্দচন্দ্ৰ আগৰৱালাৰো কবিতাৰ পুথি মাথো এখনি— 'জিলিকনি'। আনহাতে এওঁ বিদেশী কবিতাৰ ভাল অনুবাদক। হিতেশ্বৰ বৰবৰুৱাৰ 'মালচ' আৰু 'চকুলো' চতুৰ্দ্দশপদী কবিতাৰ পুথি।

ৰোমাণ্টিক যুগৰ দ্বিতীয় তৰঙ্গৰ অগ্ৰণী কবি গৰাকী হ'ল ৰঘুনাথ চৌধাৰী। প্ৰকৃতিৰ প্ৰেমত বন্দী এই কবিগৰাকীৰ 'চৰাই' কবিতালানিৰ প্ৰতিটো কবিতাই অসমীয়া কাব্য-ৰাজকোষৰ একোমুঠি হীৰা-মণি-মৰকত বৈ গৈছে। ৰূপকে-যমকে, উপমাই-অনুপ্ৰাসে উপচি উঠা এওঁৰ কবিতাৰ সাধাৰণ লক্ষণ। তিনিকুৰি বছৰে কাব্যচৰ্চা কৰা এই গৰাকী কবিৰ কবিতাৰ পুথিসমূহ হ'ল— 'সাদৰী', 'দহিকতৰা', 'কেতেকী', 'কাৰবালা' আৰু 'নৱমল্লিকা'। এই তৰঙ্গৰে আন এগৰাকী কবি দুৰ্গেশ্বৰ শৰ্মা নিঃসন্দেহে শ্ৰেষ্ঠ অসমীয়া দাৰ্শনিক কবি। শৰ্মাৰ দৰে আন এগৰাকী দাৰ্শনিক কবি হ'ল নীলমণি ফুকন (জ্যেষ্ঠ)। এওঁৰ কবিতাত আছে সত্য আৰু সুন্দৰক একেটা পাত্ৰতে বিধৃত কৰাৰ প্ৰচেষ্টা।

এই তৰঙ্গৰ আন এগৰাকী বিশিষ্ট কবি অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাত দুটা ধাৰা লক্ষ্য কৰা যায়— এটা বিপ্লৱী চিন্তাধাৰা আৰু আনটো ৰহস্যময় আধ্যাত্মিকতাৰ অভিব্যক্তি। বিদ্ৰোহাত্মক চিন্তা আৰু স্বদেশপ্ৰেমৰ অপূৰ্ব সমাহাৰত তেওঁৰ কবিতাৰ শক্তিশালী ৰূপ এটি দেখা যায়। তাৰ মাজতে 'তুমি'ত ডেকা প্ৰেমিকে যৌৱনৰ স্বপ্নৰ মাজেদি অনন্ত প্ৰেমৰ ভুমুকি মৰা দেখা পাইছে। তেওঁৰ

প্ৰিয়াৰ ৰূপ কেনেদৰে ক্ৰমে ক্ৰমে বিকশিত হৈ নানা স্তৰৰ মাজেদি গৈ ভগৱৎ প্ৰেমত পৰিণত হৈছে, তাৰ চমকলগা ৰূপ বৰ্ণিত হৈছে এই কাব্যত। ৰায়চৌধুৰীৰ কাব্যগ্ৰন্থ কেইখন হ'ল— 'তুমি', 'বীণা', 'অনুভূতি', 'বন্দো কি ছন্দেৰে', 'দেশেই ভগৱান' আৰু 'বেদনাৰ উল্কা'।

ৰোমাণ্টিক কবিসকলৰ ভিতৰত আলফুলীয়া আৰু স্পৰ্শকাতৰ কবিগৰাকী হ'ল যতীন্দ্ৰনাথ দুৱৰা। এওঁৰ কবিতা সাৱলীল, কোমল, মধুৰ, করুণ ৰসসিক্ত আৰু আত্মকেন্দ্ৰিক। দুৱৰা অসমীয়া কাব্যজগতত প্ৰেমৰ কবি হিচাপে পৰিচিত। ব্যক্তিগত প্ৰেমৰ করুণ হুমুনিয়াহেৰে এওঁৰ কবিতা সিক্ত। ব্যৰ্থ প্ৰেমত ক্ষত-বিক্ষত হৈ কবিয়ে আৰ্তনাদ কৰিছে। কবিৰ চাৰিওফালে মাথোন শূন্যতা আৰু অতীত দিনৰ আমনি। তাৰপৰা নিষ্ক্ৰান্তিৰ উপায় একমাত্ৰ পাহৰণি। সেইবাবে বহুতে দুৱৰাক নিৰাশাবাদী, পলায়নবাদী আৰু কেতিয়াবা দুঃখবাদী কবি বুলিও আখ্যা দিয়া দেখা যায়। 'আপোনসুৰ', 'বনফুল' আৰু 'মৰমৰ সুৰ' এওঁৰ অন্যতম কবিতাৰ পুথি। 'বনফুল' কবিতা পুথিৰ বাবে দুৱৰাই ১৯৫৫ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰে। এৱেঁই সাহিত্য অকাডেমী বঁটা পোৱা প্ৰথম গৰাকী অসমীয়া সাহিত্যিক।

'শেৱালি'ৰ কবিৰূপে খ্যাত ৰত্নকান্ত বৰকাকতী মুখ্যতঃ প্ৰেমৰ কবি। এই প্ৰেমে কেতিয়াবা দেহজ প্ৰেম অতিক্ৰম কৰি বিশ্বজগতক সাঙুৰি লৈছে, কেতিয়াবা আকৌ মানবীয় স্তৰ পাৰ হৈ অতীন্দ্ৰিয় পৰ্যায়লৈ গতি কৰিছে। দাৰ্শনিক ভাবৰ পাতল অনুলেপনে বৰকাকতীৰ কোনো কোনো কবিতাক গাম্ভীৰ্য দান কৰিছে। 'তৰ্পণ', 'শেৱালি' আৰু 'চন্দ্ৰহাৰ'— এই তিনিখন বৰকাকতীৰ কবিতাৰ পুথি।

অসমীয়া ৰহস্যবাদী ধাৰাটোৰ শ্ৰেষ্ঠ কবি গৰাকী হ'ল নলিনীবালা দেৱী। ব্যক্তিগত জীৱনৰ কাৰুণ্যই কবিৰ ৰহস্যবাদৰ মূল উৎস। গীতা, উপনিষদ, অসমীয়া বৈষ্ণৱ সাহিত্য আৰু ৰবীন্দ্ৰনাথৰ কবিতাৰ অধ্যয়নে নলিনীবালা দেৱীৰ কাব্যিক দৃষ্টিভঙ্গী আধ্যাত্মিকমুখী তথা অতীন্দ্ৰিয়বাদী কৰাত ইন্ধন যোগাইছে। 'পদ্মশ্ৰী' উপাধি তথা সাহিত্য অকাডেমী বঁটাৰে সন্মানিত নলিনীবালা দেৱীৰ 'সপোনৰ সুৰ', 'সন্ধিয়াৰ সুৰ', 'পৰশমণি', 'অলকানন্দা', 'অন্তিমসুৰ', 'যুগদেৱতা।', 'জাগৃতি' আদি কাব্য-পুথিৰে তেওঁৰ কবিতা-কানন সমুজ্জ্বল।

অসমীয়া ৰোমাণ্টিক কবিতাৰ তৃতীয় তৰঙ্গটো হৈছে ৰমন্যাসবাদৰ অৱক্ষয়ৰ যুগ। এইছোৱা সময়ৰ কবিতাই ক্ৰমশঃ ৰোমাণ্টিক ভাবধাৰাৰ পৰা আঁতৰি আহিবলৈ ধৰা পৰিলক্ষিত হয়। জ্যোতিপ্ৰসাদ আগৰৱালা, গণেশ গগৈ, দেৱকান্ত বৰুৱা এই তৰঙ্গৰ উল্লেখযোগ্য কবি। জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাত স্বদেশানুৰাগ, প্ৰগতিমূলক ধাৰণা, সৌন্দৰ্যবোধ, মানৱতাবাদ, দুষ্কৃতি, শোষণৰ প্ৰতি ঘৃণাভাৱ প্ৰকট হৈছে। গণেশ গগৈৰ কবিতাত যতীন্দ্ৰনাথ দুৱৰাৰ কবিতাৰ চূড়ান্ত পৰিণতি পৰিলক্ষিত হয়। অৱশ্যে গগৈৰ প্ৰেম তুলনামূলকভাৱে দুৱৰাতকৈ অধিক ইন্দ্ৰিয়গ্ৰাহ্য; প্ৰেমাস্পদৰ শৰীৰৰ অঙ্গে অঙ্গে তেওঁৰ বাবে আকৰ্ষণ।

দেৱকান্ত বৰুৱা যুগসন্ধিৰ কবি। এওঁৰ একমাত্ৰ কাব্য সংকলন 'সাগৰ দেখিছা' অসমীয়া কাব্য-সাহিত্যৰ এটি অপৰূপ বিস্ময়। দেৱকান্ত বৰুৱাৰ এখন ভৰি দ্বিতীয় মহাযুদ্ধৰ ৰোমাণ্টিক ৰঁটখটীত আৰু আনখন ভৰি যুদ্ধোত্তৰ যুগৰ নতুন সোপানত। অসমীয়া কাব্য বুৰঞ্জীত যদি সঁচাকৈয়ে 'তামসিক কবি' আছে, তেনেহলে সেইগৰাকী হ'ল দেৱকান্ত বৰুৱা। এওঁৰ কবিতাত ইন্দ্ৰিয়জ প্ৰেমৰ সৰ্বোত্তম প্ৰকাশ ঘটিছে। লগতে অসমীয়া কবিতাৰ আঙ্গিক বিশেষকৈ নতুন ছন্দ আৰু কলা-কৌশলৰ প্ৰয়োগেৰে যুগান্তৰৰ সৃষ্টি কৰে। ব্ৰাউনিঙৰ নাটকীয় একোক্তিৰ (Dramatic Monologue) ধৰণ-কৰণেৰে দেৱকান্ত বৰুৱাৰ কবিতাই অসমীয়া কাব্য সাহিত্যৰ ৰোমাণ্টিক যুগৰ সামৰণিৰ সূচনা কৰে। মুঠতে, দেৱকান্ত বৰুৱা সংক্ৰান্তিৰ কবি, নতুন পথৰো সন্ধানৰ কবি। এওঁৰ কবিতাত যেনেদৰে ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্য বিদ্যমান, তেনেদৰে আধুনিক (সাম্প্ৰতিক) কবিতাৰ লক্ষণো বিদ্যমান।

এনেদৰে ১৮৮৯ চনৰ পৰা ১৯৪০ চনৰ ভিতৰত ৰচিত ৰোমাণ্টিক যুগৰ অসমীয়া কবিতা সম্পৰ্কে আলোচনা কৰিলে ইয়াৰ বিভিন্ন দিশসমূহৰ বিষয়ে অৱগত হ'ব পাৰি।

**আত্মমূল্যায়ন প্ৰশ্ন**

**ৰোমাণ্টিক যুগৰ অসমীয়া কবিতাত কি কি বিষয়বস্তুৱে ঠাই পাইছে? (৪০ টামান শব্দৰ ভিতৰত উত্তৰ দিয়ক।)**

.................................................................................................................................
.................................................................................................................................
.................................................................................................................................
.................................................................................................................................
.................................................................................................................................
.................................................................................................................................
.................................................................................................................................

### ১.৬ সাৰাংশ (Summing up)

১৮৮৯ চনৰ পৰা ১৯৪০ চনলৈ এই সময়ছোৱাৰ ভিতৰত ৰচিত অসমীয়া সাহিত্যখিনিক ৰোমাণ্টিক যুগৰ অসমীয়া সাহিত্যৰূপে চিহ্নিত কৰা হয়। ৰোমাণ্টিক যুগৰ অসমীয়া সাহিত্য পুৰামাত্ৰেই পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ বা আদৰ্শত সৃষ্টি হোৱা সাহিত্য। প্ৰকৃত অৰ্থত ৰোমাণ্টিক যুগটো আছিল সাহিত্যৰ বিভিন্ন ক্ষেত্ৰত (কবিতা, চুটিগল্প, উপন্যাস, নাটক আদি) পৰীক্ষা-নিৰীক্ষাৰ যুগ।

ঐতিহাসিক পটভূমিত বিচাৰ কৰি চালে দেখা যায় যে ৰোমাণ্টিক সাহিত্য এক বিশেষ পৰিস্থিতি বা আন্দোলনৰ পৰিপ্ৰেক্ষিতত গঢ় লৈ উঠিছে। অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগ সৃষ্টিতো কিছুমান ঐতিহাসিক ঘটনা জড়িত হৈ আছে।

অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগ সৃষ্টিত বা ৰোমাণ্টিক ভাৱধাৰা অসমীয়া সাহিত্যলৈ আমদানি কৰাৰ ক্ষেত্ৰত 'জোনাকী' নামৰ কাকতখনিয়ে মুখ্য ভূমিকা পালন কৰিছে। কবিতা, চুটিগল্প, উপন্যাস, নাটক, প্ৰবন্ধ, সমালোচনা, ৰম্যৰচনা এই সকলোবোৰৰে আশ্ৰয় স্থল আছিল 'জোনাকী' কাকত। 'জোনাকী' নোহোৱা হ'লে অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগৰ সৃষ্টি সম্ভৱপৰ হৈ নুঠিলহেঁতেন। সেইবাবে নিঃসন্দেহে এই কথা ক'ব পাৰি যে ৰোমাণ্টিক যুগ সৃষ্টিত 'জোনাকী'ৰ অৱদান আছিল আটাইতকৈ বেছি।

## ১.৭ আর্হি প্ৰশ্ন (Sample Questions)

১। অসমীয়া ৰোমাণ্টিক সাহিত্যৰ পটভূমি সম্পৰ্কে আলোচনা কৰা।

২। জোনাকী কাকতখনৰ যোগেদি অসমীয়া সাহিত্যলৈ ৰোমাণ্টিকতাৰ কেনেদৰে আগমণ ঘটিছিল পৰ্যালোচনা কৰা।

৩। কোনকেইজন সাহিত্যিকৰ প্ৰচেষ্টাত অসমীয়া সাহিত্যলৈ ৰোমাণ্টিকতাৰ সূচনা হৈছিল, ব্যাখ্যা কৰা।

৪। অসমীয়া ৰোমাণ্টিক সাহিত্যৰ দ্বিতীয় তৰংগৰ বিষয়ে এটি প্ৰবন্ধ লিখা।

৫। অসমীয়া ৰোমাণ্টিক কবিতাৰ দ্বিতীয় তৰংগৰ কবিতা সমূহৰ বিশেষত্ব কি? পৰ্যালোচনা কৰা।

## ১.৮ প্ৰসঙ্গ গ্ৰন্থ (Referrences/Suggested Reading)


নগেন শইকীয়া (সম্পা.) ঃ চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰ

কবীন ফুকন ঃ চন্দ্ৰকুমাৰ আগৰৱালা

দিলীপ বৰুৱা ঃ *যোৱা শতিকাৰ কবিতা ঃ অসমীয়া নৱন্যাসী সাহিত্যৰ পৰম্পৰা*

উমেশ ডেকা

নীলমোহন ৰায় ঃ *ৰঘুনাথ চৌধাৰীৰ কাব্য বিচাৰ*

## প্ৰথম বিভাগ

# আধুনিক অসমীয়া কবিতা


১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ আধুনিক অসমীয়া কবিতাৰ পটভূমি
১.৪ চিত্ৰকল্প, প্ৰতীকবাদ আদি
১.৫ আধুনিক অসমীয়া কবিতা
১.৬ সাৰাংশ (Summing Up)
১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


### ১.১ ভূমিকা (Introduction)

এই বিভাগটিত আধুনিক অসমীয়া কবিতাৰ সাধাৰণ আলোচনা এটি দাঙি ধৰা হ'ব।

স্বাধীনতা বা বিশ্বযুদ্ধৰ আগতেই পাশ্চাত্যকৰণৰ প্ৰভাৱত অসমীয়া মানুহৰ জ্ঞানৰ পৰিধি পৰিসাৰিত হৈছিল। স্বাধীনতাৰ আগলৈকে পাশ্চাত্য বৌদ্ধিক প্ৰভাৱ ঘাইকৈ ইংৰাজী সাহিত্য আৰু দৰ্শনতে সমীবদ্ধ আছিল। স্বাধীনতাৰ পৰৱৰ্তী কালত বিজ্ঞান, মনস্তত্ব, নৃতত্ব, অৰ্থনীতি, মাৰ্ক্সবাদ আদি বিষয় সাহিত্যত গভীৰভাৱে সোমাই পৰে। সামাজিক আৰু নৈতিক অৱক্ষয়ৰ বিষয়টোৱে সাহিত্যত প্ৰাধান্য পাবলৈ ধৰে। অসমীয়া সাহিত্যতো দেৱকান্ত বৰুৱা, হেম বৰুৱা, নৱকান্ত বৰুৱা আদিয়ে পাশ্চাত্য কাব্য সাহিত্যৰ লগত অসমীয়া কাব্য সাহিত্যৰ ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰে। এই সময়ছোৱাত কেইবাগৰাকীও অসমীয়া কবিয়ে পাশ্চাত্যৰ আঙ্গিক কলা-কৌশল অসমীয়া কবিতাত প্ৰয়োগ কৰি পৰীক্ষা-নিৰীক্ষা চলায় আৰু সফলতাও অৰ্জন কৰে। ১৯৪০ চনৰ পৰা ১৯৭০ চনলৈ এই সময়খিনিৰ ভিতৰত অসমীয়া কবিতাৰ বিষয়বস্তু দৰ্শন তথা আঙ্গিক, কলা-কৌশল আদি বিভিন্ন দিশ সমূহ এটা সমগ্ৰীক ধাৰণা এই বিভাগৰ আলোচনাত সামৰি লোৱা হ'ল।

### ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে-

- অসমীয়া কবিতাৰ আধুনিক যুগটোৰ পটভূমি সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব,
- আধুনিক কবিতাৰ স্বৰূপ উপলব্ধি কৰিব পাৰিব,

- আধুনিক যুগৰ কবিতাৰ বৈশিষ্ট্যৰ বিষয়ে জ্ঞাত হ'ব পাৰিব,
- আধুনিক কবিতাৰ বৈশিষ্ট্যপূৰ্ণ উপাদান চিত্ৰকল্প, প্ৰতীক আদিৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব পাৰিব,
- আধুনিক অসমীয়া কবিতাৰ পৰিচয় লাভ কৰিব পাৰিব।

## ১.৩ আধুনিক অসমীয়া কবিতাৰ পটভূমি

আধুনিক অসমীয়া কবিতাৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বে আধুনিক কবিতাৰ পটভূমি সম্পৰ্কে অৱহিত হোৱা প্ৰয়োজন। জাৰ্মান দাৰ্শনিক আৰু কবি হিউগো ফন্ হফ্‌মানস্তাল (১৮৭৪-১৯২৯)এ সাহিত্য সমালোচনাৰ ভাষা ধাৰ কৰি ১৮৯৩ চনত 'আধুনিক'ৰ এটি ব্যাখ্যা আগবঢ়ায়। প্ৰসঙ্গক্ৰমে, আধুনিক সাহিত্যৰ বৈশিষ্ট্য বিচাৰ কৰিবলৈ 'আধুনিক' মনটো চাকি চোৱা প্ৰয়োজন। আধুনিক ধাৰণা বোলা কথাটো আপেক্ষিক বুলিয়েই ইয়াক উদ্ধকমাৰ ভিতৰত ৰখা হৈছে। হফ্‌মানস্থালৰ ব্যাখ্যাই সেই সময়ৰ 'আধুনিক'ৰ দুটি ভিন্ন অথচ স্পষ্ট কথা উদ্ভাসিত কৰিছে বুলি জেইমজ মাকফাৰলীনে অভিমত আগবঢ়াইছে। এই প্ৰসঙ্গ দুটি হ'ল ঃ (১) জীৱনৰ বিশ্লেষণ আৰু (২) জীৱনৰ পৰা পলায়ন। প্ৰথমটো প্ৰসঙ্গৰ বাবে হফ্‌মনস্তালে দৰ্পণ কল্পচিত্ৰ (mirror image) আৰু দ্বিতীয়টোৰ বাবে স্বপ্ন কল্পচিত্ৰ (dream image) অভিধা প্ৰয়োগ কৰিছে। ঊনবিংশ শতিকাত অভিযন্ত্ৰবাদী (mechanistic) আৰু স্বজ্ঞালব্ধ (intuitive) জ্ঞনৰ ফচলসমূহ বেলেগে বেলেগে বিচাৰ কৰা হৈছিল। হফ্‌মানস্তালৰ ধাৰণাই নতুন আৰু পৰিৱৰ্তনশীল অৰ্থৰ 'আধুনিক' ধাৰণাৰ এই দুটি সৃষ্টিশীল স্ৰোতক এটা সুঁতিৰ ৰূপ দিছিল। ১৯৩১ চনত ভাৰ্জিনিয়া উলফ্ (১৮৮২-১৯৪১) ৰ দ্য ওৱেভচ্ নামৰ উপন্যাসখন প্ৰকাশ পায়। ইয়াৰ বাৰ্ণাৰ্ড চৰিত্ৰটোৰ যোগেদি দুটি সম্পূৰ্ণ ভিন্ন অনুভূতি বেদনা আৰু আনন্দ একত্ৰে দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা ভাষাৰ মাধ্যমেদি মূৰ্ত কৰি তোলা হৈছে। আনন্দ আৰু শোক ইটোৰপৰা সিটো পৃথক আৰু স্পষ্ট কৰি অথচ একেলগে প্ৰকাশ কৰা এই বৌদ্ধিক অনুশীলনে হফ্‌মানস্তালৰ 'আধুনিক' ধাৰণাৰে প্ৰতিধ্বনি কৰিছে। বাৰ্ণাৰ্ডৰ মনৰ দোদুল্যমান অৱস্থাই সূচায় যে অনুভূতিবোৰ সদায়েই সহজবোধ্য নহয়। সাহিত্য আৰু কলাত ইয়াৰ ৰূপায়ণৰ বাবে বৌদ্ধিক কচৰতৰ প্ৰয়োজন। জাৰ্মাণ কবি ৰাইনাৰ মাৰিয়া ৰিল্কে (১৮৭৫-১৯২৬) ই ইয়াৰ বাবে একপ্ৰকাৰে নিৰ্দেশেই জাৰি কৰিছিল। সকলো ধৰণৰ অনুভূতিৰ চাপ ভাষাৰ জৰিয়তে প্ৰকাশ কৰাৰ প্ৰয়াস আধুনিক সাহিত্যৰ এটি নিৰ্দ্ধাৰণকাৰী বৈশিষ্ট্য। শব্দ এটা তাৰ শব্দগুণৰ বাবেই কবিতাত ব্যৱহাৰ কৰা হ'ব নে অৰ্থৰ প্ৰতি লক্ষ্য ৰাখিহে তাক প্ৰয়োগ কৰা হ'ব সি টো বিচাৰ্য বস্তু হৈ পৰিল। শব্দ আৰু অৰ্থৰ এই টনা-আঁজোৰাৰ ফলত কবিতা 'অসহনীয় মল্লযুঁজ'ত পৰিণত হোৱাৰ কথা এলিয়টে কৈছিল তেওঁৰ 'ফৌৰ কোৱাৰ্টেটছ' কাব্যগ্ৰন্থত। 'কবিতা শক্তিশালী আবেগৰ আপোনা আপুনি পাৰ বাগৰি যোৱা', 'উৎকৃষ্ট শব্দৰ উৎকৃষ্ট বিন্যাস' এনেবোৰ

আপেক্ষিকভাৱে কিছু পুৰণি আৰু পৰম্পৰাবদী সূত্ৰ পোনছাটেই খাৰিজ হোৱাৰ উপক্ৰম হ'ল। মনটোক সংকুচিত প্ৰসাৰিত কৰি ক'ব নোৱাৰা কথাবোৰ প্ৰকাশ কৰিবলৈ বিচৰা হ'ল। কেৱল কবিতাত বুলিয়েই নহয়, সেই সময়ৰ সকলোবোৰ শিল্প-কৰ্মতে মানুহৰ বুজন ক্ষমতাৰ বৃদ্ধিৰ বাবে যত্ন পৰিলক্ষিত হৈছিল।

আধুনিক কবিতাৰ বিকাশ আৰু বিচিত্ৰতাৰ ক্ষেত্ৰত মহানগৰসমূহৰ বিশেষ ভূমিকা আছে। ভালেমান ক্ষেত্ৰতে উনবিংশ শতিকাৰ শেষৰফালে ইউৰোপত উদ্ভৱ হোৱা আৰু বিংশ শতিকালৈকে বিকশিত হৈ থকা পৰীক্ষামূলক আধুনিকতাবাদ এবিধ মহানগৰ কলা। বিশেষকৈ বহুভাষিক মহানগৰসমূহৰ ক্ষেত্ৰত এই কথা প্ৰযোজ্য। বিভিন্ন ঐতিহাসিক কাৰণত উচ্চ পৰ্যায়ৰ কাম-কাজ আৰু গৰিমাৰে এই মহানগৰসমূহ বৌদ্ধিক আৰু সাংস্কৃতিক বিনিময়ৰ কেন্দ্ৰ হৈ পৰিছিল। উনবিংশ শতিকাৰ শেষ আৰু যুদ্ধৰ আৰম্ভণিৰ সময়ছোৱাৰ বাৰ্লিন, ভিয়েনা, মস্কো আৰু চেইণ্ট পিটাৰ্চবাগ, যুদ্ধৰ অব্যৱহিত পৰৱৰ্তী সময়ছোৱাৰ লণ্ডন, সমগ্ৰ বিংশ শতিকাটোৰ জুৰিখ, নিউইয়ৰ্ক, ছিকাগো সৰ্বকালৰ পেৰিচ মহানগৰীৰ পৰিবেশ, তাত জীপ লোৱা ভাৱনা আৰু প্ৰচাৰ, নতুন নতুন দৰ্শন আৰু ৰাজনীতিৰ কথা আওকাণ কৰি আধুনিকতাবাদৰ কথা ভাবিবই নোৱাৰি। ইয়াত আধুনিকতাবাদ অভিধাটো আধুনিক অৰ্থত শিথিলভাৱে ব্যৱহাৰ কৰা হৈছে।

আধুনিক শিল্পী এগৰাকীয়ে তেওঁৰ চেতনাত নগৰৰ মানচিত্ৰ এখনকে কঢ়িয়াই লৈ ফুৰে বুলিয়েই আধুনিকতাবাদক নগৰ-শিল্প বুলি অভিহিত কৰা হয়। মহানগৰে বিষয়বস্তু আৰু দৃষ্টিভঙ্গী গ্ৰহণৰ ক্ষেত্ৰত কবি লেখকসকলক বিভিন্ন প্ৰকাৰে সমল যোগাই আহিছে। সাহিত্যত মহানগৰ কেৱল এখন ঠাই মাত্ৰ হৈ নাথাকিল ই এটি ৰূপকৰ ৰূপ ল'লে। বোডলেয়াৰ, ডষ্টয়ভস্কি, জয়ছ, এলিয়ট আৰু পাউণ্ডৰ ৰচনাত মহানগৰে আংগিকৰ স্থান অধিকাৰ কৰিছে। আধুনিক জীৱনৰ বিচ্ছিন্নতাবোধ, নিঃসংগতাবোধ, এইবোৰে জন্ম দিয়া নৈৰাজ্য নগৰ আৰু মহানগৰৰ আলমত প্ৰকাশ পাবলৈ ধৰিলে। অস্তিত্ববাদী জীৱন দৰ্শনো মূৰ্ত হৈ উঠিল মহানগৰৰ জীৱন প্ৰবাহত।

**আত্মমূল্যায়ন প্ৰশ্ন**

আধুনিকতাবাদক কিয় নগৰ-শিল্প বুলি কোৱা হয়? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

## ১.৪ চিত্ৰকল্প, প্ৰতীকবাদ আদি

আধুনিক কবিতাৰ ক্ষেত্ৰত চিত্ৰকল্পবাদ, প্ৰতীকবাদৰ প্ৰভাৱ সম্পৰ্কেও আমি পৰিচিত হোৱা প্ৰয়োজন। হিউম, পাউণ্ড আৰু এমী লৱেলৰ বিভিন্ন চিত্ৰকল্পবাদী গোট সময়ৰ বুকুত হেৰাই যোৱা আশী বছৰৰো ওপৰ হ'ল যদিও চিত্ৰকল্পবাদ আজিও পণ্ডিত আৰু কাব্যৰসিকৰ আকৰ্ষণৰ বিষয় হৈ আছে। এটা আন্দোলন হিচাপে ইয়াৰ পৰ্যায় তিনিটা ঃ

(১) প্ৰথম পৰ্যায় ঃ ১৯০৯ চনত হিউম আৰু তেওঁৰ গোটৰ সদস্যসকলে আইফেল টাৱাৰৰ চোহো ৰেষ্টৰেণ্টৰ সাপ্তাহিক বৈঠকত মিলিত হৈ এবিধ ভাস্কৰ্যসুলভ কাঠিন্যৰ কবিতাৰ বিষয়ে আলোচনা কৰিছিল। এই ছোৱা সময়তে হিউমে দুৰ্বোধ্য কাব্য ৰচিছিল।

(২) দ্বিতীয় পৰ্যায় ঃ ১৯১২ চনত পাউণ্ড গোষ্ঠীৰ কবিসকলে উচ্চ অভিলাষী কাব্য-কৃতি সৃষ্টি কৰিছিল।

(৩) তৃতীয় পৰ্যায় ঃ উত্তৰ-পাউণ্ডীয় কবি গোষ্ঠীৰ কাব্যচৰ্চা এই পৰ্যায়ত পৰে। এই সময়তে চিত্ৰকল্পবাদী আন্দোলনৰ নেতৃত্ব এমী লৱেলৰ হাতলৈ যায়।

পাউণ্ডৰ চিত্ৰকল্পবাদী তত্ত্ব আৰু তেওঁৰ পৰীক্ষা-নিৰীক্ষাৰ পৰিচয় থকা ভালেমান কবিৰ নাম মনলৈ আহে ঃ য়েটচ্, এলিয়ট, লৰেঞ্চ, উইলিয়ামছ, ৱলেছ ষ্টীভেনছ্, ৰবাৰ্ট ফ্ৰষ্ট, মেৰিয়েল মুৰ, কাৰ্ল ছেণ্ডবাগ, হাৰ্ট ক্ৰেনকে ধৰি কুৰি শতিকাৰ ইংগ-আমেৰিকান আধুনিকতাবাদৰ অন্যান্য প্ৰখ্যাত কবিসকল।

১৯১৩ চনৰ মাৰ্চ সংখ্যা 'পয়েট্ৰি'ত প্ৰথম চিত্ৰকল্পবাদী ছন্দ প্ৰকাশ পায়। পাউণ্ড-ফ্লিণ্টৰ সাক্ষাৎকাৰ হিচাপে ই প্ৰকাশিত হৈছিল যদিও এয়া মূলতঃ পাউণ্ডেই লিখিছিল। 'চিত্ৰকল্পবাদীসকলৈ নিষেধাজ্ঞা' (Don'ts) বুলি প্ৰসিদ্ধ হোৱা কথাকেইটা এই সাক্ষাৎকাৰতে সন্নিবিষ্ট হৈছিল। নিষেধাজ্ঞা কেইটা হ'ল ঃ

(১) ব্যক্তিনিষ্ঠই হওঁক বা বস্তুনিষ্ঠই হওঁক, 'বস্তু' (object)-ৰ পোনপটীয়া চিত্ৰণ কৰিব লাগিব;

(২) প্ৰকাশভঙ্গীৰ ক্ষেত্ৰত সহায় নকৰা এটা অতিৰিক্ত শব্দও ব্যৱহাৰ কৰিব নালাগে;

(৩) ছন্দ সাধাৰণ লয়-নিয়ন্ত্ৰিত হ'ব নালাগে, ই সাংগীতিক মাধুৰ্য দান কৰিব লাগিব।

চিত্ৰকল্পবাদক ভাস্কৰ্যসুলভ কাঠিন্যৰ সমাহাৰ বুলি অভিহিত কৰাটোৱে সম্ভৱতঃ

আটাইতকৈ সমীচীন কথা হ'ল। শৈলী, ছন্দস্পন্দ আৰু অনুভূতিৰ জৰিয়তেই এই কঠিনতা আনিবলৈ কবি সচেষ্ট হয়। চিত্ৰকল্পবাদীসকলৰ ঘোষণা অনুসৰি কবিতাই ভাস্কৰ্য-সুলভ কাঠিন্য লাভ কৰিবলৈ হ'লে ঃ

(১) ইয়াত সংক্ষিপ্ততা থাকিব লাগিব আৰু সকলো অপ্ৰয়োজনীয় অলংকাৰ খহাব লাগিব; (২) দৈনন্দিন জীৱনৰ কথা ভাষা আঁকোৱালি লোৱা এই কবিতাত প্ৰাত্যহিক বাস্তৱতাৰ ৰুক্ষতাৰ সমাবেশ ঘটিব লাগিব; (৩) কঠোৰ নৈৰ্বক্তিকতাৰ প্ৰয়োজনত ভাবপ্ৰৱণতা পৰিত্যাগ কৰিব লাগিব; (৪) বিষয়ৰ যথাযথ অৰ্থ অনুধাৱনৰ বাবে কম-বেছি পৰিমাণে বিজ্ঞানীৰ 'কঠোৰ ' পদ্ধতি আৰু আনুপুংখিক দৃষ্টিৰ প্ৰয়োজন হ'ল; (৫) ইয়াৰ বিষয় ডাষ্টবিনো হ'ব পাৰে। পাউণ্ডে ফ্লেটচাৰৰ কাব্যকৃতিৰ প্ৰশংসা কৰাটো এই প্ৰসঙ্গত মন কৰিবলগীয়া; (৬) সন্তুলিত ছন্দৰীতি বৰ্জন কৰিব লাগিব।

যিসকল আধুনিক সাহিত্য বুলিলে পাঠ আৰু শব্দৰ স্বাধীনতা বুলি বুজে তেওঁলোকে সম্ভৱতঃ প্ৰতীকবাদ স্ব-মহিমাৰে উদ্ভাসিত শিল্প-কৰ্মৰ উৎস বুলি অভিহিত কৰিব। এডমাণ্ড উইলছনে 'একছে'লছ কাছল'ত অভিমত আগবঢ়াইছে যে, আধুনিক সাহিত্যৰ আধাৰশিলা স্থাপিত হৈছে প্ৰতীকবাদৰ বিকাশ আৰু প্ৰকৃতিবাদৰ সৈতে ইয়াৰ সমন্বয় অথবা সংঘাতৰ ফলত।

ষ্টেপান মালাৰ্মে (১৮৪২-১৮৯৮) , পল ভালেৰি (১৯৭১-১৯৪৫) এই দুগৰাকী ফৰাছী কবিয়ে প্ৰতীকবাদী কবিতালৈ যুগান্তকাৰী বৰঙণি আগবঢ়াইছে। মালাৰ্মেৰ কাব্য অনুধাবন কৰি এইবিধ সাহিত্যৰ বৈশিষ্ট্য বিচাৰ কৰিব পাৰি। আনহাতে মালাৰ্মেৰ 'প্ৰত্যক্ষ' উত্তৰাধিকাৰী পল ভালেৰিয়ে প্ৰতীকবাদী কাব্যই যে পঢ়ুৱৈৰ সুকীয়া অভিনিবেশ দাবী কৰে সেই কথা স্পষ্টকৈ প্ৰকাশ কৰিছে। ভালেৰিৰ মতে ইয়াতে প্ৰতীকবাদৰ অধিকাংশ নন্দনতত্ত্ব নিহিত হৈ আছে। প্ৰতীকবাদী কবিতা এটি তাৰ শ্ৰুতিগত মূল্যতকৈও বৰং দৃশ্যগত মূল্যৰ গুণতহে প্ৰাণৱন্ত হৈ উঠে। প্ৰতীকবাদী কবিতাৰ আংগিকে অৰ্থক বহুমতিকতা দান কৰে। কবিতা হৈ পৰিছিল একীভূত, সমগ্ৰ অভিব্যক্তিৰ মিলিত গোট। মালাৰ্মেই একপ্ৰকাৰৰ আচহুৱা (Eccentric) অথচ সূক্ষ্ম ৰুচিসন্মত বাক্যগাঁথনিৰ পোষকতা কৰিছিল। ইয়াৰ বাবে তেওঁ প্ৰচলিত কাব্য-ৰীতি ভাঙিছিল। ই কাব্য ৰীতিৰ এটি সমাধান সূত্ৰ প্ৰদান কৰাতকৈ পঢ়ুৱৈ আৰু কবিৰ বাবে প্ৰত্যাহ্বান স্বৰূপ হৈহে দেখা দিছিল। মূল বাক্যৰ লগত সম্বন্ধ নথকা বিশেষ্যপদৰ বহুল প্ৰয়োগেৰে ব্যাকৰণৰ চিৰাচৰিত শিকলি চিঙি পেলোৱা হৈছিল। কেতিয়াবা প্ৰতীক এটাই চিত্ৰকল্প এটাৰ লগত একাত্ম হৈ অতিৰিক্ত অৰ্থ ব্যঞ্জিত কৰে। উদাহৰণ স্বৰূপে, টি. এছ. এলিয়টৰ 'এশ্ব ৱেনয্-ডি' কবিতাত চিৰি বগোৱাৰ চিত্ৰকল্পটোৱে কোনো ব্যক্তিৰ আধ্যাত্মিক উত্তৰণৰ ব্যঞ্জনা কঢ়িয়াই আনিছে। চিত্ৰকল্প এটাই 'বিস্তৃত ৰূপক' হিচাপে কবিতাটোৰ নিহিতাৰ্থ প্ৰকাশ কৰিলে সেয়া প্ৰতীকি প্ৰকাশ বুলিব পাৰি।

লীৰিকবোৰে প্ৰগাঢ় অনুভূতি আৰু মনন সংক্ষেপতে ব্যঞ্জিত কৰিব লগা হোৱা বাবে ইয়াৰ পংক্তিৰ শেহৰ যতি চিনে পূৰ্ণতৰ অৰ্থ প্ৰাপ্তিত প্ৰত্যাহ্বান হিচাপে দেখা দিয়ে। ৰোমাণ্টিক কবিতাত যতিৰ স্থান ভালেখিনি পূৰণ হৈছিল স্বৰ (voice)-ৰ যোগেদি। প্ৰতীকবাদী কবিতাত বাংময় নীৰৱতা, ভাববোধৰ চিনৰ অনুৰণন, নৈৰাজ্যৰ নিঃশ্বাস, দ্বিধাজৰ্জৰ নীৰৱতাৰ সমস্যাই আলংকাৰিক যতি চিনৰ স্থান ল'লে। প্ৰতীকবাদী কবিতাত ভাববোধক চিনসমূহে বেলেগ বেলেগ উদ্দেশ্য সাধন কৰিছেঃ কেতিয়াবা ই শব্দ এটিকে পোহৰাই তোলে, কোনো মুহূৰ্তত অৰ্থক দিছে চাক্ষুস ৰূপ, কোনো সময়ত চকুৰ আগত উদ্ভাসিত কৰি তুলিছে জটিল ভাৱনা।

কবিতা শব্দ (পূৰ্ণতা) আৰু শূন্য স্থান (অপূৰ্ণতা)ৰ সমাহাৰ। তেনেদৰে প্ৰতীক এটা গঢ় লৈ উঠে বস্তু আৰু ধাৰণাৰে। কিবা থকাৰ কিবা নথকাৰ এটা মিশ্ৰিত ভাৱানুভূতি প্ৰতীকে আমাৰ মনলৈ কঢ়িয়াই আনে। মালাৰ্মেৰ কাব্যত যিটো হয় ধৰ্মী বুলি অলপ আগেয়ে ভবা হৈছে অলপ পৰ পিছতে তাকে নাকচ কৰা হৈছে। ফলস্বৰূপে অৰ্থও হৈ পৰিছে ধুৱঁলি-কুঁৱলি। এই সকলোপ্ৰকাৰৰ নেতিয়ে যি অবিদ্যমানতাৰ আভাস দিয়ে সেয়ে প্ৰতীক। ই অনতিক্ৰম্য, প্ৰতীকবাদী সকলে এই প্ৰতীককে আদৰি আনে।

**আত্মমূল্যায়ন প্ৰশ্ন**

চিত্ৰকল্প মানে কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

## ১.৫ আধুনিক অসমীয়া কবিতা

ৰোমাণ্টিক কবিতাৰ আন্দোলনে শীৰ্ষ বিন্দু পোৱাৰ প্ৰায় এশবছৰ পিছতহে অসমীয়া কবি-সাহিত্যিক সেই আন্দোলনৰ আদৰ্শৰ দ্বাৰা প্ৰভাৱিত হয়। কিন্তু ত্ৰিছৰ দশকৰ কবিতাই ত্ৰিছৰ দশকতেই অসমীয়া কবিতাক প্ৰভাৱিত কৰিব পৰাটো তাৎপৰ্যপূৰ্ণ। ড° আনন্দ বৰমুদৈৰ মতে ইংৰাজী শিক্ষাৰ প্ৰসাৰৰ লগতে ৰাজনৈতিক পৰিস্থিতিয়ে তেনে প্ৰভাৱ

সম্ভৱপৰ কৰি তুলিছিল। কুৰি শতিকাৰ অসমীয়া কবিতাৰ পাতনিত নীলমণি ফুকনে চল্লিশৰ দশকৰ কবিতাৰ বিষয়ে লিখিছে ঃ "জয়ন্তীৰ কবিসকলৰ ৰোমাণ্টিক বিৰোধী দৃষ্টিভঙ্গীৰ মূলত থকা ৰাজনৈতিক সামাজিক চেতনাৰ লগত নন্দনতাত্ত্বিক চেতনাৰ প্ৰয়োজনীয় সংযোগ নথকাটোৱেই তাৰ এটা প্ৰধান কাৰণ (ৰসোত্তীৰ্ণ নোহোৱাৰ) সন্দেহাতীত কবিত্বৰ অধিকাৰী অমূল্য বৰুৱাৰ প্ৰতিভাই কলি পেলাইছিলহে মাথোন।" অমূল্য বৰুৱাৰ কবিতাত বিষয়, ভাষা আৰু ভঙ্গীৰ ক্ষেত্ৰত বলিষ্ঠতা প্ৰকাশ পাইছে। অমূল্য বৰুৱাৰ কবিতাত নিশ্চিতভাৱে ইংৰাজ কবিৰ প্ৰেৰণা নিহিত আছিল। ৰচনা ৰীতি আৰু চিন্তাৰ উত্তৰণৰ দিশৰ পৰা মাৰ্ক্সবাদী কবি অ'ডেন, স্পেন্দাৰ, ডেই লিৱিচ, মেক্নীচ আদিৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল বুলি ভাবিবৰ থল আছে বুলি সমালোচকে আঙুলিয়াই দিছে। মুনীন বৰকটকীয়ে অমূল্য বৰুৱা (১৯১২-১৯৪৬)ই ৰ্যাবোঁ, আৰাগ, এলিয়ট, অডেন, সুধীন্দ্ৰনাথ দত্তৰ দৰে আধুনিক কবিৰ কবিতা পঢ়িছিল বুলি উল্লেখ কৰিছে। (বিস্মৃত ব্যতিক্ৰম, পৃঃ ৮০) । অমূল্য বৰুৱাৰ 'বেশ্যা' আৰু 'সিহঁত জীৱ' কবিতাত নাৰী মুক্তিৰ যি স্বপ্ন প্ৰকাশ পাইছে তাত ফৰাছী কবি ৰ্যাবোঁ (১৮৫৪-১৮৯১)ৰ প্ৰতিধ্বনি আছে। ৰ্যাবোঁ য়ে ভাবিছিল যে 'প্ৰকৃত আধুনিক' হবলৈ হ'লে নাৰীক দাসত্বৰপৰা মুক্তি দিব লাগিব। জয়ন্তীৰ অন্যান্য কবিসকলৰ ভিতৰত ভবানন্দ দত্ত, চক্ৰেশ্বৰ ভট্টাচাৰ্য, আনন্দেশ্বৰ শৰ্মা আদি উল্লেখযোগ্য।

পঞ্চম দশকটোকে 'হেম বৰুৱাৰ যুগ' বুলি অভিহিত কৰিব পাৰি। তেওঁ অসমীয়া কবিতাৰ আধুনিক ধাৰাটোৰ প্ৰবৰ্তক আৰু প্ৰাণকেন্দ্ৰ। আধুনিক ইংৰাজী সাহিত্যৰ লগত তেওঁৰ নিবিড় পৰিচয় আছিল। হেম বৰুৱা (১৯১৫-১৯৭৭)ই এলিয়টৰ প্ৰেৰণাত কথ্য ভাষাৰ ব্যৱহাৰ, গহীন আৰু চপল স্বৰৰ সংমিশ্ৰণ, বিষয়বস্তুৰ মিশ্ৰ সংস্থাপনৰ জৰিয়তে আধুনিক অসমীয়া কবিতাৰ পথিকৃত হিচাপে নিজৰ স্থান অধিকাৰ কৰিছে। হেম বৰুৱাৰ প্ৰসিদ্ধ কবিতা 'মমতাৰ চিঠি'ত কবিয়ে কথ্য ভাষাৰ জৰিয়তে অভিনৱ কাব্যিক সম্ভাৱনা মুকলি কৰিছে ঃ

*মোৰ কেনে লাগিছিল, জানা? তুমি যেন কোনোবা দূৰ*
*বিদেশৰ স্বপ্নাতুৰ আলোকৰ মানুহ। আৰু মই? মই যেন*
*তল-সৰা এপাহ শেৱালি।*

হেম বৰুৱাৰ হাততে এটি বিশেষ ৰূপ লাভ কৰা আধুনিক অসমীয়া কবিতাই পাছলৈ নৱকান্ত বৰুৱা, অজিৎ বৰুৱা, নীলমণি ফুকন, বীৰেশ্বৰ বৰুৱা, হীৰেন ভট্টাচাৰ্য, নিৰ্মলপ্ৰভা বৰদলৈৰ হাতত বিশেষ সমৃদ্ধি লাভ কৰে। ভবেন বৰুৱা আৰু হৰেকৃষ্ণ ডেকাইও আধুনিক কবিতাৰ ক্ষেত্ৰলৈ তাৎপৰ্যপূৰ্ণ বৰঙণি আগবঢ়ায়।

চল্লিছৰ দশকৰ পৰা কবিতা চৰ্চা কৰি অহা নৱকান্ত বৰুৱা (১৯২৬-২০০২)ই 'হে অৰণ্য হে মহানগৰ', 'এটি দুটি এঘাৰটি তৰা', 'যতি আৰু কেইটামান স্কেচ্ছ', 'সম্ৰাট',

'ৰাৱণ', 'মোৰ আৰু পৃথিৱীৰ', 'ৰত্নাকৰ', 'এখন স্বচ্ছ মুখাৰে', 'সুৰ্যমুখীৰ অঙ্গীকাৰ' (নিৰ্বাচিত কবিতাৰ সংকলন) আৰু নৰকান্ত বৰুৱাৰ কবিতাৱলী— এই কেইটি সংকলনৰ জৰিয়তে বিষয়, আংগিক, ভাষা, ছন্দৰ ক্ষেত্ৰত অসমীয়া কবিতাত আধুনিক পৰ্বৰ তাৎপৰ্যপূৰ্ণ সূচনা কৰিছিল। আধুনিক সাহিত্যৰ লক্ষণ-স্বৰূপ নগৰ-চেতনাই নৰকান্ত বৰুৱাৰ আগছোৱাৰ কবিতাক এটি বিশিষ্টতা প্ৰদান কৰিছে। তেওঁৰ কবিতাত মহানগৰ এটি ৰূপক হৈ পৰিছিল। ভয় আৰু আশ্বাসৰ জটিল উৎকণ্ঠা, বিচ্ছিন্নতাবোধ ই মূৰ্ত কৰিছে। প্ৰসঙ্গক্ৰমে, এইখিনিতে বুদ্ধদেব বসুৰ পৌৰ বাস্তৱতাৰ কবিতালানিলৈ আমাৰ মনত পৰে। কিন্তু দুয়োৰে নাগৰিক চেতনাৰ মৌলিক পাৰ্থক্য আছে। বুদ্ধদেব বসুৰ বাবে কলিকতা স্বপ্নৰ উজ্জয়িনী। নৰকান্ত বৰুৱাৰ হে অৰণ্য হে মহানগৰৰ কেইবাটাও কবিতাত অস্তিত্ববাদী জীৱন উপলব্ধি অভিব্যক্ত হৈছে। স্বপ্নাৰম্ভ, পঞ্চম অংক, স্বপ্নসম্ভৱৰ মৰ্মস্থলত আছে এই জীৱন দৰ্শনৰ বোধ। সকলো ধৰণৰ অপাৰ্থিৱ অনুভৱৰ ব্যতিৰেকে পাৰ্থিৱ জীৱনৰ আদৰ্শৰ জয়ধ্বনি ঘোষিত হৈছে। তেওঁৰ হুইটমেনৰ চকুলো ইয়াৰ ৰূপায়ণ। ধূলি-মাটিৰ পৃথিৱীখনৰ প্ৰতি ভালপোৱাই নৰকান্ত বৰুৱাৰ কবিতাত মৰ্মস্পৰ্শী ৰূপত ধৰা দিছে। তেওঁৰ কেইবাটাও কবিতাত মৃত্যু চেতনা প্ৰকাশ পাইছে। কেতিয়াবা ই সঞ্জীৱিত হৈছিল গৌতম বুদ্ধৰ মৃত্যু সম্পৰ্কীয় ধাৰণাৰ ভেটিত। তেওঁৰ কবিতাত ব্যঞ্জনাসমৃদ্ধ ভাষাত প্ৰকাশ পাইছে মৃত্যুৰ ধাৰাবাহিকতা, মৃত্যু এবাৰতে শেষ হৈ নাযায়।

নৰকান্ত বৰুৱাই ক্ৰমান্বয়ে ভাষাৰ নতুন সম্ভাৱনা মুকলি কৰিছিল। অৱশ্যে হে অৰণ্য হে মহানগৰৰ অধিক সংখ্যক কবিতাতে কাব্যিক অনুষংগহীন ভাষাৰ ব্যৱহাৰ চকুত পৰে। এটি তিৰ্যক (ironic) জিজ্ঞাসু দৃষ্টিৰে ভাষাৰ নতুন সম্ভাৱনা উন্মোচনৰ প্ৰবাহ এটি দুটি এঘাৰটি তৰালৈও চলি আছিল। টি. এছ. এলিয়টৰ শব্দ-চয়ন আৰু বাক্যাংশৰ প্ৰত্যক্ষ অনুসৰণত তন্ময় গীতিময়তা ধ্বনিত হৈছে নৰকান্ত বৰুৱাৰ কবিতাত। এলিয়টৰ দৰেই নৰকান্ত বৰুৱাইও কথ্য ভাষা আৰু কাব্য ভাষাৰ সূক্ষ্ম সমন্বয় সাধন কৰি ধ্বনিময়তাৰ সৃষ্টি কৰিছিল।

নৰকান্ত বৰুৱাৰ কবিতাত চিত্ৰকল্প আৰু গতিশীলতা হাত ধৰাধৰিকৈ আছে। সিজু, তৰাৰ পোহৰ, ৰাতিৰ বতাহ, দিনৰ পোহৰ, উটৰ ডিঙিৰ ছাঁ আটায়ে চিত্ৰকল্পটোক গতিশীলতা প্ৰদান কৰিছে (ইয়াত নদী আছিল)। 'ইয়াত নদী আছিল' কবিতাটিত আত্মিক অৱক্ষয়ৰ ছবি বাৰে বাৰে অংকিত হৈছে। কেতিয়াবা ই মূৰ্ত হৈছে এলিয়টীয় প্ৰতীকবাদী শৈলীৰে। নৰকান্ত বৰুৱাৰ কবিতাত হুইটমেনৰ লেখীয়া পেৰাডক্সৰ ব্যৱহাৰ চকুত পৰে। যুক্তিৰ পিনৰপৰা স্ববিৰোধী অথচ উপলব্ধিৰ পিনৰ পৰা সাৰ্থক উক্তি (Paradox)-ৰ সহায়েৰে নৰকান্ত বৰুৱাই জীৱনৰ কেতবোৰ সত্য উন্মোচন কৰিছে।

নৰকান্ত বৰুৱাক তেওঁৰ সন্মুখত আদৰ্শ হিচাপ থকা টি. এছ. এলিয়ট, ৰবীন্দ্ৰনাথ ঠাকুৰ, জীৱনানন্দ দাস, সত্যেন্দ্ৰনাথ দত্ত, বুদ্ধদেব বসু আৰু অমিয় চক্ৰবৰ্তীৰ মুক্তক

ছন্দ-ৰীতিয়ে ছন্দৰ পৰীক্ষা-নিৰাশাৰ সহায় কৰিছিল। বৰুৱাই প্ৰাচীন দুলড়ী ছন্দসজ্জা ভাঙি প্ৰবহমান মাত্ৰাবৃত্তৰ ৰূপ দিছে। অন্তৰৰ আকুতি প্ৰকাশৰ বাবে যথাযথ ছন্দৰীতিৰ অন্বেষণত কবিয়ে এনে কৰাৰ সম্ভাৱনা আএছ। এলিয়টে সমিল (formal) ছন্দৰ সন্মান অম্লান হৈ ৰ'ব বুলি কৈও মুক্তক ছন্দৰ গুৰুত্ব প্ৰসঙ্গত কোৱা কতা এইখিনিতে মনত পেলাব পাৰি ঃ ‘আৰু ছন্দৰ পৰা এই মুক্তি দৰাচলতে ছন্দৰে স্বাধীনতা। ত্ৰুটিপূৰ্ণ কাব্য নিখুঁট কৰাৰ দায়িত্বৰ পৰা মুক্ত এই ছন্দৰীতি আটাইতকৈ প্ৰয়োজন থলত অধিকতৰ ফলপ্ৰসূ হিচাপে প্ৰয়োগ কৰিব পাৰি।”

কিছুমান পদ্য আৰু গান, ব্ৰহ্মপুত্ৰ ইত্যাদি পদ্য, আৰু কিছুমান পদ্য আৰু গান— এই তিনিখন কাব্যগ্ৰন্থৰ জৰিয়তে বিষয় আৰু আংগিকৰ ক্ষেত্ৰত অভূতপূৰ্ব সিদ্ধি লভাৰে চাই অজিৎ বৰুৱা (১৯২৮—)ক আধুনিক অসমীয়া কবিতাৰ ইতিহাসৰ বিৰল প্ৰতিভা (Genius) আখ্যা দিব পাৰি। আধুনিক ব্যক্তি জীৱনৰ দ্বিধা, দ্বন্দ্ব আৰু সন্দেহ অজিৎ বৰুৱাৰ কবিতাত মূৰ্ত হৈছে। এনেবোৰ দিশত কবি এলিয়টৰ দ্বাৰা প্ৰভাৱপুষ্ট হৈছিল যদিও এলিয়টৰ কাব্য-মানস যাৰ পৰিপ্ৰেক্ষিতত গঢ় লৈ উঠিছিল তাৰ তুলনাত আজিৎ বৰুৱাৰ কাব্য-মানস আছিল সুকীয়া প্ৰকৃতিৰ। এলিয়টৰ সামাজিক প্ৰেক্ষাপটৰ সৈতে অজিৎ বৰুৱাৰ সামাজিক পটভূমিৰ মিল নাথাকিলেও নিঃসঙ্গতাবোধ, হয়ধৰ্মী (affirmative) বক্তব্যৰ প্ৰতি অত্যধিক সন্দেহ প্ৰৱণতা আৰু পৰস্পৰবিৰোধী মানসিক অৱস্থাৰ ক্ষেত্ৰত এলিয়টৰ লগত অজিৎ বৰুৱাৰ মিল দেখা যায়। এলিয়টৰ মহানগৰৰ জীৱন উৎসাৰিত নিঃসঙ্গতাবোধৰ বিপৰীতে অজিৎ বৰুৱাৰ বিচ্ছিন্নতাবোধৰ উৎস গ্ৰামীন পৰিবেশ। কেতিয়াবা প্ৰকৃতিৰ বুকুৰ নিঃস্তব্ধতাৰ ছবি আঁকি নিঃসঙ্গতাবোধ তীব্ৰ কৰি তুলিছে। পুৰুষ আৰু নাৰীৰ মাজৰ মানসিক সংযোগহীনতাৰ বৰ্ণনাৰ জৰিয়তেও আজিৎ বৰুৱাই কেতিয়াবা কবিৰ/বক্তাৰ বিচ্ছিন্নতাবোধ ফুটাই তুলিছে। কেতিয়াবা আকৌ মানুহৰ মনত থকা সন্দেহ আমোদ মিহলি ভঙ্গীৰ সৈতে একাকাৰ হৈ প্ৰকাশ লভিছে (আজি আকৌ মেজাংকৰীৰ এঙাচোলা)।

অজিৎ বৰুৱাই ইংৰাজী মেটাফিজিক্যাল কবিতাৰ দৰে আচহুৱা অথচ মৌলিক উপমাৰ ব্যৱহাৰ কৰিছে। জন ডান (১৫৭২-১৬৩১) আৰু আব্ৰাহাম কাউলি (১৬১৮-১৬৬৭) য়ে উপমা ৰূপকৰ দৰে অলংকাৰ বিশেষৰ বুদ্ধিদীপ্ত বিস্তাৰ ঘটোৱাৰ কাব্যিক কৌশল বৰুৱাইও প্ৰয়োগ কৰিছে। বৰুৱাৰ কবিতাত মেটাফিজিক্যাল কবিতাৰ স্নিগ্ধ প্ৰেম আকৰ্ষণীয় দাৰ্শনিক তত্ত্বৰ পোহৰত উজলি উঠিছে। বিমূৰ্ত চিন্তাৰ আবেগিক উপলব্ধিও তেওঁৰ কাব্যত পোৱা যায়।

জেৰাৰ্ড ম্যান্লি হপকিন্স (১৮৪৪-১৮৮৯) ৰ কাব্য শিল্পৰ স্ব-আৰোপিত কঠোৰ শৃংখলাবোধ অজিৎ বৰুৱাৰ কবিতাতো অনুধাৱন কৰিব পাৰি। হপকিন্সৰ দৰে তেৰোঁ কোনো শব্দৰ ব্যৱহাৰ কৰিছিল ইচ্ছাকৃতভাৱে, তাকো উদ্দেশ্যপূৰ্ণভাৱে আৰু সাৱধানতাৰে।

ই কবিৰ ভাষা-চৰ্চাৰ আন্তৰিকতাকে সূচায়। প্ৰসঙ্গক্ৰমে, অজিৎ বৰুৱাৰ গদ্য পৰিপাটি আৰু অৰ্থ প্ৰকাশক্ষম। হপকিন্সৰ দৰে অজিৎ বৰুৱাও জীৰ্ণ ব্যক্যাংশ পৰিহাৰ কৰি চলিছিল।

হপকিন্সে দ্ব্যৰ্থহীন ভাষাৰ প্ৰসঙ্গত কোৱা "কোৰখন কোৰ বুলি ক'লেহে মই ভাল পাওঁ" কথাষাৰ অজিৎ বৰুৱাৰ ক্ষেত্ৰতো খাটে। পঢ়ুৱৈয়ে ঠিকেই অনুভৱ কৰে যে কবিয়ে ইয়াৰে বহু ব্যৱহৃত ক্লিষ্ট শব্দৰ পোষকতা কৰা নাই। অজিৎ বৰুৱাই যেতিয়া 'উধান' শব্দটো ব্যৱহাৰ কৰে, সেয়া যথাৰ্থতাৰ প্ৰয়োজনতে কৰে। কিয়নো উধানে ভাত ৰন্ধাৰ বাবে এবিধ বস্তুকে বুজাইছে। লগে লগে পৰিবেশৰ যথাৰ্থতাৰ বোধ এটিও আমাৰ মনত সঞ্চাৰ কৰে।

কবিৰ ব্যক্তিগত অনুভূতি-সংবেদন 'ব্ৰহ্মপুত্ৰ ইত্যাদি পদ্য'ত বস্তুগত সহগ (Objective correlative) ৰ যোগেৰে ব্যঞ্জিত হৈছে। ব্ৰহ্মপুত্ৰৰ বিভিন্ন অনুষঙ্গৰ আশ্ৰয়ত কবিয়ে নৈৰ্ব্যক্তিকতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। ব্ৰহ্মপুত্ৰত নদীৰ উৎসভূমি গিয়ালা পেৰি নাম্চা বাৰবা শৃংগ দুটিৰে প্ৰেমৰ ইন্দ্ৰিয়গ্ৰাহ্যতাৰ অভিঘাত কঢ়িয়াই আনিছে। টি.এছ. এলিয়টৰ আৰ্হিত কবিয়ে বস্তুগত সহগৰ ব্যৱহাৰৰ জৰিয়তে ব্যঞ্জনাধৰ্মিতাৰ সৃষ্টি কৰে। 'আৰু কিছুমান পদ্য আৰু গান'ৰ অন্তৰ্গত 'প্ৰেম আৰু ফুলনি' কবিতাটিত ফুলনি কৰাৰ পৰিকল্পনা, ফুল মৰহি যোৱা, বাওনা হোৱা, একেটা ৰঙৰ ফুল একেলগে ৰোৱাৰ ভাৱনাৰ জৰিয়তে প্ৰেমৰ বিভিন্ন অনুষঙ্গ ৰচনা কৰিছে।

'সূৰ্য হেনো নামি আহে এই নদীয়েদি', 'গোলাপী জামুৰ লগ্ন', 'কবিতা', 'নৃত্যৰতা পৃথিৱী', 'অলপ আগতে আমি কি কথা পাতি আছিলো' আদি সৰ্বমুঠ ৯ (ন)খন কাব্যগ্ৰন্থ ৰচনা কৰিছে নীলমণি ফুকন (১৯৩৩-)এ। ফুকনে চিত্ৰকল্পবাদ, প্ৰতীকবাদৰ সফল প্ৰয়োগ আৰু অসমীয়া ভাষাৰ ন-ন সম্ভাৱনা মুকলি কৰিছে আৰু আধুনিক অসমীয়া কবিতাৰ ইতিহাসত এখন স্মৰণীয় আসন দখল কৰিবলৈ সক্ষম হৈছে। ফুকনৰ কবিতাত আত্মিক বিষণ্ণতাৰ এটি সুঁতি প্ৰবহমান। আধুনিক জীৱনে কবিৰ মনত জন্ম দিয়া নিঃসঙ্গতা-যন্ত্ৰণা-বিচ্ছিন্নতাবোধে এই বেদনাবোধৰ জন্ম দিছে। ফুকনৰ ট্ৰেজিক কল্পলোক গঢ় দিছে কেতবোৰ অনুভূতিয়ে। একপ্ৰকাৰৰ চিৰন্তন বিষাদবোধৰ পৰাই জীৱনৰ সঞ্জীৱনী সুধা পান কৰিবলৈ তেওঁ আশাবাদী। মানুহৰ অন্তৰত শুই থকা বেদনাবোধ অভিজ্ঞতাৰ যাদুস্পৰ্শত সাৰ পাই উঠে। আধুনিক মানুহৰ যন্ত্ৰণাদগ্ধ অৱস্থাই আমাৰ অস্তিত্বৰ অৰ্থহীনতা প্ৰতিপন্ন কৰে। এই অৰ্থহীনতাৰ অন্তিম পৰিণতি শূন্যতাবোধ।

মৃত্যু বিভিন্ন আয়তনলৈ ফুকনৰ কবিতাত প্ৰকাশিত হৈছে। এইখিনিতে ভবেন বৰুৱাৰ মত সুঁৱৰিব পাৰি ঃ 'ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে' সংকলনখনৰ পৰা অহা কবিতাবোৰৰ কেইবাটাৰো (ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে', 'হৰিৎ প্ৰান্তৰত.... , 'এতিয়া সৰ্বত্ৰ..' আদিৰ) কেন্দ্ৰত আছে মৃত্যু ভাবনা, কেইবাটাতো ('নৈখনৰ পাৰেৰে

বাটটো', 'এটি শিশুৰ স'তে..') আছে মৃত্যুৰ স্মৃতি তথা এক শূন্যতাবোধৰ হাঁহাকাৰ।"

বুদ্ধদেৱ-আৰোপিত আত্মাৰ পৰিভ্ৰমণৰ ধাৰণাটো তাৰ কঠোৰ নৈতিকতাৰ পৰা মুক্ত হৈ ফুকনৰ কবিতাত জীৱনৰ ধাৰাবাহিকতাৰ দ্যোতক হৈ পৰিছে ঃ

*থব হৈ তেওঁ আমাৰ মুখলৈ চাই আছে। হাত দুখন যেন*
*উৰি যোৱা বগলীটোৰ ফালে মেলি দিব বিচাৰিছে*
*ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে।*

*(ফুলি থকা সুৰ্যমুখী ফুলটোৰ ফালে)*

কবিতাটোৰ শেষত থকা 'ল'ৰা-ছোৱালীবোৰে আমাৰ মুখলৈ/চাই আছে' পংক্তিটোৱে মৃতকৰ আৰু নতুন প্ৰজন্মৰ মাজৰ সময়ৰ ব্যৱধানহীনতা ব্যঞ্জিত কৰিছে।

চিত্ৰকল্পবাদী কবি নীলমণি ফুকনে পছিমীয়া চিত্ৰকল্পবাদী আন্দোলনৰ দ্বাৰা প্ৰত্যক্ষভাৱে আলোড়িত নহৈও মুলতঃ অৱচেতনৰ কেতবোৰ ভাৱ চিত্ৰকল্পৰ জৰিয়তে প্ৰকাশ কৰিছে। ফুকনে প্ৰয়োগ কৰা চিত্ৰকল্পসমূহক গতিশীল চিত্ৰকল্প আখ্যা দিব পাৰি। সাধাৰণতে 'গতি' আৰু 'চিত্ৰকল্প' দুয়োটিয়ে একেলগে পঢ়ুৱৈৰ সঁহাৰি বিচাৰে। চিত্ৰকল্পৰ গতিশীলতা এটি সূক্ষ্ম স্তৰৰ ঘটনা, কবিতাটোৰ সামগ্ৰিক প্ৰভাৱৰ ফালৰপৰা ইয়াৰ ভূমিকা নগণ্য। কিন্তু বিষয়ৰ বৰ্ণনাৰ ক্ষেত্ৰত ইয়াৰ মূল্য আছেঃ

*নৈখনৰ সিপাৰেদি*
*জোনটো নামি যোৱাৰ বাটেৰে*
*ওপৰলৈ উঠি আহিল*
*ৰহস্যৰ অসংখ্য স্তম্ভ*

*(আৰ্তস্বৰ)*

ইয়াত জোন, ৰহস্যময় স্তম্ভই জীৱনৰ ৰহস্যময়তা ব্যঞ্জিত কৰিছে। কবিতাটোৰ ভাবৰ বিকাশত ইহঁতৰ গুৰুত্ব আছে।

প্ৰতীকবাদী শৈলীৰ প্ৰয়োগে নীলমণি ফুকনৰ কবিতাক নতুন আয়তন প্ৰদান কৰিছে। ফুকনৰ 'বুৰঞ্জী' প্ৰতীকবাদী কবিতাৰ সাৰ্থক উদাহৰণ। ইয়াত যি এটি যাত্ৰাৰ কথা কোৱা হৈছে সেয়া এগৰাকী স্বপ্নাতুৰ শিল্পীৰ অভিযান মাথোন। ইয়াৰ কোনো ঐতিহাসিক তাৎপৰ্য নাই। ৰূপকাত্মক কাব্যত সচৰাচৰ থকা কাৰ্য-কাৰণৰ সম্পৰ্ক বা বৈপৰীত্য প্ৰতীকবাদী কাব্যত নাথাকে। ব্যক্তি আৰু জগতৰ দ্বন্দ্বই সামাজিক ঐক্য বিনষ্ট কৰা কথাটো ৰূপকাত্মক কাব্যৰ এটি উপজীব্য। প্ৰতীকবাদী কাব্যত এখন কল্পনাৰ জগত ৰচনাৰে বাস্তৱ পৃথিৱীৰ এই দ্বন্দ্বৰ নিৰসন ঘটে। কবিতাটোত ৰেল্টাৰ পেটাৰ কথিত জীৱনৰ পৰিবৰ্তনশীলতা মূৰ্ত হৈছে ঃ

*আমি আকৌ ধোঁৱা আৰু নিশাৰ মাজেৰে*

*ধীৰে ধীৰে নাও মেলি দিলোঁ।*

*(বুৰঞ্জী)*

নীলমণি ফুকনে ব্যক্তিগত প্ৰতীকৰ ব্যৱহাৰো কৰিছে ঃ ওলমি থকা গোলাপী জামুৰ লগ্ন, এজাক সাগৰীয় হাঁহৰ মাত, ঘোঁৰা আদি।

নীলমণি ফুকনে তেওঁৰ প্ৰথম কাব্য সংকলন 'সূৰ্য হেনো নামি আহে এই নদীয়েদি'ৰ পৰা শেহতীয়া কাব্যগ্ৰন্থ 'অলপ আগতে আমি কি কথা পাতি আছিলোঁ'লৈ ভাষাৰ ক্ষেত্ৰত নতুন নতুন পৰীক্ষা-নিৰীক্ষা চলোৱাৰ সাক্ষ্য পোৱা যায়। ভাষাৰ ক্ষেত্ৰত তেওঁৰ এই সিদ্ধি অজিৎ বৰুৱাই ভাষাৰ ক্ষেত্ৰত লভা সফলতাৰ লগতহে তুলনীয়। তেওঁৰ প্ৰথমখন কাব্য সংকলনত কল্পনাৰ অভিনৱত্ব প্ৰকাশৰ বাবে কবিয়ে ব্যৱহাৰ কৰা ব্যঞ্জনাক্ষম ভাষা উল্লেখযোগ্য।

যুক্তিৰ শৃংখলাহীনতাৰে একোটাহত ভাৱ মূৰ্ত কৰি নীলমণি ফুকনে অতি বাস্তৱবাদী কবিতা ৰচনা কৰিছে ঃ

*টোপনিতো তেওঁ মোক খেদি ফুৰিছিল*

*তেওঁ বাৰু এতিয়া ক'ত আছে*

*আছেনে বাৰু তেওঁৰ মুখত*

*সেই উভালি পৰা এজোপা গছ*

*(টোপনিতো তেওঁ মোক খেদি ফুৰিছিল)*

সপোন যিদৰে যুক্তিগ্ৰথিত নহয় তেনেদৰে স্তৱকটোত বক্তাক কোনোবাই খেদি ফুৰা আৰু বক্তাৰ সেই বিষয়ক জিজ্ঞাসাৰ মাজত কোনো কাৰ্য-কাৰণ সম্পৰ্ক নাই।

চিত্ৰকলাৰ লগত থকা সম্পৰ্কই নীলমণি ফুকনৰ কাব্য-চৰ্চা বিশেষভাৱে সমৃদ্ধ কৰিছে। কবিৰ 'হঠাত সেই আৰ্তনাদ আহি', 'এই এটাই মাথো শব্দ সেউজীয়া' আৰু 'কিন কিন হেঙুলীয়াৰ মাজত' কবিতাত ৰঙে এটি তাৎপৰ্যপূৰ্ণ ভূমিকা লাভ কৰিছে।

আধুনিক জীৱনৰ নিঃসঙ্গতাবোধ, ক্লান্তি, অতীত সম্পৰ্কে মোহহীনতা বীৰেশ্বৰ বৰুৱা (১৯৩১-)ৰ কাব্যত মূৰ্ত হৈছে। তেওঁ অসমীয়া বাষাৰ ন-ন সম্ভাৱনা মুকলি কৰিছিল। আধুনিক জীৱনৰ অৱসাদজনিত ক্লান্তি, নৈৰাশ্যৰ প্ৰকাশৰ ক্ষেত্ৰত বীৰেশ্বৰ বৰুৱা ফৰাছী কবি বোডলেয়াৰ (১৮২১-১৮৬৭)ৰ ওচৰত ঋণী।

এলিয়টৰ প্ৰেৰণাত বীৰেশ্বৰ বৰুৱাই অসুন্দৰ পৃথিৱীৰ ছবি আঁকিছে। কিন্তু বৰুৱাই এলিয়টৰ মহানগৰৰ কদৰ্যৰ মাজতো নতুন পৃথিৱীৰ স্বপ্ন দেখিছে ঃ

*আমাৰ জীৱন ঘেৰি বনজুই জ্বলে*

*নতুন দিনৰ দীপ্তি বুলি ভুল হয় যদি,*

*হ'ক বুল। ক্ষতি নাই। আমাৰ দেহৰ ছায়ে*

*ঢাকি যাব পৃথিৱীৰ এই অসুন্দৰত*

*(সুন্দৰৰ পাতনি)*

বনজুই আধুনিক জীৱনৰ অন্তঃসাৰশূন্যতাৰ দ্যোতক। এই আধ্যাত্মিক বন্ধ্যাত্বৰ অৱসানৰ বাবে কবি/পৰ্যবেক্ষক যত্নবান। বীৰেশ্বৰ বৰুৱাৰ আগলিছোৱাৰ কবিতাত আধুনিক সভ্যতা সংস্কৃতিৰ প্ৰতি বীতৰাগ আৰু সংশয়চিত্ত প্ৰকাশ পাইছে। হেম বৰুৱা, নৱকান্ত বৰুৱা, নীলমণি ফুকনৰ কবিতাৰ ৰোমাণ্টিক মানস (spirit) বীৰেশ্বৰ বৰুৱাৰ প্ৰথম কবিতা সংকলন 'নিৰ্জন নাবিক' (১৯৬১)ত প্ৰথমবাৰৰ বাবে অতিক্ৰম কৰা হয়।

সুক্ষ্মতম অনুভূতিৰ যথাযথ প্ৰকাশৰ বাবে বীৰেশ্বৰ বৰুৱাই ইংগিতধৰ্মী ভাষা ব্যৱহাৰ কৰিছে। কেতিয়াবা আকৌ মূৰ্ত আৰু বিমূৰ্ত অৰ্থ প্ৰকাশক বাক্যাংশ দুটি একেলগে গাঁথি প্ৰতীকি ভাষা সৃষ্টি কৰা হৈছে।

সুগন্ধি পখিলা, ভালপোৱাৰ বোকা মাটি আৰু ভালপোৱাৰ দিকচৌ বাটেৰে কাব্য সংকলনৰ জৰিয়তে হীৰেণ ভট্টাচাৰ্য (১৯৩২-)ই আধুনিক অসমীয়া কবিতাৰ ইতিহাস সমৃদ্ধ কৰে। ভট্টাচাৰ্যই ষাঠিৰ দশকত 'আন্তৰ্জাতিক', 'শৰ-সন্ধান', 'মোৰ দেশ' আৰু 'পতাকা' এই চাৰিটা কবিতাত আন্তৰ্জাতিক ভাবধাৰাৰ ৰূপায়ণ কৰে। তেওঁৰ কবিতাৰ পথাৰ, শইচ শব্দই প্ৰতীক হিচাপে জীৱনৰ সম্ভাৱনা সূচাইছে ঃ

*শাওণৰ বোকা মাটিৰ পথাৰখনত মোক চাৰিওফালে চতিয়াই দিয়া*

*চহ কৰা মাটিৰ সীৰলুত শুই কান তাল মৰা*

*মেঘৰ গাজনি শুনিম*

*বিজুলী চমকত চকু মেলি চাম*

*চৌচিৰা এন্ধাৰ পথাৰখন*

*(শস্যমালাৰ ভ্ৰমণ)*

**আত্মমূল্যায়ন প্ৰশ্ন**

আধুনিক অসমীয়া কবিতাৰ জন্মদাতা বুলি কাক ক'ব পাৰি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

....................................................................................

....................................................................................

....................................................................................

....................................................................................

....................................................................................

....................................................................................

## ১.৬ সাৰাংশ (Summing Up)

অসমীয়া আধুনিক কবিতা পাশ্চাত্যৰ কবিতা আৰু চিন্তাধাৰাৰ দ্বাৰা মূলতঃ প্ৰভাৱিত। আধুনিক কবিতাৰ পটভূমি বিচাৰ কৰিলে আমি দেখিম যে, মানুহৰ জটিল চিন্তাধাৰা ইয়াৰ কালিকা হিচাপে আছে। কবিতাৰ জৰিয়তে বিভিন্ন চিন্তাৰ যুগপৎ ৰূপায়ণ কৰাৰ প্ৰচেষ্টা চলিল। সকলো ধৰণৰ অনুভূতি কবিতাৰ ভাষাৰ জৰিয়তে প্ৰকাশ কৰাটো আধুনিক কবিতাৰ নিৰ্দ্ধাৰণকাৰী বৈশিষ্ট্য।

চিত্ৰকল্পবাদ আৰু প্ৰতীকবাদে আধুনিক কবিতাৰ আংগিকৰ ক্ষেত্ৰত অভূতপূৰ্ব আলোড়নৰ সৃষ্টি কৰিছে। পৃথিৱীৰ প্ৰায়সকল বিশিষ্ট কবি প্ৰতিভা এই চিত্ৰকল্পবাদী আন্দোলনৰ দ্বাৰা প্ৰভাৱান্বিত হোৱাটো মন কৰিবলগীয়া। প্ৰতীকবাদে আধুনিক কবিতাক ৰহস্যময়তা প্ৰদান কৰিছে। কবিতাৰ বহুমাত্ৰিকতা প্ৰতীকবাদৰ দান। তেনেদৰে পৰাবাস্তৱবাদেও আধুনিক কবিতাক সমৃদ্ধি দান কৰিছে।

আধুনিক কবিতাৰ উদ্ভৱত মহানগৰসমূহৰ বিশেষ অৱদান আছে। 'আধুনিক' সাহিত্যক আনকি মহানগৰ শিল্প বুলি অভিহিত কৰা হয়। আধুনিক মানুহৰ নিঃসঙ্গতা, বিচ্ছিন্নতা মহানগৰৰ ৰূপকৰ জৰিয়তে ৰূপায়িত হৈছে।

'জয়ন্তী' যুগত অসমীয়া সাহিত্যত আধুনিক কবিতাৰ সূচনা হয়। এই যুগৰ প্ৰতিনিধিস্থানীয় কবি হ'ল অকালতে মৃত্যু বৰণ কৰা অমূল্য বৰুৱা। পঞ্চাশৰ দশকটো কোনোৱে হেম বৰুৱাৰ যুগ বুলি অভিহিত কৰে। অৱশ্যে আধুনিক কবিতাৰ আটাইবোৰ লক্ষণ তেওঁৰ কাব্যত নাই। 'হে অৰণ্য হে মহানগৰ'ৰ কবিতালানিৰে নৱকান্ত বৰুৱাই আধুনিক অসমীয়া কবিতাক এটি বিশেষ চৰিত্ৰ প্ৰদান কৰে। পাছলৈ অজিৎ বৰুৱা, নীলমণি ফুকন, বীৰেশ্বৰ বৰুৱাই আধুনিক কবিতাৰ বিভিন্ন দিশ সাৰ্থকভাৱে উন্মোচন কৰে। আৰু পাছলৈ আৰু কেতিয়াবা সমসাময়িকভাৱে ভবেন বৰুৱা, হীৰেণ ভট্টাচাৰ্য, হীৰেন্দ্ৰনাথ দত্ত, নিৰ্মলপ্ৰভা বৰদলৈয়ে অসমীয়া আধুনিক কবিতালৈ তাৎপৰ্যপূৰ্ণ বৰঙণি আগবঢ়ায়। ষাঠিৰ দশকৰপৰা আজিৰ তাৰিখলৈ আধুনিক অসমীয়া কবিতাত দীপ্ত উপস্থিতি ঘোষণা কৰি আহিছে হৰেকৃষ্ণ ডেকাই। স্বাধীনতাৰ পৰৱৰ্তী কালত জন্ম গ্ৰহণ কৰা কেইগৰাকীমান কবিৰ কবিতাত অসমীয়া কবিতাৰ ৰূপান্তৰ সূচনা হৈছে।

## ১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১) আধুনিক কবিতাৰ ক্ষেত্ৰত নগৰ-মহানগৰৰ অৰিহণা কি?

২) চিত্ৰকল্পবাদী আন্দোলন কি?

৩) আধুনিক কবিতাত প্ৰতীকবাদৰ অৰিহণা কি?

৪) আধুনিক কবিতাত নৱকান্ত বৰুৱাৰ স্থান নিৰূপণ কৰক।

৫) আধুনিক অসমীয়া কবিতাৰ পটভূমি সম্পৰ্কে আলোচনা কৰক।

৬) কি কি উপাদানৰ কাৰণে আধুনিক কবিতা জটিল হোৱা বুলি কোৱা হয়?

## ১.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


| | | |
|---|---|---|
| কবীন ফুকন | ঃ | চন্দ্ৰকুমাৰ আগৰৱালা |
| নগেন শইকীয়া (সম্পা.) | ঃ | চন্দ্ৰকুমাৰৰ কবিতা |
| দিলীপ বৰুৱা | ঃ | যোৱা শতিকাৰ কবিতা অসমীয়া নব্যন্যাসী সাহিত্যৰ পৰম্পৰা |
| শ্ৰীহেমন্ত কুমাৰ শৰ্মা (আহ্বায়ক, সম্পাদনা সমিতি) | ঃ | চৌধাৰীৰ সাহিত্য-প্ৰতিভা |
| ভবেন বৰুৱা | ঃ | অসমীয়া কবিতাঃ ৰূপান্তৰৰ পৰ্ব |
| এম. কামালুদ্দিন আহমেদ | ঃ | আধুনিক অসমীয়া কবিতা |
| ৰাণী গোহাঁই | ঃ | অমূল্য বৰুৱা স্মাৰক বক্তৃতা আৰু অন্যান্য ৰচনা |
| বিশ্বনাথ চট্টোপাধ্যায় | ঃ | ৰোমাণ্টিক কবি ও কাব্য |
| Mourice Bowra | ঃ | The Romantic Imagination |
| M. H. Abrams | ঃ | The Mirror and the lamp |
| Maheswar Neog (ed.) | ঃ | Lakshminath Bezbaroa ঃ The Sahityarathi of Assam |

## দ্বিতীয় বিভাগ

## হেম বৰুৱাৰ 'পোহৰতকৈ এন্ধাৰ ভাল'


২.১ ভূমিকা (Introduction)

২.২ উদ্দেশ্য (Objectives)

২.৩ হেম বৰুৱাৰ কবিতা

২.৪ হেম বৰুৱাৰ 'পোহৰতকৈ এন্ধাৰ ভাল'

২.৫ সাৰাংশ (Summing Up)

২.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

২.৭ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


### ২.১ ভূমিকা (Introduction)

অসমীয়া কবিতা কেইবা শতিকা জোৰা ঐতিহ্যৰ অধিকাৰী। ইয়াৰ চৰিত্ৰও সুকীয়া। সামন্ত যুগৰ পৰা শিল্প যুগলৈ উত্তৰণৰ পথ পৰিক্ৰমাত অসমীয়া কবিতাৰ ৰং ৰূপৰ যথেষ্ট পৰিৱৰ্তন ঘটিছে। অসমৰ ঐতিহাসিক পটভূমিত ৰাজনৈতিক, সামাজিক, তথা সাংস্কৃতিক দিশত ঘটা সমস্ত পৰিৱৰ্তনৰ বুকুৰ পৰাই আধুনিক অসমীয়া কবিতাই তাৰ চাৰিত্ৰিক বৈশিষ্ট্য তথা প্ৰাণশক্তি আহৰণ কৰিছে।

ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশৰ দৰে অসমতো ঔপনিৱেশিক শক্তিৰ আগমনে এক নতুন ৰাজনৈতিক বাতাবৰণৰ সৃষ্টি কৰিছিল। ইয়াৰ ছত্ৰছাঁয়াত ইংৰাজী শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটাৰ লগে লগে অসমীয়া কবিতালৈ প্ৰথমবাৰৰ বাবে পাশ্চাত্য ভাব-ভঙ্গীৰ আমদানি ঘটে। অৱশ্যে সেই সময়ৰ জাতীয় পৰিস্থিতিৰ অনুকুলে ইয়াৰ বিকাশ নঘটিল। আনহাতে, অসমক বেয়াকৈ জোকাৰি থৈ যোৱা দ্বিতীয় বিশ্বযুদ্ধৰ (১৯৩৯) পৰৱৰ্তী কালত ক্ষয়িষ্ণু সমাজৰ অনিশ্চিত ভৱিষ্যৎ আৰু অস্থিৰ ৰাজনৈতিক জীৱনৰ ধাম-খুমীয়াত পৰি অসমীয়া কবিতাৰ আগৰ ভাববস্তু, ৰূপ-ৰীতিৰ আমূল পৰিৱৰ্তন ঘটিল। কবিতাত প্ৰতিফলিত হ'ল যান্ত্ৰিক যুগৰ জটিলতা। জনতাৰ মুখৰ ভাষাৰে কবিতাই জনতাৰ বুকুৰ বতৰা দিবলৈ আৰম্ভ কৰিলে। বিশ্বযুদ্ধই কঢ়িয়াই অনা সংকটে সমাজ জীৱনৰ লগতে ব্যক্তিৰ মানসিক জগতকো বিশ্বাসহীন ৰুক্ষ মৰুভূমিত পৰিণত কৰিলে।

বিশ্বাসহীনতাৰ এই কঠিন মাটিৰ বুকুৰ পৰাই অসমীয়া কবিতাত এক বিশেষ পৰিৱৰ্তনৰ সূচনা হ'ল। আধুনিক অসমীয়া কবিকুলে এক আন্তৰ্জাতিক দৃষ্টিভঙ্গীৰে সেই পৰিৱৰ্তনক আঁকোৱালি ল'লে।

আধুনিক অসমীয়া কবিতাৰ অগ্ৰদূত হেম বৰুৱাৰ 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাটি আধুনিক অসমীয়া কবিতাৰ এটি উল্লেখযোগ্য কবিতা। এই বিভাগটিত কবিতাটিৰ বিশ্লেষণাত্মক সমীক্ষা দাঙি ধৰা হৈছে।

## ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে—

- কবি হেম বৰুৱাৰ পৰিচয় লাভ কৰিব পাৰিব,
- হেম বৰুৱাৰ কবিতাৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কে ধাৰণা পাব,
- হেম বৰুৱাৰ 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাটিৰ বিষয়বস্তু আৰু আংগিকৰ বিষয়ে আলোচনা কৰিব পাৰিব।

## ২.৩ হেম বৰুৱাৰ কবিতা

পছিমীয়া সাহিত্যৰ প্ৰধান আধুনিক ধাৰাটোৰ সৈতে যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যক সংযুক্ত কৰাত প্ৰধান ভূমিকা লৈছিল হেম বৰুৱাই। হেম বৰুৱাৰ আধুনিক সাহিত্যৰ ধাৰণাটো নাগৰিক মানসিকতাৰ লগত জড়িত বুলি তেওঁ অভিমত আগবঢ়াইছে। টি. এছ. এলিয়ট নিৰ্দেশিত আধুনিক সাহিত্য-চিন্তাৰ পথটোৰে তেওঁ অনুগামী। আধুনিক কবিতাৰ বিশিষ্ট ভাষা-ৰীতি এটি তেওঁৰ হাততে গঢ় লৈ উঠিছিল। এই ভাষাৰীতিত একপ্ৰকাৰৰ কোমলতাৰো সমাবেশ ঘটিছিল।

হেম বৰুৱাৰ বৰ্ণনামুখী ভাষাত থকা একপ্ৰকাৰৰ সাৱলীলতা মন কৰিবলগীয়া। চল্লিশৰ দশকৰ 'জয়ন্তী' যুগৰ কবিতাতকৈ এই ভাষা বহু পৰিমাণে আধুনিক। অনুভূতিশীলতাৰ লগে লগে যে মননশীলতাৰো সংযোগ সাধন হ'ব লাগে সেই কথা হেম বৰুৱাই গভীৰভাৱ অনুধাৱন কৰিছিল ঃ "যি কবিতাই চিন্তাৰ উদ্ৰেক কৰিব পাৰে নাইবা অনুভূতি ছটিয়াই মগজুক জগাই তুলিব পাৰে তেনে কবিতাৰ সমাদৰ বৰ্তমান বাঢ়ি আহিছে।' (হেম বৰুৱা ঃ কৈফিয়ৎ', বালিচন্দা)।

বংগ দেশৰ কবি সমৰ সেনৰ অনুসৰণত হেম বৰুৱাই এবিধ ছন্দ-ৰীতিৰ প্ৰচলন কৰিছিল। এই ছন্দত এবিধ লয় আছিল। নগৰ অঞ্চলৰ একপ্ৰকাৰৰ ভাষা তেওঁ আদৰি আনিবলৈ যত্ন কৰিছিল। বাংলা কবি সমৰ সেনৰ দ্বাৰা তেওঁ প্ৰভাৱান্বিত হৈছিল। সমৰ সেন আকৌ আলোড়িত হৈছিল এলিয়টৰ ক্লান্তি আৰু আতংকবোধৰ দ্বাৰা।

ড° হীৰেন গোঁহায়ে হেম বৰুৱাৰ কেতবোৰ সজীৱ কল্পচিত্ৰ দাঙি ধৰিছে ঃ

*প্ৰথম নিশাৰ অপৰিচিতা পত্নীৰ দৰে*

*থৰে থৰে পৃথিৱী কঁপিছে*

*উস্ ইমান জাৰ! (নতুন পোহৰ)*

*আমি দুয়ো তীখাৰ বুকুৰ অগ্নিকণা,*

*আমাৰ চকুত সেই পোহৰৰে*

*বিজুলী নাচ (লক্ষ্মী পূৰ্ণিমা ঃ ১৯৫৭)*

*আকাশখন আছিল ৰাঙ্কনী বেলিৰ*

*তাত আছিল হেঁচাঠেলা কৰা*

*কিছুমান উচ্ছৃঙ্খল ডাৱৰৰ গম্বুজ।*

*এই ডাৱৰবোৰকে উন্মাদ গছবোৰে*

*মূৰ দুপিয়াই মাতিছিল ঃ*

*'আহা, মাটিলৈ নামি আহাঁ।' (আকুতি)*

সৰল গাঁৱলীয়া জীৱনৰ লগত একাত্মতাই হেম বৰুৱাৰ কবিতাসমূহক সজীৱ আৰু স্পন্দনপূৰ্ণ কৰি ৰাখিছে। তেওঁৰ প্ৰথম কাব্য সংকলন 'বালিচন্দা'ত এই আবেগৰ প্ৰগলভতা অনুভৱ কৰিব পাৰি। এইবোৰত থকা উত্তাল আশা, স্বপ্নই পঢ়ুৱৈৰ মন টানি লৈ যায়। তেওঁৰ দ্বিতীয় সংকলন 'মন ময়ুৰী'ত এই আশাৰ বিপৰীতে আশাভঙ্গ আৰু হুমুনিয়াহহে মূৰ্ত হৈছে। অৱশ্যে এই কথা ঠিক যে 'বালিচন্দা'তকৈ 'মনময়ুৰী'ত আংগিকৰ ক্ষেত্ৰত অধিক সফলতা লক্ষণীয়। শব্দ সংযোজনাত সংযম এই কবিতাসমূহত দেখিবলৈ পোৱা যায় 'বালিচন্দা'ত সাম্ৰাজ্যবাদৰ বিৰুদ্ধে উত্তাল ধ্বনি শুনা যায়, 'মনময়ুৰী'ত দেশপ্ৰেমৰ বাণী উচ্চাৰিত হৈছে। প্ৰেৰণাময় অতীতৰ সোঁৱৰণ 'মনময়ুৰী'ত আছে আৰু

ড° হীৰেন গোঁহায়ে জীৱন্ত প্ৰাণ প্ৰবাহৰ প্ৰতীক হিচাপেই যৌৱন বাৰে বাৰে ইয়াত বন্দিত হৈছে বুলি অভিমত আগবঢ়াইছে।

অসমৰ লোক-ভাষাৰ আলমত হেম বৰুৱাই প্ৰাণসঞ্চাৰী ভাষা-ৰীতি গঢ়ি তুলিছেঃ

*সোণপাহী,*

*তুমি আহিছা, আঁহা। তোমাৰ হাতৰ কাঁচিত*

*হেজাৰ যুগৰ মান। উজায়ে আহিছে চ'ৰা নাওখনি।*

*উজায়ে আহিছে টিঙ।*

হেম বৰুৱাৰ হাতত বিংশ শতিকাৰ চল্লিশৰ দশকত প্ৰকৃতাৰ্থত আধুনিক অসমীয়া কবিতাৰ সূচনা হৈছিল। অৱশ্যে এই কথা ঠিক যে আধুনিক কবিতাৰ লক্ষণসমূহৰ যথাযথ ৰূপায়ণ হেম বৰুৱাৰ কবিতাত হোৱা নাছিল, কিন্তু ইয়াৰ বাটটো বহুদূৰ পৰ্যন্ত তেওঁৱেঁই চিকুনাই দিছিল। চিত্ৰকল্প প্ৰয়োগৰ ক্ষেত্ৰত হেম বৰুৱাই এজৰা পাউণ্ড (১৮৮৫-১৯৭২)ৰ ৰীতি তেওঁৰ কাব্যত অনুসৰণ কৰিবলৈ যত্নশীল হৈছিল। কবিতাৰ ভাষালৈ কথ্য ভাষাৰ সুৰ বোৱাই অনা, জীৱনৰ গভীৰ স্বৰৰ লগত চপল স্বৰৰ সমাবেশ ঘটোৱা (প্ৰসঙ্গক্ৰমে, সপ্তদশ শতিকাৰ ইংৰাজী মেটাফিজিকেল কবিসকলে এই ধাৰাৰ কাব্য ৰচনা কৰিছিল), কবিতাত মিশ্ৰভাব (counterpoint)ৰ সংস্থাপন এনেবোৰ ক্ষেত্ৰত হেম বৰুৱাই এলিয়ট (১৮৮৮-১৯৬৫)ক আৰ্হি হিচাপে লৈছিল। হেম বৰুৱাৰ দুখন কাব্য সংকলন 'মন ময়ূৰী' আৰু 'বালিচন্দা'। ইয়াৰ লগতে তেওঁৰ অন্যান্য কবিতাসমূহ একত্ৰিত কৰি 'হেম বৰুৱাৰ কবিতা' (১৯৮৬) হিচাপে প্ৰকাশিত হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

আধুনিক অসমীয়া কবিতা সৃষ্টিত হেম বৰুৱাৰ ভূমিকা কি আছিল? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................

..........................................................................................

..........................................................................................

২.৪ হেম বৰুৱাৰ 'পোহৰকতকৈ এন্ধাৰ ভাল'

প্ৰখৰ ইতিহাস চেতনাৰে সমৃদ্ধ কবিতা 'পোহৰতকৈ এন্ধাৰ ভাল'। দুখনকৈ মহাযুদ্ধৰ পটভূমিত জীৱনৰ ভালেমান মূল্যবোধ ধূলিসাৎ হৈ পৰিছিল। এনে পৰিবেশত অমৰত্বৰ আকাংক্ষা অমূলক। বুৰঞ্জীক কবিতাটোত গতিশীলতা আৰু প্ৰাণ প্ৰবাহৰ দ্যোতক হিচাপে কবিয়ে ৰূপায়িত কৰা নাই, তাৰ বিপৰীতে মানৱৰ এটি নিস্তৰংগ প্ৰবাহ বুলিহে অভিহিত কৰিছে। মহাযুদ্ধকালীন মানুহ হৈ পৰিছে এলিয়ট কাব্যত ৰূপায়িত হোৱাৰ দৰেই জীৱন্তে মৃত জীৱন্ত ফছিল। তাৰ পিছতেই কবিয়ে 'হেৰা শকুন্তলা, তোমাৰ চকুৰ শেৱালি পাহিত/ দুষ্মন্তৰ চুমাৰ চেকা' বুলি কৈ আপাত অসংলগ্নতাৰ সৃষ্টি কৰিছে। আধুনিক কবিতাত ইয়াৰ পূৰ্বৰ 'ধাৰণাৰ শৃংখলা' (logic of concept)ৰ সলনি 'কল্পনাৰ শৃংখলা (logic of imagination) প্ৰথমে টি.এছ. এলিয়টৰ প্ৰেৰণাতে হেম বৰুৱাৰ কবিতাতে প্ৰয়োগ হ'বলৈ ধৰে। 'পোহৰতকৈ এন্ধাৰ ভাল'ত যুদ্ধৰ প্ৰসঙ্গ অৱতাৰণা কৰাৰ পিছতে দুষ্মন্ত (দুষ্যন্ত) শকুন্তলাৰ প্ৰণয়ৰ প্ৰসংগ আপাতদৃষ্টিত বিসদৃশ যেন লাগে। কিন্তু অনুধাৱন কৰিলে আমি দেখিম যে যুদ্ধৰ সৈতে বৈপৰীত্য স্থাপনৰ বাবেই কবিয়ে ভাবৰ মিশ্ৰ সংস্থাপন (counterpoint) কৰিছে ঃ 'হেৰা শকুন্তলা, তোমাৰ চকুৰ শেৱালি পাহিত/ দুষ্মন্তৰ চুমাৰ চেকা'। দুষ্যন্ত-শকুন্তলাৰ প্ৰেমৰ মাজতো কবিয়ে কলংকৰ ৰেশ অনুভৱ কৰিছে, তেনেদৰে মানৱীয় প্ৰমূল্যবোধেৰে পূৰ্ণ এই পৃথিৱীত যুদ্ধই মালিন্যৰ ইংগিত দিছে। কবিতাটোত কেইবাটাও পৰোক্ষ উল্লেখ (Allusion) আছে, যথা ঃ 'জৰাসন্ধ, প্ৰাচীন নাবিকৰ জকা'। জৰাসন্ধ আহিছে পুৰাণৰ পৰা ঃ জৰাসন্ধ আছিল মগধ দেশৰ এজন ৰজা আৰু কংস ৰজাৰ মোমায়েক। ভীমৰ হাতত তেওঁৰ মৃত্যু হৈছিল। তেওঁ দুইখণ্ড হৈ উপজিছিল আৰু পিছত জৰা নামেৰে ৰাক্ষসীয়ে দুই খণ্ড লগ লগোৱাত জীৱন পালে। তেনেদৰে ৰোমাণ্টিক কবি ক'লৰিজ (১৭৭২-১৮৩৪) উল্লিখিত নাবিকৰ জঁকাৰ উল্লেখ কৰা হৈছে। যুগৰ সীমান্তত মানৱ জীৱনৰ প্ৰাণ প্ৰবাহ ৰুদ্ধ হৈ গৈছে, প্ৰাচীন নাবিকৰ জঁকাৰে তাৰেই দ্যোতনা দিছে। কালিদাসৰ প্ৰসঙ্গৰ অৱতাৰণাৰে ৰোমাণ্টিক ভাৱ প্ৰৱণতাকে কবিয়ে নাকচ কৰিব বিচাৰিছে ঃ 'কালিদাস, তুমি কোন / অলকাৰ পলাতক কবি? ভাৱৰ দেখি উন্মাদ? / তোমাৰ কাব্য-বেদীত আমাৰ জীৱন-অৰ্চনা / সৰি পৰা মদাৰৰ ফুল? (... গুৰুতো নেলাগে, / গোঁসাইতো নেলাগে, থাক তলে ভৰি সৰি....।)' জাপানী মিত্ৰ শক্তি আৰু বৃটিছৰ মাজত হোৱা সংঘৰ্ষত দুই ম'হৰ

যুঁজত বিৰিণাৰ মৰণৰ লেখীয়াকৈ সাধাৰণ মানুহৰ অৱস্থা কৰুণ হৈ পৰেঃ 'ৰজাই ৰজাই ৰণ-বিগ্ৰহ, তীখাৰ আস্ফালন। আমি খাণ্ডৱ দাহ / অগ্নি-শিখাৰ পুৰি ছাই হোৱা বিৰিণাৰ ফুল ঃ আমাৰ / পিৰামিড্ হিৰোচিমা, নাগাচাকি'। আধুনিক কবিতাত এলিয়টৰ পোষকতাতে সৌন্দৰ্যৰ লগতে কদৰ্যৰো সমাবেশ ঘটে— জীৱনৰ পূৰ্ণাঙ্গ ছবি দুয়োটাৰ সমন্বয়তহে ফুটি উঠে। 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাটোত পোহৰৰ বিপৰীতে আন্ধাৰৰ বোধন কৰা হৈছে। দুষ্যন্তৰ ৰাজকাৰেঙৰ শলিতাৰ জেউতি নিৰ্বাপিত কৰি আন্ধাৰৰ আহ্বান কৰিছে কবিয়ে ঃ 'হেৰা শকুন্তলা তোমাৰ আঙুলিৰ অগ্নি-কণাৰে নুমাই দিয়া / ৰাজকাৰেঙৰ শলিতাৰ জুই। দুষ্মন্তৰ ভাগক স্বপ্ন। / পোহৰতকৈ এন্ধাৰ ভাল'। ভাব আৰু আংগিকৰ ক্ষেত্ৰত হেম বৰুৱা বহু পৰিমাণে টি. এছ. এলিয়টৰ দ্বাৰা প্ৰভাৱান্বিত যদিও কবিতাটোত প্ৰকাশ পোৱা বলিষ্ঠ আশাবাদৰ উঁহ কবিৰ হৃদয়, সিয়ে কবিতাটোক মৌলিকতা দান কৰিছে ঃ 'জীৱনৰ অগ্ৰগতিত ৰামেশ্বৰৰ সেতুৰ বান্ধ। / শংকা কিহৰ? / নতুন পুৱাৰ কেঁচা পোহৰত আশাৰ জুই / আমাৰ চকুত তীখাৰ শাণ'।

**আত্মমূল্যায়ন প্ৰশ্ন**

কোনবোৰ লক্ষণে 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাটিক যুগটোৰ ভিতৰত সুকীয়া বৈশিষ্ট্য প্ৰদান কৰিছে? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................................

..................................................................................

..................................................................................

..................................................................................

..................................................................................

..................................................................................

..................................................................................

..................................................................................

## ২.৫ সাৰাংশ (Summing Up)

দুখনকৈ মহাযুদ্ধই জোকাৰি যোৱাত মানৱীয় প্ৰমূল্যসমূহ নতুনকৈ বিচাৰ কৰি চোৱাৰ প্ৰৱণতাই গা কৰি উঠিল। হেম বৰুৱাই 'পোহৰতকৈ এন্ধাৰ ভাল'ত এই পৰিৱৰ্তিত মূল্যবোধৰ পটভূমিত ৰোমাণ্টিক প্ৰেমক অভিনৱ দৃষ্টিৰে চাইছে। দুষ্যন্ত আৰু শকুন্তলাৰ প্ৰণয় কাহিনীক মহাযুদ্ধৰ দৰে বৃহত্তৰ প্ৰেক্ষাপটত থৈ কবিয়ে বিষয়বস্তুৰ ক্ষেত্ৰত অভিনৱত্বৰ সূচনা কৰিছে।

মানৱীয় প্ৰমূল্যসমূহ বিপৰ্যস্ত হৈছে যদিও আশাৰ ৰেঙণি কবিয়ে ফুটাই তুলিছে ভাৰতীয় মহাকাব্যৰ পৰোক্ষ উল্লেখৰ জৰিয়তে। গভীৰ নৈৰাজ্যৰ মাজতো এই বলিষ্ঠ আশাবাদ কবিৰ হৃদয়ৰ পৰা উৎসাহিত। আধুনিক কবিতাৰ কেতবোৰ লক্ষণ যেনে কল্পনাৰ শৃংখলতা, মিশ্ৰভাবৰ প্ৰয়োগ, পৰোক্ষ উল্লেখ আদিৰ বিষয়ে আমি জানিব পাৰোহঁক।

ৰোমাণ্টিক কবিতাৰ ধাৰণাৰ শৃংখলা (logic of concept)ৰ বাবে কবিতাৰ ভাবৰ গতি সৰলৰেখাৰ দৰে আগবাঢ়িছিল। কল্পনাৰ শৃংখলা (logic of imagination)ই এলিয়টৰ প্ৰেৰণাত আধুনিক কবিতাৰ স্থান লোৱাত কবিতাৰ পঢ়ুৱৈ বৌদ্ধিকভাৱে বহু পৰিমাণে আগবঢ়া হ'ব লগাত পৰিল আৰু প্ৰকৃতাৰ্থত আধুনিক কবিতা মননধৰ্মী হৈ পৰিল। তেনেদৰে মিশ্ৰভাব (counter point)ৰ ব্যৱহাৰৰ জৰিয়তে আধুনিক কবিতাৰ আংগিকত বিচিত্ৰতা আৰু বৈদগ্ধ্য মূৰ্ত হ'ল। লগে লগে বৃদ্ধি পালে কবিতাৰ আবেদনশীলতা আৰু আকৰ্ষণীয় শক্তি।

পৰোক্ষ উল্লেখ (allusion)ৰ প্ৰসংগত প্ৰসিদ্ধ সমালোচক আই. এ. ৰিচাৰ্ডছৰ এটি সিদ্ধান্ত সুঁৱৰিব পাৰি ঃ "পৰোক্ষ সূচনা এলিয়টৰ ঘনসন্নিবদ্ধ কৰা এটা আংগিকত কৌশল। বিষয়ৰ ব্যাপ্তিৰ ফালৰপৰা 'দ্য ৱেইষ্ট ল্যাণ্ড'এখন মহাকাব্যৰ পৰ্যায়ৰ (গ্ৰন্থ)। এই কৌশল অবিহনে ইয়াৰ বাৰটা খণ্ডৰ প্ৰয়োজন হ'লহেঁতেন।" অৱশ্যে এই কৌশলে পঢ়ুৱৈক বিমোৰত পেলোৱা কথাৰ সমালোচক গৰাকীয়ে উল্লেখ কৰিছে ঃ 'কিন্তু এই পৰোক্ষ উল্লেখ আৰু পাণ্ডিত্যপূৰ্ণ টোকাই পঢ়ুৱৈক পাত নুলুটিয়াবলৈ সততে প্ৰণোদিত কৰে। তেনে ধৰণৰ পঢ়ুৱৈয়ে এইবোৰনো কিয় তাৰ উমান পাবলৈ সক্ষম নহয়।"। (Principles of Literary Criticism, 1988)

'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাত কথা ভাষাৰ ৰূপায়ণ সম্পৰ্কেও আমি অবহিত হ'ব পাৰো। অৱশ্যে ছাত্ৰ ছাত্ৰীসকলে হেম বৰুৱাৰ প্ৰসিদ্ধ কবিতা 'মমতাৰ চিঠি' একেলগে পঢ়ি চালে এই বিশিষ্টতা অনুধাৱন কৰাত বিশেষ সুবিধা হ'ব। কিয়নো 'মমতাৰ চিঠি' কবিতাত এই বিশিষ্টা অধিকতৰ স্পষ্ট ৰূপত উদ্ভাষিত হৈছে।

## ২.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১। আধুনিক অসমীয়া কবিতাৰ ধাৰা কোনটো দশকত আৰম্ভ হৈছিল? ইয়াৰ গুৰিত থকা প্ৰভাৱ বা কাৰণসমূহ কেনে ধৰণৰ আছিল?

২। আধুনিক কবিতা বুলিলে আমাৰ কোনবোৰ লক্ষণ বা বৈশিষ্ট্যৰ কথা মনলৈ আহে? সেইবোৰ লক্ষণ আমি 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাত দেখা পাওঁ নে?

৩। হেম বৰুৱাক কিয় আধুনিক কবিতাৰ অগ্ৰদূত বুলি কোৱা হয়? 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাটিত আধুনিক কবিতাৰ কোনবোৰ বৈশিষ্ট্য ৰূপায়িত হৈছে নিদৰ্শনসহ দেখুৱাওক।

৪। হেম বৰুৱাৰ 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাৰ পটভূমি ব্যাখ্যা কৰি কবিতাটিৰ আংগিকগত বিশিষ্টতা প্ৰদৰ্শন কৰক।

৫। আধুনিক অসমীয়া কবিতাৰ ইতিহাসত নৱকান্ত বৰুৱাৰ স্থান নিৰ্ণয় কৰক।

## ২.৭ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

*হেম বৰুৱাৰ কবিতা* (মন ময়ুৰী, বালিচন্দা আৰু অন্যান্য অপ্ৰকাশিত কবিতা)

ভবেন বৰুৱা ঃ *অসমীয়া কবিতা ৰূপান্তৰৰ পৰ্ব*

ইমদাদ উল্লাহ ঃ *সৃজন আৰু মনন*

কৰবী ডেকা হাজৰিকা ঃ *অসমীয়া কবিতা*

চন্দ্ৰ কটকী ঃ *আধুনিক অসমীয়া কবিতা*

নৱকান্ত বৰুৱা ঃ *মোৰ আৰু পৃথিৱীৰ*

প্ৰফুল্ল চন্দ্ৰ বৰা ঃ *জীৱন কবিতা আৰু নৱকান্ত*

লোপা বৰুৱা : *আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প*

হোমেন বৰগোহাঞি (সম্পা) : *অসমীয়া সাহিত্যৰ বুৰঞ্জী*, (ষষ্ঠ খণ্ড)

## প্ৰথম বিভাগ

## সাম্প্ৰতিক কালৰ অসমীয়া কবিতা

**বিভাগৰ গঠন**

১.১ ভূমিকা

১.২ উদ্দেশ্য

১.৩ সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্যৰ ঐতিহাসিক পটভূমি

১.৪ সাম্প্ৰতিক কালৰ অসমীয়া কবিতা

১.৫ সাৰাংশ

১.৬ আৰ্হিপ্ৰশ্ন

১.৭ প্ৰসংগ গ্ৰন্থ

১.১ ভূমিকা

আধুনিক অসমীয়া সাহিত্যৰ শেষৰ সময়ছোৱাক কোৱা হয় সাম্প্ৰতিক যুগ। স্বাধীনতা লাভৰ পাছত ১৯৪০ চনৰপৰা ১৯৭০ চনৰ ভিতৰত ৰচিত সাহিত্যিক বুজাবলৈ যুদ্ধোত্তৰ যুগ আৰু যুদ্ধোত্তৰ যুগৰে পৰৱৰ্তী ১৯৭০ চনৰ পৰা বৰ্তমানলৈ ৰচিত সাহিত্যক বুজাবৰ বাবে সাম্প্ৰতিক যুগ বুলি অভিহিত কৰা হয়। সাম্প্ৰতিক যুগ যুদ্ধোত্তৰ যুগৰ এটা বিকাশমান বা পৰিবৰ্দ্ধিত অৱস্থা যদিও বিংশ শতিকাৰ সপ্তম দশকৰপৰা অসমীয়া সাহিত্যৰ প্ৰকৃতি আৰু অলপ সলনি হোৱা দেখা যায়। ১৯৭০ চনৰপৰা ভাৰতবৰ্ষৰ ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক, বৌদ্ধিক, সাংস্কৃতিক মূল্যবোধৰ পৰিবৰ্তন ঘটে আৰু এই পৰিৱৰ্তন ইমান দ্ৰুতগতিত ঘটিবলৈ আৰম্ভ কৰে যে, ১৯৭০ চনৰ আগৰ পৰিস্থিতিৰ পৰা ই কিছু পৰিমাণে ফালৰি কাটি আহে। এনে পৰিস্থিতিত ১৯৭০ চনৰ পৰা বৰ্তমানৰ সময়লৈকে এই সময়ছোৱাক অসমীয়া সাহিত্যৰ ইতিহাসক সাম্প্ৰতিক যুগৰ সাহিত্য বুলি অভিহিত কৰা হয়।

এই সময়ছোৱাত অসমীয়া কাব্য সাহিত্যৰো বিভিন্ন দিশত পৰীক্ষা-নিৰীক্ষা চলে। এই বিভাগটিত এই সময়ছোৱাৰ অসমীয়া কবিতাৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ল।

## ১.২ উদ্দেশ্য

এই বিভাগটি অধ্যয়ন কৰি আপুনি—

- সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্যৰ ইতিহাস তথা এই ইতিহাসৰ গতি প্ৰকৃতি সম্পৰ্কে জ্ঞান অৰ্জন কৰিব পাৰিব,
- এই যুগৰ সাহিত্যৰ ঐতিহাসিক পটভূমিৰ সৈতে পৰিচিত হৈ এই সন্দৰ্ভত যথোচিত ব্যাখ্যা আগবঢ়াব পাৰিব,
- সাম্প্ৰতিক যুগৰ অসমীয়া কবিসকলৰ লগত পৰিচিত হ'ব পাৰিব আৰু
- সাম্প্ৰতিক অসমীয়া কবিতাৰ বিষয়বস্তু, আংগিক, প্ৰয়োগ হোৱা চিত্ৰকল্প প্ৰতীক আদিৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব।

## ১.৩ সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্যৰ ঐতিহাসিক পটভূমি

যিকোনো ভাষাৰ সাহিত্যতে পূৰ্ববৰ্তীকালৰ সাহিত্যই যথেষ্ট প্ৰেৰণা যোগায় আৰু আৰ্হি গ্ৰহণত অবিহণা যোগায়। সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্যৰ বেলিকাও এই কথা সমানেই প্ৰযোজ্য। সাম্প্ৰতিক অসমীয়া সাহিত্য পূৰ্ববৰ্তী আশী বছৰীয়া ইতিহাসৰ ক্ৰমবিবৰ্তনৰ ফচল স্বৰূপ। ১৮৮৯ চনত প্ৰতিষ্ঠা লাভ কৰা জোনাকী আলোচনীৰ সময়ৰেপৰা আৱাহন, ৰামধেনু অথবা যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যই যি এখন বহল, সাৰুৱা থলী নিৰ্মাণ কৰিছিল; সেই থলীখনৰ পটভূমিতে সাম্প্ৰতিক অসমীয়া সাহিত্যই বিকাশৰ বাবে প্ৰয়োজনীয় সমল লাভ কৰিছে।

১৯৭০ চনৰপৰা বৰ্তমানলৈ ৰচিত অসমীয়া সাহিত্যিক সাম্প্ৰতিক যুগৰ

সাহিত্য বুলি কোৱা হয়। কিন্তু কোনো এটা বা একাধিক দশকৰ সাহিত্য একেবাৰে বিচ্ছিন্নভাৱে আলোচনা কৰাটো সম্ভৱ নহয়। সাহিত্য যিহেতুকে এটা বোঁৱতী সুঁতি, এটা দশকৰ সৈতে আন এটা দশকৰ সাহিত্যৰ লেথেৰি নিছিগা সম্বন্ধ থাকে। সেইবাবে সপ্তম দশকৰ পৰৱৰ্তী সাহিত্যৰ কথা কৰলৈ গ'লেও সপ্তম দশকৰ পূৰ্ববৰ্তী সাহিত্যলৈ উভতি চাবলগীয়া হয় আৰু স্বাধীনতা লাভৰ ঠিক পাছৰেপৰা আৰম্ভ হোৱা সামাজিক বিৱৰ্তনৰ ইতিহাসেৰে আলোচনা মুকলি কৰিবলগীয়া হয়। সাহিত্যৰ ইতিহাস সমাজ বিৱৰ্তনৰ ইতিহাস। সমাজৰ বিৱৰ্তনৰ লগে লগে জীৱনৰ মূল্যবোধো সলনি হয় আৰু সেই অনুসৰি শিল্পৰ ৰূপ আৰু ৰীতিৰ পৰিবৰ্তন ঘটে। স্বাধীনতাৰ পাছৰেপৰা, বিশেষকৈ সপ্তম দশকৰপৰা মানুহৰ চিন্তা-চৰ্চাৰ বহুতো পৰিবৰ্তন হৈছে, জীৱন আৰু জগত সম্পৰ্কে মানুহে নতুন মূল্যবোধ গঢ়ি তুলিছে। জীৱনবোধ আৰু সমাজবোধৰ নতুন উপলব্ধিয়ে ইয়াৰ পৰৱৰ্তীকালৰ সাহিত্যত নতুন যুগৰ সূচনা কৰিছে। যুগৰ ধৰ্ম অনুযায়ী সাহিত্যৰ আঙ্গিক আৰু বিষয়বস্তুৰ আমূল পৰিবৰ্তন সাধিত হৈছে। স্বাধীনতাৰ পাছতেই সামাজিক জীৱনত দেখা দিয়া তীব্ৰ অসন্তুষ্টিয়ে মানুহৰ সামাজিক চেতনা জাগ্ৰত কৰিলে। পুঁজিবাদী সমাজ ব্যৱস্থাৰ অৱসান নঘটাত অৰ্থনৈতিক অসমতাকে ধৰি সামাজিক জীৱনত উদ্ভৱ হোৱা বিবিধ সমস্যাই জনসাধাৰণৰ মন সমাজমুখী কৰি তুলিলে। গণ-জীৱনৰ এই সমাজ চেতনাৰ ভিত্তিত স্বাধীনতাৰ পাছত সামাজিক তথা বাস্তৱবাদী ধাৰাটোৱে তীব্ৰ ৰূপ ধাৰণ কৰিছে। আনহাতে, যুগৰ প্ৰকৃতি আৰু শিল্প চেতনা অনুযায়ী সাহিত্যিকসকলেও নিত্য নতুন গঠন পদ্ধতি আৰু ভঙ্গী গ্ৰহণ কৰিলে। সমস্যাৰ মেৰপাকত সামাজিক জীৱন যিমানেই জটিল হৈ আহিছে, বিজ্ঞানৰ প্ৰগতিয়ে যিমানেই নতুন সত্যৰ তথা তথ্যৰ সন্ধান দিছে, সিমানেই জীৱনবোধৰ সলনি হৈছে আৰু তাৰ ফলত স্বাভাৱিকতে সাহিত্যৰ বিষয়বস্তু, প্ৰসিদ্ধি আৰু ৰূপ-ৰীতিৰ পৰিবৰ্তন হৈছে।

সাহিত্য যিহেতু সমাজৰ দাপোন, সেইবাবে সাহিত্যত সমকালীন জীৱন তথা সমাজৰ প্ৰতিফলন অনিবাৰ্যভাৱেই ঘটে। নাইবা সমকালীন পৰিৱেশে সাহিত্যৰ পটভূমি নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সাহিত্য বিশিষ্ট শিল্প ৰূপ হিচাপে সম-সাময়িক পৰিস্থিতিৰ প্ৰভাৱ পৰিবই। ৰাজনৈতিক, আৰ্থ-সামাজিক, বৌদ্ধিক পৰিস্থিতিয়ে নতুন দিনৰ সাহিত্য আৰু সংস্কৃতিত অৱশ্যম্ভাৱী প্ৰভাৱ বিস্তাৰ কৰে। অসমীয়া সাহিত্যৰ বিশেষকৈ ১৯৭০ চনৰপৰা বৰ্তমানলৈ সৃষ্ট সাহিত্যৰ পটভূমি নিৰ্মাণতো ইতিহাসৰ কেইবাটাও গুৰুত্বপূৰ্ণ ঘটনা গভীৰভাৱে জড়িত হৈ আছে।

১৯৭০ চনৰপৰা বৰ্তমানলৈ এই তিনিটা দশকত অসম তথা ভাৰতবৰ্ষৰ ইতিহাসত কেইবাটাও গুৰুত্বপূৰ্ণ ঘটনা ঘটি গৈছে। ১৯৭১ চনত বাংলাদেশৰ মুক্তি আন্দোলন আৰু স্বাধীনতা লাভ কৰি এখন নতুন প্ৰতিবেশী দেশৰ জন্ম পোন প্ৰথম উল্লেখযোগ্য ঘটনা। তাহানিৰ পূব পাকিস্তান আৰু আজিৰ বাংলাদেশৰ জন্ম আৰু প্ৰতিবেশী দেশখনৰ ভাৰতৰ অংগৰাজ্য অসমৰ ওপৰত এই ঘটনাচক্ৰৰ প্ৰভাৱ নানা দিশত গুৰুত্বপূৰ্ণ হৈ আহিছে। তাৰ ভিতৰত সবাতোকৈ গুৰুত্বপূৰ্ণ ঘটনা হ'ল বিদেশী

প্ৰব্ৰজনৰ সমস্যা। বাংলাদেশৰ জন্মলগ্নৰেপৰা প্ৰব্ৰজনৰ পুৰণি সমস্যাটো প্ৰকট হৈ পৰাত তাৰ পৰিণতি স্বৰূপে ১৯৭৯ চনৰপৰা ১৯৮৫ চনলৈ ৰাজ্যখনৰ বিদেশী বিতাৰণৰ প্ৰবল আন্দোলন চলিল। আন্দোলনৰ পৰিপ্ৰেক্ষিতত অসমৰ সামাজিক আৰু ৰাজনৈতিক জীৱনত গুৰুতৰ প্ৰভাৱ পৰিল। আন্দোলনৰ কালছোৱাত ধৰ্মঘট, সত্যাগ্ৰহ, সৰ্বাত্মক বন্ধ আদিয়ে স্কুল-কলেজৰ শৈক্ষিক পৰিৱেশ পৰ্যন্ত ক্ষতিগ্ৰস্ত কৰি তুলিলে। ছাত্ৰ-ছাত্ৰীয়ে বহুমূলীয়া শৈক্ষিক বছৰ হেৰুওৱাৰ উপৰিও শিক্ষা গ্ৰহণত ছাত্ৰ-ছাত্ৰীৰ মাজত উদ্দীপনা নোহোৱা হৈ পৰিল। 'অসম চুক্তি'ৰ আধাৰত আন্দোলনৰ সামৰণি পৰিল যদিও বহু প্ৰত্যাশিত এই চুক্তিয়ে বাস্তৱক্ষেত্ৰত সমস্যা সমাধানত সফলতা অৰ্জন কৰিব নোৱাৰিলে। আনহাতে, এই আন্দোলনৰ পৰিপ্ৰেক্ষিততে আঞ্চলিকতাবাদী ৰাজনীতিৰ উত্থান ঘটিল; কিন্তু আঞ্চলিকতাবাদেও মানুহৰ আশা-আকাঙ্খা পূৰণ কৰিব নোৱাৰিলে।

ভাষাক কেন্দ্ৰ কৰি ১৯৬০ চনত সংঘটিত হোৱা আন্দোলনৰ পাছত ১৯৭২ চনত পুনৰ মাধ্যম আন্দোলনৰ সৃষ্টি হ'ল। এই সময়ছোৱাৰ ভিতৰতে ১৯৭৫ চনত ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থাৰ প্ৰবৰ্তন এটা উল্লেখযোগ্য ঘটনা। জৰুৰীকালীন অৱস্থা ঘোষণাৰ লগে লগে দমনমূলক নীতিৰ দ্বাৰা গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰা হৈছিল। পৰৱৰ্তীকালত জৰুৰীকালীন অৱস্থাৰ অৱসান ঘটিছিল যদিও ভাৰতবৰ্ষত ৰাজনৈতিক অস্থিৰতাৰ অৱসান নঘটিল। ৰাজনীতিত মূল্যবোধৰ অৱক্ষয় ঘটিল আৰু ইয়ে ভাৰতবৰ্ষৰ প্ৰতিগৰাকী চিন্তাশীল ব্যক্তিক ভবাই তুলিলে। আজিও এই অৱস্থাৰ উন্নতি ঘটা বুলি ক'ব নোৱাৰি। এনে অৱক্ষয়ৰ বিৰুদ্ধে জনসাধাৰণে প্ৰতিবাদ সাব্যস্ত নকৰাও নহয়। ৰাজনৈতিক ভ্ৰষ্টাচাৰ আৰু সামন্তবাদী শাসন ব্যৱস্থাৰ বিৰুদ্ধে সাহিত্যতো প্ৰতিবাদী চিন্তাধাৰাৰ প্ৰকাশ দেখা যায়। অসমীয়া সাহিত্যতো ১৯৭০ চনৰ পাছত ৰচিত চুটিগল্প, উপন্যাস, নাটক, কবিতা আদিত বিপ্লৱী চেতনা এটি প্ৰখৰ ৰূপত প্ৰতিধ্বনিত হৈছে। এনে প্ৰতিবাদী বিপ্লৱী চেতনাৰ ফলত অসমীয়াত ভাল সাহিত্য-সৃষ্টি হোৱাও দেখা গৈছে। প্ৰথম অৱস্থাত বিপ্লৱী চেতনা ৰাজনীতি-কেন্দ্ৰিক আছিল যদিও পাছলৈ সমাজ-ৰাজনৈতিক দৃষ্টিভঙ্গীৰে বিশ্লেষণ কৰাৰ চেষ্টা চলিল।

কৃষিপ্ৰধান অসমত খৰাং, অতিবৃষ্টি, বানপানী আদিয়ে অৰ্থনৈতিক অৱস্থা শোচনীয় কৰি তোলাৰ লগতে অসমৰ অৰ্থনীতিক দুৰ্বল কৰি তুলিলে বিদেশী, বিশেষকৈ বাংলাদেশৰ পৰা অহা অবৈধ নাগৰিকে। আনহাতে, বৃটিছ আঁতৰি যোৱাৰ পাছত অসমত পুঁজিপতিৰ প্ৰতিপত্তি বাঢ়িবলৈ ধৰিলে। একেদৰে, সমাজত ব্যক্তিকেন্দ্ৰিক ভোগবাদ প্ৰবল হৈ আহিল। ভোগবাদীৰ শোষণৰ কবলত পৰি কৃষক-শ্ৰেণীটো দৰিদ্ৰতাত পৰিল। ভোগবাদৰ লালসাত পৰি সমাজৰ এটা শ্ৰেণীয়ে মানবীয়তা আৰু নৈতিক প্ৰমূল্যক বিসৰ্জন দিবলৈ কুণ্ঠাবোধ নকৰা হ'ল। মানসিকতাৰ এনে অধঃপতন উপলব্ধি কৰা সচেতন শ্ৰেণীটোৰ লেখক-লেখিকাসকলে সাহিত্যতো তাৰ ৰূপ দিবলৈ ধৰিলে। ফলত অসমীয়া সাহিত্যতো এই নগ্ন বাস্তৱ, নৈতিক স্খলন, কুটিল ৰাজনীতি, আদৰ্শৰ মৃত্যু আদিৰ চিত্ৰ প্ৰকাশ পাবলৈ ধৰিলে।

শেহতীয়াভাৱে বিচ্ছিন্নতাবাদী বিপ্লৱ, তীব্ৰ নিবনুৱা সমস্যা, নিৰাপত্তাহীনতা, সন্দেহ, সংশয় আদিয়ে অসমত এক নিশ্চয়তাহীন পৰিৱেশৰ সৃষ্টি কৰিছে। এনে পৰিৱেশে নতুন প্ৰজন্মক হতাশ কৰি তুলিছে। এনে পৰিৱেশৰ যে সোনকালে অৱসান ঘটিব সেই কথাও বিশ্বাস কৰিবলৈ টান। এনে পৰিস্থিতিৰ ৰূপায়ণ সাহিত্যতো প্ৰতিদিনে প্ৰতিফলিত হ'ব ধৰিছে। লেখক-লেখিকাসকলে সমাজৰ এই ঘটনাসমূহৰ পৰা সৃষ্টিশীল সাহিত্যৰ বাবে উপাদান সংগ্ৰহ কৰাৰ সমল বিচাৰি পাইছে। হয়তো এইবোৰেই এদিন কালজয়ী, সাৰ্থক, ৰসোত্তীৰ্ণ সাহিত্য ৰচনাত উদ্‌গনি যোগাব।

সপ্তম দশকৰ পাছত অসমৰ শৈক্ষিক অৱস্থাৰো ভালেখিনি পৰিৱৰ্তন সাধন হয়। স্কুল-কলেজৰ সংখ্যা যেনেদৰে বৃদ্ধি পালে, তেনেদৰে শিক্ষিতৰ হাৰো আমাৰ সমাজত বৃদ্ধি পালে। পঢ়ুৱৈৰ সংখ্যা বাঢ়িল। উচ্চ শিক্ষাৰ প্ৰসাৰৰ ফলত পৃথিৱীৰ বিভিন্ন ভাষাৰ সাহিত্যৰ সৈতে পাঠক-লেখকৰ পৰিচয় ঘটিল। এই পৰিচয়ে অসমীয়া সাহিত্যৰ ওপৰতো ইতিবাচক প্ৰভাৱ পেলালে। আনহাতে গোলোকীকৰণে সাহিত্যৰ ভৌগোলিক পৰিসীমাক অতিক্ৰম কৰি সমগ্ৰ বিশ্বৰ মানুহৰ ভাব-অনুভূতিৰ সৈতে আত্মীয়তা স্থাপন কৰিবলৈ সুযোগ আনি দিলে। ইয়াৰ ফলত একাত্মতাৰ ভাব স্থাপিত হ'ল আৰু সাহিত্যিকসকলৰ মাজতো উদাৰ মনোভাৱ বৃদ্ধি পালে। ইয়ে ক্ৰমে ক্ৰমে বিচ্ছিন্নতাৰ বিপৰীতে বিশ্ব ঐক্য সৃষ্টিত উদ্‌গনি দিলে। সাম্প্ৰতিক যুগৰ সাহিত্যত ঐক্য স্থাপন এক উল্লেখনীয় বৈশিষ্ট্য। আনহাতে, এই যুগৰ সাহিত্যত লোক-মানসৰ লগত, ঐতিহ্যৰ লগত সম্পৰ্ক ঘনিষ্ঠ কৰি তোলাৰ প্ৰয়োজন লেখসকলে অনুভৱ কৰিলে। ইয়াৰ পটভূমিতে একশ্ৰেণী সাহিত্য ৰচিত হৈছে আৰু সেই ঐতিহ্য, লোক-মানসৰ মাজত আজিৰ সাম্প্ৰতিক যুগৰ অতি আধুনিক সমাজখনক বিচাৰি প্ৰাসঙ্গিকতা বিশ্লেষণৰ চেষ্টা কৰিছে। ৰামায়ণ, মহাভাৰত আদিৰ কাহিনী তথা চৰিত্ৰৰ আধাৰত অসমীয়া সাহিত্যতো ভাল ভাল গল্প, উপন্যাস, কবিতা, নাটক আদি ৰচিত হৈছে।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে, সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্যৰ পটভূমি নিৰ্মাণত ৰাজনৈতিক, অৰ্থনৈতিক, বৌদ্ধিক আদি বিভিন্ন পৰিস্থিতি, আন্দোলন তথা মানসিকতাই ভূমিকা গ্ৰহণ কৰিছে। ইতিমধ্যে আধুনিক অসমীয়া সাহিত্যই অৰুণোদয়, ৰোমাণ্টিক, যুদ্ধোত্তৰ আদি বিভিন্ন যুগৰ বিভিন্ন স্তৰ অতিক্ৰম কৰি আহি সাম্প্ৰতিক যুগত ভৰি দিছে। গতিকে অসমীয়া সাহিত্যই শৈশৱ, যৌৱন, প্ৰৌঢ়ত্ব, আটাইকেইটা স্তৰ অতিক্ৰম কৰি আহি সকলো ফালৰ পৰা সাম্প্ৰতিক যুগত পৰিপক্কতা লাভ কৰিছে। পৰৱৰ্তী অধ্যায়সমূহত কবিতা, নাটক, চুটিগল্প, উপন্যাস, সাহিত্য-সমালোচনা আদিৰ ইতিহাস আলোচনাৰ যোগেদি সেই কথাৰ প্ৰমাণ পোৱা যায়।

### আত্মমূল্যায়ন প্ৰশ্ন

১। কোনখিনি সময়ত সাম্প্ৰতিক যুগ বুলি ধাৰা হৈছে?

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

২। কি কি ঘটনাই সাম্প্ৰতিক যুগৰ সাহিত্যৰ ওপৰত প্ৰভাৱ পেলাইছে?

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

৩। সাম্প্ৰতিক যুগৰ সাহিত্যৰ ওপৰত মাধ্যম আন্দোলনৰ প্ৰভাৱ কেনেকুৱা?

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

## ৪.৩ সাম্প্ৰতিক যুগৰ অসমীয়া কবিতা

যুদ্ধোত্তৰ যুগত কবিতাৰ দ্বিতীয় স্তৰটোৰ নাম হৈছে সাম্প্ৰতিক কবিতা। সাম্প্ৰতিক যুগৰ কবিতা সম্পৰ্কে ক'বলৈ গৈ মহেশ্বৰ নেওগে কৈছে— "দ্বিতীয় স্তৰৰ যুদ্ধোত্তৰ অসমীয়া কবিতা আৰু এটা কেঁকুৰি ঘূৰি আহিল। কিবা সাম্প্ৰতিকতালৈ লক্ষ্য কৰি এই নৱতম স্তৰৰ কবিতাৰ নাম ৰখা হৈছে সাম্প্ৰতিক কবিতা। জগতত উন্মুক্ত বায়ু লগাকৈ মনৰ সকলো দুৱাৰ-খিৰিকি খুলি ৰখা সাম্প্ৰতিক কবিতাৰ ধৰ্ম।" একে প্ৰসঙ্গতে তেওঁ উল্লেখ কৰিছে— "নতুন অসমীয়া কবিতাৰ মুকুৰতো বিশ্বৰূপ দৰ্শন আজি সম্ভৱ হৈছে। অন্তৰ্মুখী আৰু বহিৰ্মুখী নানা শক্তিৰ দ্বন্দ্বৰ মাজেদি আজিৰ

কবিতা আজিৰ কবি-মানসৰ প্ৰতিভূ হৈছে। সাম্প্ৰতিক কবিতা কোনো একোখন সত্ৰৰ শিষ্য নহয় বা কোনো এক বৰ্ণৰ চিহ্নৰ দ্বাৰাও চিহ্নিত নহয়। গোষ্ঠীবন্ধনৰ চেষ্টা থাকিলেও একেই দলত সমাজ সচেতনাৰ পৰা জীৱন পলাতক ব্যক্তিবাদীলৈকে থিয় দিছে। এফালে যেনেকৈ নব্য ৰোমাণ্টিক ক্লান্তি-নৈৰাশ্য আৰু আলসুৱা জীৱনৰ মোহ ফুটি উঠিছে, আনফালে বামপন্থী সুৰো তেনেকৈ অনিস্তব্ধ।"

ডঃ মহেশ্বৰ নেওগে সাম্প্ৰতিক কবিতা সম্পৰ্কে আগবঢ়োৱা এই মন্তব্যৰ আধাৰত ক'ব পাৰি যে, সাম্প্ৰতিক যুগৰ কবিতা কোনো এটা নিৰ্দিষ্ট সূত্ৰ, বিষয়বস্তু বা শ্ৰেণীৰ মাজত আবদ্ধ নহয়। ব্যক্তিবাদী, নব্যৰোমাণ্টিকবাদী, সমাজবাদী সকলো ধৰণ 'বাদ' বা 'ism'-ৰ প্ৰতিফলন সাম্প্ৰতিক যুগৰ কবিতাত দেখিবলৈ পোৱা যায়।

সাম্প্ৰতিক যুগৰ অসমীয়া কবিতাৰ ইতিহাস সম্পৰ্কে আলোচনা কৰিলে প্ৰথমে আমি দেখিবলৈ পাওঁ যে, ইয়াৰ আগৰ যুগটোত, অৰ্থাৎ যুদ্ধোত্তৰ যুগত (১৯৪০-৭০) যিসকল কবিয়ে কাব্য-চৰ্চা কৰি আছিল, তেওঁলোকেই সাম্প্ৰতিক যুগতো নিৰবচ্ছিন্নভাৱে কাব্য সাধনা অব্যাহত ৰাখিছে। নৱকান্ত বৰুৱা, ভবেন বৰুৱা, নীলমণি ফুকন, অজিত বৰুৱা, হীৰেণ ভট্টাচাৰ্য, নিৰ্মলপ্ৰভা বৰদলৈ আদি প্ৰতিষ্ঠিত কবিসকলৰ নাম এই প্ৰসঙ্গত উল্লেখনীয়।

সাম্প্ৰতিক কালত প্ৰগতিশীল কবিতাৰ ধাৰাটো বোঁৱাই ৰখা অগ্ৰজ কবি দুগৰাকী হ'ল নলিনীধৰ ভট্টাচাৰ্য আৰু ৰাম গগৈ। সমাজবাদী ধাৰণাৰে উদ্বুদ্ধ নলিনীধৰ ভট্টাচাৰ্য্যৰ এতিয়ালৈকে তিনিখন কবিতাৰ সংকলন প্ৰকাশ পাইছে— 'এই কুঁৱলীতে' (১৯৭৯), 'চেৰাশালিৰ মালিতা' (১৯৮৩) আৰু 'আহত সপোন' (১৯৮৫)। আনহাতে, 'কবিতাৰ কথা' পুথিৰ বাবে এওঁ 'ভাৰতীয় ভাষা পৰিষদ বঁটা' আৰু অনুবাদ গ্ৰন্থ 'দুই পুৰুষ'ৰ বাবে 'ছোভিয়েট দেশ নেহৰু বঁটা' লাভ কৰিছে। আন এগৰাকী প্ৰধান প্ৰগতিবাদী কবি হ'ল ৰাম গগৈ। 'পথাৰ'ৰ কবিৰূপে খ্যাত এইগৰাকী কবিৰ প্ৰথম কাব্য সংকলন 'মাটিৰ স্বপ্ন' (১৯৬৩)। দ্বিতীয় সংকলন হৈছে 'হে পৃথিৱী অন্তৰাতমা' (১৯৮৬)। মাটি, মানুহ, পথাৰ, ঘাম, শোষণ-নিষ্পেষণ গগৈৰ কবিতাৰ বিষয়বস্তু।

সাম্প্ৰতিক কালৰ গুৰুস্থানীয় কবিগৰাকী হ'ল নৱকান্ত বৰুৱা। সাম্প্ৰতিক কালৰ কবিসকলৰ ভিতৰত তেওঁৰ কাব্যৰ পৰিধি আটাইতকৈ বহল। ৰবীন্দ্ৰনাথৰ পৰা এলিয়টলৈ প্ৰাচ্য আৰু পাশ্চাত্য কেইবাগৰাকীও বিখ্যাত কবিৰ সুখকৰ প্ৰভাৱ তেওঁৰ কবিতাত জড়িত হৈ আছে। কবিতাৰ আঙ্গিক আৰু বিষয়বস্তুৰ ক্ষেত্ৰত ন-ন পৰীক্ষাৰে আধুনিক অসমীয়া কবিতাক ঐশ্বৰ্যশালী কৰি তোলাত নৱকান্ত বৰুৱাৰ বৰঙণি সৰহ। বিষয়ৰ উপযোগী ছন্দৰ প্ৰয়োগ, প্ৰকাশভঙ্গীৰ সংযম আৰু সৰলতা, গভীৰ ইতিহাস চেতনা এওঁৰ কবিতাৰ বৈশিষ্ট্য। সাম্প্ৰতিক কালত প্ৰকাশিত তেওঁৰ

কবিতাৰ সংকেলনকেইটি হ'ল— 'মোৰ আৰু পৃথিবীৰ' (১৯৭৪), 'ৰত্নাকৰ আৰু অন্যান্য কবিতা (১৯৮৬), 'এখন স্বচ্ছ মুখাৰে' (১৯৯০), 'ৰাৱণ' আৰু 'সম্রাট'।

সাম্প্রতিক যুগৰ অসমীয়া কবিতাৰ বুদ্ধিদীপ্ত কাব্যিক ধাৰাটোৰ প্রয়োগ ঘটিছে নৱকান্ত বৰুৱাৰ পাছতে ভবেন বৰুৱাৰ কবিতাত। বৌদ্ধিক জিজ্ঞাসা, তীব্র অনুভূতি, মননশীলতাৰ লগতে জীৱন আৰু জগত সম্বন্ধে ৰহস্য সন্ধানী দৃষ্টিভঙ্গী ভবেন বৰুৱাৰ কবিতাৰ মূল বৈশিষ্ট্য। তেওঁৰ বহু চৰ্চিত তথা একমাত্র কাব্য সংকলন 'সোণালী জাহাজ' (১৯৭৭)।

প্রেম আৰু ছন্দকুশলতাৰে সাম্প্রতিক কালৰ কবিতা ৰচনা কৰা এগৰাকী কবি হ'ল হৰি বৰকাকতি। তেওঁৰ কবিতাৰ পুথি দুখনি হ'ল 'কোনোবা শীতৰ এক বগা সন্ধিয়াত' (১৯৭০) আৰু 'হৰি বৰকাকতিৰ কবিতা' (১৯৭৮)। ইয়াৰ পাছত তেওঁ কাব্য চৰ্চাৰ পৰা আঁতৰি থকা দেখা যায়।

প্রতীক আৰু চিত্রকল্পবাদী ৰচনাৰীতি ব্যৱহাৰৰ ক্ষেত্ৰত উল্লেখযোগ্য কবিগৰাকী হ'ল নীলমণি ফুকন। সাম্প্রতিক কালত প্রকাশিত তেওঁৰ কাব্যগ্রন্থকেইখন হ'ল— 'নৃত্যৰতা পৃথিৱী' (১৯৮৫), 'ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে' (১৯৭১), 'কবিতা' (১৯৮৫), 'নিৰ্জনতাৰ শব্দ' (১৯৭০), 'গোলাপী জামুৰ লগ্ন' (১৯৭৭) আৰু অনূদিত কবিতাপুথি 'জাপানী কবিতা' (১৯৭০)। নীলমণি ফুকনৰ কবিতাৰ পৰিমণ্ডল সুকীয়া অনুভূতিৰে সমুজ্জ্বল। নিঃসঙ্গ অস্তিত্ববোধ ফুকনৰ কবিতাৰ কেন্দ্ৰীয় উপলব্ধি। যুগ-যন্ত্রণাৰপৰা উদ্ভূত এই নিঃসঙ্গ চেতনা প্রতীকী ব্যঞ্জনাৰ মাজেদি মূৰ্ত হৈ উঠিছে।

নীলমণি ফুকন আৰু ভবেন বৰুৱাৰ দৰে প্রতীক আৰু চিত্রকল্পবাদী ৰচনা ৰীতিৰ আন এগৰাকী কবি হ'ল অজিৎ বৰুৱা। সাম্প্রতিক যুগত প্রকাশিত এওঁৰ কাব্য পুথি দুখনি হ'ল 'কিছুমান পদ্য আৰু গান' (১৯৮২) আৰু 'ব্ৰহ্মপুত্ৰ ইত্যাদি পদ্য' (১৯৮৯)। সাম্প্রতিক অসমীয়া কবিতাৰ গধুৰ মননশীল ধাৰাটোক পুষ্ট কৰাৰ ক্ষেত্ৰত অজিৎ বৰুৱাৰ অৱদান অনস্বীকাৰ্য। বৰুৱাৰ কবিতাৰ সংখ্যা কম, কিন্তু গুণগত দিশত উন্নত। এওঁৰ কবিতাত কুৰি শতিকাৰ আধুনিক মানসিকতা আৰু আঙ্গিক কলা-কুশলতাৰ এক অপূৰ্ব সংমিশ্ৰণ পৰিলক্ষিত হয়।

সাম্প্রতিক কালৰ এগৰাকী জনপ্রিয় কবি হ'ল হীৰেণ ভট্টাচাৰ্য। নতুন প্ৰজন্মৰ মাজত 'হীৰুদা' নামেৰে জনপ্রিয়তা অৰ্জন কৰা এইগৰাকী কবিয়ে শব্দসম্ভাৰ আৰু অনুভূতিৰ তীব্রতাৰে অসমীয়া কাব্যজগতলৈ এক নতুন সম্ভাৱনা কঢ়িয়াই আনে। যাদুকৰী শব্দ প্রয়োগেৰে ক্ষুদ্র ক্ষুদ্র চিত্রকল্প নিৰ্মাণত তেওঁ সিদ্ধহস্ত। এশাৰী বা দুশাৰী কবিতাৰ যোগেদিয়েই তেওঁ গভীৰ তাৎপৰ্যপূৰ্ণ ভাৱ তথা অৰ্থ প্ৰকাশ কৰিব পাৰে। সেইবাবে তেওঁৰ বহুতোৰ কবিতাৰ স্তৱক খাঁয়েৰীৰ দৰে পাঠকৰ মুখে মুখে।

সাম্প্ৰতিক কালত প্ৰকাশিত হীৰেণ ভট্টাচাৰ্যৰ কাব্যপুথি কেইখন হ'ল— 'মোৰ দেশ, মোৰ প্ৰেমৰ কবিতা' (১৯৭২), 'বিভিন্ন দিনৰ কবিতা' (১৯৭৪), 'কবিতাৰ ৰ'দ' (১৯৭৭), 'সুগন্ধি কবিতা' (১৯৮১), 'শইচৰ পথাৰ মানুহ' (১৯৯১) আদি।

সাম্প্ৰতিক যুগৰ মহিলা কবিসকলৰ ভিতৰত নিৰ্মলপ্ৰভা বৰদলৈ অগ্ৰগণী। বৰদলৈ মূলতঃ গীতিধৰ্মী কবি। তথাপি প্ৰতীক, চিত্ৰকল্প আদি আধুনিক কাব্যশৈলীৰে বৰদলৈৰ কবিতা নিৰ্মিত হৈছে। মানুহৰ মনোজগতক লৈ এওঁৰ সৰহভাগ কবিতা ৰচিত হৈছে। স্মৃতি-বিষাদ আদি ব্যক্তিনিষ্ঠ ভাব-অনুভূতি তেখেতৰ কবিতাৰ ঘাই সমল। আনহাতে, নাৰীমনৰ শংকা, ক্ষোভ, যন্ত্ৰণা, বিদ্ৰোহ, গোপন কামনা-বাসনা আদিৰ উন্মুক্ত প্ৰকাশ নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰ লক্ষণীয় বৈশিষ্ট্য। সপ্তম দশকৰ পাছত প্ৰকাশিত এওঁৰ কাব্যগ্ৰন্থ কেইখনি হ'ল— 'দিনৰ পাছত দিন' (১৯৭৭), 'সমীপেষু' (১৯৭৭) আৰু 'অন্তৰঙ্গ' (১৯৭৮)।

গভীৰ জীৱনবোধ আৰু আঙ্গিকৰ নিজস্ব ৰীতিৰে সাম্প্ৰতিক কালৰ কবিসকলৰ মাজত মৰ্যাদাপূৰ্ণ স্থান দখল কৰিবলৈ সক্ষম হোৱা এগৰাকী কবি হ'ল হৰেকৃষ্ণ ডেকা। তেওঁৰ কবিতাৰ পুথি তিনিখন— 'স্বত্বৰোৰ' (১৯৭৩), 'ৰাতিৰ শোভাযাত্ৰা' (১৯৮২) আৰু 'আন এজন' (১৯৮৬)। 'আন এজন' কাব্য-পুথিৰ বাবেই এওঁ সাহিত্য অকাডেমী বঁটা লাভ কৰে। কম সংখ্যক কবিতা সৃষ্টি কৰিলেও গুণগত দিশত সফলতা অৰ্জন কৰা এগৰাকী কবি হ'ল হীৰেন্দ্ৰনাথ দত্ত। এওঁৰ কবিতাৰ ভাষা ব্যঞ্জনাময় আৰু জতুৱা ঠাঁচত গঢ়া। বাল্যকালৰ স্মৃতি তেখেতৰ কবিতাৰ পাথেয়। আধুনিক কবিতাৰ কৃত্ৰিমতাৰ বিপক্ষে প্ৰতিবোধৰ ভৱ দত্তৰ ভালেমান কবিতাত সুস্পষ্টভাৱে ফুটি উঠিছে। লোক-কথা, লোকগাঁথা, আদিৰপৰাও তেওঁ ভালেমান সমল কবিতাত প্ৰয়োগ কৰিছে। তেওঁৰ একমাত্ৰ কাব্যগ্ৰন্থখন হ'ল 'সোমধিৰিৰ সোঁৱৰণি আৰু অন্যান্য কবিতা' (১৯৮১)।

অসমীয়া সাহিত্যৰ 'আধুনিক' কাব্য-পদ্ধতি প্ৰচলনৰ বাবে অপৰিসীম পৰিশ্ৰম কৰা কবিগৰাকী হ'ল মহেন্দ্ৰ বৰা। যুদ্ধোত্তৰ যুগৰ কবিতাৰ সংকলন 'নতুন কবিতা' তাৰেই প্ৰমাণ। সাম্প্ৰতিক কালত প্ৰকাশিত তেওঁৰ কাব্যগ্ৰন্থখনি হ'ল 'ৰূপ টিলিঙাৰ মাত' (১৯৮১)। বৰাৰ কবিতাত বলিষ্ঠ, উদ্দাম, উচ্ছ্বাস ভাব এটা প্ৰায়েই অনুভূত হয়। আনহাতে কবিতাৰ ভাষা জতুৱা ঠাঁচত গঢ়া। ভাষাৰ ওপৰত থকা তেওঁৰ দখলৰ বাবেই মহেন্দ্ৰ বৰাৰ সাম্প্ৰতিক কালৰ সৰহভাগ কবিতাই সুখপাঠ্য আৰু পাঠকৰ মনত আঁচোৰ বহুৱাব পৰা বিধৰ।

অষ্টম দশকত নতুনকৈ আত্মপ্ৰকাশ কৰা এগৰাকী কবি হ'ল মহেশ্বৰ নেওগ। তেওঁৰ 'মুছাফিৰখানা' (১৯৭৪) আৰু 'সঞ্চাৰিণী দীপশিখা' (১৯৭৮)-এই দুখন সংকলনে কবিৰ কাব্যিক সংবেদনশীলতা আৰু নিমজ ভাষাশৈলীৰ নিদৰ্শন দাঙি

ধৰে। এই কালছোৱাৰ ভিতৰত কবি হিচাপে আবিৰ্ভাব হোৱা কবিসকলৰ ভিতৰত দিনেশ গোস্বামী, বীৰেণ বৰকটকী, সুশীল শৰ্মা আদিৰ নাম উল্লেখযোগ্য। দিনেশ গোস্বামীৰ 'আলোড়িত অন্ধকাৰ' (১৯৭৩), বীৰেণ বৰকটকীৰ 'চিৰন্তন' (১৯৭৯), সুশীল শৰ্মাৰ 'জোনাক ৰাতিৰ আৰতি' (১৯৯২), নিত্যা দত্তৰ 'পান্থশালা', 'এমুঠি পুৱাৰ নিয়ৰ', হোমেন বৰগোহাঞিৰ 'হৈমন্তী' (১৯৮৭) আদি উল্লেখযোগ্য কাব্য-পুথি।

সাম্প্ৰতিক যুগৰ তুলনামূলকভাৱে নবীন কবিসকলৰ ভিতৰত ৰবীন্দ্ৰ সৰকাৰ, ৰবীন্দ্ৰ বৰা, সমীৰ তাঁতী, সনন্ত তাঁতী, জ্ঞান পূজাৰী, আব্দুল হালিম, অৰুনী চক্ৰৱৰ্তী, মনজিৎ সিং, সুমিত্ৰা গোস্বামী, কবীন ফুকন, কৌস্তুভমণি শইকীয়া, ৰাজীৱ বৰুৱা, ৰাজীৱ ফুকন, বিপুলজ্যোতি শইকীয়া, নীলিম কুমাৰ, অনুভৱ তুলসী, অনুপমা বসুমতাৰী, মীৰা ঠাকুৰ, ইছমাইল হোছেইন, জীৱন নৰহ, অৰ্চনা পূজাৰী, উদয়কুমাৰ শৰ্মা আদিৰ নাম উল্লেখযোগ্য। এওঁলোকে ইতিমধ্যে অসমীয়া কাব্য-জগতত প্ৰতিষ্ঠা লাভ কৰিছে। শোষণৰ বিৰুদ্ধে সংগ্ৰাম আৰু নতুন সমাজ এখনৰ প্ৰতি আগ্ৰহ সৰহভাগ নবীন কবিৰে কেন্দ্ৰীয় চিন্তা। এইফালৰপৰা নবীন কবিসকলৰ মাজত দায়বদ্ধ গোষ্ঠীৰ প্ৰাধান্য বেছি।

ৰবীন্দ্ৰ সৰকাৰ, সমীৰ তাঁতী, অৰুনী চক্ৰৱৰ্তী আদিৰ কবিতাত জয়ন্তী যুগতে আৰম্ভ হোৱা অমূল্য বৰুৱা আদিৰ ইস্তাহাৰী কবিতাৰ সাৰ্থক কাব্যিক পৰিণতি ঘটিছে। অমূল্য বৰুৱা প্ৰমুখ্যে আন কেইজনমানে কবিতাৰ নামত ইস্তাহাৰহে ছপাইছিল; সেই ধাৰাৰ সাৰ্থক কাব্যিক পৰিণতিৰ কাৰণে সপ্তম আৰু অষ্টম দশকলৈ ৰ'বলগীয়া হ'ল অসমীয়া কবিতা। এই সাৰ্থক কবিতাসমূহ নিশ্চয়েই বাওঁপন্থী ভাবাদৰ্শেৰে সমৃদ্ধ; কিন্তু সপ্তম আৰু অষ্টম দশকৰ নতুন কবিসকলে কেৱল ৰুছ আৰু চীন দেশৰ কবিতাতেই সীমাবদ্ধ নাথাকি স্পেইন আৰু তৃতীয় বিশ্বৰ, বিশেষকৈ লাটিন আমেৰিকাৰ একে ভাবাদৰ্শেৰে উদ্বুদ্ধ কাব্য আৰু কাব্যৰীতিৰ প্ৰীতি আকৃষ্ট হোৱা দেখা যায়। সমগ্ৰ তৃতীয় বিশ্বৰ বাস্তৱ পৰিস্থিতি একেই হোৱাৰ বাবেই নেকি এইদৰে প্ৰভাৱান্বিত অসমীয়া কবিতাসমূহ অধিক আন্তৰিক আৰু অকৃত্ৰিম।

প্ৰগতিবাদী ধাৰাটোৰ এগৰাকী উল্লেখনীয় কবি হ'ল ৰবীন্দ্ৰ সৰকাৰ। প্ৰচলিত সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তনৰ হকে কলম চলোৱা ৰবীন্দ্ৰ সৰকাৰৰ কবিতাত প্ৰচুৰ সম্ভাৱনাৰ ইঙ্গিত আছে। সমাজৰ ভংগুৰতাৰ স্বৰূপ উদ্‌ঘাটন আৰু এখন সুস্থ সমাজৰ কল্পিত সম্ভাৱনা তেওঁৰ কবিতাৰ ঘাই প্ৰেৰণা। সৰকাৰে তেওঁৰ বিষয়বস্তু উপস্থাপন কৰোঁতে প্ৰতীক আৰু চিত্ৰকল্প প্ৰয়োগৰ ক্ষেত্ৰত প্ৰশংসনীয় দক্ষতা দেখুৱাব পাৰিছে। তেখেতৰ কল্পনাৰ বলিষ্ঠতা নতুন কবিৰ বাবে আদৰণীয়। এতিয়ালৈকে পাঁচখনকৈ মৌলিক কবিতাৰ সংকলন আৰু এখন অনূদিত কবিতাৰ সংকলন ৰবীন্দ্ৰ সৰকাৰৰ প্ৰকাশ পাইছে। সংকলনকেইটি হ'ল— 'শান্তি, কল্যাণ

কবিতা' (১৯৮৮), 'নিজানত ৰাতিৰ শব্দ' (১৯৯০), 'কালান্তৰৰ কবিতা' (১৯৮২), 'সত্তৰৰ পদাতিক' (১৯৮০), 'তুমি মোক স্পৰ্শ কৰা' (১৯৮৭) আৰু অনূদিত কবিতাৰ সংকলন 'নাজিম হিকমতৰ নিৰ্বাচিত কবিতা' (১৯৮৪)।

সাম্প্ৰতিক কালৰ প্ৰগতিবাদী ধাৰাটোৰ আন এগৰাকী বিশিষ্ট কবি ৰবীন্দ্ৰ বৰা। তেওঁৰ কবিতাতো এখন উৰলি যোৱা সমাজ ভাঙি পেলোৱাৰ দুৰ্বাৰ আকাংক্ষা বলিষ্ঠ ভাষাত প্ৰকাশ পাইছে। 'শইচৰ মানুহ' (১৯৯০) এওঁৰ উল্লেখনীয় কাব্য সংকলন। ৰবীন্দ্ৰ বৰাৰ সমসাময়িক তথা একে প্ৰগতিবাদী ধাৰাৰ আন এগৰাকী কবি হ'ল সমীৰ তাঁতী। যুগ যুগ ধৰি গলদঘৰ্ম শ্ৰমৰ বোজা কান্ধত লৈ শোষণ আৰু নিপীড়ণত পিষ্ট হোৱা মানুহৰ বঞ্চিত জীৱন আৰু তাৰ প্ৰত্যাহ্বান তেওঁৰ কবিতাৰ ঘাই বিষয়বস্তু। জীৱন সংগ্ৰামত বিধ্বস্ত শ্ৰমিকৰ জীৱন যাত্ৰাৰ লগত সম্যক পৰিচয় নথকাৰ বাবে সৰহভাগ তৰুণ কবিৰ প্ৰতিবোধধৰ্মী কবিতা নিস্তেজ আৰু আবেগসৰ্বস্ব। আনুভূতিক গভীৰতাৰ অভাৱত এনে ধৰণৰ কবিতা যথোপযুক্ত আঙ্গিক পৰিগ্ৰহ কৰিবলৈ অক্ষম। সমীৰ তাঁতী আৰু সনন্ত তাঁতীৰ কবিতাত এই পৰিণতিৰ ব্যতিক্ৰম চকুত পৰে। এই দুয়োগৰাকীৰ কবিতাত চাহ বাগানৰ বনুৱা জীৱনৰ লগত নিবিড় আত্মীয়তাৰ পৰিচয় পোৱা যায়। সমীৰ তাঁতীৰ কবিতাত শ্বেতাংগ বণিকৰপৰা 'চেগুৱেভাৰা'লৈকে কাব্য চেতনা বিস্তৃত হৈ আছে। সেইবাবে তেওঁৰ কবিতাত সৰ্বহাৰাৰ সংগ্ৰামৰ আন্তৰ্জাতিক সুৰ শুনিবলৈ পোৱা যায়। তাঁতীৰ কবিতাৰ প্ৰতিবাদী কণ্ঠ উদ্দাত্ত আৰু যুযুৎসু। 'যুদ্ধভূমিৰ কবিতা' (১৯৮৫), 'শোকাকুল উপত্যকা' (১৯৯০) তাৰেই প্ৰকৃষ্ট নিদৰ্শন। আনহাতে, সমীৰ তাঁতীয়ে 'কাফ্ৰী কবিতা' (১৯৮৭) অসমীয়ালৈ অনুবাদ কৰে। একেদৰে সনন্ত তাঁতীয়ে ৰচনা কৰিছে 'উজ্জ্বল নক্ষত্ৰৰ সন্ধানত' (১৯৮১) আৰু 'মই মানুহৰ অমল উৎসৱ' (১৯৮৫)। এই একেটা ধাৰাৰে আন এগৰাকী উল্লেখনীয় কবি হ'ল অৱনী চক্ৰৱৰ্তী। 'কবিকণ্ঠ' (১৯৮৬) এওঁৰ এখনি কবিতাৰ সংকলন। বচনভঙ্গীৰ বলিষ্ঠতা চক্ৰৱৰ্তীৰ কবিতাৰ অন্যতম বৈশিষ্ট্য। তেনেদৰে শ্লেষ ক্ষুৰধাৰ ৰূপত প্ৰয়োগ কৰা দেখা যায়।

জ্ঞান পূজাৰীৰ 'দুঃসাহসৰ সময়' (১৯৮৩) এটি লেখতলবলগীয়া কবিতাৰ সংকলন। এওঁৰ ভাষা বলিষ্ঠ, চিত্ৰকল্প অনুভূতিৰ বাহক। 'কমাৰ শালৰ কবিতা' পূজাৰীৰ এটি বহু পঠিত তথা বহু চৰ্চিত কবিতা। সাম্প্ৰদায়িক সংঘৰ্ষৰ ছবি জ্ঞান পূজাৰীতকৈ বেছি বাস্তৱভাৱে কোনোৱে অংকন কৰা নাই। 'ৰহাগত' নামৰ কবিতা তাৰ সুন্দৰ উদাহৰণ।

অৰ্চনা পূজাৰী আৰু উদয় কুমাৰ শৰ্মাই যোৱা কেইবাটাও দশকত নিৰলসভাৱে কাব্য সাধনা কৰি আছে। আলোচনীৰ পাতত সিঁচৰতি হৈ থকা ভালেসংখ্যক কবিতাৰ উপৰিও অৰ্চনা পূজাৰীৰ 'উপলব্ধিৰ অভিজ্ঞান' (১৯৯১) শীৰ্ষক কাব্য সংকলন প্ৰকাশ পাইছে। তাৰোপৰি 'হে মোৰ প্ৰিয়তম বন্ধু', 'এপিচ'ড খিলং' আদি

পূজাৰীৰ কবিতাই উৎকৃষ্টতা দাবী কৰিব পাৰে।

মনজিৎ সিং সাম্প্রতিক কালৰ আন এগৰাকী উল্লেখনীয় কবি। সমাজ সচেতনতা, অনুভূতিৰ গাঢ়তা, বেদনাবোধ তেওঁৰ কবিতাৰ মূল উপজীব্য। ইতিমধ্যে তেওঁ 'শব্দৰ সন্ধানত' নামৰ কবিতা সংকলন এটি আগবঢ়াইছে। মদন শৰ্মাৰ 'অ'তবোৰ তৰা ফুল' (১৯৮৭) নিজস্ব কাব্য-ৰীতিৰ শ্ৰেষ্ঠ প্ৰকাশ। অকালতে মৃত্যু বৰণ কৰা মোহন কৃষ্ণ মিশ্ৰ এগৰাকী প্ৰতিশ্ৰুতি সম্পন্ন কবি আছিল। তেওঁৰ একমাত্ৰ কাব্য সংকলন 'সমদল' (১৯৮৬) তাৰ উৎকৃষ্ট প্ৰমাণ।

সাম্প্রতিক কালৰ নবীন স্তৰৰ কবিসকলৰ বেছিভাগেই নীলমণি ফুকন, নৱকান্ত বৰুৱা আৰু হীৰেণ ভট্টাচাৰ্যৰ উত্তৰাধিকাৰী। এই যুগত যুদ্ধোত্তৰ যুগতকৈ অধিক সংখ্যক কবিৰ আবিৰ্ভাৱ ঘটিছে আৰু কবিতা ৰচনাত ব্ৰতী হৈছে। তাৰে ভিতৰত ভালেসংখ্যকে ইতিমধ্যে প্ৰতিষ্ঠা লাভ কৰি প্ৰচুৰ সম্ভাৱনাৰ ইঙ্গিত দিবলৈ সক্ষম হৈছে। এই স্তৰৰ কবিসকলৰ ভিতৰত এগৰাকী হ'ল বিপুলজ্যোতি শইকীয়া। এওঁৰ একমাত্ৰ কাব্য সংকলন 'মহাকাব্যৰ প্ৰথম পাত' (১৯৮১)। কবিতাৰ ভাষা, অনুভূতি, উপমা, ৰূপক, প্ৰতীক, চিত্ৰকল্প আটাইবোৰ দিশতে এওঁৰ কবিতা প্ৰজ্জ্বোল। বিপুলজ্যোতি শইকীয়াৰ লগত একে শাৰীতে নাম ল'ব পাৰি নীলিম কুমাৰ আৰু অনুভৱ তুলসীৰ। এই দুয়োগৰাকী কবিৰ ইতিমধ্যে একাধিক কাব্য-সংকলন প্ৰকাশ পোৱাৰ উপৰিও বাতৰি কাকত-আলোচনীত নিয়মীয়াভাৱে কবিতা প্ৰকাশ পাই আহিছে। দুয়োগৰাকী কবিৰ গীতি-ধৰ্মী ৰমণীয়তাই পাঠকক আকৰ্ষণ কৰে। নীলিম কুমাৰৰ 'বাৰী কোঁৱৰ' (১৯৮৮), 'পানীত টৌ টৌবোৰ মাছ' (১৯৯১), 'অচিনাৰ অসুখ' (১৯৮৫), 'স্বপ্নৰ ৰেলগাড়ী' (১৯৯২) আদি কেইবাখনি কবিতাৰ পুথি প্ৰকাশ পাইছে। তেনেদৰে অনুভৱ তুলসীৰ 'কাব্যপীঠ', 'নাজমা', 'দোৰোণ ফুল', 'জলমগ্ন দৃশ্যাবলী', 'নিৰ্জন নেপথ্যঃ, 'চৰাইৰ চকুত ফুলৰ বিচনা', 'পানী কাউৰী', 'জয় জয়তীৰ জয়' আদি কবিতাৰ সংকলনৰ নাম উল্লেখনীয়।

এই একে সময়তে আত্মপ্ৰকাশ কৰা আন আন নবীন কবিসকলৰ ভিতৰত অতনু ভট্টাচাৰ্য, কৌস্তভমণি শইকীয়া, মীৰা ঠাকুৰ, সৌৰভ শইকীয়া, জীৱন নৰহ, পূৰ্ণ ভট্টাচাৰ্য, ৰাজীৱ বৰুৱা, আনিছ উজ জামান, ৰফিকুল হুছেইন, সুমিত্ৰা গোস্বামী, প্ৰয়াগ শইকীয়া, লুটফা হানুম ছেলিমা বেগম, ৰাজীৱ কুমাৰ ফুকন, আদি অনেক খ্যাত-অখ্যাত কবিৰ নাম উল্লেখনীয়। নবীন কবিৰ তালিকাখন আৰু অধিক দীঘলীয়া হোৱাটো স্বাভাৱিক। অতনু ভট্টাচাৰ্যৰ 'সহযোদ্ধা' (১৯৯১), 'অশ্লীল ৰাতিৰ কবিতা' (১৯৯৫); কৌস্তভমণি শইকীয়াৰ 'বদনামী চহৰত এভুমুকি' (১৯৯৫); ৰাজীৱ ভট্টাচাৰ্যৰ 'আই মোৰ লখিমী কবিতাৰ হাঁত' (১৯৯১); আনিছ উজ জামানৰ 'অজ্ঞাতে' (১৯৮৯), ৰফিকুল হুছেইনৰ 'শৰবিদ্ধ আকাশ' (১৯৮৪); সুমিত্ৰা গোস্বামীৰ 'ইঙ্গিত সময়' (১৯৮৯); প্ৰয়াস শইকীয়াৰ 'বাউসীত দুখন দেউকা'

(১৯৯০), 'পৃথিৱী প্ৰেয়সী' (১৯৮৭); লুৎফা হানুম ছেলিমা বেগমৰ 'অথন্তৰ ঘটিছে' (১৯৮৫) আদি অনেক কাব্য সংকলনে সাম্প্ৰতিক যুগৰ অসমীয়া কবিতাৰ ধাৰাটোক সমৃদ্ধিশালী কৰি তোলাত সহায় কৰিছে। অৱশ্যে ভালেসংখ্যক নবীন কবিৰ কবিতা গ্ৰন্থ আকাৰে পোৱা নাই। এইখিনিতে প্ৰসঙ্গক্ৰমে উল্লেখনীয় যে, 'পান্থপাদপ', 'নতুন কবিতা' আদি ক্ষুদ্ৰ আলোচনীৰ যোগেদিও ভালেসংখ্যক নবীন কবিয়ে আত্মপ্ৰকাশ কৰিছে। সাম্প্ৰতিক যুগৰ কবিতাক সমৃদ্ধিশালী তথা বৈচিত্ৰ্যপূৰ্ণ কৰি তোলাৰ ক্ষেত্ৰত এই ক্ষুদ্ৰ আলোচনীসমূহৰ ভূমিকাকো আওকাণ কৰিব নোৱাৰি।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে, সাম্প্ৰতিক যুগত প্ৰবীণ-নবীন শতাধিক কবিয়ে অসমীয়া কাব্যজগতত ভুমুকি মাৰিছে। তাৰে ভিতৰত বহুতে ইতিমধ্যে প্ৰতিভাৰ স্বাক্ষৰ দিবলৈও সক্ষম হৈছে। অসমীয়া সাহিত্যৰ বাবে ই নিঃসন্দেহে শুভ সংকেত।

**আত্মমূল্যায়ন প্ৰশ্ন**

**সাম্প্ৰতিক যুগৰ অসমীয়া কবিতাই কি কি নতুন বিষয় সামৰি লৈছে? (৪০ টামান শব্দৰ ভিতৰত উত্তৰ দিয়ক।)**

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

## ১.৫ সাৰাংশ

আধুনিক অসমীয়া সাহিত্যৰ একেবাৰে শেষৰ স্তৰটোৱেই হৈছে সাম্প্ৰতিক অসমীয়া সাহিত্য বা বৰ্তমানৰ সাহিত্য। সময়ৰ ফালৰপৰা ১৯৭০ চনৰ পৰা বৰ্তমানলৈ এই সময়ছোৱাক সূচাবলৈ 'সাম্প্ৰতিক' শব্দটো প্ৰয়োগ কৰা হয়।

সাম্প্ৰতিক অসমীয়া সাহিত্য পূৰ্বৱৰ্তী প্ৰায় আশী বছৰীয়া আধুনিক অসমীয়া সাহিত্যৰ ইতিহাসৰ ক্ৰম-বিৱৰ্তনৰ ফচল স্বৰূপ। পূৰ্বৱৰ্তী সাহিত্যই ৰোপন কৰি থৈ যোৱা আধুনিক অসমীয়া সাহিত্যৰ বিশেষকৈ সাম্প্ৰতিক কালৰ সাহিত্যলৈ বৰ্ণাঢ্যতা, বৈচিত্ৰ্যতা তথা গভীৰতা কঢ়িয়াই আনে।

সাম্প্ৰতিক কালত অসমীয়া সাহিত্যৰ কবিতাৰ ক্ষেত্ৰলৈ আমুল পৰিৱৰ্তন আহে। নতুন নতুন কবিৰ আবিৰ্ভাৱ ঘটে আৰু নবীন কবিসকলৰ নতুন দৃষ্টিভঙ্গী, নতুন কলা-কৌশল তথা নতুন উদ্যমে অসমীয়া কবিতাৰ সমৃদ্ধিশালী ৰূপ দিয়ে। এই যুগত সাহিত্যৰ অন্যান্য বিভাগতকৈ কবিতা আৰু কবিৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পায়। পাশ্চাত্যৰ কলা-কৌশলৰ উপযুক্ত আৰু সফল প্ৰয়োগ এই যুগৰ কবিতাত দেখিবলৈ পোৱা যায়।

## ১.৬ আৰ্হিপ্ৰশ্ন

১। অসমীয়া সাহিত্যৰ সাম্প্ৰতিক যুগ বুলিলে কোনখিনি সময়ক বুজোৱা হয়? এই সময়ছোৱাৰ অসমীয়া সাহিত্যৰ বিষয়ে এটি পৰিচয়মূলক টোকা দাঙি ধৰা।

২। সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্যৰ পটভূমি সম্পৰ্কে আলোচনা কৰা।

৩। 'সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্যক কেইটামান ঐতিহাসিক ঘটনাই প্ৰভাৱ পেলাইছিল'— অসমীয়া কাব্যসাহিত্যৰ দিশত এই কথাখিনি আলোচনা কৰা।

৪। সাম্প্ৰতিক যুগৰ অসমীয়া কবিতাৰ ক্ষেত্ৰখন চহকী কৰা কবিকেইজনক চিহ্নিত কৰি তেওঁলোকৰ কাব্যপ্ৰতিভা সম্পৰ্কে চমুকৈ আলোচনা কৰা।

৫। সাম্প্ৰতিক যুগৰ অসমীয়া কবিতাৰ বিশেষত্ব সম্পৰ্কে এটি প্ৰবন্ধ লিখা।

## ১.৭ প্ৰসংগ গ্ৰন্থ


মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা
সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত
(—) ঃ অসমীয়া উপন্যাসৰ ভূমিকা
(—) ঃ অসমীয়া উপন্যাসৰ গতিধাৰা
(—) ঃ অসমীয়া নাট্য সাহিত্য
হোমেন বৰগোহাঞি (সম্পাঃ) ঃ অসমীয়া চুটিগল্প সংকলন (প্ৰথম আৰু দ্বিতীয় খণ্ড)
(—) ঃ বিংশ শতাব্দীৰ অসমীয়া সাহিত্য
(—) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড)
শৈলেন ভৰালী ঃ আধুনিক ভাৰতীয় সাহিত্য
(—) ঃ অসমীয়া ঐতিহাসিক উপন্যাস
(—) ঃ নাটক আৰু অসমীয়া নাটক
(—) ঃ নাট্যকলা ঃ দেশী-বিদেশী
ইমদাদ উল্লাহ ঃ সৃজন আৰু মনন
(—) ঃ কবিতাৰ সবিশেষ
উদয় দত্ত ঃ চুটিগল্প

প্ৰহ্লাদ কুমাৰ বৰুৱা : অসমীয়া চুটিগল্পৰ অধ্যয়ন

(---) : চিন্তাৰ আভাস

ত্ৰৈলোক্যনাথ গোস্বামী : আধুনিক গল্প সাহিত্য

চন্দ্ৰ কটকী : আধুনিক অসমীয়া কবিতা

যতীন্দ্ৰনাথ গোস্বামী : অসমীয়া সাহিত্যৰ বুৰঞ্জী

আব্দুছ ছাত্তাৰ : সপ্তম দশকৰ অসমীয়া ভাষা-সাহিত্যৰ ইতিবৃত্ত

সত্যপ্ৰসাদ বৰুৱা : নাটক আৰু অভিনয় প্ৰসঙ্গ

লীলা গগৈ (সম্পাঃ) : আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়

নগেন শইকীয়া : সাহিত্যতবাদ-বৈচিত্ৰ

(---) : অসমীয়া সাহিত্যৰ অভিলেখ

গোবিন্দপ্ৰসাদ শৰ্মা : জীৱনী আৰু অসমীয়া জীৱনী

(---) : উপন্যাস আৰু অসমীয়া উপন্যাস

লোপা ডেকা বৰুৱা : আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প

মহেন্দ্ৰ বৰা : ৰমন্যাসবাদ

(---) : সাহিত্য আৰু সাহিত্য

কৰবী ডেকা হাজৰিকা : আধুনিক অসমীয়া কবিতা

কবীন ফুকন : আধুনিকতাবাদ আৰু উত্তৰ আধুনিকতাবাদ

শশী শৰ্মা (সম্পাঃ) : সাহিত্যত আধুনিকতা।

## তৃতীয় বিভাগ
## আনিছ্ উজ্ জামানৰ 'আই তোৰ এন্ধাৰৰ হাতখন ভাঙি দিলোঁ'

**বিভাগৰ গঠন ঃ**

**৩.১ ভূমিকা** (Introduction)

**৩.২ উদ্দেশ্য** (Objectives)

**৩.৩ কবি আনিউউজ্ জামানৰ পৰিচয়**

**৩.৪ আনিছ্ উজ্ জামানৰ কবিতাৰ বিশেষত্ব**

**৩.৫ 'আই তোৰ এন্ধাৰৰ হাতখন ভাঙি দিলোঁ' কবিতাটিৰ আলোচনা**

**৩.৬ সাৰাংশ** (Summing Up)

**৩.৭ আৰ্হি প্ৰশ্ন** (Sample Questions)

**৩.৮ প্ৰসঙ্গ গ্ৰন্থ** (References/Suggested Readings)

### ৩.১ ভূমিকা (Introduction)

পূৰ্ববৰ্তী বিভাগটিত কবি হীৰেন্দ্ৰনাথ দত্তৰ 'ছায়ামায়া' কবিতাটিৰ পৰ্যালোচনা আগবঢ়াই অহা হৈছে। এই বিভাগটিত কবি আনিছ উজ জামানৰ "আই তোৰ এন্ধাৰৰ হাতখন ভাঙি দিলোঁ" কবিতাটিৰ আলোচনা আগবঢ়োৱা হ'ব।

অসমীয়া কবিতা জগতৰ উত্তৰ-ৰামধেনু সময়ৰ অন্যতম কণ্ঠস্বৰ হ'ল আনিছ উজ জামান। তেওঁৰ প্ৰথম কাব্য সংকলন হ'ল 'অজ্ঞাতে' (১৯৮৯)। এই সংকলনটিৰ দ্বিতীয় কবিতাটিয়ে হ'ল 'আই তোৰ এন্ধাৰৰ হাতখন ভাঙি দিলোঁ'। প্ৰকৃততে এইষাৰি কবিতাটিৰ প্ৰথম শাৰীহে। ইয়াকে কবিতাটিৰ শিৰোনাম হিচাপে বিবেচনা কৰা হয়।

### ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে—

- কবি আনিছ উজ জামানৰ পৰিচয় জ্ঞাপন কৰিব পাৰিব,
- কবিজনাৰ কবিতাসমূহৰ সাধাৰণ বৈশিষ্ট্যৰ আলোচনা আগবঢ়াব পাৰিব,
- 'আই তোৰ এন্ধাৰৰ হাতখন ভাঙি দিলোঁ' কবিতাটিৰ বিষয়বসস্তু অনুধাৰন কৰিব পাৰিব, আৰু
- কবিতাটিৰ পুংখানুপুংখভাৱে পৰ্যালোচনা কৰিব পাৰিব।

## ৩.৩ কবি আনিউউজ্ জামানৰ পৰিচয়

আনিছ উজ জামানৰ জন্ম হয় শিৱসাগৰ জিলাৰ ধোপাবৰ মৌজাৰ অন্তৰ্গত বামুনবাৰী গাঁৱত ১৯৪৭ চনৰ ৩ ফেব্ৰুৱাৰী তাৰিখে। তেওঁ অসমীয়া বিষয়ৰ স্নাতকোত্তৰ। তেওঁৰ বৰ্তমান গুৱাহাটীৰ উজান বজাৰৰ বাসিন্দা। জামানে মিৰ্জাৰ বি. আৰ. উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বাৰ বছৰ শিক্ষকতা কৰাৰ অন্তত ১৯৯৮ চনৰ পৰা ২০০৪ চনলৈ অসম লোকসেৱা আয়োগৰ সদস্য পদ অলংকৃত কৰিছিল। মূলতঃ কবি-গীতিকাৰ আনিছ উজ্ জামান অসমীয়া কবিতা জগতত উত্তৰ-ৰামধেনু সময়ৰ অন্যতম কণ্ঠস্বৰ হিচাপে পৰিগণিত হৈছে।

তেওঁৰ প্ৰকাশিত কাব্য সংকলন হৈছে— অজ্ঞাতে(১৯৮৯), গধূলি (১৯৯৪), সেউজীয়া জোন(১৯৯৯), এই বাটেদিয়েই (২০১৩), দোকমোকালি (২০১৪) আৰু আনিছ উজ্ জামানৰ নিৰ্বাচিত কবিতা(২০১৬)। তেওঁৰ কিছু কবিতা 'আনিছ উজ্ জামানেৰ কবিতা'(২০১০) শীৰ্ষকেৰে বাংলা ভাষালৈ অনূদিত হৈ সংকলিত হৈছে। তাৰ উপৰি তেওঁৰ কবিতা ইংৰাজী, বঙালী, হিন্দী, উড়িয়া, তামিল আৰু ফ্ৰেন্স ভাষালৈকো অনুদিত হৈছে। 'বিনন্দীয়া নদী আৰু বৰণীয়া চৰাই', 'আজাৰাৰ বজাৰত বেজেৰাৰ পোহাৰী', 'বৰটোকোলাৰ মেল' তুমি মোৰ জোন গধূলিৰ সোণ', 'হঠাৎ এদিন চিৰিয়াখানা' আদি তেওঁৰ শিশু উপযোগী ৰচনা। তদুপৰি তেওঁ বিদেশী কবিতাৰ অনুবাদতো মনোনিৱেশ কৰিছে আৰু শেহতীয়াকৈ 'সেউজীয়া ধুমুহাৰ পাছত' (২০২০) শীৰ্ষকেৰে জাপীনী হাইকু কবিতাৰ অনুবাদৰ সংকলন এটিও প্ৰকাশ পাইছে।

অসমীয়া সাহিত্য আৰু সাহিত্যিকক প্ৰতিনিধিত্ব কৰি তেওঁ ২০০০ চনত বেংককত অনুষ্ঠিত আন্তৰ্জাতিক ৰামায়ণ মহাসভাত অংশ গ্ৰহণ কৰিছিল। তাৰ উপৰি ২০০১ চনত বাংলাদেশত অনুষ্ঠিত আন্তৰ্জাতিক কবি সন্মিলনত অংশ গ্ৰহণ কৰাৰ উপৰি ২০০৮ চনত কলকতাত অনুষ্ঠিত আন্তৰ্জাতিক কবি সন্মিলনত অংশ গ্ৰহণ কৰে।'সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি জামানৰ সম্পাদনাত নখনকৈ গ্ৰন্থ প্ৰকাশ পাইছে। তদুপৰি তেওঁ 'সাহিত্য জ্যোতি' (লখিমপুৰৰ পৰা, ২০১১), কাব্য হৃদয়(কল অৰ দ্যা ব্ৰহ্মপুত্ৰ), একোশে সন্মান (ব্যতিক্ৰম মাছাতো, ২০১৫) Writr Excellence, 2016(USTM) আদি সন্মানো তেওঁ লাভ কৰিছে।

## ৩.৪ আনিছ উজ্ জামানৰ কবিতাৰ বিশেষত্ব ঃ

আধুনিক অসমীয়া কবিতাৰ দ্বিতীয়টো পৰ্ব অৰ্থাৎ 'উত্তৰ-ৰামধেনু' কালত যিকেইজন তৰুণ প্ৰজন্মৰ প্ৰতিশ্ৰুতিসম্পন্ন কবিয়ে কাব্যচৰ্চাৰে প্ৰজন্মটোৰ প্ৰতিনিধিত্বমূলক কবি হিচাপে এটা পৰিচিতি লাভ কৰিবলৈ সমৰ্থ হৈছিল তাৰ ভিতৰত আনিছ উজ্ জামান আছিল অগ্ৰণী। বিংশ শতিকাৰ সত্তৰৰ দশকমানৰ পৰাই অসমীয়া কাকত-আলোচনীৰ মাধ্যমত আপোন স্থিতি ঘোষণা কৰি থকা কবিজনাৰ প্ৰথম সংকলনখন প্ৰকাশিত হৈছিল ১৯৯৮ চনত অৰ্থাৎ

শতিকাটোৰ শেষৰ দশকত। বিংশ শকিতাৰ দ্বিতীয়াৰ্ধত অসমীয়া কবিতাৰ সমৃদ্ধিশালী অৱস্থাটোত নীলমণি ফুকন, ভৱেন বৰুৱা আৰু নৱকান্ত বৰুৱাৰ দৰে প্ৰভাৱশালী কবিৰ সংস্পৰ্শত থাকিও আপোন পথ সন্ধানত সচেষ্ট হৈ থকা কবিজনে সাম্প্ৰতিকে কাব্য সাধনাৰ পূৰঠ অৱস্থাটোত নিজাকৈ এটা বাট বিচাৰি লোৱা পৰিলক্ষিত হয়।

যিকেইজন অগ্ৰজ-প্ৰভাৱশীল কবিৰ কাব্যসৃজনৰ বটবৃক্ষৰ প্ৰচ্ছায়া লভি আনিছ উজ্ জামানৰ দৰে তেতিয়াৰ তৰুণ কবিৰ থূলটোৱে কাব্যৰ পথাৰত হাল জুৰিবলৈ অনুপ্ৰেৰণা লাভ কৰিছিল তেওঁলোকৰ কবিতাত সেই কবিকুলৰ কিছু সজীৱ শিহৰণ এইসকল তৰুণ কবিৰ কাব্যশৈলীত অনুভূত হোৱাটো অস্বাভাৱিক নহয়। পিছে কাব্যকলাৰ সেই বেওটোৰ পৰা সচেতন বিচ্যুতিয়ে একোজন কবিৰ আপোন পৰিচিতি এটা গঢ়ি উঠাত বিশেষভাৱে সহায় কৰে। কবি আনিছ্ উজ জামানেও চেষ্টাসাধ্য দূৰত্বৰে আপোন শৈলীটোৰ বিস্তৃতি ঘটাবলৈ সততে যত্নশীল হোৱা পৰিলক্ষিত হয়। আধুনিক অসমীয়া কবিতাৰ প্ৰথম পৰ্বটোত প্ৰতীক আৰু চিত্ৰকল্পবাদী প্ৰবাহটোৰ অনুগত নীলমণি ফুকন, ভৱেন বৰুৱাৰ দৰে কবিৰ প্ৰতি থকা আকৰ্ষণৰ বাবেই আনিছ উজ্ জামানৰ প্ৰথম ফালৰ কবিতাসমূহত চিত্ৰধৰ্মীতাও অধিকভাৱে পৰিলক্ষিত হয়। কিন্তু লাহে লাহে তেওঁ লোক-জীৱন বিষয়ত লাভ কৰা জ্ঞান-অভিজ্ঞতা সঞ্জাত অনুষংগ ব্যৱহাৰেৰে আপোন শৈলী এটাৰ কুচ-কাৱাজ আৰম্ভ কৰাও পৰিলক্ষিত হয়।

সমকালৰ বিভিন্ন অনুষংগক কবিতালৈ সুৱাগুৰি তুলি অনা আনিছ উজ্ জামানৰ কাব্যবৈভৱত প্ৰেমৰ বিভিন্ন প্ৰসংগই যেনেদৰে ভিৰ কৰিছে, তেনেদৰে আধুনিক জীৱন যাত্ৰাত মানুহে মুখামুখি হোৱা চৰম নিঃসংগতাবোধ, নগৰীয়া জীৱনৰ যান্ত্ৰিক অভিঘাত আৰু এনে পৰিস্থিতি উদ্ভূত মনোজাত নষ্টালজিক আকুতিও বিধৃত হৈছে। লোক-জীৱনটোক গভীৰ ভাবে নীৰিক্ষণ অভিজ্ঞতালব্ধ কবিজনে আপোন কাব্যশৈলীৰ সাঁচটো প্ৰধানকৈ লোক-সাহিত্যক আধাৰ কৰি নিৰ্মাণ কৰিছে। নগৰ আৰু গাঁৱৰ সৈতে থকা সন্নিকট সম্বন্ধৰ বাবে তেওঁ চেতনাৰ তুলাচনীত লোক-জীৱন আৰু নগৰীয়া জীৱন প্ৰবাহৰ জোখ উলিয়াবলৈকো যত্ন কৰিছে। নগৰায়ণ আৰু তাৰ অবাধ বিস্তাৰৰ সদৰ্থক ফলবোৰ গ্ৰহণ কৰিও তেওঁ ইয়াৰ প্ৰভাৱত ক্ৰমে পিষ্ট হৈ অহা চহা জীৱনৰ দুৰ্দশাক কবিতাত তুলি ধৰিছে। একোজন কবিৰ কাব্য বিচাৰৰ বেলিকা যিদৰে তেওঁ প্ৰতিনিধিত্ব কৰা সাহিত্যৰ পৰম্পৰা আৰু ঐতিহ্যক গুৰুত্ব দিয়াৰ প্ৰয়োজন তেনেদৰে তেওঁৰ সমকালীন আৰ্থ-সামাজিক, ৰাজনৈতিৰ প্ৰেক্ষাপটকো বিচাৰ কৰি চোৱা প্ৰয়োজন। সচেতন কবি মাত্ৰেই তেওঁ ভৰিৰ তলৰ মাটি আৰু গুঞ্জৰিত সমকালৰ ধ্বনি-প্ৰতিধ্বনিক আওকাণ নকৰে। আনিছ উজ্ জামানৰ ক্ষেত্ৰত এই কথাটো পূৰামাত্ৰাই খাটে। তেওঁ কাব্য চৰ্চা কৰিবলৈ আৰম্ভ কৰাৰপৰা অদ্যাৱধি অৰ্থাৎ বিংশ শতিকাৰ সপ্তম-অষ্টম দশকৰপৰা বৰ্তমানলৈকে প্ৰায় অৰ্ধ শতিকা জোৰা সময়খিনি অসমৰ প্ৰেক্ষাপটত জটিল আৰু বিপৰ্যয়ৰ সময়। বিশেষকৈ অসম আন্দোলন আৰু তৎপৰৱৰ্তী ঘটনা প্ৰবাহে অসমৰ সমাজ জীৱনৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছিল। ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ অসমত বিদেশী বহিষ্কাৰৰ আন্দোলন চলিল। অসম আন্দোলনৰ ফলত স্বাক্ষৰিত চুক্তিৰ

আওতাৰেই সুদিন আহিব বুলি দেখা স্বপ্ন আৰু আঞ্চলিক ৰাজনীতিৰ উত্থান—এই দুয়োটা কথাই তেতিয়াৰ অসমৰ মধ্যবৃত্তৰ মাজত যে এক উৎসাজনক পৰিৱেশৰ সৃষ্টি কৰিছিল সেই কথা সৰ্বজন বিদিত। এই উৎসাহো অসমীয়া কবিকুলৰ মাজত সঞ্চাৰিত হৈছিল। তাৰ সমান্তৰাল ভাবে আলফাৰ দৰে সংগঠনৰ উত্থান আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপ, অসমৰ বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীসকলে স্বাধিকাৰ আৰু আত্মনিয়ন্ত্ৰৰ বাবে মূৰ দাঙি উঠা অৱস্থাই কিন্তু অতি সোনকালেই শান্তিপ্ৰিয় মানুহৰ মোহভংগ ঘটালে। দৰাচলতে আশীৰ দশকত অসমীয়া মানুহে দীৰ্ঘদিনীয়া শোষণ-বঞ্চনাৰ অৱসান ঘটি এখন নতুন অসম গঢ়লৈ উঠাৰ যি স্বপ্ন দেখিছিল সি নব্বৈ দশকৰ ৰাজনৈতিক ঘটনাক্ৰম আৰু আৰু সন্ত্ৰাসজৰ্জৰ পৰিস্থিতিত পৰি ভংগ হ'ল। অসম চুক্তিৰ ব্যৰ্থতা, সাম্প্ৰদায়িক বিদ্বেষ, সংঘৰ্ষ, হত্যা-হিংসাৰে ভৰা পৰিস্থিতিয়ে মানুহৰ আস্থাক একেবাৰে কোঙা কৰি পেলালে। তদুপৰি বিশ্বায়নৰ আৰু ক্ৰমবৰ্দ্ধমান নগৰায়ণৰ ফলত গ্ৰাম্য সৰলতা মানুহৰ মাজৰ পৰা অপসৃয়মান হোৱাৰ অনুৰূপে ঐতিহ্যৰো অপসাৰণ ঘটিবলৈ ধৰিলে। এনে জটিল সন্ধিক্ষণত বাস কৰা মানৱতাবাদী আৰু সমাজ-সচেতন কবি এজনৰ বাবে এই পৰিস্থিতিবোৰৰ প্ৰতি উদাসীন হৈ থকাতো সম্ভৱ নহয়। সেয়ে এই জটিল সময়ক কাব্যকথনেৰে উদ্ভাসিত কৰিছে আৰু দুৰ্যোগ অতিক্ৰমি সুদিন প্ৰত্যাশীও হৈছে। আমাৰ আলোচনাত আনিছ উজ্ জামানৰ তিনিটা বিশেষ কবিতাত আলোকপাত কৰি সিবোৰত প্ৰতিফলিত সমাজ বীক্ষা আৰু সমকাল সচেতনতাৰ বিষয়ত সম্যক ধাৰণা এটাও লোৱা হ'ব। অন্যহাতে এই কবিতা বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ পাঠ্যক্ৰমতো অন্তৰ্ভুক্ত হোৱাত ইবোৰৰ গুৰুত্বও বাঢ়িছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

আনিছ উজ্ জামানৰ কবিতাৰ মূল বিশেষত্ব কি?

..........................................................................................................

..........................................................................................................

..........................................................................................................

অসমৰ কি কি ঘটনাই কবিৰ পঠনত প্ৰভাৱ পেলাইছিল?

..........................................................................................................

..........................................................................................................

..........................................................................................................

**৩.৫ 'আই তোৰ এন্ধাৰৰ হাতখন ভাঙি দিলোঁ' কবিতাটিৰ আলোচনা ঃ**

কবি আনিছ উজ্ জামানৰ কাব্যযাত্ৰাৰ প্ৰথমৰ ফালে অৰ্থাৎ সত্তৰৰ দশকত লিখা কবিতাসমূহৰ ভিতৰত 'অজ্ঞাতে' (প্ৰকাশকাল১৯৮৯) সংকলনত সন্নিৱিষ্ট ২ নং কবিতাটি

অন্য এটি উল্লেখনীয় কবিতা। কবিতাটিৰ প্ৰথম শাৰীটোক কবিতাটিৰ শিৰোনাম বুলি ধৰি লৈ আলোচনা কৰিলে সি হ'বগৈ 'আই তোৰ এন্ধাৰৰ হাতখন ভাঙি দিলোঁ'। কবিতাটিৰ প্ৰথম শাৰীটোৱে পাঠকক দিয়া তাৎক্ষনিক অনুভৱটোৱে যিটো অৰ্থৰ প্ৰতি সাঁহাৰি জনায় সি মাতৃ বা দেশমাতৃক ইংগিত কৰা যেন লাগিলেও তাৰ অৰ্থব্যাপ্তি কিছু ব্যঞ্জনাধৰ্মী।

গীতিধৰ্মীতাৰ প্ৰতি আকৰ্ষণ, প্ৰতীক আৰু চিত্ৰকল্পবাদী কাব্যৰীতিৰ প্ৰতি অনুগত, সমাজ-সচেতন দৃষ্টিভংগীটোৰ সৈতে অতি ক্ষীণ ভাবে হ'লেও আনিছ উজ্ জামানৰ কবিতাত প্ৰগতিশীল চিন্তাৰ উন্মেষ নথকা নহয়। অৱশ্যেই সি পোনপটীয়া উগ্ৰ জড়িত নহৈ শান্ত-সমাহিত আৰু তলসুঁতীয়া। এই চিন্তাও তেওঁৰ কবিতালৈ প্ৰধানকৈ আহিছিল অসমীয়া প্ৰগতিশীল কবিতাৰ হোতা কবি অমূল্য বৰুৱাৰ কবিতাৰ প্ৰচুৰ অধ্যয়নৰ ফলত; যিদৰে নীলমণি ফুকন আৰু ভৱেন বৰুৱাৰ অধ্যয়নে তেওঁক প্ৰতীক আৰু চিত্ৰকল্পধৰ্মী শৈলীটোৰ প্ৰতি আকৰ্ষণ কৰিছিল। পিছে উল্লেখনীয় এয়ে যে দুয়োটা ক্ষেত্ৰতে তেওঁ স্বকীয়তা সন্ধানী হৈ পৈণত সময়ত আপোন কাব্যশৈলী এটা গঢ়ি ল'লে।

আলোচ্য কবিতাটো স্বল্পায়তনৰ, স্তৱক চাৰিটা—চাৰিশৰীয়া এটা, দুশৰীয়া এটা, তিনিশৰীয়া এটা, আৰু এশৰীয়া এটাক লৈ মুঠ দহ শাৰীৰ এটি নাতিদীৰ্ঘ কবিতা। পিছে কবিতাটিৰ অৰ্থ ওপৰতে ওলাই থকা বিধৰ নহয় আৰু অৰ্থোদ্ধাৰৰ বাবে ল'ব লগা বাটটো আওপকীয়া, পিছ দুবাৰেদি থকা। বিশেষকৈ প্ৰতীক আৰু চিত্ৰকল্পৰ সমাহাৰত এই এখুদমান কবিতাটিয়ে নতুন অৰ্থৰ সন্ধানৰ বাবে পঢুৱৈক উচটায়। তেনে উচটনিৰ প্ৰতি সঁহাৰি জনাই কবিতাটি বিচাৰ কৰি চোৱা যাওক। কবিতাটিৰ প্ৰথম স্তৱকটো—

'আই তোৰ আন্ধাৰৰ হাতখন ভাঙি দিলোঁ
কেঁচুৱা পৰুৱাবোৰে বগাই আহি এতিয়াহে পোহৰ দেখিব
ইমানপৰে সিঁহতে উমান নেপাইছিল
এক নতুন চেতনা জন্ম হোৱাৰ কথা'

'আই' বুলি ক'লেই স্বাভাৱিকতে আমাৰ জন্মদাত্ৰী মাতৃৰ ছবিখন বা আইৰ শৰীৰী অৱয়বটো মনলৈ আহে। অৱয়বটো মনলৈ অহাৰ সমান্তৰালভাৱে 'আই'ৰ অংগ-প্ৰত্যংগবোৰো সন্মুখত উদ্ভাসি উঠে। পিছে কাব্য প্ৰবাহৰ যিটো পৰম্পৰাৰ সৈতে আমাৰ পৰিচিতি গঢ়ি উঠিছে অথবা যিটো ঐতিহ্যত আমি লালিত-পালিত হৈছোঁ তাৰ আধাৰত চিন্তাৰ ঘেৰটো বঢ়াই নিলে 'আই' শব্দই আমাৰ সন্মুখত ভালেমান 'আই'ৰ ছবি ঠিয় কৰায়। তাৰে আন দুগৰাকী হ'ল বংকিম চন্দ্ৰই পৰিচিত কৰা 'জননী জন্মভূমি' বা দেশ মাতৃ আৰু আমাৰ মিত্ৰদেৱ মহন্তই বন্দনা কৰা 'ভাষা জননী'। কবিতাটিত কবিৰ ভাব প্ৰবাহে প্ৰথম গৰাকীৰ ব্যতীত দ্বিতীয় দুগৰাকী 'আই'ৰ, বিশেষকৈ ভাষা জননী সম্পৰ্কীয় উপলব্ধিৰ সৈতেহে হাট-বাট কৰি আগবঢ়া যেন অনুমান হয়। দেশ মাতৃ বা ভাষা মাতৃৰ উপলব্ধি যদিও ধাৰণা মূলক; কবিয়ে পিছে কবিতাটিত তাৰে এটিক শৰীৰীৰূপ (personification) দিবলৈ যত্ন কৰিছে আৰু এই বৰ্ণনাত যেন মাতৃগৰাকীৰ অংগ-প্ৰত্যঙ্গ দৃশ্যমান হৈ উঠিছে। আপাততঃ কবিয়ে 'আই'ৰ যি শৰীৰী অৱয়বৰ প্ৰতি নিৰ্দেশ কৰা যেন লাগে তাত প্ৰধান হৈ উঠিছে এখন হাত।

পিছে হাতখন এক পৰিদৃশ্যমান প্ৰপঞ্চ নহয়; এন্ধাৰৰ হাত। সেয়ে এন্ধাৰৰ হাত আইৰ অৱয়বত সংযোজিত এক অনাকাংক্ষিত প্ৰপঞ্চ। কিয়নো এন্ধাৰ পোহৰৰ বিপৰীতাৰ্থক আৰু ই বহু দুখ-যন্ত্ৰণা, বিষাদ-বেদনা, অজ্ঞানতা, কুসংস্কাৰ, অন্ধবিশ্বাস, অন্ধ পৰম্পৰা, স্থবিৰতা আদিৰ দ্যোতক। সেয়েহে আইৰ এন্ধাৰৰ হাতখন অসম মাতৃৰ দুৰ্দিন প্ৰকাশক হোৱাৰ উপৰিও একে সময়তে ভাষাজননীক স্থবিৰ কৰি ৰখা নতুনত্ব ৰহিত, একঘেয়ামী চেতনা বা অভিব্যক্তিৰ দ্যোতক হ'ব পাৰে। পৰিৱৰ্তনৰ বাবে ভঙাৰ প্ৰয়োজনীয়তা শিল্প-সাহিত্য, সমাজনীতি-ৰাজনীতি সকলোতে প্ৰজোয্য হয়। পাহাৰ বা অৰণ্য জ্বলোৱা কামটো বেয়া। পিছে নতুন গজালিৰ বাবে ই অপৰিহাৰ্য। বিশেষকৈ শিল্প-সাহিত্যত নতুন যুগ এটাৰ আমদানিৰ বাবে পৰম্পৰাগত শৈলী আৰু চিন্তা-চেতনাৰ পৰিৱৰ্তন ঘটোৱাৰ প্ৰয়োজন হৈ পৰে। ধ্ৰুৱবাদৰ পৰা ৰমন্যাসবাদ আৰু ৰমন্যাসবাদৰ পৰা আধুনিকতাবাদ আৰু আধুনিকতাবাদৰ পৰা উত্তৰাধুনিকতাবাদৰ পৰিৱৰ্তনৰ পথত এই ভঙা-গঢ়াৰ খেলটোৱেই মানুহৰ চেতনালব্ধ সৃজন ক্ষমতাৰ মাজেদি সংঘটিত হৈ আহিছে। অসমীয়া কাব্য সাহিত্যৰ ইতিহাসতো ধৰ্মীয় পৰিমণ্ডলৰ পৰা ব্যৱহাৰিক সাহিত্যলৈ আৰু তাৰ পৰাই ৰোমান্টিক চেতনালৈ আৰু ৰোমান্টিকতাৰ পৰা আধুনিকতালৈ পৰিক্ৰমাৰ বাটটোত বাটকটীয়াৰ ভূমিকাই ভাঙিবলগীয়া হৈছে পৰম্পৰাৰ আন্ধাৰৰ হাত, তাত আন্ধাৰ স্থবিৰতাৰ নামান্তৰ। অসমীয়া কবিতাৰ ঐতিহ্য-পৰম্পৰাত স্থবিৰতা ভঙাত কবি হেম বৰুৱাৰ দৰে অগ্ৰণীৰ ভূমিকা অনস্বীকাৰ্য। সেয়ে এই আন্ধাৰ নাশৰ সৈতে নতুনত্বৰ আগমন প্ৰয়াসী সাহিত্য-প্ৰয়াসৰ প্ৰসংগটো জড়িত হৈ থকা যেন লাগে। এনে অৰ্থোদ্ধাৰেৰে ক'ব পাৰি ভাষা মাতৃৰ সেৱাত ছহীদ হোৱা এইজনা পুৰোধাই ভাঙি গৈছে এন্ধাৰৰ হাত। কাটি গৈছে নতুন প্ৰজন্মৰ বাবে এটা নতুন বাট।

কেৱল তেৱেঁই নহয়, আধুনিক অসমীয়া কবিতাৰ জন্মলগ্নত প্ৰগতিশীল চেতনাৰ বাৰ্তাবাহী লেখকসকলেও এই স্থবিৰতা অতিক্ৰম কৰাত প্ৰবৃত্ত হ'ব লাগিছিল। মূঠৰ ওপৰত নবোন্মেষৰ বাবে, পোহৰৰ বাবে আন্ধাৰক বিষৰ্জন দিবলগীয়া হোৱাতো চিৰায়ত ৰীতি। কবিতাটিত কেঁচুৱা পৰুৱাজাক তাৰুণ্যৰ দীপ্তিৰে দীপ্তমান তৰুণ প্ৰজন্মৰ প্ৰতীকস্বৰূপ। তেওঁলোকৰ বাবেই আন্ধাৰৰ হাতখন, যিখনৰ আচ্ছাদনে জননীৰ সৰ্বাঙ্গ অন্ধকাৰ কৰি তেওঁৰ সন্তানহঁতক অজ্ঞানতা অথবা নতুন চিন্তা-চেতনা, নতুন উদ্যম, নতুন সংকল্পৰ পৰা নিলগাই ৰাখিছিল সেই হাতখন ভঙাৰ পিছত সিহঁতে বুজি উঠিছে সেই নতুন শিহৰণৰ কথা। এনে অৰ্থৰ সন্ধানে এই কথাও ভাবিবলৈ উচটায় যে পূৰ্বে উল্লিখিত আন্ধাৰৰ হাতখন আইৰ দেহজ অংগ নহয় appendices বা অতিৰিক্ত ভাবে সংযোজিত অংগহে। কিন্তু অনাকাংক্ষিত সংযোজন হ'লেও আইৰ গাত লাগি থকাৰ বাবেই আই সেই হাতৰ গৰাকী আৰু সেয়ে 'আই তোৰ হাতখন'ৰ উল্লিখন। হাতৰ দ্বাৰা আৰোপিত অন্ধকাৰ নাশৰ পিছত পৰুৱাবোৰৰ পোহৰ দেখা প্ৰক্ৰিয়াটো আৰম্ভ হৈছে যদিও একে সময়তে পখিলাবোৰৰো পাখি ভাগিছে।

'স্নেহৰ গুঞ্জন লৈ বিচৰণ কৰা পখিলাবোৰৰ পাখি ভাগিল
ফুলৰ মৌ চুহিবৰ সিহঁতৰ শক্তি আৰু নাই'

আইৰ ভঙা হাতখনৰ লগত পখিলাৰ পাখি ভঙা কথাটো গভীৰ ভাবে সম্পৰ্কিত।

অন্ধকাৰ হৈ থাকোঁতে পখিলাবোৰ কাৰোবাৰ স্নেহধন্য হৈ আছিল, মৌ চুহিছিল, সেই মৌ হয়তো বিলাইছিল। বংগীয় কবি জীবনান্দ দাসৰ এটি প্ৰসিদ্ধ কবিতা 'দুইটি সত্যবাণী'ত ব্যৱহৃত 'অন্ধকাৰ'ৰ প্ৰয়োগতো আমি পাওঁ ব্যঞ্জনাৰ মাজেৰে উদ্ভাসিত হোৱা অন্ধকাৰ প্ৰিয়ৰ গাঁথা—

'অদ্ভুত আঁধাৰ এক এসেছে এ-পৃথিৱীতে আজ,
যাৰা অন্ধ সব চেয়ে বেশি আজ, চোখে দ্যাখে তাৰা।
যাদেৰ হৃদয়ে কোনো প্ৰেম নেই—প্ৰীতি নেই—করুণাৰ আলোড়ন নেই
পৃথিৱী অচল আজ তাদেৰ সুপৰামৰ্শ ছাড়া।'

অন্ধৰ আন্ধাৰ প্ৰিয় অৱস্থাটো মতলবী পৃথিৱীত মতলৱীৰ দপ্‌দপনি আৰু মানৱীয়-অৱক্ষয়গ্ৰস্ত সমাজত ধ্বংসযজ্ঞৰ হোতাবোৰৰ ক্ষমতা আৰু অধিকাৰ প্ৰকাশক। অনুৰূপে আইৰ আন্ধাৰ হাতৰ ছাঁত পালিত পখিলাবোৰো সেই আন্ধাৰৰ সাৰ-পানীৰে উজ্জীৱিত। কিন্তু আইৰ হাতখন ভাঙি দিয়া হ'ল। ভাঙি দিয়া কামটো নতুনৰ প্ৰতিনিধিস্বৰূপ তৰুণ প্ৰজন্মৰ দ্বাৰা সাধিত হ'ল। ইয়াত 'ভাঙি দিলোঁ' প্ৰথম পুৰষৰ ক্ৰিয়াত কবি সেই প্ৰজন্মৰে প্ৰতিনিধি, ব্যক্তি বিশেষ নহয়। সেয়ে আন্ধাৰ-পোষ্য পখিলা বা স্থবিৰতাকামী প্ৰজন্ম বা পৰম্পৰা অথবা প্ৰচলিত নীতি-নৈতিকতা ক্ৰমে অপসৃয়মান হোৱাত সিহঁতে সেই শক্তি হেৰুৱালে। ইয়াত পখিলাবোৰ সেই সন্তোষিত পৰম্পৰাৰ ধাৰক-বাহক ৰক্ষণশীল যুগমানসৰ প্ৰতিৰূপ। নিজ সময়ত উদ্ভুত আৰু নিৰ্দ্ধাৰিত ধাৰণা, মানসিকতা আৰু সৃষ্টিকৰ্ম লৈ সন্তুষ্ট হোৱা এখিনি মানুহৰ প্ৰতিনিধি। কোৱা হয় সন্তোষ বা আত্মসন্তুষ্টি নব্যসৃজন আৰু পৰিৱৰ্তনৰ বাটত অন্তৰায়। সেয়ে তৰুণৰ আগমনৰ বাবেই যেন বিৱৰ্তমান প্ৰক্ৰিয়াত পখিলাবোৰে শক্তি হেৰুৱাই লেটা কুন্দাবলৈ বাধ্য হৈছে। তাৰ ঠাইত আহিছে নব্য উন্মেষ, নব্য শিহৰণ—

'সেয়েহে পৰুৱাবোৰ আহিব
পোহৰৰ মিঠা মাদকতা ল'ব
এতিয়া আৰু সিহঁতে নাপায় ৰুদ্ধ দুৱাৰৰ নিৰ্যাতন'

'আই'ৰ এন্ধাৰৰ হাত ভঙা কাৰ্য সম্পাদিত হোৱাৰ পিছত পোহৰৰ বাটটোত নতুন প্ৰজন্মৰ বাবে হেঙাৰ নাথাকিব। নবোন্মেষৰ এই যাত্ৰা পথৰ বাটকটীয়া হৈ কবি কেৱল সুখীয়েই হোৱা নাই, গৌৰৱীও হৈছে। সেয়ে শেষৰ শাৰীটো আন্ধাৰ ব্যৱস্থাটোৰ প্ৰতি অৱজ্ঞাসূচক আৰু প্ৰথম শাৰীটোৰে পুনৰাবৃত্তি—

'আই, তোৰ আন্ধাৰৰ হাতখন ভঙা'।

**আত্মমূল্যায়ন প্ৰশ্ন**

কবিতাটিত উল্লেখ থকা হাতখন কিহৰ প্ৰতীক?

..................................................................................................................

..................................................................................................................

### ৩.৬ সাৰাংশ (Summing Up)

কবি আনিছ উজ জামানৰ 'আই তোৰ এন্ধাৰৰ হাতখন ভাঙি দিলোঁ' এটা উল্লেখনীয় কবিতা। শিৰোনামটোৱে তাৎক্ষণিকভাৱে মাতৃ বা দেশমাতৃক ইঙ্গিত কৰে যদিও তাৰ অৰ্থব্যাপ্তি কিছু ব্যঞ্জণাধৰ্মী। আপাতত কবিয়ে আইৰ শাৰীৰিক অৱস্থাৰ প্ৰতি নিৰ্দেশ কৰা যেন লাগে। তাত প্ৰধান হৈ উঠিছে এখনি হাত, এন্ধাৰৰ হাত। আই যেন ভাষামাতৃ। ভাষা মাতৃৰ......... শ্বহীদ হোৱা এইজনা ..... ভাঙি গৈছে এন্ধাৰৰ হাত। কাটি গৈছে নতুন প্ৰজন্মৰ এটা নতুন বাট।

### ৩.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। কবি আনিজ উজ্ জামানৰ পৰিচয় দাঙি ধৰি তেওঁ কাব্যকৃতি আলোচনা কৰক।

২। কবি আনিজ উজ্ জামানৰ কবিতাসমূহৰ বিশেষত্বসমূহ পৰ্যালোচনা কৰক।

৩। কবি আনিজ উজ্ জামানৰ কবিতাৰ বিশেষত্বসমূহ 'আই তোৰ এন্ধাৰৰ হাতখন ভাঙি দিলোঁ' কবিতাটিত কেনেদৰে পৰিস্ফুট হৈছে?

৪। 'আই তোৰ এন্ধাৰৰ হাতখন ভাঙি দিলোঁ' কবিতাটিৰ মূল বিষয়বস্তু কি?

৫। 'আই তোৰ এন্ধাৰৰ হাতখন ভাঙি দিলোঁ' কবিতাটিৰ এটি পৰ্যালোচনা আগবঢ়াওক।

৬। কবিতাটিত প্ৰয়োগ চিত্ৰকল্প আৰু প্ৰতীকৰ বিষয়ে চমুকৈ আলোচনা কৰক।

### ৩.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


ভবেন বৰুৱা : *অসমীয়া কবিতা ৰূপান্তৰৰ পৰ্ব*

ইমদাদ উল্লাহ : *সৃজন আৰু মনন*

কৰবী ডেকা হাজৰিকা : *অসমীয়া কবিতা*

চন্দ্ৰ কটকী : *আধুনিক অসমীয়া কবিতা*

নৰকান্ত বৰুৱা : *মোৰ আৰু পৃথিৱীৰ*

প্ৰফুল্ল চন্দ্ৰ বৰা : *জীৱন কবিতা আৰু নৰকান্ত*

লোপা বৰুৱা : *আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প*

হোমেন বৰগোহাঞি (সম্পা) : *অসমীয়া সাহিত্যৰ বুৰঞ্জী*, (ষষ্ঠ খণ্ড)

## চতুৰ্থ বিভাগ
## সমীৰ তাঁতীৰ 'মোৰ প্ৰতিটো দিন আৰু ৰাতিৰ আৰম্ভণি'


৪.১ ভূমিকা (Introduction)

৪.২ উদ্দেশ্য (Objectives)

৪.৩ কবি সমীৰ তাঁতীৰ পৰিচয়

৪.৪ সমীৰ তাঁতীৰ কবিতাৰ সাধাৰণ বিশেষত্ব

৪.৫ কবিতাটিৰ আলোচনা ঃ

৪.৬ সাৰাংশ (Summing Up)

৪.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

৪.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


### ৪.১ ভূমিকা (Introduction)

পূৰ্ববৰ্তী বিভাগটিত কবি আনিজ উজ জামানৰ 'আই তোৰ এন্ধাৰ হাতখন ভাঙি দিলোঁ' কবিতাটিৰ পৰ্যালোচনা কৰা হৈছে। এই বিভাগটিত কবি সমীৰ তাঁতীৰ 'মোৰ প্ৰতিটো দিন আৰু ৰাতিৰ আৰম্ভণি' কবিতাটিৰ আলোচনা দাঙি ধৰা হ'ব।

বিংশ শতিকাৰ দ্বিতীয় ভাগত অসমীয়া আধুনিক কবি সকলৰ ভিতৰত সমীৰ তাঁতী উল্লেখযোগ্য। তেওঁ প্ৰথম কাব্য সংকলন 'যুদ্ধভূমিৰ কবিতা' (১৯৮৫)। 'মোৰ প্ৰতিটো দিন আৰু ৰাতিৰ আৰম্ভণি' এটা প্ৰেমৰ কবিতা। এই বিভাগটিত কবি সমীৰ তাঁতীৰ পৰিচয় জ্ঞাপন কৰি তেওঁৰ কবিতাৰ সাধাৰণ বিশেষত্বৰ লগতে কবিতাটিৰ পৰ্যালোচনা আগবঢ়োৱা হৈছে।

### ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- সমীৰ তাঁতীৰ পৰিচয় জ্ঞাপন কৰিব পাৰিব,
- সমীৰ তাঁতীৰ কাব্যকৃতিৰ আলোচনা আগবঢ়াব পাৰিব,
- সমীৰ তাঁতীৰ কবিতাসমূহৰ সাধাৰণ বিশেষত্ব পৰ্যালোচনা কৰিব পাৰিব, আৰু
- 'মোৰ প্ৰতিটো দিন আৰু ৰাতিৰ আৰম্ভণি' কবিতাটিৰ বিশদভাৱে ফঁহিয়াই চাব পাৰিব।

### ৪.৩ কবি সমীৰ তাঁতীৰ পৰিচয়

সমীৰ তাঁতীৰ জন্ম হয় ১৯৫৫চনৰ ৬ফেব্ৰৱাৰী তাৰিখে গোলাঘাট জিলাৰ বিহ্‌ৰা চাহ বাগিচাত। পিতৃ কৰ্ণ তাঁতী আৰু মাতৃ নোৱাগ'ৰ তাঁতী। সমীৰ তাঁতীয়ে এজন উড়িয়া শিক্ষকৰ ওচৰত শিক্ষা জীৱনৰ পাতনি মেলে যদিও এবছৰমানৰ পিছত বিহ্‌ৰাৰে এখন হিন্দী মাধ্যমৰ বিদ্যালয়ত নাম ভৰ্তি কৰে। পাছলৈ অসমীয়া মাধ্যমত শিক্ষা লভি ১৯৭৪ চনত উচ্চ-মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৮৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা তেওঁ ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

কৰ্মজীৱনৰ আৰম্ভনিৰ ফালে কেইবাখনো কাকত সম্পাদনাৰ সৈতে জড়িত থকা সমীৰ তাঁতীয়ে অসম চৰকাৰৰ জ্যেষ্ঠ পৰ্যটন অনুসন্ধান বিষয়া হিচাপে চাকৰী জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। তাৰ মাজতে অৱশ্যে তেওঁ কিছু দিন শিক্ষক আৰু প্ৰবক্তা হিচাপেও কাৰ্য নিৰ্বাহ কৰিছিল।

বৰ্তমানলৈকে তেওঁৰ বাৰখন কবিতা পুথি, সমালোচনা আৰু গদ্যৰ চাৰিখন সংকলন, আফ্ৰিকীয় আৰু জাপানী প্ৰেমৰ কবিতাৰ দুখন অনুবাদ গ্ৰন্থ প্ৰকাশ পোৱাৰ লগতে তেওঁৰ সম্পাদনাত দুখন গল্প সংকলন প্ৰকাশ পাইছে। যুদ্ধভূমিৰ কবিতা (১৯৮৫), শোকাকুল উপত্যকা(১৯৯৩), সময় শব্দ সপোন (১৯৯৬), কদম ফুলাৰ ৰাতি(২০০১) আদি তেওঁৰ উল্লেখযোগ্য কাব্য সংকলন।

দেশ-বিদেশৰ বহু কবি সন্মিলনত অংশ গ্ৰহণ কৰা কবিজনৰ কবিতা বিভিন্ন ভাষালৈ অনুবাদ হৈছে। অসমীয়া কাব্য সাহিত্যলৈ আগবঢ়োৱা অৰিহণাৰ বাবে তেওঁ কেইবাটাও পুৰস্কাৰ লভিবলৈকো সমৰ্থ হৈছে। তাৰ ভিতৰত ছগনলাল জৈন সাহিত্য বঁটা(২০১২), অসম উপত্যকা সাহিত্য বঁটা(২০১২) প্ৰধান। তেওঁক পশ্চিম বংগ চৰকাৰৰ বাংলা একাডেমীয়েও সম্বৰ্ধনা জ্ঞাপন কৰিছে।

### ৪.৪ সমীৰ তাঁতীৰ কবিতাৰ সাধাৰণ বিশেষত্ব ঃ

বিংশ শতিকাৰ সত্তৰৰ দশকত অসমীয়া আধুনিক কবিতা জগতলৈ আগমন ঘটা কবিসকলৰ ভিতৰত সমীৰ তাঁতীয়ে প্ৰায় পাঁচটা দশক অতিক্ৰান্ত কাব্য-সাধনাৰে আপোন কাব্য-বৈভৱৰ সমৃদ্ধি ঘটোৱাই নহয়; অসমীয়া কবিতাকো সমৃদ্ধ কৰিছে আৰু কবিৰ সামূহিক স্বৰৰ মাজত এটা স্বতন্ত্ৰ কণ্ঠস্বৰ হৈ বৰ্তি আছে। আধুনিক অসমীয়া কবিতাৰ শুভাৰম্ভৰ পৰ্বত বিংশ শতিকাৰ চল্লিছৰ দশকত গা কৰি উঠা প্ৰগতিশীল কবিতাৰ সোঁত ষাঠিৰ দশকত কিছু চিৰিলি পৰিছিল যদিও তাৰ অন্তঃস্ৰোত অব্যাহত আছিল। সেই অন্তঃস্ৰোতৰ প্ৰাণ শক্তি লৈ উজ্জীৱন ঘটা কাব্য প্ৰবাহতে পাৰি দি সমীৰ তাঁতীৰ দৰে কবিয়ে আপোন ভাবনাৰ অভিব্যক্তি ঘটালেও আধুনিকতাবাদী কাব্য শিহৰণক এলাগী কৰি থোৱা নাছিল। উল্লেখনীয় যে 'নতুন কবিতা'(১৯৫৬)ৰ পাতনিত মহেন্দ্ৰ বৰাই প্ৰগতিশীল কবি আৰু আধুনিকতাবাদী কবিক

সূচিত কৰি 'জনতাৰ কবি' আৰু 'নিৰ্জনতাৰ কবি' বুলি যি দুটা থূল নিৰ্দেশ কৰিছিল এই বিভাজন নিৰহ্-নিপানী নহয়। বৰঞ্চ সেই অভিধাৰে বিচাৰ কৰা দুয়ো দল কবিৰ মাজৰ সৰহভাগৰে ক্ষেত্ৰত দুয়োটা ভাব-শিহৰণৰ যুগপৎ উপস্থিতিহে লক্ষ্যণীয় হৈ উঠিছিল। সমীৰ তাঁতীৰ কবিতাই শ্ৰেণী চেতনাৰ দুৱাৰদলিৰপৰা যাত্ৰা আৰম্ভ কৰিলেও আধুনিক ব্যক্তিমনৰ সাঁহাৰি বুটলি মানুহৰ জীৱনৰ অপাৰ ৰহস্য সন্ধানৰ প্ৰকোষ্ঠত প্ৰবেশিছেগৈ। সেয়ে তেওঁৰ কবিতাৰ প্ৰতিবাদী উষ্মাও সংহত। পোনপটীয়া কাব্য-কথনেও গৈ বোধ-বুদ্ধিত শৰণ লৈ স্নিগ্ধ ভাবে মুখ দেখুওৱা ধৰণৰ।

যুদ্ধভূমিৰ উত্তেজনাতেই সমীৰ তাঁতীৰ কাব্যবোধৰ উৎপত্তি। বিংশ শতিকাৰ আশীৰ দশকৰ অসম আৰু তাৰ অব্যৱহিত সময়ৰ যুদ্ধভূমি সদৃশ পৰিৱেশতে তাৰ বিস্তৃতি। আশীৰ দশকৰ অসমৰ জনজীৱনৰ বিপন্ন দিন-ৰাতিৰ তেওঁ সাক্ষী। সাম্প্ৰদায়িকতা, উগ্ৰ জাতীয়তাবাদ, উগ্ৰবাদ, ৰাষ্ট্ৰ সন্ত্ৰাসৰ কৰালগ্ৰাসত যুদ্ধভূমিলৈ ৰূপান্তৰিত হোৱা স্বদেশৰ দুৰ্যোগ তেওঁৰ সংৱেদনশীল মনে আওকাণ নকৰিলে; বুকুত ধাৰণ কৰিলে সেই দুৰ্যোগৰপৰা উচ্চাৰিত মানুহৰ মৰ্মন্তুদ আৰ্তনাদ। 'যুদ্ধভূমিৰ কবিতা'(১৯৮৫), 'শোকাকুল উপত্যকা'(১৯৯০) আৰু অত্যাচাৰৰ টোকাবহী (১৯৯৩) — এইকেইখন সংকলনে সামৰি লোৱা সময়ত অসমৰ প্ৰেক্ষাপটত সামাজিক-ৰাজনৈতিক অনুসন্ধানে যিবোৰ নিৰ্মম সত্যৰ সৈতে আমাক মুখামুখি কৰায়, সেয়া সংকলনকেইখনিৰ শিৰোনামেই সূচিত কৰে— যুদ্ধৰ ভয়াবহতা, তৎজনিত মৰণ-শোক আৰু সেই পাৰিপাৰ্শ্বিকতাত সংঘটিত অত্যাচাৰৰ খতিয়ান। এই পাৰিপাৰ্শ্বিকতাত লব্ধ প্ৰত্যক্ষ আৰু পৰোক্ষ অভিজ্ঞতাৰ নিৰ্জীৱ নিঃসৰণ তেওঁৰ কবিতাৰ অভিপ্ৰায় নহয়। সেই অভিজ্ঞতাক এক মানৱীয় মৰ্মত থাপি চেতনাৰ অভিব্যক্তি ঘটোৱাৰ বাবে সিবোৰে নিৰ্বিশেষ চৰিত্ৰ লৈছে আৰু নিৰ্বিশেষ আবেদনো লাভ কৰিছে। ইয়েই সমীৰ তাঁতীৰ কবিতাৰ প্ৰতিবাদী কণ্ঠৰো মহত্ব। অন্যথা তেওঁৰ কবিতা বাস্তৱৰ ধাৰাবিৱৰণী হৈয়েই ৰ'লহেতেন। 'যুদ্ধভূমিৰ কবিয়ে জন্মসূত্ৰে শোষণ-নিষ্পেষণৰ সৈতে পৰিচিত হোৱাৰ বাবে বিপ্লৱী-প্ৰতিবাদী সমৃদ্ধ মন এটা তেওঁ উত্তৰাধিকাৰী সূত্ৰে লাভ কৰিছিল। তেওঁৰ প্ৰগতিবাদী চেতনাৰ উৎস কিতাপৰ জ্ঞান বা বিপ্লৱী ৰোমান্টিকতা নহয়। সেয়েহে যুদ্ধভূমিৰ কবিতাৰ আবেগসমৃদ্ধ কবিতাসমূহ বিপ্লৱী প্ৰেণাৰ উৎস হ'ব পৰাকৈ মৌলিক আৰু ভূসিংলগ্ন হোৱা দেখিবলৈ পাওঁ।' (*অবিন্দম বৰকটকী, অনুশীলন, পৃষ্ঠা—১১০-১১।*)

সংহত এই প্ৰতিবাদী সুৰটোৱেই প্ৰধানকৈ তেওঁৰ কবিতাত প্ৰবাহিত হ'লেও 'সেউজীয়া উৎসৱ (১৯৯৩), 'বিষয় দুৰ্ভিক্ষ (১৯৯৪), 'এই আন্ধাৰ এই পোহৰৰ তন্ময়তা' (১৯৯৮), 'কদম ফুলা ৰাতি' (২০০১), 'বিষাদ সংগীত', 'কালি নৰকৰপৰা' (২০০৮) আৰু শেহতীয়া 'কায়কল্পৰ বেলা' (২০১৩) ই একেআগী কাব্য প্ৰবাহৰ সলনি বিষয়-ভিন্ন, বিশেষত্ব-ভিন্ন চৰিত্ৰহে পৰিগ্ৰহ কৰিছে। তদুপৰি মেদহীন বাচন-ভংগী আৰু বিষয়ৰ অভিনৱত্ব তেওঁৰ কবিতাৰ অন্যতম সম্পদ। প্ৰতিবাদ-ক্ষোভৰ উপৰি নৈতিক-ৰাজনৈতিক আৰু বৌদ্ধিক চিন্তা-চেতনা আধাৰিত কাব্য প্ৰবাহৰ মাজতে প্ৰেমৰ অভিব্যক্তিকো তেওঁ কবিতাৰ অন্তৰ্লীন প্ৰবাহ কৰি লৈছে। সমকাল-বাস্তৱ আধাৰিত প্ৰপঞ্চৰ মাজতে কেৱল মূৰ গুজি থকা নাই;

জীৱনৰ অপাৰ ৰহস্যৰ সন্ধান কৰি সীমাৰপৰা অসীমলৈ যাত্ৰা কৰিছে। সেয়ে তেওঁৰ প্ৰতিখন সংকলনেই আপোন কবিতাৰ পৰ্বান্তৰ সূচক। 'কায়কল্পৰ বেলা'ৰ পাতনিত সমালোচক প্ৰভাত বৰাই কৰা মন্তব্যই আমাৰ ধাৰণা দৃঢ় কৰে— 'সমীৰৰ শেহতীয়া কবিতাবোৰক মৃত্যু চেতনা আৰু এক গভীৰ নৈঃসংগবোধে আগৰ কবিতাবোৰৰপৰা নিলগাই ৰাখিছে।'

গণতান্ত্ৰিক প্ৰমূল্যৰ বিপৰ্যয়, চাহ বাগিছাত চলা ঔপনিৱেশিক শোষণৰ প্ৰত্যক্ষ অভিজ্ঞতা, সামাজিক বৈষম্যৰ সৈতে হোৱা মখামুখিৰপৰা ওপজা বিষাদ-প্ৰতিবাদ, অৰ্থনৈতিক শোষণ, বজাৰ অৰ্থনীতিৰ প্ৰভাৱত বিতত জনসাধাৰণৰ দুৰৱস্থা, সাম্প্ৰদায়িক বিভেদ, জাতীয় অস্তিত্ব ৰক্ষাৰ নামত হোৱা সন্ত্ৰাস, মানৱীয় স্খলনৰ চিত্ৰণ আদি তেওঁৰ কবিতাৰ প্ৰধান বিষয়।

'এই আন্ধাৰ এই পোহৰৰ তন্ময়তা', আৰু 'কদম ফুলাৰ ৰাতি'ৰ সুৰটো তেওঁৰ পূৰ্বৰ কবিতাৰপৰা কিছু পৃথক। 'কদমফুলাৰ ৰাতি' চাহ বনুৱা জীৱনৰ মহাকাব্যিক আখ্যানৰ সমগোত্ৰীয়। নিষ্পেষিত এই জনগোষ্ঠীটোৰ প্ৰতিনিধি হিচাপে তেওঁৰ প্ৰথমৰ ফালৰ কবিতাতে প্ৰতিবাদে গা কৰি উঠিছিল। এই নিষ্পেষণ যাতনাৰ কাৰুণ্য ইয়াতো প্ৰতিধ্বনিত হৈছে। কদমফুল বিৰহীৰ মনত বেদনা জগাবপৰাকৈ মতলীয়া গোন্ধৰ।

সন্দেহ নাই যে তেওঁৰ কবিতাত প্ৰতিফলিত সামাজিক-ৰাজনৈতিক দৃষ্টিকোণত সমকালীন অৱস্থাৰ প্ৰতি তাৎক্ষণিক সঁহাৰি দিয়াৰ প্ৰৱণতা পৰিলক্ষিত হয়। প্ৰথম দৃষ্টিত ইবোৰে অসম বা তেওঁৰ মাতৃভূমিক সূচিত কৰিলেও বহল অৰ্থত সেয়া বিশ্বভূমিলৈ সম্প্ৰসাৰিত হোৱা দেখা যায়। তেনেদৰে জন-জীৱনত অসাম্য-বৈষম্য আৰু শোষণ-নিষ্পেষণ উপলব্ধিৰ আদিপাঠ বা সিবোৰৰ বাবেই উচ্চাৰিত প্ৰতিবাদ, স্বজন-স্বজাতিৰ দুৰ্যোগ অনুধাৱনৰ পৰাই অনুভূত হ'লেও সেয়াই সমগ্ৰ মানৱ জাতিক সামৰি লৈছে । এই বোধ-সম্প্ৰসাৰণে তেওঁৰ কবিতাক ভৌগলিক আৰু আনুভূতিক মেৰঘৰ ভাঙি বিস্তৃতি প্ৰদান কৰিছে।

লক্ষণীয় যে প্ৰথম পৰ্য্যায়ৰ কবিতাসমূহৰ পৰা আৰম্ভ কৰি সমীৰ তাঁতীৰ শেহতীয়া কবিতাত 'তুমি' প্ৰপঞ্চৰ উপস্থিতি সততে লক্ষ্য কৰা যায়। এনে উল্লিখনে পোনচাটেই শৰীৰি প্ৰেমিকা এগৰাকীৰ প্ৰতি নিৰ্দেশ কৰে যদিও এই 'তুমি' কেতিয়াবা মাতৃভূমি, কেতিয়াবা সতীৰ্থ, কেতিয়াবা লাঞ্চিত মানুহ- দুৰ্বল মানুহ আৰু তাৰ পিছতহে কেতিয়াবা অনিৰ্দিষ্ট প্ৰিয়া।' (*হৰেকৃষ্ণ ডেকা, আধুনিক কবিতা, পৃষ্ঠা—১৭১-১৭২।*) কেইটামান উদাহৰণত চকু ফুৰাব পাৰি—

(ক) 'বেলিৰ মুখামুখি দীঘল গছৰ দৰে সিহঁত ঠিয় হৈ আছে *তোমাৰ* সমুখত আই সিহঁত আকৌ এবাৰ ৰণলৈ যাব গাত পিন্ধিছে ৰণৰ নতুন সাজ' (সিহঁত ঠিয় হৈ আছে তোমাৰ সমুখত আই)।

(খ) মই আজিও সপোনত দেখোঁ *তুমি* যেন গোটেই ৰাতি চিঞৰি চিঞৰি মাতা নেলী নেলী/নেলী মোৰ মা, মোৰ মাতৃ মমতা/ *তোমাৰ* চকুলোত *তুমি*, *তোমাৰ* মুখ মোৰ মুখত ফুলি উঠা এপাহ কৰুণ গোলাপ' (নেলী)।

(গ) 'মই ধাৰ কৰোঁ নিতৌ/ *তোমাৰ* পৰা *তোমাক*/আমি ইজনে সিজনক ধাৰত

মাগোঁ/ধাৰত পোত যাওঁ আৰু উচুপি উঠোঁ' (তোমাৰ পৰা তোমাক)।

(ঘ) 'বাৰীৰ পৰা ভাহি আহিছে বাঁহনিৰ গাঢ় গোন্ধ/ *তোমাৰ* দেহ-দেউলৰপৰা পদিনা পাতৰ গোন্ধ/আমি যেন উশাহ-নিশাহৰ মাজত বিচাৰি পাইছোঁ নিজৰেই তেজৰ শব্দ' (এটা ৰাতিৰ কবিতা)।

(ঙ) 'আমি টোপনি যাওঁ *তোমাৰ* সুৰে সুৰে/অ'চাঙাৎ *তোমাৰ* বাঁহীৰ সুৰ/নিচা খালে খুলি যায় কি দৰাজ গলা/কি দিন কি ৰাতি *তোমাৰ* গীতৰ সুৰ' (কালবেলা তুমি নিহত হ'লা)।

ওপৰৰ উদাহৰণ কেইটাই নিৰূপন কৰে যে সমীৰ তাঁতীৰ কবিতাৰ 'তুমি'ক থাওকতে বিশেষায়িত কৰা কঠিন। প্ৰসংগক্ৰমে উল্লেখনীয় যে কবি প্ৰেমিক নহ'লে যুদ্ধৰ প্ৰয়োজনীয়তা বা যুদ্ধৰ বিৰোধীতা কৰাও কঠিন। অৱশ্যে যুদ্ধ মানে কেৱল পৰিদৃশ্যমান মৰা-কটাই নহয়। যুদ্ধ ক'ত নাই? প্ৰতিনিয়ত জীয়াই থকাটোৱেই জানো এখন যুদ্ধ নহয়?
সমীৰ তাঁতীৰ কবিতাত আৰম্ভণিৰ ফালে চিত্ৰায়িত যুদ্ধভূমিখন যে স্বদেশ সেয়া উনুকিয়াই অহা হৈছে। যুদ্ধভীতি বা যুদ্ধ-নিবৃত্তিও প্ৰেমৰ অন্য এক অভিব্যক্তি বা প্ৰেমো যুদ্ধ-নিবৃত্তিৰ উৰ্ধগতি হ'ব পাৰে। যুদ্ধভূমিৰ চিতা-ছায়ে প্ৰেমৰ প্ৰয়োজনক ত্বৰান্বিত কৰিব পাৰে। চিতা-ছাইতো গজি উঠে প্ৰেম, পাহাৰ জ্বলাৰ পিছত কিশলয় ফুটাৰ নিচিনাকৈ। যুদ্ধভূমিৰ অভিজ্ঞতালব্ধ কবিয়ে সমকালৰ প্ৰতিভূ হৈ আত্মনিগ্ৰহ বা অপৰাধবোধতো ভুগিব পাৰে; যেতিয়া তেওঁ উপলব্ধি কৰে যে দুটামান শব্দৰ বাহিৰে আৰু তেওঁৰ কৰিবলৈ একো নাথাকে। ঘটনাৰ চিত্ৰায়ণ, বৰ্ণনাৰ সামৰ্থ্য বা সংবেদন-অনুভৱৰ সিপাৰে কবিৰো আদৰ্শ থাকে। থাকে দৰ্শন। জগতৰ নিঃস্ব মানুহৰ কাতৰ কণ্ঠক প্ৰতিনিধিত্ব কৰিবলৈ যি বিশাল বোধ বা উদাৰতা লাগে তাত প্ৰেমৰ উপস্থিতি অনিবাৰ্য। সেয়ে প্ৰতিবাদ-প্ৰতিৰোধৰ সোচ্ছাৰ কণ্ঠেৰেও সমীৰ তাঁতীয়ে লিখিছে ভালেকেইটা দুৰ্দান্ত প্ৰেমৰ কবিতা। তাৰ ভিতৰত 'মোৰ প্ৰতিটো দিন আৰু ৰাতিৰ আৰম্ভণি' অন্যতম। সৰহ ক্ষেত্ৰতে তেওঁৰ কবিতাত ৰাজনৈতিক-সামাজিক অনুষংগই ভিৰ কৰা পৰিলক্ষিত হয় যদিও ব্যক্তিগত ভাবনাৰ নিৰ্যাসো তেওঁৰ কবিতাত উপেক্ষিত নহয়। আধুনিকতাবাদৰ শীৰ্ষত থকা চৰম নৈৰাশ্য আৰু হতাশা অতিক্ৰমৰ প্ৰচেষ্টাইহে তেওঁৰ কবিতাত গুৰুত্ব লাভ কৰিছে। তেওঁৰ কবিতাৰ বিষাদবোধ মানুহৰ নিকৰুণ দাসত্ব আৰু নিষ্পেষণৰপৰাহে ওপজা আৰু সমগ্ৰ কাব্যবোধত এই অৱস্থাৰপৰা পৰিত্ৰাণৰ উজ্বল আশাই পোখা মেলিছে।

**আত্মমূল্যায়ণ প্ৰশ্ন ঃ**

সমীৰ তাঁতীৰ কবিতাৰ প্ৰধান বিষয়বস্তু কি বুলি ভাবিব পাৰি?

.............................................................................................................

.............................................................................................................

.............................................................................................................

### ৪.৩ 'মোৰ প্ৰতিটো দিন আৰু ৰাতিৰ আৰম্ভণি' কবিতাটিৰ আলোচনা ঃ

কাব্য-কথনৰ এটা প্ৰচলিত ৰীতি হৈছে নাটকীয় একোক্তি বা dramatic monologue। কবিতাৰ পাঠকমুখী প্ৰৱণাটোৱেই কওঁতা আৰু শুনোতা বা লেখোঁতা আৰু পঢ়োঁতাৰ দ্বৈত অস্তিত্ব স্বীকাৰ কৰি লয় আৰু সি কাব্য-কথন শৈলীতো প্ৰভাৱ পেলায়। নাটকীয় একোক্তিত কল্পিত শ্ৰোতাৰ অংশ গ্ৰহণ আৰু সেই শ্ৰোতাৰ প্ৰতিক্ৰিয়াৰ আধাৰত বক্তাৰ কথন নিয়ন্ত্ৰিত হয়। অৱশ্যে সাধাৰণ কথনতো পাঠকৰ সক্ৰিয় উপস্থিতি এটা কল্পনা কৰি নাটকীয় ভংগী এটা দিয়াৰ কেতিয়াবা প্ৰচেষ্টা কৰা হয়। 'তদুপৰি লিৰিকৰ এটা কৌশল বা দস্তুৰ, বিশেষকৈ আধুনিক লিৰিকত দৃষ্ট হোৱা এটা দস্তুৰ হ'ল, কবিতাক স্বগতোক্তিৰ বাহিৰলৈ আনিবলৈ বিষয়ীক কবি সত্তাৰপৰা বেলেগ কৰি আৰু তাৰ এটা কণ্ঠস্বৰ সৃষ্টি কৰি কাব্যিক কৌশলৰ আশ্ৰয় লোৱা।' (হৰেকৃষ্ণ ডোকা, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা—২৭২)। 'তুমি'ৰ উপস্থিতি আৰু অদৃশ্য-দৃশ্যমানৰ ছাঁ-পোহৰে তেওঁক দিয়া আত্মিক শকতিৰ উমান পাবলৈকে এই কবিতাটিত চকু ফুৰাই চাব পাৰোঁ—

'মোৰ প্ৰতিটো দিন আৰু ৰাতিৰ আৰম্ভণি তোমাৰ স'তে
তোমাৰ স'তে মোৰ প্ৰথম পোহৰ প্ৰথম অন্ধকাৰ
মোৰ জীৱনৰ কৰ্মব্যস্ততা আৰু মোৰ নিৰ্জনতা
তোমাৰ স'তে কেৱল তোমাৰ স'তে'

ধ্বনিময় ভাবপ্ৰবাহে rhyme আৰু rhythm নিয়ন্ত্ৰিত কৰি লিৰিকধৰ্মী চৰিত্ৰ এটা আনি দিলেও বা কবিতাটিৰ অন্তৰ্লীন ভাব-ব্যঞ্জনাই ৰোমাণ্টিক আৱেশ এটা সৃষ্টি কৰিলেও কবিতাটিত ৰোমাণ্টিক বিলাস অৱশ্যে বৰকৈ পাবলৈ নাই। তথাপি একেষাৰতে ক'বলৈ গ'লে ই এটা প্ৰেমৰ কবিতা। অসমীয়া কবিতাৰ প্ৰেম-পৰম্পৰাৰ প্লেটনিক নিৰ্যাস, প্ৰিয়া ভাবনাৰ প্ৰচুৰ ৰোমাণ্টিক অভিলাষ, বা প্ৰিয়াৰ দেহজ বৰ্ণনাও কবিতাটিত উপেক্ষিত। তাৰ ব্যতীত বিষয়ী 'তুমি'ক জীৱনৰ 'তেজে-পোহৰে-এন্ধাৰে' উপলব্ধি কৰি জীৱন জোখা বা জীৱন উদ্‌যাপনৰ খোজকেইটা বলীষ্ঠ কৰাৰ হাবিয়াসহে আছে। সেয়ে কবিতাটিৰ প্ৰেম-ভাবনা ৰৈটৰিক বিলাস নহৈ জীৱনমুখী প্ৰৱণতাহে হৈ উঠিছে।

দিন-ৰাতিৰ পৰ্যায়বৃত্ত জীৱন প্ৰবাহত এৰাব নোৱৰাকৈ 'তুমি'ৰ উপস্থিতিৰে কবিয়ে প্ৰেম-বান্ধোনৰ দৃঢ়তা পোনতেই প্ৰকাশ কৰিছে। দিন-ৰাতিৰ নিৰৱচ্ছিন্ন প্ৰবাহত প্ৰেমিকা 'তুমি'ৰ সৈতে কবিৰো চিন্ন নোহোৱা বান্ধোন বা আঠালতীয়া উপস্থিতিয়ে পিছে কবিৰ 'তুমি'ক পোনচাটেই এক ধাৰণামূলক প্ৰপঞ্চ বুলি ভাবিবলৈহে উৎসাহিত কৰে। ঠিক একে সময়তে তাৰো এটা বাস্তৱ বা পৰিদৃশ্যমান ভিত্তিমুল আছে বুলি ভাবিবলৈকো উচটায়। কিন্তু সেই ভিত্তিমূলৰ অৱস্থান দূৰগত। পোহৰ-আন্ধাৰ, ব্যস্ততা-নিৰ্জনতাতো কবিত অন্তৰ্লীন সেই 'তুমি'। ইয়াত পোহৰ-আন্ধাৰৰ অৰ্থ বাঞ্জনাই সুখ-দুখ আৰু সুযোগ-দুৰ্যোগলৈকো আঙুলিয়াছে।

'মই য'তেই নাথাকোঁ কিয় গাঁও অথবা চহৰ, বস্তি অথবা কয়লাখনিত
যি ভাষাত কথা নাপাতোঁ কিয় মানুহৰ প্ৰতি মোৰ আন্তৰিকতা

মোৰ সাজ-পোছাক আৰু মোৰ নিজস্বতা
সেই সকলোতে তুমি কেৱল তোমাৰ বিস্তৃতি
অচিনাকি মানুহৰ স'তে মোৰ প্ৰথম চিনাকি, মোৰ প্ৰথম বন্ধুত্ব
মোৰ প্ৰথম আলাপৰ কাব্যময়তাত তুমি তোমাৰেই জ্যোতি
কেৱল তুমি আৰু তুমি আৰু তুমি'

ইয়াত প্ৰথম স্তৱকত বিশেষায়িত কৰা সময় ভাবনাৰ স্থানচ্যুতি আৰু বিস্তৃতিও ঘটোৱা হৈছে। কবিৰ বাবে জীৱন কেৱল আত্মগত সুখ-উদ্‌যাপন বা বিলাস মাত্ৰ নহয়; সমাজমুখী, মানৱমুখী বা গণমুখী হ'লে অৰ্থবহ হয়। কবিৰ অনেক বিচৰণথলীৰ মাজত গাঁও, চহৰ, বস্তি, কয়লাখনি প্ৰেক্ষাপটলৈ আহিছে। তেওঁ সিবোৰত প্ৰত্যক্ষ কৰা জীৱন ধনাঢ্যৰপৰা কৰ্পদকশূন্যলৈ; আৰামৰপৰা যন্ত্ৰণাক্লিষ্টলৈ—এই সকলোতে কবিৰ সচেতন পৰিভ্ৰণৰো সংগী হৈছে 'তুমি' গৰাকী। কাৰণ কবিৰ চেতনা তুমিময়। অৱচেতনৰ নিয়ন্ত্ৰণতো তেওঁৰ উপস্থিতি। অৱশ্যে ইয়াক নিয়ন্ত্ৰণ বুলি কোৱাতকৈ পৰিভ্ৰমণ বুলি কোৱাহে যুগুত। সেয়া চেতন-অৱচেতনৰ পৰিভ্ৰমণ। আৰু কবিৰ এই ভ্ৰমণৰ অন্তৰাল উছাহ সেই 'তুমি'ৰ বাবেই। এনে বিচাৰত সেই বিশেষ গৰাকী কবিৰ স্বপ্ন বিলাস বা যৌনজ হেঁপাহৰ উপকৰণ হৈ উঠা নাই; মানুহক জনাৰ, মানুহক বুজাৰ, মানুহৰ দুখ-দুৰ্দশা উপলব্ধি কৰাৰ কবিৰ যি পৰিভ্ৰমণ তাৰহে সংগী হৈ উঠিছে। সেয়ে কবিয়ে তেওঁক পুনৰ সম্বোধন কৰিছে—

'মোৰ প্ৰতিটো দিন আৰু ৰাতিৰ আৰম্ভণি তোমাৰ স'তে
তোমাৰ স'তে মোৰ প্ৰথম আনুভৱ প্ৰথম বিষাদ
মোৰ শৰীৰৰ দাৰিদ্ৰতা আৰু মনৰ প্ৰফুল্লতা
তোমাৰ স'তে কেৱল তোমাৰ স'তে'

সৰ্বত্ৰ তুমিময় প্ৰৱণতা আধ্যাত্ম সাধনাৰ চূড়ান্ত পৰ্যায়ত উপলব্ধি কৰা ভাবনাৰ অনুৰূপ। কবিতাটিত এয়া আধ্যাত্মিকতা নহয় বিষয়ী-ভাবনাহে। এই বিশেষ গৰাকীৰ প্ৰতি থকা অনুৰাগ-আকৰ্ষণ যদি দুৰ্বাৰ হয়, তেওঁক যদি সৰ্বত্ৰ উপলব্ধি কৰিবপৰা হয়, সেই তুমিময় সৌহাদ্যই সকলোৰে প্ৰতি উদাৰতাৰ আসন পাতিব। সেয়ে কবিতাটিত ব্যক্তিপ্ৰেমৰ উচ্চাৰণে সমষ্টিৰ প্ৰতিও হাত মেলিছে। সম্বোধন শৈলীটো লীৰিক উপস্থাপন আৰু আকৰ্ষণৰ দৃঢ়তা স্থাপনৰ বাবে পুনৰ সম্বোধন—'মোৰ প্ৰতিটো দিন আৰু ৰাতিৰ আৰম্ভণি তোমাৰ স'তে।' কাৰুণ্যই জীৱনৰ আচল সত্য। আনন্দ কেৱল তাৰ ওপৰৰ আচ্ছাদন মাত্ৰ। আনন্দ উপলব্ধিৰ বাবে দুখত অৱগাহনৰ আৱশ্যকতা— 'We look before and after, And pine for what is not: Our sincerest laughter With some pain is fought; Our sweetest songs are those that tell of saddest thought.'(P.B. Shelley)। ৰসৰ ভিতৰতো কাৰুণ্যই প্ৰাধান্য লভাৰ ইও এক কাৰণ। কবিৰ প্ৰথম বিষাদগ্ৰস্তাও তেওঁ অথবা তেওঁৰ পাৰাই আৰম্ভ বিষাদ। কিন্তু সেয়া প্ৰফুল্লতা প্ৰয়াসী। প্ৰফুল্লতা এটা মানসিক অৱস্থা। অৱশ্যে তাৰ অধিষ্ঠানো শাৰীৰিক। সেয়ে কবিয়ে দাৰিদ্ৰতাকো বৈভৱ বুলি গ্ৰহণ কৰিব পাৰিছে। পৰৱৰ্তী স্তৱকত কবিৰ ভাবনাই স্থূলতা চেৰাই উদাৰ মানৱতাত অৱগাহন কৰিছে—

'তেওঁৰ নাম যিয়েই নহওক কিয় ঈশ্বৰ, আল্লা অথবা যীশু
যি ভাষাৰেই আৰম্ভ নহওক, কিয় তেওঁৰ প্ৰৰ্থনা
মানুহৰ প্ৰতি মোৰ পৱিত্ৰতা আৰু মঙ্গল কামনা
সেই সকলোতে তুমি কেৱল তোমাৰ বিস্তৃতি
প্ৰতিটো শিলৰ বুকুত মোৰ প্ৰথম আঘাত মোৰ প্ৰথম সপোন
মোৰ প্ৰথম সৃষ্টিৰ শীল্পমগ্নতাত তুমি তোমাৰেই জ্যোতি
কেৱল তুমি আৰু তুমি আৰু তুমি'

সাম্প্ৰদায়িকতা, ধৰ্মীয় গোড়ামি, ভাষিক-উগ্ৰ জাতীয়তা— এই সমূহ মানৱতাৰ পৰিপন্থী প্ৰৱণতাৰ প্ৰতি কবিৰ অনাস্থা ঘোষিত হৈছে। অসাম্য, ধৰ্মীয় গোড়ামি, শ্ৰেণী বৈষম্যৰ বিৰুদ্ধে কবিয়ে লোৱা অৱস্থানটোত 'তুমি'ৰ সাহচৰ্যই কবিক শক্তি দিছে। প্ৰাৰ্থনাৰ বাবে ভাষাৰ ভিন্নতাক তেওঁ আওকাণ কৰিব বিচাৰিছে। সকলো ধৰণৰ অমানৱীয়তাৰ বিৰুদ্ধে ঠিয় দিবলৈ কবিয়ে লভা শক্তি-দৃঢ়তাৰ অন্তৰালতো 'তুমি'ৰ উপস্থিতি ধৰা দিছে। জীৱনৰ কষটিত ঘঁহি-পিটি নিৰ্মাণ কৰিব বিচৰা শিল্পময় জীৱন-বিস্তৃতিৰ যি স্বপ্ন, সেয়াও তুমি গৰাকীৰ প্ৰেৰণাৰ পৰা ওপজা। সেয়ে কবিয়ে পুনৰবাৰ প্ৰেয়সীৰ উপস্থিতি দোহাৰিছে—

'মোৰ প্ৰতিটো দিন আৰু ৰাতিৰ আৰম্ভণি তোমাৰ স'তে
তোমাৰ স'তে মোৰ প্ৰথম বিশ্বাস মোৰ প্ৰথম বিচ্ছেদ
মোৰ অতীতৰ চকুপানী আৰু মোৰ ভৱিষ্যতৰ হাঁহি
তোমাৰ স'তে কেৱল তোমাৰ স'তে'

সচেতন-অৱচেতনত লৈ ফুৰা 'তুমি'ৰ ক'ৰবাত শাৰীৰিক উপস্থিতি থাকিলেও কবিতাটিত তাৰ ব্যাখ্যা নাই অথবা সেই ৰূপ স্পষ্ট নহয়; প্ৰিয়াৰ ৰূপ বন্দনা বা সৌন্দৰ্যশালী ৰূপে বা তেওঁৰ স্পৰ্শত হোৱা শিহৰণৰ পৰম্পৰাগত প্ৰকাশ কবিতাটিত পাবলৈ নাই। তাৰ পৰিৱৰ্তে আছে মনোগত বা চেতনাত লৈ ফুৰা প্ৰেমিকাৰ উপস্থিতি। এনে বিচাৰত কবিতাটিয়ে কেতিয়াবা তথাকথিত ৰোমান্টিক অভিব্যক্তিৰ প্ৰতিয়ে নিৰ্দেশ কৰে যদিও সেয়া ধৰ্তব্য নহয়। যি সামাজিক পৰিপ্ৰেক্ষা, মানুহৰ শ্ৰেণীগত অৱস্থান, অসাম্য-বৈষম্যৰ প্ৰতিকল্প হিচাপে গ্ৰহণ কৰা মানৱতাবাদী পথত কবিতাটিয়ে প্ৰেমাস্পদৰ প্ৰেৰণা পথনিৰ্দেশক হোৱাৰ নিশ্চিতি দিছে সিয়েই স্থূল ৰোমান্টিকতাক কাষৰীয়া কৰি ৰাখিছে।

প্ৰগতিশীল কবি হেমবৰুৱাৰ কবিতাতো মানুহৰ মৌল চেতনা প্ৰেম এটা প্ৰধান বিষয় হৈ আছে। তেওঁৰ কবিতাৰ নাৰীও নাৰীত্বৰ সকলো গুণ আৰু সম্পৰ্কৰে বৰ্ণিত হৈয়ো প্ৰায়ে কবিৰ সংগ্ৰাম পথৰ সহযাত্ৰীহে হৈ উঠা পৰিলক্ষিত হয়। প্ৰধানকৈ প্ৰেমৰ বাবে প্ৰেমিকাৰ সংগ বিচৰাতকৈ প্ৰেমিকাক সংগ্ৰম পথৰ সহযাত্ৰী হিচাপে পোৱাৰহে তেওঁ পোষকতা কৰিছে। সমীৰ তাঁতীৰ ক্ষেত্ৰতো প্ৰেমিকাৰ উপস্থিতি আপোন মৰুময় জীৱনৰ জীপাল সুঁতি নোহোৱাকৈ থকা নাই; কিন্তু কবিৰ যি মানৱ দৰদী বোধ আৰু তাৰ আধাৰত গঢ় লৈ উঠা কাব্য-যাত্ৰা তাৰো সহযাত্ৰী হোৱাকৈ তেওঁৰ প্ৰেমিকাৰ সান্নিধ্য গ্ৰহণ কৰিছে।

**আত্মমূল্যায়ণ প্ৰশ্ন ঃ**

কবিতাটি কোন শ্ৰেণীৰ কবিতা?

..........................................................................................................

..........................................................................................................

..........................................................................................................

কবিতাটিত কাব্য কথনৰ কি ৰীতি প্ৰয়োগ হৈছে?

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ৪.৬ সাৰাংশ (Summing Up)

কবি সমীৰ তাঁতীৰ 'মোৰ প্ৰতিটো দিন আৰু ৰাতিৰ আৰম্ভণি' এটি প্ৰেমৰ কবিতা। অৱশ্যে ৰোমাণ্টিক বিলাস কবিতাটিত পাবলৈ নাই। অসমীয়া কবিতাৰ প্ৰেম-পৰম্পৰাৰ প্লেটনিক নির্যাস, প্ৰিয়া ভাৱনাৰ প্ৰচুৰ ৰোমাণ্টিক অভিলাষ অথবা প্ৰিয়াৰ দেহজ বৰ্ণনাও কবিতাটিত উপক্ষিত। কবিতাটিৰ প্ৰেম ভাৱনা ৰেটৰিক বিলাস নহৈ জীৱনমুখী প্ৰৱনতাহে হৈ পৰিছে। প্ৰেমিকাৰ উপস্থিতি আপোন মৰুময় জীৱনৰ জীপাল সুঁতি নোহোৱাকৈ থকা নাই, কিন্তু যি মানৱ দৰদীবোধ আৰু তাৰ আধাৰত গঢ় লৈ উঠা কাব্য যাত্ৰা তাৰো সহযাত্ৰী হোৱাকৈ তেওঁৰ প্ৰেমিকাৰ সান্নিধ্য গ্ৰহণ কৰিছে।

## ৪.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। কবি সমীৰ তাঁতীৰ পৰিচয় দাঙি ধৰি তেওঁৰ কাব্য কৃতি সম্পৰ্কে আলোচনা কৰক।

২। সমীৰ তাঁতীৰ কবিতাসমূহৰ বিশেষত্বসমূহ পৰ্যালোচনা কৰক।

৩। প্ৰেমৰ কবিতা হিচাপে 'মোৰ প্ৰতিটো দিন আৰু ৰাতিৰ আৰম্ভণি' কবিতাটি বিচাৰ কৰক।

৪। 'মোৰ প্ৰতিটো দিন আৰু ৰাতিৰ আৰম্ভণি' কবিতাটিৰ বিষয়বস্তু সম্পৰ্কে বহলাই আলোচনা দাঙি ধৰক।

## ৪.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


ভবেন বৰুৱা ঃ *অসমীয়া কবিতা ৰূপান্তৰৰ পৰ্ব*

ইমদাদ উল্লাহ ঃ *সৃজন আৰু মনন*

কৰবী ডেকা হাজৰিকা ঃ *অসমীয়া কবিতা*

চন্দ্ৰ কটকী ঃ *আধুনিক অসমীয়া কবিতা*

নৰকান্ত বৰুৱা ঃ *মোৰ আৰু পৃথিৱীৰ*

প্ৰফুল্ল চন্দ্ৰ বৰা ঃ *জীৱন কবিতা আৰু নৰকান্ত*

লোপা বৰুৱা ঃ *আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প*

হোমেন বৰগোহাঞি (সম্পা) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী,* (ষষ্ঠ খণ্ড)

## পঞ্চম বিভাগ

## অনুভৱ তুলসীৰ 'চিহ্ন্যাত্ৰাৰ কেইটামান জলমগ্ন দৃশ্যাৱলী'

**বিভাগৰ গঠনঃ**

**৫.১ ভূমিকা** (Introduction)

**৫.২ উদ্দেশ্য** (Objectives)

**৫.৩ কবি অনুভৱ তুলসীৰ পৰিচয় আৰু তেওঁৰ কাব্যকীৰ্তি**

**৫.৪ 'চিহ্ন্যাত্ৰাৰ কেইটামান জলমগ্ন দৃশ্যাৱলী' কবিতাটিৰ পৰ্যালোচনা**

**৫.৫ সাৰাংশ** (Summing Up)

**৫.৬ আৰ্হি প্ৰশ্ন** (Sample Questions)

**৫.৭ প্ৰসঙ্গ গ্ৰন্থ** (References/Suggested Readings)

### ৫.১ ভূমিকা (Introduction)

পূৰ্ববৰ্তী বিভাগটিত সমীৰ তাতীৰ 'মোৰ প্ৰতিটো দিন আৰু ৰাতিৰ আৰম্ভণি' কবিতাটিৰ পৰ্যালোচনা আগবঢ়োৱা হৈছে। এই বিভাগটিত অনুভৱ তুলসীৰ 'চিহ্ন্যাত্ৰাৰ কেইটামান জলমগ্ন দৃশ্যাৱলী' কবিতাৰ বিশ্লেষণ আগবঢ়োৱা হ'ব।

১৯৮৫ চনত 'নাজমা' নামৰ কবিতাপুথিখনেৰে আত্ম-প্ৰকাশ কৰা অনুভৱ তুলসী সাম্প্ৰতিক অসমীয়া সাহিত্যৰ এগৰাকী প্ৰভাৱশালী কবি। কবিজনাৰ আন এখন কবিতাপুথি 'জলমগ্ন দৃশ্যাৱলী' (১৯৯৬)ৰ এটা উল্লেখযোগ্য কবিতা হ'ল 'চিহ্ন্যাত্ৰাৰ কেইটামান জলমগ্ন দৃশ্যাৱলী'। কবিতাটি মুঠ সাতোটা খণ্ডত বিভক্ত।

### ৫.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- কবি অনুভৱ তুলসীৰ পৰিচয় লাভ কৰিব পাৰিব,
- কবি অনুভৱ তুলসীৰ কাব্যকীৰ্তি বৰ্ণনা কৰিব পাৰিব,
- 'চিহ্ন্যাত্ৰাৰ কেইটামান জলমগ্ন দৃশ্যাৱলী' কবিতাৰ বিষয়বস্তু অনুধাৱন কৰিব পাৰিব,
- কবিতাটিৰ সাতোটা খণ্ডৰ পৰ্যায়ক্ৰমে পৰ্যালোচনা আগবঢ়াব পাৰিব।

## ৫.৩ কবি অনুভৱ তুলসীৰ পৰিচয় আৰু তেওঁৰ কাব্যকীৰ্তি

নগাওঁ জিলাৰ তুলসীমুখ গাঁৱত ১৯৫৮ চনৰ ডিচেম্বৰ মাহৰ ৩ তাৰিখে অনুভৱ তুলসীৰ জন্ম হয়। পিতৃ প্ৰয়াত লক্ষ্মীকান্ত শইকীয়া আৰু মাতৃ লাৱণ্য শইকীয়া। তুলসীমুখতে স্কুলীয়া জীৱন আৰম্ভ কৰি ক্ৰমে কটন কলেজ, নগাঁও কলেজত শিক্ষা গ্ৰহণৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয়ত ইংৰাজী বিষয়ত স্নতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৮৩ চনৰপৰা ২০১৮ চনৰ মে' মাহলৈকে শুৱালকুছিৰ শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত তেওঁ ইংৰাজী বিভাগত অধ্যাপনা কৰে।

১৯৭০ চনতে কবিতা লেখিবলৈ আৰম্ভ কৰা অনুভৱ তুলসীৰ ১৯৮৫ চনত "নাজমা" নামৰ প্ৰথমখন কবিতাপুথি প্ৰকাশ পায়। আজিলৈকে তেওঁৰ বাইশখন কাব্যপুথি প্ৰকাশ পোৱাৰ লগতে তিনিখনকৈ কবিতা আলোচনাৰ পুথি, সাতখনকৈ অনুবাদ পুথি, এখনকৈ গল্প, ভ্ৰমণ কাহিনী আৰু চলচ্চিত্ৰ সমালোচনাৰ পুথিও প্ৰকাশ পাইছে। তেওঁৰ কবিতাৰ ইংৰাজী আৰু বাংলা অনুবাদৰ পুথিও প্ৰকাশ পাইছে। তেওঁ সাতখনকৈ আন পুথি সম্পাদনাও কৰিছে।

চল্লিশখনতকৈ অধিক পুথিৰ ৰচয়িতা অনুভৱ তুলসীৰ কবিতা গুৱাহাটী বিশ্ববিদ্যালয়, তেজপুৰ বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয় আৰু লক্ষীমপুৰ মহাবিদ্যালয়ৰ স্নাতকোত্তৰ অসমীয়া বিভাগৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হৈছে। অক্সফৰ্ড বিশ্ববিদ্যালয়, পেংগুইন, নৰ্থ ইষ্টাৰ্ণ পাৰ্বত্য বিশ্ববিদ্যালয়, সাহিত্য অকাডেমি, নেশ্বনেল বুক ট্ৰাষ্ট আদিৰ পৰা প্ৰকাশিত অতিকে সন্মানজনক গ্ৰন্থত তেওঁৰ কবিতা অন্তৰ্ভুক্ত হৈছে।

তুৰস্কৰ ইষ্টানবুল, আমেৰিকাৰ অষ্টিন, গ্ৰীচৰ এথেন্স, দক্ষিণ-পুব এচিয়াৰ সাহিত্য মহোৎসৱ, আৰু বাংলাদেশৰ ঢাকাত অনুস্থিত বিশ্ব কবিতা সাহিত্য মহোৎসৱত কবিতা পাঠৰ বাবে তেওঁ একাধিকবাৰ আমন্ত্ৰিত হৈছে। স্পেনীচ, জাৰ্মানী, ফৰাচী, চুইডিচ, হাঙ্গেৰী, উজবেক আদি বিদেশী ভাষালৈও তেওঁৰ কবিতা অনুবাদ হৈছে।

অনুভৱ তুলসীয়ে মুনীন বৰকটকী বঁটা, কেন্দ্ৰীয় চৰকাৰৰ সংস্কৃতি দপ্তৰৰ জ্যেষ্ঠ ফেল'শ্বিপ সন্মান, অন্তৰ্লিপি সাহিত্য বঁটা, সাহিত্য জ্যোতি বঁটা, অসম সাহিত্য সভাৰ সভাপতিৰ শতবৰ্ষীয় সাহিত্য সন্মান, পদ্মনাথ বিদ্যাবিনোদ স্মৃতি সাহিত্য পুৰস্কাৰ, নলবাৰী সাহিত্য সভাৰ 'জমিৰুদ্দিন আহমদ বঁটা', অসম সাহিত্য সভাৰ 'অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰী বঁটা' আদি পুৰস্কাৰ লাভ কৰিছে।

তেওঁৰ প্ৰকাশিত কবিতাপুথি হ'ল— নাজমা (১৯৮৫), দোৰোণ ফুল (১৯৯৬), জলমগ্ন দৃশ্যাৱলী (১৯৯৬), কাব্যপীঠ (১৯৯৭), নিৰ্জ্জন নেপথ্য (২০০১), চৰাইৰ চকুত ফুলৰ বিচনা (২০০৩), পানীকাউৰী (২০০৫), জয় জয়তীৰ জয় (২০০৬), জুইচোৰ (২০০৭), জীৱনানন্দৰ দেহান্তৰৰ দৃশ্য (২০০৮), দেওচেলেং (২০১০), ঢেঁকীয়াপতীয়াৰ পিতৃ (২০১১), বৰষুণৰ খেতিয়ক (২০১৫), মাটিভাষা (২০১৭), অনুভৱ তুলসীৰ শ্ৰেষ্ঠ কবিতা (২০১৭), দিন ৰাতিৰ দুৱৰী (২০১৮), বানান কৰি পঢ়া লুইতৰ পানী (২০১৯), ইকৰা পৰশ এটি দিয়া (২০২০), শ্ৰীমন্তমনপৰুৱা (২০২০), এঁৰা কথা আঁখি কাব্য

(২০২০), ডেম'ক্ৰেচি অব আমব্ৰেলাজ (২০১০), মাইহাং বাটিৰ চাঁদ (২০১২), ডিৰ্বড (২০১৮)।

অনুবাদ পুথি হৈছে— আনা আখমাত'ভাৰ কবিতা (২০০১), বেলিসুতা সোণপৰুৱা (২০০৬), সম্পৰ্ক (২০১২), পুৰাতন এই বীণখনি (২০১৫), নজনা জুনুকা (২০১৬), নৰা তগৰৰ গন্ধ (২০১৮), বব ডিলান ঃ জাতি চন্দনৰ টোকাৰী (২০২০), কবিতা।

## ৫.৪ 'চিহ্নযাত্ৰাৰ কেইটামান জলমগ্ন দৃশ্যাৱলী' কবিতাটিৰ পৰ্যালোচনা

অনুভৱ তুলসীৰ 'জলমগ্ন দৃশ্যাৱলী'(১৯৯৬)ৰ অন্তৰ্গত 'চিহ্নযাত্ৰাৰ কেইটামান জলমগ্ন দৃশ্যাৱলী' পঠনৰ সময়ত যি দুটা শাৰীয়ে আমাৰ বুকুত বৰকৈ খুন্দিয়ায় সেই দুটা শাৰী হৈছে—'এদিন দুৱাৰদলি গৰকী পানী আহি ঘৰ সোমায়ছিল/সেই পানীত প্ৰসূতি আইৰ শোৱাপাটী ওপঙি আছিল'। কবিতাটিৰ অৰ্থ অনুসন্ধানত প্ৰতীক আৰু ব্যঞ্জনাৰ আঁৰলৈ ভুমুকি মৰাৰ পূৰ্বতে এই দুশাৰীৰ অভিধাই অনুৰূপ দৃশ্য প্ৰত্যক্ষ কৰা নদীয়াল মানুহ মাত্ৰকে ক্ষণিকলৈ স্তব্ধ কৰিব। ব্ৰহ্মপুত্ৰৰ উন্মত্ত বানত ওপঙা চাঙত দিন কটোৱা অভিজ্ঞতা অনেকৰ আছে। তেনে দিনত কোনোৱা মৰোঁতে শৱ দাহৰ বাবে ঠাই নোহোৱাৰ বাবে হোৱা হাহাকাৰৰো অভিজ্ঞতা নৈপৰীয়া মানুহৰ নোহোৱা নহয়। কেৱল ব্ৰহ্মপুত্ৰই নহয় কলং বা কপিলীৰো ক্ষুধিত তৰলত জাহ যোৱা দৃশ্যাৱলী নৈপৰীয়া শৈশৱ-কৈশোৰৰ জলমগ্নতাৰো উপলব্ধি হৈ ৰৈছে কেৱল অনুভৱ তুলসীৰ বাবেই নহয়; আন বহুতৰ বাবেই। ব্যতিক্ৰম বা অভিনৱত্ব এয়ে যে বোধ-উপলব্ধিৰ সেই তুৰীয় অৱস্থাটোৰ ব্যঞ্জনাঘন চিত্ৰায়ন অনুভৱ তুলসীৰ দ্বাৰা সম্ভৱ হৈ উঠিছে।

চিহ্নযাত্ৰা অসমীয়া নাট্যকলাৰ প্ৰাচীনতম ৰূপ। শঙ্কৰদেৱৰ হাতত জন্ম লোৱা এই নাট্যকলাৰ মূলাধাৰ হৈছে চিত্ৰপট। যিটো চলমান থিয়েটাৰী কৌশলৰ আদিৰূপ বুলিও কল্পনা কৰিব পাৰি। দৃশ্যাৱলীৰ চলমান ৰেখাংকণৰ বাবেই এই শব্দৰ ব্যৱহাৰ যেন লাগে। ইয়াটো কবিয়ে সাতোটা দৃশ্যপটৰ অৱতাৰণা কৰিছে চিহ্নযাত্ৰাৰ সপ্ত বৈকুণ্ঠৰ অনুৰূপে। সপ্ত বৈকুণ্ঠৰ সকলোতে ঈশ্বৰৰ বিভূতিৰ নিচিনাকৈ সাতখলপীয়া দৃশ্যায়নত কবিৰ চেতন-আচেতনৰ মাজেদি দৃশ্যমান আৰু বঞ্চিত হোৱা স্থিতি লক্ষণীয়। এই অৰ্থত চিহ্নযাত্ৰাৰ জলমগ্ন দৃশ্যাৱলীৰ নামকৰণে আদৰণি তোৰণৰ পদূলিতে আমাক অভ্যন্তৰৰ উমান দিয়ে। জলমগ্ন শব্দই পানীত বুৰা বুজায়, ই অৱশ্যে পানীত পৰা পাৰৰ ছাঁ নহয়। পানী তলৰ দৃশ্য সততে ধূসৰ, কম্পিত, অস্পষ্ট। যিমান কেঁচা উপলব্ধিয়েই নাথাকক স্মৃতি প্ৰায়েই ধূসৰ, অস্পষ্ট। আৰু এই ধূসৰতা কাব্যিক প্ৰয়োজনো হ'ব পাৰে। মনৰ অতলৰ অস্থিৰতা প্ৰকাশৰ বাবেও এই প্ৰয়োগ হ'ব পাৰে। আৰু জীৱনো জলজ। জলৰ পৰাই উৎপত্তি আৰু তাতেই শেষ।

কবিতাটিৰ গুৰুত্ব আলচি কবি-সমালোচক হৰেকৃষ্ণ ডেকাই লিখিছে—'শৈশৱ আৰু নিজৰ চৌপাশৰ যাদুকৰী কল্পনাৰ জগতখনত কিছুমান দৃশ্য অতি চিত্তকৰ্ষক হিচাপে (কবিয়ে)লৈ আহিছে 'চিহ্নযাত্ৰাৰ কেইটামান জলমগ্ন দৃশ্য' নামৰ কবিতাটোত। ...আৱেগ-

অনুভূতিৰে ভৰপূৰ এই স্মৃতিৰ দৃশ্যাৱলী-ওপৰা ওপৰি হৈ পৰাৰ কাৰণেই নেকি উৎপ্ৰেক্ষাৰ দলদোপে মাজে মাজে পকনীয়াৰ সৃষ্টি কৰিছে। তেনে পকনীয়াৰ 'নিস্তৰংগ নিস্ৰোত' , 'খলকনি কল্লোল' কাঁইটেৰে লেখা ভাব-তৰংগ পাৰ হৈ আহিলে শৈশৱৰ অভিজ্ঞতাৰ কিছুমান অতি সুন্দৰ ভাৱোদ্দীপক ছবি কবিতাটোত পোৱা যায়। (*অনুভৱ তুলসীৰ শ্ৰেষ্ঠ কবিতা, পাতনি*)। এই সমূহ দৃশ্যায়নে অভিনৱত্বৰ সোৱাদ দি আমাক আশ্চৰ্য-চকিত কৰে যদিও সাধাৰণ পাঠকে ভাব আৰু প্ৰতীক-চিত্ৰকল্পৰ পকনীয়াত পৰি ক্ষণিকলৈ বিতত হোৱাৰ সম্ভাৱনাও থাকে। পিছে সেয়া সুথিৰ হ'লে সেই দৃশ্যায়নে মানসত বৰ্ণ বৈচিত্ৰ্যৰ পট আঁকে। মুঠ সাতোটা খণ্ডত বিভাজিত কবিতাটিৰ অভ্যন্তৰ প্ৰৱেশৰ বাট কটাৰ যত্ন কৰা হওক—

**এক**

'ধ্বংসৰ বাটৰ তোৰণৰপৰা মই ঘূৰি আহিছিলোঁ
পানীৰ অতল তলৰ তৰল সেই তোৰণত দিনে ৰাতিয়ে পহৰা দিছিল
অনিৰ্বাণ অগ্নিশিখাৰ এঁকা-বেঁকা তৰোৱাল
ভাত দিম মাছ দিম বোলা ভৰ বাৰিষাৰ
ফুচুলনিত ভোল গৈ গৰুৰ নেজৰপৰা
ৰঙাগড়াৰ পানীত এৰি দিয়া মোৰ হাতৰ দৃঢ়তা
জয় কাকইদেৱে যেতিয়া মোক ঘূৰাই দিলে
তেতিয়াও মই জলকুঁৱৰীৰ ওঁঠৰপৰা
থুতৰিয়েদি নামি ঢৌৰ অথাউনিত
সাঁতুৰিবলৈ শিকাই নাই'

অন্তৰ্লীণ আৰু বহিৰ্বাস্তৱৰ সন্তুলনত গঢ়লোৱা এই ভাব-দৃশ্যায়নৰ উহটো অতীত অনুভৱ—শৈশৱ-কৈশোৰৰ খণ্ডিত জীৱন অনুধাৱনতে ওলোৱা। এই দৃশ্যায়নত কবিৰ স্থিতি দুমুখীয়া—এটা প্ৰথম পুৰুষৰ বিষয়ী উপস্থিতি, য'ত তেওঁ নিজে ঘটনাবোৰৰ কাৰক। অন্যটো সেই ঘটনাৰ নেৰেটৰৰ য'ত কবি কথক— নিজৰো আৰু নিজক প্ৰকাশ কৰা আন এজনৰো। যাক কবিৰেই সাহিত্যিক সত্তা বুলি ভাবিব পাৰি। কবিতাটিৰ অভ্যন্তৰ প্ৰৱেশৰ আৰম্ভণি যাত্ৰাৰ তোৰণখন পিছে বাস্তৱ আৰু সপোনৰ উমৈহতীয়া সম্পদেৰে সজা। সাহিত্যতত্ত্বৰ বিচাৰত অধিবাস্তৱবাদ(surrealism)ৰ কাষ চপা এই চিন্তনে কবিতাটিৰ পৰৱৰ্তী বাস্তৱ দৃশ্যায়নতো অগা-ডেৱা কৰা পৰিলক্ষিত হয়। যাদুকৰী বাস্তৱবাদৰ(magic realism)ৰ সাধাৰণ ব্যাখ্য যদি ইন্দ্ৰজাল চিত্ৰায়ণৰ বাস্তৱ অভিপ্সা হয়, তেনে তাৰো কছৰৎ কবিতাটিত নোহোৱা নহয়।

শৈশৱ-বোধনৰ বাস্তৱ প্ৰপঞ্চতকৈ কবিতাটিৰ প্ৰথম খণ্ডত সেই বয়সত মনত ধৰা দিয়া কল্পিত জগতৰ অৱহাৱাইহে কবিৰ চেতন চানি ধৰিছে। সেয়াও অতিক্ৰান্ত সময়ৰ পৰিপক্কতাৰপৰা উকি মাৰি চোৱা নিৰাগ-নিষ্কলুষ শৈশৱ-কৈশোৰৰ অতীত। হ'লেও সেয়া যেন পুৰাতন নহয়, সজীৱ বৰ্তমান। ৰঙাগড়াৰ পানীত পাৰি দিওঁতে গৰুৰ নেজত ধৰি সাঁতোৰ মেলাৰ সহজ কৌশলটোত অপৰিপক্ক হাত পৈণত কৰাৰ বাবে হাত এৰাৰ

প্ৰয়োজনীয়তা জয় ককাইদেউৰ উৎসাহী শিকনৰ মাজেৰে আহিলেও তাত এটা অহেতুক ভয় বা সংশয়ে বাহ বান্ধিছে। সেয়া জলকুঁৱৰীৰ সাধুৱে নিৰ্দেশ কৰা অতলৰ ৰহস্যময়তাৰে শিহৰিত। তাত অৱশ্যে আতিথ্য আৰু আদৰণী তোৰণৰ সঞ্জাত আনন্দ এটাও নোহোৱা নহয়। সেয়ে ভাত দিম মাছ দিম বোলা ভৰ বাৰিষাৰ ফুচুলনি। এয়া যেন ফুচুলনিত দিকভ্ৰান্ত শিশু মনৰ অস্থিৰতা। পিছে, জলকুঁৱৰীৰ ৰাজ্যত এই জীৱন থাকিবনে? সেয়ে হয়তো ধ্বংসৰ বাটৰ তোৰণ। ৰসহ্যময় জগতত জীৱনৰ পৰিৱৰ্তন বিলাস একে সময়তে উৎসাহৰো আৰু ভীতি বিহ্বলতাৰো কাৰক।

জলকুঁৱৰীৰ অতল তল, নৈৰ তল— দুয়োটাই জলজ। জীৱনো জলজ। উৎপত্তিও জলকুণ্ডৰপৰা আৰু সমাপ্তি মাটিত হ'লেও টৌৱাই নিয়া পানীৰে সন্নিহিত জলত।

**দুই**

'দেউতাই মোৰ বাবে নাও এখন এৰি গৈ ভুল কৰা নাইতো?
মই কিন্তু ককাদেউতাৰ সেই বেহেলাখনৰ নামতহে
নটুৱানচা পাহাৰৰ নামনিৰ নৈখন উছৰ্গা কৰিছিলোঁ
তেওঁৰ ককাল বাগৰি কৰঙনলৈ বিয়পি পৰা
ছিগা তাঁৰৰ চিতাগ্নি ময়ো দেখিছিলোঁ কিজানি
দেউতাই কুঁৱা খান্দিছিলনেকি জলমগ্ন হাতৰ জুমুঠিটাৰত
নে প্ৰজ্বলিত পানীত মেলি দিয়া বাপতিসাহন সেই নাও বাবলৈ
ইকৰা পাতৰ মাজৰপৰা বাছি লৈছিল
অপত্য স্নেহত বিগলিত মমৰ বঠা'

জলজ অৱস্থাৰপৰা নিবৃত্তিৰ বা জলজৰপৰা উদ্ধাৰ অথবা জল-পৰাক্ৰম অতিক্ৰমৰ বাহক নাওখন। ভকতীয়া সুৰটো ধৰিলে (যিহেতু চিহ্নযাত্ৰাৰ প্ৰসংগ আহিছে) নাওখন জীৱন বৈতৰণী উদ্ধাৰৰ প্ৰতীকায়ন। কিন্তু একে সময়তে সি নৈপৰীয়া কবিৰ জীৱন চৰ্যাৰো এক এৰাব নোৱৰা প্ৰপঞ্চ। এয়া বহুমাত্ৰিক অৰ্থত ঐতিহ্যও। কবিৰ বাবে পূৰ্বপুৰুষে এৰি যোৱা ঐতিহ্য। প্ৰসংগক্ৰমে উল্লেখনীয় যে বৈষ্ণৱ পৰম্পৰাৰ প্ৰবাহতে মজি থকা ককাদেউতাকৰ শিল্পী সত্তাৰ ছাঁতেই কবিও গজি উঠিবলে' সুবিধা পাইছিল। নাওখন জীৱনৰ প্ৰয়োজন। বেহেলাখনো সংস্কৃতিক উপকৰণ হিচাপে জীৱনৰে প্ৰয়োজন যদিও নিতান্তই অপৰিহাৰ্য নহয়। কিন্তু কবিয়ে সেই প্ৰয়োজনীয়তাকো গ্ৰহণ কৰিছে। কিন্তু কবিৰ বাবে জীৱন আৰু কলাৰ সন্তুলিত অৱস্থাটোত পূৰ্বপুৰুষৰ প্ৰেৰণাময়ী আৱেশহে আছে, তেওঁলোকৰ সাহচৰ্য কবিয়ে হেৰুৱাইছে। দেউতাকে নাওখন এৰি গ'লগৈ আৰু ককাকৰ চিতাগ্নিত জ্বলি উঠা বেহেলাৰ ছিগাতাঁৰ তেওঁ দেখিছিল। এই দৃশ্যমান তেওঁৰ বাবে এতিয়া ধূসৰ। সেয়ে 'কিজানি'ৰ সন্দেহে ওৰা ধৰিছে। ককাকৰ মৃত্যুৰ পাছত সৎকাৰ কৰ্মত দেউতাকৰ হাতত জ্বলি থকা জুমুঠি আৰু চিতাগ্নি কবিয়ে দেখিছিল যদিও তেওঁ সেই মৰণৰ মাজেৰে অন্য এক জীৱন-স্বপ্নৰো আগমন দেখিছে। সেই কুঁৱাটো ঐতিহ্য-সমৃদ্ধিৰ প্ৰতীকেই হ'ব; য'ৰ পানীৰে উত্তৰ পুৰুষক জীপ দিয়াৰ উদ্দেশ্য নিহিত হৈ আছে। সেয়াতো অপত্য স্নেহ বা উত্তৰ পুৰুষৰ প্ৰতি

দায়বদ্ধতা; লোককথাৰ বৈতৰণী পাৰ হ'বলৈ ইকৰাপাতৰ নাও আৰু বিগলিত স্নেহ বুজাবৰ বাবে মমৰ বঠা। তেওঁলোকৰ এই মৰম-বেথা কবিলৈ, সৃষ্টিক্ষম প্ৰজ্ঞাৰ ভৱিষ্যতলৈ। আৰু সেই জোঁৰটাৰে ককাককে পুৰিছিলনে? কবিৰ চেতনাত সি পানী জ্বলাইছিল—প্ৰজ্বলিত পানী। বাপতিসাহোন নাওখন সেই ঐতিহ্য। প্ৰতীক আৰু ৰূপকৰ ভৰত চেতনা জোটপোট খোৱা অৱস্থা এটা।

**তিনি**

'আমাৰ পিছপিনৰ চেঁচুকৰ সেই যে পুখুৰীটো
খাজুৰী কাঁইটে সী পেলোৱা তেজত লুতুৰি
চাৰৰ হাতৰ আঙুলিৰ উদয়াস্তৰ আঁচলত ধৰি
পানীৰ ফলিৰ ৫১ নং সেই পঢ়াশালি পাৰ হৈ আহিলোঁ
যদিও পানী গামোচা দলিয়াই দি ঢৌৰ দোলনাত দুলি
মাছৰ ফিছাত ধৰি ভেঁট পদুমৰ পদূলিত
কাঁচিজোনৰ কেইখোজমান দিয়াৰ পিছত
জবাফুলৰ গৰ্ভৰ গোপন সুৰুঙায়েদি
হিজলনি বিললৈ যোৱাৰ বাটত জলকুঁৱৰী
আৰু জাকৈয়া ছোৱালীৰ চিঠিৰ উজান চাই
ঘৰলৈ ঘূৰি আহি আইৰ জ্বলাচাকি চকুৰ
কোপদৃষ্টিৰ ফলত ভগা খালৈৰ
অশ্লীল কথাৰ কুচীয়াকেইটা অন্তৰ্হিত হ'লতহে
শপতৰ পীৰাত বহুৱাই লেকেচীৰ লেহুকা শিখাৰে
আয়ে মোৰ দেহৰ তুলসীত টোপ টোপকৈ ঢালে পৱিত্ৰতা'

এই দৃশ্যাৱলী নৈপৰীয়া, বিলপৰীয়া অসমীয়া গাঁৱত জনমলভা নিৰ্বিশেষ ল'ৰালিৰ সহজ-সুলভ দৃশ্য। পিছে তাক কেৱল ডকুমেন্টেচন কৰিলে সেই দৃশ্যাৱলীৰ শ্ৰুতিবেদ্য, স্পৰ্শ-গন্ধৰ আবেদন উপলব্ধি কৰাটো কঠিন। সেয়ে তেনে পাৰিপাৰ্শ্বিকতাৰ মোল নোপোৱা পাঠকৰ বাবে সি কেৱল মাত্ৰ সাধাৰণ উপলব্ধিতে সীমাবদ্ধ হৈ ৰয়। কিন্তু কবিয়ে ইয়াত তাক বচনাতীতৰ আনন্দলৈ ৰূপান্তৰিত কৰাৰ প্ৰয়াস কৰিছে। পঢ়াশালিৰ শৈশৱৰ পোহৰ বিলোৱা সেই বেলিটো চাৰৰ আঙুলিতে আছিল। তাৰ স্পৰ্শত কবিৰ জীৱনো পোহৰ হৈ উঠিছিল। তাতো এক যন্ত্ৰণাকাতৰ উচ্চাৰণ আছে। সেই পোহৰ নিৰ্দেশিত আঙুলিও এদিন বিক্ষত হৈছিল পুখুৰীপৰীয়া খেজুৰ কাঁইটত। কিন্তু সেই পুখুৰীতে পদুম আছিল। আছিল মাছ—সমৃদ্ধি আৰু পৱিত্ৰতাৰ পাঠ। সেয়া পানীগামোছা দলিয়াই উদং দেহাৰে পানীৰ গভীৰতা জোখা বয়স। জলজ দৃশ্য। এই চঞ্চলতাৰেই জীৱনৰো পাঠ শিকাৰ বয়স। এই পাঠত জাগতিকতাৰ সমান্তৰালভাবে আছিল ৰহস্যবোধ। জীৱ আৰু জীৱনৰ সিপাৰৰ প্ৰতি আশ্চৰ্য। সেয়ে আকৌ জলকুঁৱৰীৰ অনুষংগ। আৰু সেই জাকৈয়া ছোৱালীবোৰ। জলজ নিদ্ৰাত থকা মাছ ধৰিবলৈ যোৱা ছোৱালীবোৰ উন্মুখ প্ৰেমেৰে জাগতিক জলকুঁৱৰীয়েই। সিহঁতৰ প্ৰতি

কৈশোৰৰ আকৰ্ষণ আৰু হিজলনি বিললৈ নিসিদ্ধ বাটেৰে বাটবুলা— দুয়োটাই অপৰাধ। মাকৰ চকুত অপৰাধ। সন্তানৰ বিপদ ভাবি চিন্তান্বিত মাকৰ জ্বলাচাকি চকুৰ কোপদৃষ্টি। ইয়াত জ্বলা চাকি চকু একে সময়তে অনুৰাগ উৎকণ্ঠা আৰু মৰমজনিত ক্ৰোধৰ দ্যোতক। পৰিণতি সেই অশ্লীল-নিসিদ্ধ পাঠৰপৰা পুত্ৰক নিলগোৱা বা মুক্ত কৰাৰ প্ৰতিশ্ৰুতি। মুক্ত বিহংগৰ দৰে যথেচ্ছা বিহাৰ প্ৰত্যাশী কৈশোৰ-জীৱনত মাতৃয়ে পিন্ধোৱা শৃঙ্খল শিক্ষকৰ আনুষ্ঠানিকতাৰ বেওটোৰ বাহিৰত অনানুষ্ঠানিকতাৰ আদিপাঠ। সিয়েই তেওঁৰ জীৱনৰ পৰিত্ৰতাৰ বাহক।

**চাৰি**

'এদিন দুৱাৰডলি গৰকী পানী আহি ঘৰ সোমাইছিল
সেই পানীত প্ৰসূতি আইৰ শোৱাপাটী আছিল ওপঙি
কপিলী কলঙৰ বুকুত থিতাপি নোপোৱা ক্ৰোধিত তৰলে
পিৰালি খান্দি বেৰ চাল উটাই নিব খুজিছিল
শিলৰ গভীৰৰ শিপা উভালি নিশ্চিহ্ন কৰি দিব বিচাৰিছিল
শৈশৱ-কৈশোৰ সংলগ্ন ফলগন্ধৰ সাঁকো
সিটো পাৰে ৰিণিকি পৌঢ়তাত লাগিছিল খহনীয়া
যৌৱনৰ ধামখুমীয়াত পৰি দেউতা যদিও পলাতক
আইৰ জৰায়ুত দ্বিতীয়াৰ নৱোদিত জোন দেখি
পাঁচী-আটী ৰূপহী পথাৰ ধাত্ৰীজননী
আনন্দত হৈ পৰিছিল উৰুলিকৃত'

ইয়াতো কবিৰ অভিপ্ৰায়ে দ্বিমাত্ৰিক অৰ্থৰ ওৰা ধৰিছে। কলং-কপিলীপৰীয়া জীৱন-যাতনাৰ কৰুণ ছবি হৈ উঠা প্ৰসূতি আইৰ ওপঙা বিচনাখন, উচন প্ৰায় ভেঁটি-মাটিৰ বৰ্ণনাত প্ৰকৃতিৰ ধ্বংসাত্মক ৰূপটোৰ জলজ দৃশ্যায়ন ঘটিছে । কিন্তু সেই ক্ৰোধিত তৰলতে আছিল জীৱন জীপাল কৰা সমৃদ্ধিৰ উহ। পাঁচী আটী, ৰূপহী আদি পথাৰ সমৃদ্ধ কৰা তৰল বা জলৰ ধ্বংসমুখীতাৰ পৰিদৃশ্যায়নৰ তলসুতীয়া ইংগিতো ব্যঞ্জিত হয় কবিয়ে যেতিয়া শৈশৱ-কৈশোৰ সংলগ্ন ফুলগন্ধৰ সাঁকো নিশ্চিহ্ন কৰি দিয়া শক্তিকো সেই বান বুলিয়েই অভিহিত কৰে। এই ক্ৰোধিত তৰল যুগপৎ ভাবে কৈশোৰ উত্তীৰ্ণ যৌৱনৰ উদ্‌গিৰণো হ'ব পাৰে। আইৰৰ জৰায়ুৰ দ্বিতীয়াৰ নৱোদিত জোনৰ প্ৰসংগই ধ্বংসৰ আঁৰৰ সৃষ্টি সূচাইছে। ধাতৃজননীৰ উৰুলীকৃত অৱস্থাৰ মাজেৰে ধ্বংসৰ আঁৰলৰ সৃষ্টিকো বুজাইছে। পথাৰ আধাৰিত সপোনটোৱেও এই সম্ভাৱনীয়তাকে কয়। কিন্তু একে সময়তে প্ৰকৃতিৰ পৌৰুষ প্ৰত্যযো ব্যঞ্জিত হৈছে।

**পাঁচ**

'কেতিয়াবা দেওঘৰীয়া দলঙত বহি থাকোঁতে মোৰ এনে লাগিছিল
যেন গছৰ ডাল এটাইহে দ্বিখণ্ডিত কৰিব মোৰ হৃদয়
তেজৰ দৰে দোঙা পাতিছে দুখৰ পাতবোৰে
দীৰ্ঘশ্বাসৰ দীঘল ছায়াৰ হাত ধৰি দহিবটা ধাননিৰ ওপৰেৰে
পানীৰ মাজৰপৰা ঘূৰি অহা নাই প্ৰতিধ্বনি—

সঘনে চকু গৈছিল শ্মশানৰ সৰাপাখি সেই সমাধিলৈ
বাকলি নথকা মাছৰ দৰে তেওঁৰ মাত
ৰাতিটোৰ ভিতৰতে হয়তো তাৰপৰা
দিজুৰেদি দূৰ দিগন্তলৈ গতি কৰিছে'

ইয়াত পৌৰুষ নদীৰ ধ্বংসাত্মক ক্ৰিয়াৰ সমাপ্তি ঘটিছে যদিও জলজ দৃশ্যাৱলীৰ বাবে নৈখন আঁতৰি যোৱা নাই। সি সমাহিত। কিন্তু তাৰ ক্ৰিয়াই দি যোৱা মৃত্যুৰ যাতনাৰে কবিৰ সচেতন-অৱচেতন বিপন্ন-বিধ্বস্ত। দেওঘৰীয়া দলঙৰ একাকীত্ব আৰু শ্মশান-সমাধিৰ দৃশ্যায়নে কবিৰ অন্তৰৰত তোলা বিষাদ তেওঁ পুনৰ উচ্চাৰণ কৰিছে। তাত কোন শুই আছে, তাত কাৰ চিতা পৰি আছে সেয়া স্পষ্ট নহ'লেও কবিৰ কোনোবা আপোনজন— হয়তো আত্মীয়, সুহৃদ-বন্ধু, নদীয়াল জীৱন। কিয়নো সেই দুখত দ্বিখণ্ডিত হৈছিল কবিৰ হৃদয়। আৰু সেই দলঙত জীৱনৰ কোনোবা সময়ত কবিয়ে তেওঁৰ বন্ধুৰ বাবে প্ৰতীক্ষা কৰি সঁহাৰি লভিছিল। দলঙত কটোৱা সময়বোৰত তেওঁ কবিৰ সংগী আছিল। তেওঁৰ অহাৰ আগজাননী দি আহিছিল হয়তো ভাটিয়ালী সুৰ— কাংক্ষিত স্বৰৰ প্ৰতিধ্বনি। কিন্তু আজি সেই প্ৰতীক্ষা অৰ্থহীন। কিয়নো বাকলি নথকা মাছৰ দৰে মসৃণ, মিহি, সৃষ্টিশীল সুৰৰ কণ্ঠ হেৰাই গৈছে দিজুৰেদি। দিজুৰো শেষ সীমা সাগৰ—মহাজীন। জীৱন এৰি মহাজীৱনত অৱগাহন কৰা এই মৃতুৰে কবিক স্তব্ধ কৰিছে। পানীৰ মাজৰপৰা ঘূৰি অহা নাই সেই প্ৰতিধ্বনি। ইয়াত দহিবটা ধাননিৰ চিত্ৰকল্প অভিনৱ।

**ছয়**

'পাট মুগা মসৃণ সমতলে আমুৰালেই
ওখোৰা মোখোৰা এটি এঙামুৰি দি
কেঁচা হালধি কঁকাল ভাঙি আয়ে নাচে।
গোৰোহা ফাটি বোৱা পৌঢ়া নদীৰ
পাখী খচিত খৰস্ৰোতা পানীয়ে
পাহাৰ খহায়।
ওখ গড়াৰ এনে এক বাৰিষাত
বাৰ্ধক্যৰ বৰতিবোৰে টানি লৈ
যুৱতী তেজৰ জাংফাই এটি উপমা
উত্তুঙ্গ পিতৃয়ে আইক দিয়ে।'

এই দৃশ্যৰ সুকীয়া স্থিতি এটা আছে যদিও 'আই' আৰু 'পিতাই'ৰূপ পূৰ্বতন আৱহে ইয়াকো তাৰ সৈতে যুক্ত কৰি ৰাখিছে। কেঁচা হালধি কঁকাল— নৃত্য ভংগিমাৰ হালধিগঠীয়া ভাঁজ হৈয়ো যাতনা নিবাৰণৰ ঔষধী প্ৰসংগৰে ভৰুণ। মসৃণ আৰু ওখোৰো মোখোৰা— মোখোৰাৰ বিৰোধো তাতেই। এফালে প্ৰাণ চঞ্চলতা আৰু আনফালে সুথিৰ। এই সুথিৰতা পৌঢ়ত্বৰ। কিন্তু মনে নাচিব খোজে যৌৱনৰ নাচ। যি নাচ বাগৰি অহা ঢলে অনমনীয় পাহাৰ খহোৱাৰ দৰে। ঢোলৰ ছন্দ-ধ্বনি সজীৱ কৰিবলৈ বৰতি টনাৰ দৰে বাৰ্ধক্য বাসনাৰ ঢেপা

ঢোলৰ নিচিনা অনুৰাগক যৌৱন-ছন্দেৰে উজ্জীৱিত কৰাৰ নাচ। সেয়ে যুৱতী তেজৰ জাংফাই পৌঢ়ত্বতো পিতৃয়ে সজীৱ কৰাৰ বাসনা। এয়া জীৱনক গ্ৰহণ, জীৱন উদযাপন আৰু তাৰে সাখী হৈ ৰোৱা কবিৰ অনুভৱ। এই নৃত্য-লাসত সংস্কৃতি সাধনাৰ পৰাকাষ্ঠাও প্ৰতিভাত হৈছে। যাৰে উত্তৰাধিকাৰী হৈ কবিয়ে আহৰণ কৰিছে অনুৰূপ দায়িত্ববোধ।

**সাত**

'সখি হ'ব পাৰোঁ যদি পানীৰ নতুবা ঢৌৰ স'তে সপোনৰ শত্ৰুতা
নিস্তৰঙ্গ নিস্ৰোত উষৰ সংলাপশূন্যতা লঠঙা ভাবলেশহীন এক ভঙ্গীমা
পানীৰ প্ৰস্তাৱনা বিনে দিনে দিনে হৈ গৈছোঁ জোৱাৰহীন যৱনিকাপ্ৰিয়
আঘোণৰ পথাৰৰ এন্দুৰৰ গাঁতৰ পাকে পাকে সৰীয়হ হালধীয়া দিনবোৰ
মাছৰ পৰিভ্ৰমী ফিছাত লাগি আকৌ ঘূৰি আহিবনে পানীৰ মাজলৈ
কণ কণ ভৰি আচাৰি আস্ফালনেৰে মোক মাতিবনে
ভয়াবহ অনিশ্চয়তাৰ মাজত ভালপোৱা অৰণ্যৰ বাঢ়ি অহা গা-গছ
ঠাল-ঠেঙুলি সপোনৰ পাত আৰু সাধুকথাৰ সৰু-বৰ চৰাই
প্ৰতিবিম্বহীন বিৱৰ্ণ দাপোন এখনৰ সমুখত এৰি যাব লাগিব এই পুখুৰীটো
বেতগাজ বাঁহবন গজি জোন-বেলিয়ে জুমি চাব নোৱৰাকৈ চেঁচুক হ'ব
খলক কল্লোল কাঁইটেৰে লেখা চিহ্নযাত্ৰাৰ কেউটি দৃশ্যৰ পতনৰ পিছতে
পানী নিৰ্মিত মঞ্চত চিপ টানি চিৰদিনলৈ শুই পৰিব মোৰ উশাহ'

সাতোটা জলমগ্ন দৃশ্যত জীৱন উদ্‌যাপন, জীৱনক গ্ৰহণ আৰু কিছু অপাৰ্থিৱ মুহূৰ্তৰ উপলব্ধিৰ মাজেদি অহা সন্তোষ নথকা নহয় যদিও জীৱনৰ ভংগুৰতা আৰু নেতিৰ মাজেদি অপৰিত্যাজ্য দুখবোধৰে সঞ্চাৰ ঘটিছে। উল্লেখ নিষ্প্ৰয়োজন যে কবিতাটিৰ মূলাধাৰ বাল্য-ভাবনা, সঞ্চিত অভিজ্ঞতা আৰু স্মৃতি কাতৰতাৰ বঢ়িয়াৰে অহা। তাৰো মৰ্মত আছে নগৰীয়া ধাতৱত পোৱা চেতনাৰ অভিঘাতৰ সৈতে সিবোৰৰ ৰিজনিত অহা উপলব্ধি। এয়াও পোনপটীয়ে অহা নহয়। অৱশ্যে বহু কবিয়ে কৰাৰ দৰে নগৰীয়া আৰু গাঁৱলীয়া জীৱনৰ তুলনাত্মক অৱস্থান কবিয়ে লোৱা নাই। তেনে কৰা হ'লে হয়তো কবিতাটিয়ে সৌকৰ্য হেৰুৱালেহেতেন। কিন্তু শৈশৱৰ দিন আৰু তাৰ সমৃদ্ধিয়ে জীপাল কৰা সময়ক তেওঁ পুনৰ উদ্‌যাপনৰ বাবেই জলমগ্ন দৃশ্যত বুৰ মাৰিছে। আৰু আৱিষ্কাৰ কৰিছে তেওঁৰ সত্তা নিৰ্মাণত সিবোৰৰ গুৰুত্ব। যি পানী আছিল তেওঁৰ জীৱন নাটৰ প্ৰস্তাৱনা, জলজ অনুষংগ আছিল শৈশৱ অভিজ্ঞতা, জীৱন নিৰ্মাণৰ পাঠ, তাৰপৰা দূৰলৈ আহি নিস্তেজ-নিস্তৰঙ্গ জীৱনত অৱগাহন কৰি তেওঁ যেন হেৰুৱাই পেলাইছে সকলো মাদকতা। এতিয়া হয়তো তেওঁৰ সন্মুখত গতানুগতিকতাত বন্ধা জীৱন—জোৱাৰহীন। প্ৰকৃতি আৰু মানুহৰ অভিন্ন সম্পৰ্কত গজি উঠা দিঠকবোৰ অপসৃয়মান হৈ গৈছে। এয়া কবিৰে নহয়, আমাৰ আধুনিক জীৱন প্ৰৱাহত অনিবাৰ্যভাৱে অৱগাহন কৰিবলগীয়া মানুহৰ দৈব্য হৈ উঠিছে। সেয়ে প্ৰকৃতিজাত,

প্ৰকৃতিগত অভিজ্ঞতাৰ শূন্য বলয়টোত অনেক প্ৰাপ্তিৰ পিছতো আমি হেৰুৱাইছোঁ অনেক। যি জীয়া, অকৃত্ৰিম, সৰল-সাধাৰণ অথচ অমূল্য। ইয়াতো আকৌ পুখুৰী এটাৰ প্ৰসংগ আহিছে। এই পুখুৰীটো তৃতীয় দৃশ্যৰ সেই চেঁচুকৰ পুখুৰীটোৰ অনুৰূপ নহয়। সেই চেঁচুক আছিল প্ৰকৃতিজাত আৰু পিঅ'ৰ। ইয়াত পানীৰ প্ৰস্তাৱনা নাই। ইও অৰণ্য। কিন্তু এই অৰণ্যত ভালপোৱাৰ গা-গছ, ঠাল-ঠেঙুলি, সাধুকথাৰ সৰু-বৰ চৰাই নাই। পানী নাই মানে মাছো নাই। মাছ মানে সৃষ্টি, সেই উৰ্বৰতাও নাই। ইয়াত চেঁচুক আছে যদিও অৰণ্য হ'ব পৰা, গছ-লতিকা বাঢিবপৰা চেঁচুক নাই। আছে নিৰ্জনতা বা একাকীত্বৰ চেঁচুক, সৃষ্টিহীনতা বা নিৰ্জীৱ চেঁচুক। বেতগাজ, বাঁহবন গজি পোহৰ নপৰা পুখুৰীৰ চেঁচুক যেন সেই অনুৰ্বৰতাৰেই প্ৰতিৰূপ। যি উৰ্বৰতাক জীপ দি তেওঁৰ শৈশৱ-কৈশোৰ-যৌৱনৰ আদি গঢ়ি উঠিছিল, সেই জলমগ্নতাতে তেওঁৰ শেষ শয়ন হ'ব।

## ৫.৫ **সাৰাংশ** (Summing Up)

চিহ্নযাত্ৰা শংকৰদেৱৰ প্ৰথম নাট। এই নাটৰ মূল আছিল চিত্ৰপট। কবিতাটিত চিত্ৰপটৰ ভাৱনাই পৰিস্ফুট হৈছে। ইয়াত অংকন কৰা সাতটা দৃশ্যাৱলী যেন সপ্ত বৈকুণ্ঠৰ অনুৰূপ। পানীৰ তলৰ দৃশ্য ধূসৰ হোৱাৰ নিচিনাকৈ কবি দৃশ্যবোৰো ধূসৰ। মানুহৰ জীৱনটোও জলজ পানীতে সৃষ্টি পানীতে শেষ।

কবিতাটিৰ প্ৰথম দৃশ্যাৱলীত কবিৰ স্থিতি দুটা প্ৰথম পুৰুষৰ বিষয়ী উপস্থিতি, য'ত তেওঁ নিজে ঘটনাবোৰৰ কাৰক। আনটো সেই ঘটনাৰ কবিয়ে কথক। দ্বিতীয় দৃশ্যাৱলীৰ নাওখন আমাৰ ঐতিহ্য ই বৈতৰণীৰ প্ৰতীক। তৃতীয় দৃশ্যাৱলী নৈ পৰীয়া বিলপৰীয়া নাওঁলীয়া ল'ৰালিৰ সহজ সুলভ দৃশ্য। চতুৰ্থ দৃশ্যাৱলী- নৈপৰীয়া জীৱন যাতনাৰ কৰুণ ছবি। পঞ্চম দৃশ্যাৱলী সমাহিত নদীৰ .......... ক্ৰিয়াই দি যোৱা মৃত্যুৰ যাতনাৰে চিত্ৰ। ষষ্ঠচিত্ৰ দায়িত্বহীন উত্তৰ পুৰুষৰ পূৰ্ব পুৰুষ আঁতৰি যোৱাৰ পিছত নিগাজী হোৱা দায়িত্ববোধ। অন্তিম পৰ্ব যি ...... জুপ দি শৈশৱ-কৈশোৰ যৌৱন আদি গঢ়ি উঠা....... জলমগ্নতাতে শেষ শৱন।

## ৫.৬ **আৰ্হি প্ৰশ্ন** (Sample Questions)

১। কবি অনুভৱ তুলসীৰ পৰিচয় জ্ঞাপন কৰি তেওঁ সাহিত্য-কীৰ্তি আলোচনা কৰক।
২। 'চিহ্নযাত্ৰাৰ কেইটামান জলমগ্ন দৃশ্যাৱলী' বিষয়বস্তু সম্পৰ্কে পৰ্যালোচনা কৰক।
৩। 'চিহ্নযাত্ৰাৰ কেইটামান জলমগ্ন দৃশ্যাৱলী' কবিতাটিৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰক।
৪। 'চিহ্নযাত্ৰাৰ কেইটামান জলমগ্ন দৃশ্যাৱলী' কবিতাটিত সাতোটা কাণ্ডত ভাগ কৰাৰ কাৰণ কি বুজাই লিখক।
৫। 'চিহ্নযাত্ৰাৰ কেইটামান জলমগ্ন দৃশ্যাৱলী' কবিতাটিৰ সাতোটা খণ্ডৰ ব্যাখ্যা একাদিক্ৰমে আগবঢ়াওক।

## ৫.৭ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


ভবেন বৰুৱা : *অসমীয়া কবিতা ৰূপান্তৰৰ পৰ্ব*

ইমদাদ উল্লাহ্ : *সৃজন আৰু মনন*

কৰবী ডেকা হাজৰিকা : *অসমীয়া কবিতা*

চন্দ্ৰ কটকী : *আধুনিক অসমীয়া কবিতা*

নৰকান্ত বৰুৱা : *মোৰ আৰু পৃথিৱীৰ*

প্ৰফুল্ল চন্দ্ৰ বৰা : *জীৱন কবিতা আৰু নৰকান্ত*

লোপা বৰুৱা : *আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প*

হোমেন বৰগোহাঞি (সম্পা) : *অসমীয়া সাহিত্যৰ বুৰঞ্জী,* (ষষ্ঠ খণ্ড)